GCM (S6) 03
Exam Code : TAX

কৰ আৰোপণ

ষষ্ঠ ষাণ্মাসিক

বাণিজ্য

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক নয়ন বৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক হেমচন্দ্র গৌতম, গুৱাহাটী বিশ্ববিদ্যালয়
ড° এছ. কে. মহাপাত্র, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° দেৱজিৎ গোস্বামী, ড° দিপাংকৰ মালাকাৰ আৰু শ্রীসঞ্জীৱ ঘিমিৰে, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১ আৰু ২	ড° ৰমেন বর্মণ, গৌহাটী কর্মাচ কলেজ	শ্রী চেনীৰাম বৈদ্য, অৱসৰপ্রাপ্ত অধ্যাপক নগাঁও কলেজ (অধ্যায় ১, ২, ৩ আৰু ৭)
৩	অধ্যাপক হেমচন্দ্র গৌতম, গুৱাহাটী বিশ্ববিদ্যালয়	
৪, ৫, ৬, ৮	শ্রী সঞ্জীৱ ঘিমিৰে,	শ্রী সুদেষ্ণা গৌতম, (অধ্যায় ৪)
৯, ১০, ১১	সমল ব্যক্তি, ছেবি	শ্রী কন্যা কুমাৰী, (অধ্যায় ৫ আৰু ৬)
১২, ১৩, ১৪		শ্রী সঞ্জীৱ ঘিমিৰে (অধ্যায় ৮)
৭ ড° লীনা ডাম, অইল ইণ্ডিয়া লিমিটেড		শ্রী প্রীতি শর্মা (অধ্যায় ৯, ১১ আৰু ১৩)
		শ্রী অর্ণব শর্মা, গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ১০ আৰু ১২)
		শ্রী গিৰীন্দ্র শইকীয়া, দৈনিক গণ অধিকাৰ (অধ্যায় ১৪)

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপক হেমচন্দ্র গৌতম, গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ১, ২ আৰু ৭)
গাঁথনিক সম্পাদনা ঃ ড° দেৱজিৎ গোস্বামী, (অধ্যায় ৪, ৫, ৬, ৮, ৯, ১০, ১১, ১২, ১৩ আৰু ১৪)

প্রথম প্রকাশ ঃ জানুৱাৰী, ২০২০

ISBN: 978-93-89955-52-1

© কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৱাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web: www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

স্নাতক বাণিজ্য
কৰ আৰোপণ
বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ঃ **প্রত্যক্ষ কৰৰ পৰিচয়** ৭-৩২

প্রত্যক্ষ আৰু পৰোক্ষ কৰ; আয়কৰৰ প্রাথমিক ধাৰণা ঃ আয়ৰ ধাৰণা, ব্যক্তিৰ অর্থ, কৰদাতাৰ অর্থ; বিত্তীয় বর্ষ, কৰ নির্ধাৰণ বর্ষ আৰু পূর্ববর্তী বর্ষৰ অর্থ ঃ সর্বমুঠ আয়, মুঠ আয়, অব্যাহতিপ্রাপ্ত আয়সমূহ; আয়কৰৰ অর্থ; ধার্যৰ ভিত্তি; আবাসিক স্থিতি আৰু কৰৰ দেনা ঃ এজন ব্যক্তিৰ আবাসিক স্থিতি।

অধ্যায় ২ঃ **আয়কৰ আইনৰ অধীনত আয়ৰ শিতান** ৩৩-৪৮

আয়ৰ শিতানসমূহ; দৰমহা; ঘৰ-সম্পত্তিৰ পৰা পোৱা আয়; ব্যৱসায় আৰু পেশাৰ লাভ আৰু অর্জনসমূহ; মূলধনী লাভসমূহ; অন্যান্য উৎসসমূহৰ পৰা আয়।

অধ্যায় ৩ঃ **কৰ দেনাৰ মূল্যায়ণ** ৪৯-৬৮

দৰমহাৰ অর্থ ঃ দৰমহাৰ পৰা পোৱা আয়ৰ বৈশিষ্ট্য, ধার্যৰ ভিত্তি, দৰমহাৰ পৰা পোৱা আয়ৰ গণনা, দৰমহাৰ পৰা পোৱা আয়ৰ গণনাৰ বাবে আয়ৰ বর্ষ আৰু কৰ নির্ধাৰণ বর্ষ, দৰমহাৰ পৰিবর্তে লাভ; কর্মচাৰীসকললৈ আগবঢ়োৱা ভাত্তাসমূহ; দৰমহাৰ পৰা পোৱা আয় গণনাৰ বাবে বিবেচনা কৰা বিভিন্ন বিষয়সমূহ; 80C আদি ধাৰাৰ অধীনত বিয়োগসমূহ।

অধ্যায় ৪ঃ **কৰ পৰিকল্পনা-১** ৬৯-৮২

কৰ পৰিকল্পনাৰ অর্থ আৰু ধাৰণা; কৰ পৰিকল্পনা আৰু কৰ পৰিচালনা; কৰ পৰিকল্পনা, কৰফাঁকি, কৰ পৰিহাৰ; কৰ পৰিকল্পনা আৰু আয়ৰ অপসাৰণ/আয়ৰ প্রয়োগ; ব্যৱসায়ৰ লগত জড়িত কৰ পৰিকল্পনাসমূহ।

অধ্যায় ৫ঃ **কৰ পৰিকল্পনা-২** ৮৩-৮৭

পৰিচালনামূলক সিদ্ধান্তৰ বাবে কৰ পৰিকল্পনা ঃ নির্মাণ অথবা ক্রয় সিদ্ধান্ত, নিজা অথবা বন্ধকী, একত্রিকৰণ আৰু সংযোজীকৰণ।

অধ্যায় ৬ঃ **কৰ পৰিচালনা** ৮৮-১০০

কৰ পৰিচালনাৰ অর্থ আৰু ধাৰণা; উৎসৰ পৰা হোৱা কৰ কর্তনৰ বিষয়ে কৰ পৰিচালনা; আয় নির্ধাৰণ সম্পর্কে কৰ পৰিচালনাৰ ভূমিকা; দৰমহা আয়ৰ ক্ষেত্রত কৰ পৰিকল্পনাৰ বিবেচনাসমূহ; মূল্যায়ণ প্রক্রিয়া।

অধ্যায় ৭ঃ **আয়কৰ কর্তৃপক্ষ** ১০১-১০৭
আয়কৰ কর্তৃপক্ষসমূহ; বিভিন্ন আয়কৰ কর্তৃপক্ষৰ নিযুক্তি আৰু ক্ষমতাসমূহ।

অধ্যায় ৮ঃ **পৰোক্ষ কৰৰ পৰিচয়** ১০৮-১১৮
পৰোক্ষ কৰৰ ধাৰণা; পৰোক্ষ কৰৰ বৈশিষ্ট্যসমূহ; GST পূর্বৰ সাংবিধানিক সুবিধাসমূহ/ব্যৱস্থা; উত্তৰ GST ৰ সাংবিধানিক প্রেক্ষাপট; GST ৰ বৈশিষ্ট্যসমূহ; GST ৰ সুবিধাসমূহ।

অধ্যায় ৯ঃ **জি এছ টি পূর্বৰ পৰোক্ষ কৰসমূহ** ১১৯-১২৮
ভাৰতবর্ষত পৰোক্ষ কৰৰ ইতিহাস; মূল্য সংযোজন কৰ; কেন্দ্রীয় বিক্রী কৰ; সেৱা কৰ; আবকাৰী শুল্ক; সীমাশুল্ক।

অধ্যায় ১০ঃ **ভাৰতত জি এছ টিৰ গাঁথনি** ১২৯-১৩৯
ভাৰতত জি এছ টিৰ ইতিহাস; জি এছ টি কাউন্সিল; জি এছ টিৰ দ্বৈত আর্হি ঃ চি জি এছ টি (CGST), এছ জি এছ টি (SGST), ইউ টি জি এছ টি (UTGST), আই জি এছ টি (IGST); জি এছ টি নেটৱর্ক।

অধ্যায় ১১ঃ **জি এছ টি আইনৰ অধীনৰ গুৰুত্বপূর্ণ পৰিভাষা আৰু সংজ্ঞাসমূহ** ১৪০-১৪৮
জি এছ টি আইনৰ অধীনৰ গুৰুত্বপূর্ণ পৰিভাষা আৰু সংজ্ঞাসমূহ।

অধ্যায় ১২ঃ **জি এছ টিৰ অধীনত শুল্ক আৰু কৰ সংগ্রহ** ১৪৯-১৫৬
যোগানৰ পৰিসৰ; জি এছ টিৰ হাৰৰ গাঁথনি; যৌগিক আৰু মিশ্রিত যোগান; জি এছ টি আইনৰ অধীনত ৰচনাৰ আঁচনি।

অধ্যায় ১৩ঃ **দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনত পঞ্জীয়ন** ১৫৭-১৭১
দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনত পঞ্জীয়নকৰণৰ সুবিধাসমূহ; পঞ্জীয়নৰ বাবে দায়বদ্ধ ব্যক্তিসকল (ধাৰা ২২); পঞ্জীয়নৰ বাবে দায়বদ্ধ নোহোৱা ব্যক্তিসকল (ধাৰা ২৩); দ্রব্য পঞ্জীয়ন সম্পর্কীয় ব্যৱস্থাৱলী আৰু সেৱা কৰৰ অধীনৰ বাধ্যতামূলক পঞ্জীয়ন (ধাৰা ২৪); দ্রব্য আৰু সেৱা কৰৰ অধীনত পঞ্জীয়নকৰণ পদ্ধতি; বিবেচ্য পঞ্জীয়ন; পঞ্জীয়ন সংখ্যা প্রাপ্তি; পঞ্জীয়ন সংশোধন; পঞ্জীয়ন বাতিলকৰণ; আইন পঞ্জীয়ন বাতিল পুনৰুজ্জীৱিতকৰণ; অনলাইন পঞ্জীয়নকৰণত প্রয়োজনীয় স্তৰসমূহ; ৰাজ্য বিশেষে অথবা কেন্দ্রীয় শাসিত অঞ্চল বিশেষে ভিন্ন পঞ্জীয়ন পদ্ধতিসমূহ।

অধ্যায় ১৪ঃ **সীমাশুল্ক আইনৰ পৰিচয়** ১৭২-১৯৬
সীমাশুল্ক আইনৰ বিষয়ে; সীমাশুল্কৰ উদ্দেশ্য; সীমাশুল্ক আইন, ১৯৬২ৰ অধীনস্থ গুৰুত্বপূর্ণ সংজ্ঞাৱলী; সীমাশুল্কৰ প্রকাৰ; সীমাশুল্কৰ কৰ প্রশাসন নীতি; সামগ্রীৰ শ্রেণীবিভাজন আৰু সামগ্রীৰ মূল্যায়নৰ প্রাথমিক নীতি; সীমাশুল্ক কর্তৃপক্ষ।

পাঠ্যবিষয়ৰ পৰিচয়

বি. কম. পাঠ্যক্ৰমৰ কৰ আৰোপণ পাঠ্যবিষয়ে কৰ প্ৰক্ৰিয়া, কৰ পৰিকল্পনাকৰণ আৰু পৰিচালনা, বিভিন্ন প্ৰকাৰৰ কৰ আদিৰ ওপৰত আলোকপাত কৰিব। চৰকাৰৰ বাবে কৰ হৈছে ৰাজহৰ প্ৰধান উৎস আৰু এই ৰাজহৰ দেশৰ উন্নয়নৰ বাবে ব্যৱহাৰ কৰা হয়। এই পাঠ্যবিষয়ে প্ৰত্যক্ষ আৰু পৰোক্ষ কৰৰ ওপৰত আলোকপাত কৰিব। প্ৰত্যক্ষ কৰৰ ক্ষেত্ৰত আয়কৰ আইনৰ কিছু অংশ আলোচনা কৰা হ'ব। পৰোক্ষ কৰৰ ক্ষেত্ৰত জি এছ টি আৰু শুল্ক আইনৰ বিষয়ে আলোচনা কৰা হ'ব। এই পাঠ্যবিষয়ে শিক্ষাৰ্থীসকলক কৰৰ ওপৰত সম্যক জ্ঞান প্ৰদানৰ উদ্দেশ্যও প্ৰস্তুত কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'অনুশীলনী'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ প্রত্যক্ষ কৰৰ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ প্রত্যক্ষ আৰু পৰোক্ষ কৰ

১.৪ আয়কৰৰ প্রাথমিক ধাৰণা

- ১.৪.১ আয়ৰ ধাৰণা
- ১.৪.২ ব্যক্তিৰ অর্থ
- ১.৪.৩ কৰদাতাৰ অর্থ
- ১.৪.৪ বিত্তীয় বর্ষ, কৰ নির্ধাৰণ বর্ষ আৰু পূর্ববর্তী বর্ষৰ অথ
- ১.৪.৫ সর্বমুঠ আয়
- ১.৪.৬ মুঠ আয়
- ১.৪.৭ অব্যাহতিপ্রাপ্ত আয়সমূহ

১.৫ আয়কৰৰ অথ

১.৬ ধার্যৰ ভিত্তি

১.৭ আবাসিক স্থিতি আৰু কৰৰ দেনা

- ১.৭.১ এজন ব্যক্তিৰ আবাসিক স্থিতি

১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৯ অধিক জানিবলৈ

১.১০ অগ্রগতিৰ খতিয়ান

১.১১ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আয়, সর্বমুঠ আয় আৰু মুঠ আয় পদৰ সংজ্ঞা দিব পাৰিব
- বিত্তীয় বছৰ, কৰ নির্ধাৰণ বছৰ আৰু পূর্ববর্তী বছৰ আয়কৰৰ উদেশ্যত উদাহৰণ দি অর্থ প্রকাশ কৰিব পাৰিব
- আয়কৰৰ অর্থ আৰু ধার্যৰ ভিত্তি ব্যাখ্যা কৰিব পাৰিব
- আয়কৰৰ উদ্দেশ্যত এজন ব্যক্তিৰ আবাসিক স্থিতিৰ বিষয়ে বর্ণনা কৰিব পাৰিব।

১.২ পৰিচয়

আমি জানো যে এটা পৰিয়াল বা সংগঠন চলাওতে টকাৰ প্রয়োজন হয়। সেই একে ধৰণেৰে চৰকাৰেও বিভিন্ন কামসমূহ সম্পন্ন কৰিবলৈকো টকাৰ প্রয়োজন হয়। আইন শৃংখলা বজাই ৰখা, বিদেশী আক্রমণৰ পৰা দেশখনক নিৰাপত্তা তথা সুৰক্ষা দিয়া, জনসাধাৰণৰ কল্যাণ সাধন কৰা আৰু জাতীয় অর্থনৈতিক উন্নয়ন কার্যক্রসমূহ চৰকাৰে কার্যকৰী কৰিব লাগে। সেয়ে চৰকাৰে আয় উপার্জন কৰিব লাগে বা ইয়াৰ কামসমূহ সম্পাদন কৰিবৰ বাবে ধন সংগ্রহ কৰিব লাগে। এই সংক্রান্তত আয় কৰ হৈছে কেন্দ্রীয় চৰকাৰৰ অতি গুৰুত্বপূর্ণ ৰাজহৰ উৎস।

ভাৰতবর্ষত এই কৰৰ প্রৱর্তন ১৮৬০ চনত কৰা হয়। ইয়াক পোন প্রথমবাৰৰ বাবে ১৯৬০ চনত প্রৱর্তন কৰা হয়। ১৯১৮ চনত এখন নতুন আয়কৰ আইন গৃহীত হয় আৰু ইয়াক পুনৰ ১৯২২ চনত আন এখন আইনৰ দ্বাৰা প্রতিস্থাপন কৰা হয়। এই আইনখন ১৯৬১-৬২ কৰ নির্ধাৰণ বছৰলৈকে বহুসংখ্যক সংশোধনৰ সৈতে কার্যকৰী হৈ থাকে।

বর্তমানৰ আয়কৰ আইনখন ১৯৫৯ চনত প্রত্যক্ষ কৰসমূহৰ প্রশাসন অনুসন্ধান সমিতিৰ (Direct Taxes Administration Enquiry Committee) প্রতিবেদনৰ পিছত ১৯৬১ চনত প্রচলন কৰা হয়। ১৯৬১ চনৰ আয়কৰ আইনখন ১৯৬২ চনৰ ১ এপ্রিলৰ পৰা কার্যকৰী হয়। এই আইন গোটেই ভাৰতবর্ষ আৰু চিকিমত (জম্মু আৰু কাশ্মীৰসহ) প্রযোজ্য হয়। ১৯৬২ চনৰ পৰা কেন্দ্রীয় চৰকাৰে আয়কৰ আইনখনত অতি ব্যাপক পৰিণতিৰে বহুতো সংশোধন কৰে।


১.৩ প্রত্যক্ষ আৰু পৰোক্ষ কৰ

আয়কৰৰ প্রাথমিক বিষয়সমূহ আলোচনা কৰাৰ আগতে আমি কৰৰ অর্থ আৰু ইয়াৰ প্রকাৰসমূহৰ সম্পর্কে বুজাটো প্রয়োজনীয়

কৰ হৈছে চৰকাৰৰ দ্বাৰা কোনো দ্রব্য, আয় বা কার্যকলাপৰ ওপৰত আৰোপ কৰা মাচুল। চৰকাৰে নিৰাপত্তা, স্বাস্থ্য, শিক্ষা, বুনিয়াদী সা-সুবিধাসমূহৰ ওপৰত হোৱা ব্যয়ৰ বোজা বহল কৰিব পৰাকৈ ৰাজহ বৃদ্ধিৰ অর্থে কৰসমূহ আৰোপ কৰে। কৰ আৰোপ আৰু সংগ্রহৰ অধিকাৰ কেৱল চৰকাৰৰ হাতত ন্যস্ত থাকে। ভাৰতীয় সংবিধানে কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰ উভয়কে কৰ আৰোপ আৰু সংগ্রহৰ ক্ষমতা প্রদান কৰিছে। সাধাৰণতে দুই প্রকাৰৰ কৰ আছে— প্রত্যক্ষ কৰ আৰু পৰোক্ষ কৰ।

প্রত্যক্ষ কৰ ঃ যদিহে ব্যক্তি এজনৰ আয় বা সম্পত্তিৰ ওপৰত প্রত্যক্ষভাৱে কৰ আৰোপ কৰা হয় তেন্তে সেয়া হৈছে প্রত্যক্ষ কৰ। উদাহৰণস্বৰূপে আয়কৰ।

পৰোক্ষ কৰ ঃ যদিহে কোনো এটা দ্রব্য বা সেৱাৰ মূল্যৰ ওপৰত কৰ আৰোপ কৰা হয়, তেন্তে সেয়া হৈছে পৰোক্ষ কৰ। উদাহৰণস্বৰূপে— দ্রব্য আৰু সেৱা কৰ (জি এছ টি) বা আবকাৰী শুল্ক।



প্রত্যক্ষ আৰু পৰোক্ষ কৰৰ মাজৰ পার্থক্যসমূহ

ক্রমিক নং	প্রত্যক্ষ কৰ	পৰোক্ষ কৰ
১	প্রত্যক্ষ কৰ আয় বা সম্পত্তিৰ ওপৰত আৰোপ কৰা হয়।	পৰোক্ষ কৰ দ্রব্য আৰু সেৱাৰ ওপৰত আৰোপ কৰা হয়।
২	প্রত্যক্ষ কৰৰ বোজা এজন ব্যক্তিৰ পৰা আন এজনলৈ স্থানান্তৰ নহয়।	পৰোক্ষ কৰৰ বোজা অন্য ব্যক্তিলৈ স্থানান্তৰ কৰিব পাৰি।
৩	প্রত্যক্ষ কৰৰ উদাহৰণ হৈছে আয়কৰ।	পৰোক্ষ কৰৰ উদাহৰণ হৈছে দ্রব্য আৰু সেৱা কৰ, আবকাৰী শুল্ক ইত্যাদি।
৪	প্রত্যক্ষ কৰৰ প্রকৃতি হৈছে ক্রমবর্দ্ধমান অর্থাৎ আয়ৰ মাত্রা যিমানেই অধিক হয় কৰৰ মাত্রা সিমানেই বৃদ্ধি পায়।	পৰোক্ষ কৰৰ প্রকৃতি হৈছে ক্রমহ্রাসমান অর্থাৎ কৰ প্রদানৰ ক্ষমতা অনুযায়ী প্রত্যক্ষ ব্যক্তিয়ে কৰৰ বোজা সমান পৰিমাণে বহন কৰে।
৫	প্রত্যক্ষ কৰৰ হাৰ ব্যক্তিবিশেষে ভিন্ন হয়।	পৰোক্ষ কৰৰ মাত্রা ব্যক্তি বিশেষে ভিন্ন নহয়।
৬	প্রত্যক্ষ কৰসমূহৰ পৰা সংগ্রহ হোৱা ৰাজহ কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰা হয়।	আনহাতে পৰোক্ষ কৰৰ দ্বাৰা সংগ্রহ কৰা ৰাজহ ভাৰতৰ কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাজত বিতৰণ কৰা হয়।

আয়কৰ হৈছে প্রত্যক্ষ কৰসমূহৰ এটা প্রকাৰ। ভাৰতবর্ষত আয়কৰ আৰোপন আয়কৰ আইন ১৯৬১ আৰু আয়কৰ নীতি ১৯৬২ৰ দ্বাৰা নিয়ন্ত্রিত হয়। ই মুঠ আয়ৰ ওপৰত আৰোপ কৰা হয় আৰু মুঠ আয় প্রাপ্ত কৰাৰ পূর্বে আয়কৰ আইনৰ কিছুমান নির্দিষ্ট বিষয়সমূহ যেনে— আৱাসিক স্থিতি, কৰ নির্ধাৰণৰ বছৰ, পূর্বৱর্তী বছৰ, কৰদাতা ইত্যাদি সম্পর্কে জনাটো আৱশ্যকীয়।

১.৪ আয়কৰৰ প্রাথমিক ধাৰণা

আয়কৰৰ প্রাথমিক ধাৰণা সম্পর্কে আলোচনা কৰাৰ পূর্বে ভাৰতবর্ষত আয়কৰৰ বুৰঞ্জী সম্পর্কে এক চমু আলোচনা কৰো আহক। ভাৰতবর্ষত আয়কৰৰ প্রচলন সম্পর্কে ১৮৬০.....। ১৮৬০ চনত পোন প্রথমবাৰৰ বাবে ইয়াক প্রচলন কৰা হয়। ১৯১৮ চনত এক নতুন আয়কৰ আইন প্রণয়ন কৰা হয় আৰু আকৌ পুনৰ ১৯২২ চনত এই আইন অন্য এক আইনৰ দ্বাৰা সলনি কৰা হয়। এই আইন ১৯৬১-৬২ চনৰ কৰ নির্ধাৰণৰ বছৰৰলৈকে বহুসংখ্যক সংশোধনীৰ সৈতে বাহাল থাকে।

১৯৫১ চনত প্রত্যক্ষ কৰসমূহৰ প্রশাসনীয় অনুসন্ধান কমিটিৰ প্রতিবেদনৰ পিছত বর্তমান সময়ৰ আয়কৰ আইন ১৯৬১ চনত কার্যকৰী হয়। আয়কৰ আইন ১৯৬১, ১৯৬২ চনৰ ১ এপ্রিলৰ পৰা ক্ষমতালৈ আহে। ই সমগ্র ভাৰতবর্ষ আৰু ছিকিমতে (জম্মু আৰু কাশ্মীৰক অন্তর্ভুক্ত কৰি) কার্যকৰী হয়। ১৯৬২ চনৰ পৰা আৰম্ভ কৰি কেন্দ্রীয় চৰকাৰৰ দ্বাৰা সুদূৰ প্রসাৰী ফলাফলৰ বাবে আয়কৰ আইনত বিভিন্ন সংশোধনী কৰা হয়।

আয়কৰ ব্যক্তিসমূহৰ আয়ৰ ওপৰত আৰোপ কৰা হয়। পৰিৱর্তিত মাত্রাত কৰ ভাৰসহ আয়কৰ প্রণালী প্রচলিত হৈ আছে। কোম্পানীসমূহৰ আয়ৰ ওপৰত আৰোপ কৰা কৰক নিগমবদ্ধ কৰ (Corporate Tax) বোলা হয়। আনহাতে, ব্যক্তিগত আয়কৰ প্রায়ে ব্যক্তিৰ মুঠ আয়ৰ ওপৰত (কিছুমান অনুমোদিত হ্রাসসহ) আৰোপ কৰা হয়। কিন্তু নিগমবদ্ধ আয়কৰ প্রায়ে প্রকৃত (net) আয়ৰ (মুঠ প্রাপ্তি আৰু অতিৰিক্ত অৱলোপনসমূহ সহ খৰচসমূহৰ পার্থক্য) ওপৰত আৰোপ কৰা হয়। নিম্নলিখিতসমূহ হৈছে বিভিন্ন ধাৰণা যিবোৰ আয়কৰৰ লগত জড়িত হয়।

১.৪.১ আয়ৰ ধাৰণা

আয়ৰ ওপৰত কৰ ধার্য কৰা হয়। সেয়ে আয়ৰ সংজ্ঞা জনাটো প্রয়োজন হয়। ১৯৬১ চনৰ আয়কৰ আইনত "আয়" শব্দটোৰ ব্যাখ্যা দিয়া নাই। আইনৰ ধাৰা ২(২৪) ৰ পৰিসৰৰ ভিতৰত আহে তাকেই আয় বুলি বিবেচনা কৰা হয় আৰু উক্ত পৰিমাণৰ ভিত্তিত প্রাপকৰ ওপৰত কৰ আৰোপ কৰা হয়। সাধাৰণ আলোচনাত আয় বুলিলে সাময়িক আর্থিক প্রাপ্তি। কিছুমান নিয়মীয়াকৈ আৰু নির্দিষ্ট উৎসৰ পৰা অহা অগমক বুজায়। আয়কৰ, এই শব্দটোৱে নিজেই বুজায় যে আয়কৰ হৈছে আয়ৰ ওপৰত আৰোপ কৰা কৰ। কিন্তু আইনত যথাযথভাৱে আয় পদটোৰ সংজ্ঞা দিয়া নাই। ইয়াৰ অর্থ হৈছে সাধাৰণ মানুহে কম-বেছি পৰিমাণে বুজাৰ দৰে, নির্দিষ্ট উৎসৰ পৰা সাময়িকভাৱে প্রাপ্ত ধন বা ধনৰ মূলৰ সমান। ইয়াক বুজাবৰ বাবে যিকোনো পৰিমাণে হাতলৈ অহা বুলি ধৰা হয়। আয় নগদ টকাত প্রাপ্তি হ'ব পাৰে বা টকাৰ পৰিবর্তে আন বস্তুৰ, যিটো টকাৰ সমান হয়, প্রাপ্তি হ'ব পাৰে। যেতিয়াই এজন কৰদাতাই আয় অর্জন কৰে তেতিয়াই তেওঁৰ ওপৰত তেনে আয়ৰ বাবে কৰ আৰোপ কৰা হয়।

১.৪.২ ব্যক্তিৰ অর্থ

'ব্যক্তি'ৰ সাধাৰণ অর্থ হৈছে এজন পুৰুষ বা এজন তিৰোতা বা এজন ব্যক্তি। কিন্তু আয়কৰৰ প্রসংগত "ব্যক্তি" পদটোৰ বিশেষ অর্থ আছে। "ব্যক্তি" পদটোৰ অর্থ ১৯৬১ চনৰ আয়কৰ আইনৰ ২(৩১) ধাৰাত অন্তর্ভুক্ত কৰিছে। ইয়াত পোনপ্রথমে নিম্নলিখিত প্রকাৰে ব্যক্তি পদটো শ্রেণী বিভক্ত কৰে —

(i) এজন লোক বা ব্যক্তি (An Individual)

(ii) এটা হিন্দু অবিভক্ত পৰিয়াল (A Hindu Undivided Family or HUF),

(iii) এটা কোম্পানী (A Company)

(iv) এখন অংশীদাৰী প্রতিষ্ঠান (A Firm)

(v) এটা ব্যক্তিৰ সন্মিলন বা ব্যক্তিৰ ফল, নিগমবদ্ধ হওক বা নহওক (An Association of Person (AOP) or a Bady of Individuals (BOL) Whether incorporated or not)

(vi) এটা স্থানীয় কর্তৃপক্ষ (A Local Authority)

(vii) পূর্ববর্তী উপধাৰাৰ যিকোনো এটাৰ ভিতৰত নপৰা প্রতিটো কৃত্রিম বিচাৰক সংক্রান্ত ব্যক্তি (Every Artificial Judicial Person not Falling wihin any of the preceding sub-clause)

এইবোৰৰ বিষয়ে আমি ব্যাখ্যা কৰো আহক।

(i) এজন ব্যক্তি (An Individual) ঃ এজন ব্যক্তি বুলিলে এজন অস্তিত্বপূর্ণ মানৱক বুজায়। ব্যক্তিজন এজ পুৰুষ, এজন তিৰোতা বা এজন নাবালক শিশু হ'ব পাৰে। নাবালক শিশুজনৰ আয় তেওঁৰ পিতা-মাতাৰ আয়ৰ ভিতৰত অন্তর্ভুক্ত কৰা হয় যাৰ প্রতিটো শিশুৰ বাবে ১৫০০ টকাকৈ বিয়োগ কৰাৰ পিছত উচ্চ পৰিমাণৰ আয় থাকে। উন্মাদ বা বলিয়া বা মূর্খ বা নাবালকৰ যাৰ আয় তেওঁৰ নিজৰ হাতত কৰযোগ্য হয় সিহঁতৰ কৰ নির্ধাৰণ ধাৰ ১৬০ ৰ ব্যৱস্থা অনুসৰি কৰা হয়।

(ii) হিন্দু অবিভক্ত পৰিয়াল (A Hindu Undivided Family or HUF) ঃ হিন্দু অবিভক্ত পৰিয়ালৰ সংজ্ঞা আয়কৰ আইনৰ অধীনত দিয়া নাই আৰু সেয়ে হিন্দু আইনৰ অধীনত দিয়া সংজ্ঞাকে আয়কৰ আইনৰ অধীনত গ্রহণ কৰা হয়। হিন্দু আইন অনুসৰি ই হৈছে, বংশানুক্রমিক বংশধৰৰূপে উদ্ভূত হোৱা উমৈহতীয়া পূর্বপুৰুষ, তেওঁলোকৰ ঘৈণী আৰু অবিবাহিত জীয়াৰীসহ এটা পৰিয়ালৰ সকলোবোৰ ব্যক্তি।

(iii) এটা কোম্পানী (A Company) ঃ ২(১৭) ধাৰাই নিম্নলিখিত ধৰণেৰে কোম্পানীৰ সংজ্ঞা দিছে।

(ক) এটা ভাৰতীয় কোম্পানী

(খ) বিদেশৰ আইনৰ অধীনত নিগমবদ্ধ হোৱা কোনো নিগমবদ্ধ সংস্থা।

(গ) কোনো প্রতিষ্ঠান, সম্মিলন বা সংস্থা যাক এটা কোম্পানী হিচাপে কৰ নির্ধাৰণ বা কৰ নির্ধাৰণযোগ্য কৰা হৈছে।

(ঘ) কোনো প্রতিষ্ঠান, সম্মিলন বা সংস্থাক প্রত্যক্ষ কৰৰ কেন্দ্রীয় বোর্ডে (Central Board of Direct Taxes) সাধাৰণ বা বিশেষ আদেশৰ যোগে কোম্পানী বুলি ঘোষণা কৰে।

(iv) এখন অংশীদাৰী প্রতিষ্ঠান (A Firm) ঃ অংশীদাৰৰ পৰা পৃথক আৰু স্বতন্ত্র সত্তা থকা এখন অংশীদাৰী প্রতিষ্ঠান এক কৰযোগ্য সত্তা।

(v) ব্যক্তিৰ সম্মিলন (Association of Persons) ঃ এই পদটোৰ সংজ্ঞা আয়কৰ আইনত নির্ধাৰণ কৰা নাই। সাধাৰণ অর্থত ব্যক্তিৰ সম্মিলন বুলিলে দুজন বা ততোধিক ব্যক্তি যি উমৈহতীয়া আয় উপার্জন কৰিবৰ উদ্দেশ্যত অংশীদাৰী প্রতিষ্ঠান গঠন নকৰাকৈ লগ হয়, সিহঁতক ব্যক্তি সম্মিলন (AOP) হিচাপে কৰ নির্ধাৰণ কৰা হয়।

(vi) ব্যক্তিৰ দল (Body of Individual i.e. BOI) ঃ ব্যক্তিৰ দল বুলিলে ব্যক্তিৰ এটা সমষ্টিক বুজায় যি কিছু আয় উপার্জনৰ উদ্দেশ্যেৰে কিছুমান কাম চলাই থাকে। ই কেৱল ব্যক্তিক লৈ গঠিত হয়। কোম্পানী বা অংশীদাৰী প্রতিষ্ঠানধৰণৰ সত্তা ব্যক্তিৰ দলৰ সদস্য হ'ব নোৱাৰে। এজন কৰদাতাই ব্যক্তিৰ দলৰ পৰা পোৱা আয়ৰ অংশৰ ওপৰত আয়কৰ পৰিশোধ কৰিব নালাগে; কিয়নো তেনে ব্যক্তিৰ দলৰ (BOI) আয়ৰ ওপৰত ইতিমধ্যে আয়কৰ পৰিশোধ কৰা হৈছে।

(vii) স্থানীয় কর্তৃপক্ষ (Local Authority) ঃ স্থানীয় কর্তৃপক্ষ পদটোৰ অর্থ হৈছে কোনো অঞ্চলৰ স্থানীয় পৰিচালনাৰ বাবে যিকোনো আইনৰ অধীনত গঠিত যিকোনো স্থানীয় কর্তৃপক্ষ। ইহঁতে অন্তর্ভুক্ত কৰে ঃ

(ক) সংবিধানৰ ২৪৩ অনুচ্ছেদৰ (d) ধাৰাত নির্দিষ্ট কৰা পঞ্চায়ত বা

(খ) সংবিধানৰ ২৪৩p অনুচ্ছেদত নির্দিষ্ট কৰা পৌৰসভা বা

(গ) আইনগতভাৱে সত্বৱান হোৱা বা চৰকাৰৰ দ্বাৰা ন্যস্ত কৰা পৌৰসভা বা স্থানীয় পুঁজিৰ অধীনত নিয়ন্ত্রিত তথা পৰিচালিত হোৱা পৌৰসমিতি (Municipal Committee) আৰু জিলাবোর্ড (District Board).

(ঘ) ১৯২৪ চনৰ ছাউনি আইনৰ (Cantonments Act) 3 ধাৰাত নির্ধাৰণ কৰা ছাউনি বোর্ড (Cantonment Board)

(viii) কৃত্রিম বিচাৰক সংক্রান্ত ব্যক্তিবৃন্দ (Artificial Juridical Persons) ঃ কৃত্রিম বিচাৰক সংক্রান্ত ব্যক্তিবৃন্দ হৈছে সত্তা যি স্বাভাৱিক ব্যক্তি নহয় কিন্তু আইনৰ অধীনত ইহঁতৰ পৃথক সত্তা আছে। এনে কৃত্রিম বিচাৰক সংক্রান্ত

ব্যক্তিবৃন্দক প্রত্যক্ষভাৱে আদালতৰ আইনত মোকর্দমা তৰিব নোৱাৰি; কিন্তু তেওঁলোকক পৰিচালনা কৰা ব্যক্তিসকলৰ যোগেদি মোকর্দমা তৰিব পাৰি। উদাহৰণস্বৰূপে, প্রভু জগন্নাথ মন্দিৰ, তিৰুপতি মন্দিৰ ইত্যাদি। তেনে প্রার্থনা কৰা ঠাইসমূহৰ বৰঙণি, দান অর্পণ আদিৰ পৰা আয় হয়। এনে আয়সমূহ আয়কৰ আইনৰ অধীনত কৰযোগ্য হয়. তথাপি আয়কৰ আইনৰ পৃথক ব্যৱস্থাৰ অধীনত সিহঁতক কৰ পৰিশোধ কৰাৰ পৰা অব্যাহতি দিয়া হৈছে যদিহে তাত উল্লেখ থকা কিছুমান চর্ত পৰিপূৰণ কৰিব পাৰে।

ওপৰত উল্লেখ কৰা সমূহৰ উপৰিও আনসকলোৰোৰ আইন সংক্রান্ত ব্যক্তিত্ব থকা কৃত্রিম ব্যক্তি যদি সিহঁত পূর্বতে উল্লেখ কৰা শ্রেণীত অন্তর্ভুক্ত নহয় তথাপি সিহঁতক ব্যক্তিৰ এই শ্রেণীত অন্তর্ভুক্ত কৰা হয়। উদাহৰণস্বৰূপে—কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়, ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নিম্নলিখিত ক্ষেত্রসমূহৰ ব্যক্তিৰ শ্রেণী নির্ধাৰণ কৰক ঃ

(i) ভাৰতীয় ষ্টেট বেংক (State Bank of India)

(ii) দিল্লী বিশ্ববিদ্যালয় (Delhi University)

(iii) L. G. Ltd

(iv) LICI

(v) M/s Das Enterprise

(vi) ববী, ৰাইনা, বিনোদ, স্মিতা আৰু জেমচ অন্তর্ভুক্ত থকা এটা যৌথ পৰিয়াল।

(vii) গুৱাহাটী পৌৰ নিগম (Guwahati Municipal Corporation)

(viii) DHSK Comerce College

(ix) Mr. G. Gogoi

১.৪.৩ কৰদাতাৰ অর্থ

১৯৬১ চনৰ আয়কৰ আইনৰ ২(৭) ধাৰা অনুসৰি কৰদাতা বুলিলে এই আইনৰ অধীনত যাৰ দ্বাৰা কোনো কৰ বা যিকোনো ধন পৰিশোধ কৰিবলগীয়া হয় তেনে ব্যক্তিকে বুজায় আৰু ই সামৰি লয় —

(i) এই আইনৰ অধীনত প্রতিজন ব্যক্তি যাৰ ওপৰত যিকোনো প্রতিবিধান আদিৰ ব্যৱস্থা লোৱা হয় ঃ

(ক) তেওঁৰ আয়ৰ ওপৰত কৰ নির্ধাৰণ কৰিবৰ বাবে, বা

(খ) আন কোনো ব্যক্তিৰ আয় নির্ধাৰণৰ বাবে তেওঁক কৰ নিৰূপণযোগ্য

(assessable) হয়, বা

(গ) তেওঁ বা তেনে ব্যক্তিয়ে বহন কৰা লোকচানৰ পৰিমাণ নির্ধাৰণ কৰিবলৈ বা

(ঘ) তেওঁ বা তেনে ব্যক্তিক দিবলগীয়া ধনৰ পৰিমাণ নির্ধাৰণ কৰিবলৈ।

(ii) প্রতিজন ব্যক্তি যাক এই আইনৰ ব্যৱস্থাৰ অধীনত কৰদাতা হিচাপে বিবেচিত হয়।

(iii) প্রতিজন ব্যক্তি যি এই আইনৰ ব্যৱস্থাৰ অধীনত বিচ্যুতিত কৰদাতা (assessee in default) হিচাপে বিবেচিত হয়।

উদাহৰণ ঃ

নিম্নলিখিত বিবৃতিসমূহ পৰীক্ষা কৰক ঃ

(ক) ৪৫ বছৰীয়া Mr. A এ ব্যৱসায় চলাই আছে। ২০২০-২১ কৰ নির্ধাৰণ বছৰৰ বাবে তেওঁৰ ব্যৱসায়ৰ পৰা আয় হয় ১,৭০,০০০ টকা। তেওঁ আয়কৰৰ কোনো প্রতিবেদন দাখিল কৰা নাই। Mr. Aক কৰদাতা হিচাপে আখ্যা দিব পাৰিনে?

(খ) ৫৩ বছৰীয়া Mr. B এটা ঘৰ সম্পত্তিৰ মালিক। তেওঁ ঘৰ সম্পত্তিৰ পৰা ২০২০-২১ কৰ নির্ধাৰণ বছৰটোত ৮০,০০০ টকা আয় হয়। তেওঁ আয়কৰ প্রতিবেদন দাখিল কৰে যদিও তেওঁৰ কৰযোগ্য আয় ১৩৫,০০০ টকাতকৈ কম। Mr. B ক কৰদাতা হিচাপে গণ্য কৰিব পাৰিনে?

(গ) শ্রীমতী মায়াৱতী নৱেনৰ পত্নী। শ্রীনৱেন এটা ঘৰ সম্পত্তিৰ মালিক। তেওঁ ঘৰ সম্পত্তিৰ পৰা ২০০৮-০৯ পূর্ববর্তী বছৰৰ আয় হয় ১৮০,০০০ টকা। ২০২০-২১ কৰ নির্ধাৰণ বছৰৰ কৰ প্রতিবেদন দাখিল কৰাৰ আগতে ২০২০ চনৰ ২৫ এপ্রিল তাৰিখত শ্রীনৱেনৰ মৃত্যু হয়। শ্রীমতী মায়াৱতীক কৰদাতা বুলিব পাৰিনে?

(ঘ) Mr. D বলিয়া E ৰ আইনগত প্রতিনিধি। Mr. E ৰ ঘৰ সম্পত্তিৰ আয় যিটো ২০২০-২১ কৰ নির্ধাৰণ বছৰৰ কৰযোগ্য পৰিমাণতকৈ বেছি। Mr D ক কৰদাতা হিচাপে গণ্য কৰিব পাৰিনে?

(ঙ) এখন কলেজৰ অধ্যক্ষই কলেজখনৰ শিক্ষকৰ দৰমহাৰ পৰা উৎসতে আয়কৰ কর্তন নকৰিলে যদিও প্রায়বোৰ শিক্ষকৰে দৰমহাৰ আয় পৰিহাৰযোগ্য (Exempted) আয়ৰ সীমাৰ ওপৰত আছে। কলেজখনৰ অধ্যক্ষজনক কৰদাতা হিচাপে গণ্য কৰিব পাৰিনে?

সমাধান ঃ

(ক) Mr. A কৰদাতা হিচাপে গণ্য হ'ব কিয়নো তেওঁৰ আয় পৰিহাৰযোগ্য আয়ৰ ওপৰত (১,৫০,০০০ টকা) আছে আৰু সেয়ে তেওঁ তেওঁৰ নিজৰ আয়ৰ ওপৰত কৰ দিবৰ বাবে দায়ী হব।

(খ) Mr. B এজন কৰদাতা হিচাপে গণ্য কৰা হ'ব কিয়নো তেওঁ তেওঁৰ আয় প্রতিবেদন

দাখিল কৰিছে যদিও তেওঁৰ কৰযোগ্য আয় পৰিহাৰযোগ্য সীমা ১,৫০,০০০ টকাতকৈ কম।

(গ) শ্রীমতী ময়ারতীক কৰদাতা হিচাপে গণ্য কৰা হ'ব কিয়নো তেওঁ তেওঁৰ স্বামী স্বর্গীয় নৰেনৰ আইনসন্মত তথা বৈধ প্রতিনিধি। বৈধ প্রতিনিধি হিচাপে তেওঁৰ স্বামীৰ ঘৰসম্পত্তিৰ আয়ৰওপৰত কৰ দিবৰ বাবে দায়ী হ'ব।

(ঘ) Mr. D ক কৰদাতা হিচাপে গণ্য কৰা হয় যিহেতু তেওঁ হৈছে এজন বলিয়া ব্যক্তি Mr. Eৰ বৈধ প্রতিনিধি। Mr. D এ Mr. E ৰ ঘৰ সম্পত্তি আয়ৰ ওপৰত কৰ পৰিশোধ কৰিব লাগিব।

(ঙ) কলেজখনৰ অধ্যক্ষ ক, যি কলেজৰ শিক্ষকসকলৰ দৰমহাৰ পৰা উৎসতে আয়কৰ কর্তন নকৰিলে যদিও শিক্ষকসকলৰ দৰমহা পৰিহাৰযোগ্য আয় ৰ সীমাৰ ওপৰত আছে, বিচ্যুতিৰ কৰদাতা (assess in default) হিচাপে গণ্য কৰা হ'ব।

১.৪.৪ বিত্তীয় বর্ষ, কৰ নির্ধাৰণ বর্ষ আৰু পূর্ববর্তী বর্ষৰ অর্থ

আয়কৰৰ উদ্দেশ্যত সময়কালৰ অর্থ জনাটো অপৰিহার্য। ভাৰতবর্ষত চৰকাৰে ইয়াৰ হিচাপসমূহ ১২ মাহৰ বাবে প্রতিবছৰে ১ এপ্রিলৰ পৰা ৩১ মার্চলৈকে সংৰক্ষণ কৰে। প্রতিবছৰৰ ১ এপ্রিলৰ পৰা ৩১ মার্চলৈকে এই সময়ছোৱাক বিত্তীয় বছৰ (Financial Year) বুলি জনা যায়। অনাচৰকাৰী সত্তা (non government entity) আৰু অনা নিগমবদ্ধ সত্তাৰ (non-corporate entity) বিত্তীয় বছৰ পৃথক হ'ব পাৰে। ২(৯) ধাৰা অনুসৰি কৰ নির্ধাৰণ বছৰ বুলিলে প্রতিবছৰৰ ১ এপ্রিলত আৰম্ভ কৰি পিছৰ বছৰৰ ৩১ মার্চত অন্তপৰা ১২ মাহ কালৰ বছৰটোক বুজায়। যিমানদূৰ সম্ভৱ আয়কৰৰ সম্পর্কত এটা নির্দিষ্ট বিত্তীয় বর্ষত (এটা বছৰৰ ১ এপ্রিলত আৰম্ভ হৈ পিছৰ বছৰৰ ৩১ মার্চত শেষ হোৱা) অর্জন কৰা আয় পিছৰ বিত্তীয় বছৰতহে কৰযোগ্য হয়।

পূর্ববর্তী বছৰ হৈছে এটা নিদিষ্ট বছৰ যি বছৰত আয় অর্জন কৰা হয়। ইয়াক আয় অর্জন কৰা বছৰ (income year) বুলিও জনা যায়। আয়কৰ আইনৰ ৩ ধাৰা অনুসৰি পূর্ববর্তী বছৰ বুলিলে কৰ নির্ধাৰণ বছৰৰ নিকটৱর্তী পূর্ববর্তী বিত্তীয় বছৰক বুজায়। পিছৰ বিত্তীয় বছৰটো যিটো বছৰত উক্ত আয় কৰযোগ্য হয় তাক কৰ নির্ধাৰণ বছৰ (Assessment year) বোলা হয়। এইটো মনত ৰাখিব লাগে যে পূর্ববর্তী বছৰ সদায় ১২ মাহ নহব'ও পাৰে। নতুনকৈ স্থাপন কৰা ব্যৱসায় বা পেশাৰ ক্ষেত্রত বা উক্ত বিত্তীয় বছৰত নতুনকৈ আয়ৰ উৎস আৰম্ভ হোৱা ক্ষেত্রত পূর্ববর্তী বছৰ আৰম্ভ হ'ব উক্ত ব্যৱসায় বা পেশা বা আয়ৰ উৎস নতুনকৈ আৰম্ভ হোৱা তাৰিখৰ পৰা উক্ত বিত্তীয় বছৰ শেষ হোৱা তাৰিখলৈকে সামৰা কালছোৱা হয়।

যেতিয়া এজন মানুহে পূর্ববর্তী বছৰত আয় অর্জন কৰে (ধৰো বিত্তীয় বছৰ ২০১৯-২০) সেই আয়ৰ ওপৰত কৰ ধার্য হ'ব কৰ নির্ধাৰণ বছৰ ২০২০-২১ ত (অর্থাৎ

১.৪.২০২০ ৰ পৰা ৩১.৩.২০২১)। এটা নির্দিষ্ট কৰ নির্ধাৰণ বছৰত যি হাৰত আয় কৰযোগ্য হয় সেই হাৰ সেই কৰ নির্ধাৰণ বছৰৰ ১ এপ্রিল তাৰিখত প্রচলিত হৈ থকা হয়।

(ক) **চলন্ত ব্যৱসায়ৰ ক্ষেত্রত পূর্ববর্তী বছৰ (Previous year in case of continuing business) ঃ** চলন্ত ব্যৱসায়ৰ ক্ষেত্রত পূর্ববর্তী বছৰ হৈছে কৰ নির্ধাৰণ বছৰৰ আগৰ বিত্তীয় বছৰ। গতিকে ২০২০-২০২১ কৰ নির্ধাৰণ বছৰৰ পূর্ববর্তী বছৰ হ'ব ১.৪.২০১৯ তাৰিখৰ পৰা ৩১.৩.২০২০ তাৰিখলৈকে।

(খ) **নতুনকৈ আৰম্ভ কৰা ব্যৱসায়ৰ ক্ষেত্রত (In case of newly started business) ঃ** নতুনকৈ আৰম্ভ কৰা ব্যৱসায়ৰ ক্ষেত্রত পূর্ববর্তী বছৰ হ'ব ব্যৱসায় আৰম্ভ কৰা তাৰিখৰ পৰা পিছৰ বিত্তীয় বছৰৰ ৩১ মার্চ তাৰিখলৈকে সামৰা কালছোৱা। উদাহৰণস্বৰূপে, Mr আনন্দে ২০১৯ চনৰ দীপাৱলীত ব্যৱসায় স্থাপন কৰি কাম-কাজ আৰম্ভ কৰিলে। ২০২০-২১ কৰ নির্ধাৰণ বছৰৰ প্রসঙ্গত পূর্ববর্তী বছৰ হ'ব ২০১৯ চনৰ দিপাৱলীৰ পৰা ২০২০ চনৰ ৩১ মার্চলৈকে সামৰা কালছোৱা।

(গ) **নতুনকৈ উৎপত্তি হোৱা আয়ৰ উৎসৰ ক্ষেত্রত (In case of a newly created source of income) ঃ** এই ক্ষেত্রত পূর্ববর্তী বছৰ হ'ব যি তাৰিখৰ পৰা তেনে আদায় পোৱা আৰম্ভ হৈছে সেই তাৰিখৰ পৰা পিছৰ বিত্তীয় বছৰৰ ৩১ মার্চ তাৰিখলৈকে সামৰা কালছোৱা। উদাহৰণস্বৰূপে,এজন মানুহে এটা ঘৰ সজা কাম সম্পূর্ণ কৰি ১.৭.২০১৯ তাৰিখে ভাড়াত দিলে। এতিয়া এই নতুনকৈ উৎপন্ন কৰা আয়ৰ উৎসৰ বাবে পূর্ববর্তী বছৰ হ'ব ১.৭.২০১৯ তাৰিখৰ পৰা ৩১.৩.২০২০ তাৰিখলৈকে সামৰা কালছোৱা।

এটা নির্দিষ্ট বিত্তীয় বছৰত (এটা বছৰৰ ১ এপ্রিলত আৰম্ভ হৈ পিছৰ বছৰৰ ৩১ মার্চত অন্ত পৰা বছৰ) অর্জন কৰা আয় পিছৰ বিত্তীয় বছৰত কৰযোগ্য হয়। যি নির্দিষ্ট বিত্তীয় বছৰত আয় অর্জন কৰা হয় তাক পূর্ববর্তী বছৰ বোলা হয় আৰু পৰৱর্তী বিত্তীয় বছৰ যিটো বছৰত উক্ত আয় কৰযোগ্য হয় তাক কৰ নির্ধাৰণ বছৰ বুলি জনা যায়। যেতিয়া এজন ব্যক্তিয়ে পূর্ববর্তী বছৰত (ধৰো বিত্তীয় বছৰ ২০১৯-২০) আয় উপার্জন কৰে, সেই আয়ৰ ওপৰত কৰ ধার্য কৰা হ'ব কৰ নির্ধাৰণ বছৰ ২০২০-২১ (অর্থাৎ ১.৪.২০২০ পৰা ৩১.৩.২০২১ তাৰিখলৈকে)। যিটো হাৰত কৰ নির্ধাৰণ বছৰত আয় কৰযোগ্য হয় সেই হাৰ হৈছে সেই কৰ নির্ধাৰণ বছৰৰ এক এপ্রিল তাৰিখত থকা হাৰ। এতিয়া নিম্নলিখিত ঘটনাৰ টোকা ৰাখক আৰু কৰ নির্ধাৰণ বছৰ নির্ণয় কৰক।

(i) Mr. Bora ই ১৪.৪.২০১৯ তাৰিখত এটা কাৰখানা আৰম্ভ কৰিলে।

(ii) Dr. S. Baishya ই ১৪.৪.২০১৯ তাৰিখত বিশ্ববিদ্যালয়ত নিযুক্তি পায় আৰু গাণনিক হিচাপে কামত যোগদান কৰে।

(iii) Mr. S. Krishna ই ১২.১১.২০১৯ তাৰিখত ১৫,০০০ টকাৰ এটা দস্তুৰী পায়।

আপুনি মনত ৰখা উচিত যে কৰ নিৰ্ধাৰণ বছৰ স্থিৰ কৰিব লাগে।

(1) Mr. Bora ৰ কাৰখানাৰ বাবে পূৰ্ববৰ্তী বছৰ হ'ব ১৪.৪.২০১৯ তাৰিখৰ পৰা ৩১.৩.২০২০ তাৰিখলৈকে সামৰা কালছোৱা গতিকে কৰ নিৰ্ধাৰণ বছৰ হ'ব ২০২০-২১।

(ii) Dr. S. Baishyaৰ বাবে পূৰ্ববৰ্তী বছৰ হ'ব ১৪.৯.২০১৯ তাৰিখৰ পৰা ৩১.৩.২০২১ তাৰিখলৈকে সামৰা কালছোৱা সেয়ে কৰ নিৰ্ধাৰণ বছৰ হ'ব ২০২০-২১।

(iii) Mr. Krishna ৰ পূৰ্ববৰ্তী বছৰ হ'ব ১২.১১.২০১৯ তাৰিখৰ পৰা ৩১.৩.২০২০ তাৰিখলৈকে সামৰা কালছোৱা। সেয়ে কৰ নিৰ্ধাৰণ বছৰ হ'ব ২০২০-২১।

১.৪.৫ সৰ্বমুঠ আয়

কৰ নিৰ্ধাৰণৰ উদ্দেশ্য 'সৰ্বমুঠ আয়' আৰু 'মুঠ আয়' পদকেইটাৰ ধাৰণা জনাটো দৰকাৰ ঃ

সৰ্বমুঠ আয় বুলিলে ৮০ C ধাৰাৰ পৰা ৮০ U ধাৰালৈকে লভ্য হোৱা কৰদাতা শ্ৰেণী অনুসৰি বিয়োগ কৰা বিষয়সমূহ বাদ দি আয়কৰ আইনৰ ব্যৱস্থা অনুসৰি গণনা কৰা পূৰ্বৰ আয়।

সৰ্বমুঠ আয় নিম্নলিখিত ধৰণেৰে গণনা কৰা হয় ঃ

প্ৰথমতে, আয়ৰ শিতান সমূহৰ অধীনত কৰযোগ্য আয়ৰ পৰিমাণ গণনা কৰিব লাগে। আনহাতে, যদি কোনো এটা শিতানৰ উৎসত লোকচান থাকে তেনেহ'লে তেনে উৎসৰ লোকচান আন শিতানসমূহৰ আয়ৰ পৰা বিয়োগ কৰা হয় যেতিয়াই তেনে ব্যৱস্থা আইনৰ অধীনত মঞ্জুৰ কৰা যোগ্য হয়। গতিকে আগলৈ স্থানান্তৰিত কৰা লোকচান, বিশোষণ নকৰা অৱক্ষয় আদি আয়কৰ আইনৰ ব্যৱস্থা অনুসৰি কৰ্তন (Set off) কৰা হয়। প্ৰতিটো শিতানৰ কৰযোগ্য আইনৰ চূড়ান্ত পৰিমাণ পিছত যোগ কৰা হয়। পৰিণতি স্বৰূপে পোৱা এই পৰিমাণকেই 'সৰ্বমুঠ আয় (Gross Total Income)' বুলি জনা যায়।

১.৪.৬ মুঠ আয়

২ (৪৫) ধাৰা অনুসৰি মুঠ আয় বুলিলে আয়কৰ আইনৰ ৫ ধাৰাত নিৰ্দিষ্ট কৰা আইনৰ বিধিনিয়ম ৰচনা কৰা ধৰণে গণনা কৰা মুঠ আয়কে বুজায়। ৫ ধাৰাৰ অধীনত কৰদাতাৰ বিভিন্ন আয়সমূহ তেওঁৰ আবাসিক স্থিতিৰ ভিত্তিত তেওঁৰ মুঠ আয়ৰ

ভিতৰত অন্তর্ভুক্ত কৰা হয়। এই আয়সমূহৰ গণনা আইনৰ বিভিন্ন ধাৰা সমূহৰ ব্যৱস্থা অনুসৰি দৰমহা, ঘৰ-সম্পত্তিৰ পৰা পোৱা আয়, ব্যৱসায় বা পেশাৰ আয় আৰু লাভ, মূলধনী লাভ আৰু অন্যান্য উৎসৰৰ পৰা পোৱা আয় শিতানৰ অধীনত কৰা হয়।

আন কথাত ক'বলৈ গ'লে মুঠ আয় বুলিলে সর্বমুঠ আয়ৰ পৰা ৪০C ৰ পৰা ৪০U লৈকে ধাৰাৰ অধীনত পোৱা কর্তনসমূহ (deduction) বিয়োগ কৰাৰ পিছত বাকী থকা পৰিমাণক বুজায়।

১.৪.৭ অব্যাহতি প্রাপ্ত আয়সমূহ

পূর্ববর্তী অনুচ্ছেদসমূহত আপুনি পালে যে আয়কৰ পূর্ববর্তী বছৰত উপার্জন কৰা আয়ৰ ওপৰত আৰোপ কৰা। আপুনি এইটোও শিকিলে যে কৰদাতাৰ আবাসিক স্থিতিৰ ওপৰত ভিত্তি কৰি কৰ আৰোপ কৰা হয়। কিন্তু এইটো নহয় যে কৰদাতাই অর্জন কৰা সকলোবোৰ আয়ৰ ওপৰতে কৰ দিব লাগে। আয়কৰ আইনৰ বিভিন্ন ব্যৱস্থাৱলীৰ অধীনত কিছুমান আয় আয়কৰৰ পৰা অব্যাহতি তথা মুক্ত কৰি দিছে। এনে আয়সমূহক অব্যাহতি প্রাপ্ত বা কৰমুক্ত আয় বোলা হয়। অব্যাহতি প্রাপ্ত বা কৰমুক্ত আয়সমূহ আয়কৰ আইনৰ ১০ ধাৰাই সামৰি লৈছে। এই ধাৰৰ অধীনত অব্যাহতি দাবী কৰিবৰ বাবে এইটো কৰদাতাৰ কর্তব্য বা প্রাপ্তিৰে পদটো অব্যাহতি শ্রেণীৰ ভিতৰত অন্তর্ভুক্ত হোৱাটো প্রমাণ দিব লাগিব।

আয়কৰৰ পৰা অব্যাহতি লোৱা প্রধান আয়সমূহ তলত তালিকাভুক্ত কৰা হ'ল।

১। কৃষি সংক্রান্ত আয়।

২। হিন্দু অবিভক্ত পৰিয়ালৰ সদস্যই হিন্দু অবিভক্ত পৰিয়ালৰ আয়ৰ পৰা বা হিন্দু অবিভক্ত পৰিয়ালৰ অধিকাৰত থকা সম্পত্তিৰ আয়ৰ পৰা পোৱা তেওঁৰ আয়।

৩। অংশীদাৰী প্রতিষ্ঠানৰ মুঠ আয় যিখিনিৰ ওপৰত পৃথকভাৱে কৰ নির্ধাৰণ কৰা হয় তাৰ পৰা এজন অংশীদাৰে পোৱা আয়ৰ অংশ।

৪। অনাবাসিক ব্যক্তি এজনে পোৱা নিম্নলিখিত শ্রেণীৰ সুত—

(১) কেন্দ্রীয় চৰকাৰে এই সংক্রান্তত বিশেষভাৱে নির্দিষ্ট কৰি দিয়া প্রতিভূতি বা বণ্ডৰ সুত।

(২) ভাৰতবর্ষৰ যিকোনো বেংকত অনাবাসিক (বাহ্যিক) হিচাপত থকা আমানৰ ওপৰত সুত।

(৩) কিছুমান নির্দিষ্ট সঞ্চয় প্রমাণপত্র যেনে জাতীয় সঞ্চয় পত্রৰ (NSC) সুত।

৫। ভাৰতৰ নিৰাপত্তাৰ লগত জড়িত আঁচনিত ভাৰতৰ ভিতৰত বা বাহিৰত সেৱা প্রদান কৰিবৰ বাবে কেন্দ্রীয় চৰকাৰৰ লগত চুক্তিত আবদ্ধ হোৱা সূত্রে কাৰিকৰী

সেৱা প্ৰাপ্তি চলাই যোৱা বাবে বিদেশী কোম্পানীয়ে মাচুল হিচাপে পোৱা আয়।

৬। মৃত্যু সহিত অৱসৰপ্ৰাপ্ত পাৰিতোষিক (Death cum Retirement Gratuity) এই ধাৰাত উল্লেখ কৰা চৰ্ত আৰু পৰিসৰৰ সাপেক্ষে কৰৰ পৰা অব্যাহতি পায়।

৭। বিনিময়কৃত (Commuted) পেঞ্চন কৰৰ পৰা এই ধাৰাত উল্লেখ কৰা চৰ্ত আৰু পৰিসৰৰ সাপেক্ষে কৰৰ পৰা অব্যাহতি পায়।

৮। এজন কৰ্মচাৰীয়ে উপাৰ্জিত ছুটি নগদীকৰণৰ বাবে পোৱা ধন এই ধাৰাত উল্লেখ কৰা চৰ্ত আৰু পৰিসৰৰ সাপেক্ষে কৰৰ পৰা অব্যাহতি পায়।

৯। এজন কৰ্মচাৰীয়ে চাটাই কৰা (retrenchment) বাবে পোৱা ক্ষতিপূৰণ এই ধাৰাত উল্লেখ কৰা চৰ্ত আৰু পৰিসৰৰ সাপেক্ষে কৰৰ পৰা অব্যাহতি পায়।

১০। ভূপাল গেচ নিৰ্গমন দুৰ্ঘটনাত কোনো পীড়িত ব্যক্তিয়ে পোৱা ক্ষতিপূৰণ।

১১। কোনো কৰ্মচাৰীয়ে ১০ বছৰ চাকৰি বা সম্পূৰ্ণ ৪৫ বছৰ হোৱা পিছত লোৱা স্বেচ্ছাধীন অৱসৰ বাবে পোৱা কোনো মুঠ পৰিমাণ।

১২। পৰিশোধ কৰিবলগীয়া প্ৰকৃত মূলধনী বীমা কৰা পৰিমাণৰ ২০% কৈ বেছি নোহোৱা বীমা পত্ৰৰ পৰিমাণৰ বাহিৰে জীৱন বীমা পত্ৰৰ অধীনত তেনে বীমাপত্ৰৰ ওপৰত আবণ্টন কৰা বোনাচসহ পোৱা কোনো পৰিমাণ।

১৩। এজন কৰ্মচাৰীয়ে বিধিবদ্ধ ভৱিষ্যনিধিৰ পৰা ফিৰৎ পোৱা পৰিমাণ।

১৪। কোনো চৰ্তসহ এজন কৰ্মচাৰীয়ে স্বীকৃতিপ্ৰাপ্ত ভৱিষ্যনিধিৰ পৰা ফিৰৎ পোৱা পৰিমাণ।

১৫। কোনো বীমা আৰু এই ধাৰাত উল্লেখ কৰা চৰ্ত আৰু পৰিসৰৰ সাপেক্ষে, এজন কৰ্মচাৰীয়ে পোৱা ঘৰভাড়া ভাত্তা।

১৬। বিশেষ ভাত্তা উক্ত ধাৰাত উল্লেখ কৰা চৰ্ত আৰু পৰিসৰৰ সাপেক্ষে কৰৰ পৰা অব্যাহতি দিয়া হয়।

১৭। কিছুমান বিশিষ্ট প্ৰতিভূতি আৰু আমানতৰ ওপৰত সুত, অধিহাৰ বা বোনাচ উক্ত ধাৰাত উল্লেখ কৰা চৰ্ত আৰু পৰিসৰৰ সাপেক্ষে বা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰ নিৰ্দিষ্ট কৰা অনুসৰি কৰৰ পৰা অব্যাহতি দিয়া হয়।

১৮। শিক্ষা খৰচৰ জোৱা মাৰিবৰ বাবে মঞ্জুৰ কৰা বৃত্তি।

১৯। লোকসভা, বিধান সভা আৰু স্থানীয় সমিতিৰ সদস্যসকলে পোৱা দৈনিক ভাত্তা বা লোকসভাৰ সদস্যসকলে পোৱা আন ভাত্তাসমূহ।

২০। কেন্দ্ৰীয় চৰকাৰে বা কোনো ৰাজ্যিক চৰকাৰে প্ৰবৰ্তন কৰা সাহিত্য সংক্ৰান্ত, বিজ্ঞানভিত্তিক আৰু কলা সুলভ কাম আৰু অন্যান্য পুৰস্কাৰ।

২১। (১) কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰৰ কৰ্মৰত ব্যক্তিয়ে আৰু 'পৰমবীৰ চক্ৰ' বা 'মহাবীৰ চক্ৰ' বা 'বীৰ চক্ৰ' আৰু তেনে সাহসী পুৰস্কাৰ, এই সংক্ৰান্তত বিশেষভাৱে উল্লেখ কৰি কেন্দ্ৰীয় চৰকাৰে ৰাজপত্ৰত জাননী দি পুৰস্কৃত কৰা

ব্যক্তিয়ে পোৱা পেঞ্চন, আৰু (২) ওপৰৰ (১) ধাৰাত উল্লেখ কৰা তেনে ব্যক্তিৰ পৰিয়ালৰ যিকোনো এজন ব্যক্তিয়ে পোৱা পেঞ্চন ১-৪-২০০০ তাৰিখৰ পৰা কৰৰ পৰা অব্যাহতি দিয়া হৈছে।

২২। আয়কৰ আইনৰ 10 (19) ধাৰা মতে, কেন্দ্ৰৰ অৰ্ধ সামৰিক বলসহ সশস্ত্ৰ বলৰ এজন সদস্যৰ বিধবা স্ত্ৰী, ল'ৰা-ছোৱালী বা মনোনীত উত্তৰাধিকাৰীয়ে য'ত তেনে সদস্যৰ মৃত্যু কাৰ্যক্ষণ কৰ্তব্য (operational duty) কৰি থকা অৱস্থাত সংঘটিত হয় 1-4-2005 তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ নিৰ্দিষ্ট কৰা মতে তেনে পৰিস্থিতি আৰু বিষয় বস্তুৰ চৰ্ত অনুসৰি পোৱা পৰিয়াল পেঞ্চন।

২৩। আয়কৰ আইনৰ 10 (19A) ধাৰা অনুসৰি ভাৰতীয় ৰাজ্যৰ পূৰ্বৰ শাসকে অধিকৃত কৰি ৰখা যিকোনো এখন ঠাইৰ বাৰ্ষিক মূল্য কৰৰ পৰা অব্যাহতি দিয়া হয়।

২৪। আয়কৰ আইনৰ 10 (20) ধাৰা মতে স্থানীয় কৰ্তৃপক্ষৰ আয় যিখিনি (১) ঘৰ সম্পত্তিৰ পৰা পোৱা আয় বা (২) মূলধনী লাভ, বা (৩) অন্যান্য উৎসসমূহৰ পৰা পোৱা আয়, বা (৪) ইয়াৰ দ্বাৰা চলোৱা ব্যৱসায়ৰ পৰা পোৱা আয় যিখিনি পণ্য সৰৱৰাহ বা সেৱা যোগান (পানী বা বিজুলীৰ পৰা নোহোৱা) ইয়াৰ আইনগত অধিকাৰৰ অঞ্চলৰ পৰা বা ইয়াৰ আইনগত অধিকাৰৰ অঞ্চলৰ ভিতৰত বা বাহিৰত পানী বা বিদ্যুৎ যোগান ধৰা বাবে উপাৰ্জন বা উদ্ভৱ হয়, সেইখিনি কৰৰ পৰা সম্পূৰ্ণকৈ অব্যাহতি পায়।

২৫। 1999-2000 কৰ নিৰ্ধাৰণ বছৰৰ পৰা 10 (23C) ধাৰাৰ অধীনত লাভ অৰ্জনৰ বাবে নোহোৱা শিক্ষাৰ উদ্দেশ্যে বিদ্যমান শিক্ষানুষ্ঠানৰ আয় কৰৰ পৰা অব্যাহতি দিয়া হয়।

২৬। লাভৰ উদ্দেশ্যে নোহোৱা একমাত্ৰ জনহিতৈষী উদ্দেশ্যে গঠিত হোৱা চিকিৎসালয় আৰু অন্যান্য চিকিৎসাৰ অনুষ্ঠানৰ আয় 10 (23C) ধাৰাৰ অধীনত কৰৰ পৰা অব্যাহতি দিছে।

২৭। আয়কৰ আইনৰ 10 (23C) ধাৰা মতে ভাৰতীয় চিকিৎসা সন্মিলনৰ (Indian Medical Association) দৰে পেশাদাৰী প্ৰতিষ্ঠানৰ আয় কৰৰ পৰা অব্যাহতি দিয়া হয়।

২৮। আয়কৰ আইনৰ 10 (23BBA) ধাৰা অনুসৰি ৰাজহুৱা ধৰ্মীয় বা দাতব্য ন্যাস বা বৃত্তি (মঠ, মন্দিৰ, ৰাকফ্, গীৰ্জা, গুৰুদ্বাৰসমূহ) প্ৰশাসনৰ বাবে গঠন কৰা কৰ্তৃপক্ষৰ আয় কৰৰ পৰা অব্যাহতি পায়।

২৯। আয়কৰ আইনৰ 10 (23D) ধাৰা অনুসৰি ৰাজহুৱা খণ্ডৰ বেংক বা ৰাজহুৱা খণ্ডৰ বিত্তীয় প্ৰতিষ্ঠান বা ভাৰতবৰ্ষৰ প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ দ্বাৰা কৰ্তৃত্ব প্ৰাপ্ত বা ভাৰতীয় ৰিজাৰ্ভ বেংকে গঠন কৰা বিজ্ঞাপিত Mutual Fund যেনে— SBI Mutual Fund, Canara Bank Mutual Fund, PNB Mutual Fund,

LIC Mutual Fund, GIC Mutual Fund আদিৰ আয় কৰৰ পৰা অব্যাহতি পায়।

৩০। আয়কৰ আইনৰ 10 (23AAB) ধাৰাৰ মতে জীৱন বীমা নিগমে 1-8-1996 তাৰিখে বা তাৰ পিছত পেঞ্চন পুঁজি আঁচনিৰ অধীনত স্থাপন কৰা এটা পুঁজি য'ত তেনে পুঁজিৰ পৰা পেঞ্চন পাবৰ বাবে যিকোনো ব্যক্তিয়ে বৰঙণি আগবঢ়ায় আৰু যিটো পুঁজি বীমাৰ নিয়ন্ত্রকে অনুমোদন কৰে, তেনে পুঁজিৰ আয় কৰৰ পৰা অব্যাহতি পায়।

৩১। আয়কৰ আইনৰ 10 (26) ধাৰা মতে অনুসূচিত জাতিৰ ব্যক্তিৰ আয় এই সংক্রান্তত কোনো নির্দিষ্ট এলেকাত বসবাস কৰে, সেই অঞ্চলত তেওঁ যিকোনো উৎসৰ পৰা আয় অর্জন কৰে বা লাভাংশ হিচাপে কোনো আয় প্রাপ্তি হয় বা প্রতিভূতিৰ ওপৰত সুত পায় যদিও ই ওপৰত উল্লেখ কৰা নির্দিষ্ট এলেকাৰ বাহিৰৰ উৎসৰ পৰা উদ্ভৱ হ'লেও ই কৰৰ পৰা অব্যাহতি পায়।

৩২। আয়কৰ আইনৰ 13A ধাৰা অনুসৰি যথাযথভাৱে পঞ্জীয়ন হোৱা ৰাজনৈতিক দলৰ কোনো আয় 'ঘৰ সম্পত্তিৰ পৰা পোৱা আয়'ৰ শিতান বা 'অন্যান্য উৎসৰ আয়ৰ' শিতান বা যিকোনো ব্যক্তিৰ পৰা তেওঁলোকে পোৱা স্বেচ্ছামূলক বৰঙণিৰ পৰা পালে তেনে আয় কৰৰ পৰা অব্যাহতি পায় যদিহে নিম্নলিখিত চর্তসমূহ পৰিপূৰণ কৰে ঃ

(ক) ৰাজনৈতিক দলটো ভাৰতবর্ষৰ নির্বাচন আয়োগৰ ওচৰত পঞ্জীয়ন হ'ব লাগিব।

(খ) ই উপযুক্ত হিচাপৰ বহী আৰু অন্যান্য দললিসমূহ সংৰক্ষণ কৰিব লাগিব যাতে কৰ নির্ধাৰণকাৰী বিষয়াই আয়ৰ বিষয়ে অনুমান কৰিব পাৰে।

(গ) ইয়াৰ হিচাপসমূহ অর্হতাসম্পন্ন চনদপ্রাপ্ত গাণনিকৰ দ্বাৰা পৰীক্ষা কৰিব লাগে।

(ঘ) যিসকল ব্যক্তিয়ে 20,000 টকাতকৈ বেছি পৰিমাণৰ স্বেচ্ছামূলক বৰঙণি আগবঢ়ায় তেওঁলোকৰ নাম আৰু ঠিকনা বিষয়ে যথাযথ নথিপত্র ই সংৰক্ষণ কৰিব লাগে।

৩৩। কিছুমান বিশিষ্ট তথা স্বতন্ত্র জাতীয় দাতব্য পুঁজি যেনে- প্রধান মন্ত্রীৰ জাতীয় সাহায্য পুঁজি (Prime Minister's National Relief Fund), প্রধান মন্ত্রীৰ লোক কলাৰ উন্নতিবর্ধন পুঁজি (Prime Minister's Fund (Promotion of Folk Art), প্রধান মন্ত্রীৰ ছাত্র পুঁজিলৈ দিয়া সাহায্য (Prime Minister's Aid to Students' Fund), সাম্প্রদায়িক সমন্বয়ৰ বাবে জাতীয় নিধি (National Foundation for Communal Harmony) বা ভাৰত চৰকাৰে জাননীযোগে কৰা যিকোনো দাতব্য পুঁজিৰ আয় কৰৰ পৰা অব্যাহতি পায়।

৩৪। 1926 চনৰ বনিক সংঘৰ আইন (Trade Union Act) ৰ অধীনত পঞ্জীয়ন হোৱা বনিক সংঘৰ 'ঘৰ সম্পত্তিৰ পৰা পোৱা আয়' আৰু 'অন্যান্য উৎসৰ পৰা পোৱা আয়' কৰৰ পৰা অব্যাহতি পায়।

৩৫। আয়কৰ আইনৰ 10 (32) ধাৰা অনুসৰি যদি এজন ব্যক্তিৰ আয়ৰ ভিতৰত তেওঁৰ নাবালক সন্তানৰ আয় সোমাই আছে তেনেহ'লে তেনে সন্তানৰ প্রতিজনৰ আয়ৰ বাবে সর্বাধিক 1,500 টকালৈকে অব্যাহতি দাবী কৰিব পাৰে যদিহে তেনে ব্যক্তিৰ আয়ৰ ভিতৰত সোমাই থকা তেনে নাবালক সন্তানৰ আয় 1,500 টকাতকৈ বেছি হয়।

৩৬। কেৱলমাত্র সংবাদ সংগ্রহ আৰু বিতৰণৰ বাবে ভাৰতবর্ষত স্থাপন কৰা ঘোষিত সংবাদ পত্র অনুসংগঠনৰ (Agency) আয় আয়কৰৰ পৰা অব্যাহতি পায় যদিহে নিম্নলিখিত চর্তসমূহ পৰিপূৰণ কৰে ঃ

(১) সংবাদ পত্র অনুসংগঠনৰ আয় কেৱল মাত্র বাতৰি সংগ্রহ আৰু বিতৰণৰ বাবে প্রয়োগ কৰা হয়।

(২) ইয়াৰ সদস্যসকলৰ মাজত ই যিকোনো ধৰণেৰে আয় বিতৰণ নকৰে।

৩৭। ৰাজ্যিক গৃহ নির্মাণ বোর্ড (State Housing Board) বা গৃহ ব্যৱস্থাপনাৰ প্রয়োজনীয়তা পূৰণৰ উদ্দেশ্যে বিধিবদ্ধ কর্তৃপক্ষই স্থাপন কৰা বা চহৰৰ, নগৰ আৰু গাঁওসমূহৰ পৰিকল্পনা আৰু উন্নয়নৰ উদ্দেশ্যে গঠন কৰা বাসস্থান কর্তৃপক্ষৰ আয় কৰৰ পৰা অব্যাহতি দিয়া হয়।

৩৮। বিধিবদ্ধ বজাৰকৰণ কর্তৃপক্ষই পণ্য বা বজাৰকৰণৰ সুবিধাৰ বাবে সংৰক্ষণ, প্রক্রিয়াকৰণ কৰিবলৈ ভাড়াত দিয়া গুদাম বা পণ্যাগাৰৰ পৰা আহৰণ কৰা যিকোনো আয় কৰৰ পৰা অব্যাহতি পায়।

৩৯। ৰাজ্যিক বা আঞ্চলিক আইনৰ অধীনত স্থাপন কৰা খাদী আৰু গ্রামোদ্যোগ বোর্ডৰ আয় কৰৰ পৰা অব্যাহতি পায়।

৪০। আয়কৰ আইনৰ 10 (21) ধাৰামতে অনুমোদিত বৈজ্ঞানিক গৱেষণা সম্মিলনৰ (Scientific research association) যিকোনো আয় কৰৰ পৰা অব্যাহতি পায় যদিহে আয়খিনি কেৱলমাত্র ইয়াৰ উদ্দেশ্যত প্রয়োগ কৰে।

৪১। আয়কৰ আইনৰ 10 (23B) ধাৰাৰ অধীনত 2000-01 কৰ নির্ধাৰণ বছৰৰ পৰা অনিশ্চয়তাপূর্ণ ব্যৱসায়ত বিনিয়োগ কৰা উদ্যোগীক মূলধনী (venture capital) কোম্পানী বা অনিশ্চয়তাপূর্ণ ব্যৱসায়ৰ বিনিয়োগৰ বাবে পুঁজিৰ পৰিমাণ বৃদ্ধি কৰা উদ্দেশ্যে স্থাপন কৰা উদ্যোগীক মূলধনী পুঁজিৰ যিকোনো আয় কৰৰ পৰা অব্যাহতি পায়।

৪২। ঘোষণা কৰা দৰে সংখ্যালঘু সম্প্রদায়ৰ সদস্যসকলৰ স্বার্থ উন্নতিবর্ধনৰ বাবে কেন্দ্রীয় বা ৰাজ্যিক চৰকাৰে স্থাপন কৰা নিগমৰ যিকোনো আয়ক কৰৰ পৰা

অব্যাহতি দিয়া হয়।

৪৩। অনুসূচিত জাতি বা অনুসূচিত জনজাতি বা অন্যান্য পিছপৰা সম্প্রদায় বা ইয়াৰ যিকোনো এটাৰ সদস্যসকলৰ স্বার্থৰ উন্নতি বর্ধনৰ বাবে কেন্দ্রীয় চৰকাৰে স্থাপন কৰা নিগম বা চৰকাৰৰ দ্বাৰা সম্পূর্ণকৈ বিত্ত যোগান ধৰা সংস্থাৰ যিকোনো আয়ে কৰৰ পৰা অব্যাহতি পায়।

৪৪। আয়কৰ আইনৰ 10 (23G) ধাৰা অনুসৰি যিকোনো আন্তঃগাঁঠনিমূলক মূলধনী পুঁজি বা আন্তঃগাঁঠনিমূলক মূলধনী কোম্পানীৰ লাভাংশ, সুত বা দীর্ঘকালীন মূলধনী লাভে কৰৰ পৰা অব্যাহতি পায়।

৪৫। আয়কৰ আইনৰ 10 (30) ধাৰা অনুসৰি, যদি এজন কৰদাতাই ভাৰতবর্ষত চাহ উৎপন্ন বা উৎপাদন কৰা ব্যৱসায়ত নিয়োজিত হৈ থকা বাবে বিজ্ঞাপিত পুনৰ আবাদ আঁচনিৰ অধীনত চাহ ব্যৱসায়ৰ বাবে পুনৰ স্থাপন বা পুনৰ বর্ধিতকৰণ বা ভাৰতত খেতি কৰিবৰ বাবে ক্ষেত্রসমূহৰ একত্রিকৰণৰ বাবে চাহ বোর্ডৰ পৰা পোৱা যিকোনো চৰকাৰী সাহার্যই (subsidy) কৰৰ পৰা অব্যাহতি পায়।

৪৬। আয়কৰ আইনৰ 10 (31) ধাৰা অনুসৰি কেন্দ্রীয় চৰকাৰে বিজ্ঞাপিত কৰা ৰবৰ, কফি, এলাচি বা অন্যান্য শস্যৰ উৎপন্ন আৰু উৎপাদন কৰা ব্যৱসায়ত নিয়োজিত হৈ থকা কৰদাতাই পোৱা চৰকাৰী সাহায্য কৰৰ পৰা অব্যাহতি পায় যদিহে উক্ত সাহায্য সংশ্লিষ্ট বোর্ডৰ পৰা পায়। ইয়াৰ অর্থাৎ সাহায্যখিনি ৰবৰ পুলি, কফি পুলি বা এলাচি পুলিৰ পুনৰ আবাদ, বা পুনৰ স্থাপন বা পুনৰ বর্ধিতকৰণ বা ক্ষেত্র একত্রিকৰণত ব্যৱহাৰ কৰা হয় আৰু কৰ দাতাই আয়ৰ বিবৃতিসহ সংশ্লিষ্ট বোর্ডৰ পৰা পূর্ববর্তী বছৰত প্রাপ্ত সাহায্যৰ পৰিমাণ উল্লেখ থকা প্রমাণপত্র কৰ নির্ধাৰণকাৰী বিষয়াক দাখিল কৰিব লাগে।

৪৭। আয়কৰ আইনৰ 10 (34) ধাৰা অনুসৰি আয়কৰ আইনৰ 115-0 ধাৰাত নির্দিষ্ট কৰি দিয়া এটা ঘৰুৱা কোম্পানী অর্থাৎ ভাৰতৰ কোম্পানীৰ পৰা পোৱা লাভাংশ আয়খিনি যিখিনি লাভাংশ 1-4-2003 তাৰিখৰ পৰা বা তাৰ পিছত ঘোষিত, বিতৰণ বা পৰিশোধ কৰা হৈছে, 2004-05 কৰ নির্ধাৰণ বছৰৰ পৰা, কৰৰ পৰা অব্যাহতি দিয়া হৈছে।

৪৮। আয়কৰ আইনৰ 10 (35) ধাৰা অনুসৰি Unit Trust of Indiaৰ unitৰ পৰা পোৱা আয় আৰু আয়কৰ আইনৰ 10 (23D) ধাৰাত নির্দিষ্ট কৰা Mutual Fundৰ unitৰ পৰা পোৱা আয়সমূহ 2004-05 কৰ নির্ধাৰণ বছৰৰ পৰা কৰৰ পৰা অব্যাহতি দিয়া হৈছে।

৪৯। আয়কৰ আইনৰ 10 (38) ধাৰা অনুসৰি সমাংশ পত্র বা সমাংশ সম্পর্কীও mutual fund ৰ unit স্থানান্তৰ কৰোতে হোৱা দীর্ঘকালীন মূলধনী লাভৰ ওপৰত 2005-06 কৰ নির্ধাৰণ বর্ষৰ পৰা কৰ ধার্য কৰা নহয়, যদিহে তেনে

লেনদেন প্রতিভূতি লেনদেন কৰে (Securities Transactions Tax) সামৰি লয়।

১.৫ আয়কৰৰ অর্থ

আয়ৰ অর্থ বুজি পোৱাৰ পিছত আমি আয়কৰৰ অর্থ সঠিকভাৱে বর্ণনা কৰিবলৈ আগবাঢ়ো আহক।

ই হৈছে প্রতিজন ব্যক্তিৰ তেওঁলোকৰ সংশ্লিষ্ট পূর্ববর্তী বছৰৰ মুঠ আয়ৰ ওপৰত নির্দিষ্ট কৰা হাৰত প্রতিটো কৰ নির্ধাৰণ বছৰত আৰোপ কৰা এক বার্ষিক কৰ। মুঠ আয় ব্যক্তিৰ আবাসিক স্থিতিৰ আৰু উপার্জনৰ ঠাই বা আয়ৰ প্রাপ্তিৰ প্রসঙ্গত নির্ধাৰণ কৰা হয়। আয়কৰ আইন হৈছে এক বিধি যাক কার্যকৰীকৰণৰ যোগেদি কেন্দ্রীয় চৰকাৰে সংশ্লিষ্ট ব্যক্তিসকলৰ আয়ৰ পৰা ৰাজহ অর্জন কৰে।


আয়কৰৰ কিছুমান সুবিধা আছে। ইয়াৰে কিছুমান তলত উল্লেখ কৰা হ'ল—

(i) আয়কৰ আৰোপৰ দ্বাৰা পৰিশোধৰ সামর্থৰ নীতি প্রয়োগ কৰা হয়।

(ii) আয়কৰে ন্যায় বিচাৰ তথা সমতা আৰু জনসাধাৰণৰ ওপৰত কৰৰ বোজা বিতৰণ কৰাত ন্যার্যতা পৰিপূর্ণ কৰে।

(iii) আয়কৰৰ ভাৰ নিৰূপণ কৰাত সহজ হয় যিহতু আয়কৰৰ পশ্চাদভাৰ (incidence) আগলৈ বা পিছলৈ স্থানান্তৰ কৰাটো কঠিন হয়।

(iv) ই হৈছে আয় আৰু সম্পত্তিৰ অসমতা হ্রাসকৰণৰ এক শক্তিশালী আহিলা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ পদকেইটাৰ সংজ্ঞা দিয়ক ঃ

(ক) মুঠ আয় (খ) আয়কৰ

(ক) .....

.....

(খ) .....

.....

১.৬ ধার্যৰ ভিত্তি

সর্বমুঠ আয় আৰু মুঠ আয় পদৰ ধাৰণা গঠন হোৱাৰ পিছত আমি 'ধার্যৰ ভিত্তি' পদটো ব্যাখ্যা কৰো আহক। ধার্য কৰা মানে কৰ আৰোপ কৰা। ধার্যৰ ভিত্তি হৈছে মূল যাৰ ওপৰত কৰ আৰোপ কৰিব পাৰি।

নিম্নলিখিতসমূহ হৈছে— ১৯৬১ চনৰ আয়কৰ আইনৰ ৪ ধাৰা অনুসৰি ধার্যৰ ভিত্তি ঃ

(ক) আয়কৰ প্রতিবছৰে বিধিবদ্ধ কৰা বিত্ত আইনৰ দ্বাৰা নির্ধাৰিত কৰা হাৰ অনুসৰি ধার্য কৰা হয়।

(খ) আয়, যাৰ ওপৰত কৰ আৰোপ কৰা হয়, পূর্ববর্তী বছৰৰ লগত জড়িত হয়, কৰ নির্ধাৰণ বছৰৰ লগত নহয়।

(গ) ১৯৬১ চনৰ আয়কৰ আনৰ ২(৩১) ধাৰাৰ অধীনত ব্যাখ্যা কৰা মতে ধার্য সকলো ব্যক্তিৰ ওপৰত হ'ব লাগে।

(ঘ) ইয়াৰ উপৰিও কৰ, যাক পূর্ববর্তী বছৰৰ আয়ৰ ওপৰত ধার্য কৰিবলগীয়া হয়, চলিত বছৰৰ আয়ৰ ওপৰতো কিছুমান বিশেষ পৰিস্থিতিত কৰ ধার্য কৰা হয়।

(ঙ) প্রতিটো কৰ নির্ধাৰণ বছৰ হৈছে স্বয়ংভাবে ধাৰণ কৰা কাল (self contain period) আৰু এবছৰৰ কৰ নির্ধাৰণ আন এটা বছৰৰ কৰ নির্ধাৰণৰ লগত সম্বন্ধ থাকিব পাৰে বা নাথাকিবও পাৰে।

(চ) আয়ৰ কৰযোগ্যতাৰ পৰিসৰ ১৯৬১ চনৰ আয়কৰ আইনৰ ৬ ধাৰাৰ ব্যৱস্থাৱলী মতে কৰদাতাৰ আবাসিক স্থিতিৰ ওপৰত নির্ভৰ কৰে।

১.৭ আবাসিক স্থিতি আৰু কৰৰ দেনা

আয় আৰু আয়কৰৰ অর্থ জনাৰ পিছত আপুনি আয়কৰৰ উদ্দেশ্যত ব্যৱহাৰ কৰা "আবাসিক স্থিতি"ৰ অর্থ জনাটো উচিত হ'ব। আমি জানো যে এজন ব্যক্তিৰ আবাসিক ঠিকনা থাকে। কিন্তু আয়কৰ কর্তৃপক্ষই কৰৰ পৰিমাণ গণনাৰ বাবে নির্ধাৰণ কৰা আয় তেনে আবাসিক ঠিকনাৰ ভিত্তি কৰা নহয়। গতিকে কৰদাতাৰ আবাসিক স্থিতিৰ বিষয়ে আয়কৰ আইনৰ ব্যৱস্থাৱলী জনাটো অপৰিহার্য।

১৯৬১ চনৰ আয়কৰ আইনৰ অধীনৰ ৫ ধাৰা অনুসৰি এটা নিদিষ্ট কৰ নির্ধাৰণ বছৰৰ বাবে এজন কৰদাতাৰ কৰ দেনা উক্ত কৰ নির্ধাৰণ বছৰৰ লগত সংশ্লিষ্ট থকা পূর্ববর্তী বছৰত তেনে কৰদাতাৰ দ্বাৰা আয় অর্জন তথা প্রাপ্তিৰ স্থান,অর্জন তথা প্রাপ্তিৰ সময়ৰ প্রসঙ্গত গণনা কৰা হয়। এজন কৰদাতাৰ আবাসিক স্থিতি এটা বিশেষ আয় এটা বিশেষ ঠাইত বিশেষ সময়ত প্রাপ্তি হৈছে নে নাই তাক নির্ধাৰণ কৰিবৰ বাবে হৈছে মূল কাৰক আৰু ইয়াকে কৰদেনা নির্ধাৰণ কৰিবৰ বাবে বিবেচনাত লোৱা হয়। এইটো মনত ৰাখিব লাগে যে এজন কৰদাতাৰ আবাসিক স্থিতি কৰদাতাজনৰ কৰদেনা স্থিৰ কৰিবৰ উদ্দেশ্যে নির্ধাৰণ কৰা হয়।

যদিও ১৯৬১ চনৰ আয়কৰ আইনৰ ২(৩১) ধাৰাৰ অধীনত সাত শ্রেণীৰ কৰদাতা উল্লেখ কৰিছে, আবাসিক দৃষ্টিকোণৰ পৰা কৰযোগ্য সত্তাসমূহক নিম্নলিখিত পাঁচটা শ্রেণীতহে ভাগ কৰিছে —

(i) এজন ব্যক্তি (An individual)

(ii) এক হিন্দু অবিভক্ত পৰিয়াল (A Hindu Undivided Family or HUF)

(iii) এখন অংশীদাৰী প্রতিষ্ঠান বা এটা ব্যক্তিৰ সন্মিলন (A Firm or An Association of Persons)

(iv) এটা যৌথ কাৰবাৰৰ কোম্পানী (A Joint Stock Company)

(v) অন্যান্য ব্যক্তি (Every other person)

এজন (ব্যক্তি) কৰদাতাৰ আবাসিক স্থিতি নির্ধাৰণ কৰিবৰ বাবে নিম্নলিখিত কাৰকসমূহ বিবেচনা কৰা হয়।

(ক) কৰ নির্ধাৰণ বছৰ আৰু পূর্ববর্তী বছৰ (Assesment year and Previous year)

(খ) জাতীয়তা (Nationality) আৰু

(গ) ভাৰতবর্ষত কায়িকভাৱে উপস্থিত থকা (Physical Presence in India)

১৯৬১ চনৰ আয়কৰ আইনৰ ৬ ধাৰা অনুসৰি এজন কৰদাতাৰ আবাসিক স্থিতি হ'ব পাৰে—

(১) ভাৰতৰ আবাসিক (Residint in India) বা

(২) ভাৰতৰ অনাবাসিক (Non-Resident in India)

পুনৰ, এজন ব্যক্তি কৰদাতাৰ ক্ষেত্রত যি ভাৰতৰ আবাসিক হয় তেওঁৰ স্থিতি হ'ব পাৰে—

(i) আবাসিক আৰু সাধাৰণভাৱে আবাসিক (Resident and Ordinarily Resident), বা

(ii) আবাসিক কিন্তু সাধাৰণভাৱে আবাসিক নহয় (Resident but not Ordinarily Resident)

১.৭.১ এজন ব্যক্তিৰ আবাসিক স্থিতি

(i) **ভাৰতবর্ষত আবাসিক হিচাপে** (As Resident in India) ঃ আয়কৰ আইনৰ ৬ (১) ধাৰা অনুসৰি এজন ব্যক্তিক যিকোনো পূর্ববর্তী বছৰৰ ভাৰতবর্ষৰ আবাসিক হিচাপে গণ্য কৰিব পাৰি যদিহে তেওঁ নিম্নলিখিত দুটা মূল চর্তৰ যিকোনো এটা চর্ত পূৰণ কৰে—

মূল চর্ত (Basic condition)

(i) যে তেওঁ পূর্ববর্তী বছৰত ১৪২ দিন বা ততোধিক দিনৰ সময়ৰ বাবে ভাৰতবর্ষত আছে।

(ii) যে তেওঁ পূর্ববর্তী বছৰত ৬০ দিন বা ততোধিক দিনৰ সময়ৰ বাবে আৰু পূর্ববর্তী বছৰৰ পূর্বৰ সংলগ্ন ৪ বছৰৰ ভিতৰত ৩৬৫ দিন বা ততোধিক দিন ভাৰতবর্ষত আছে।

টোকা ঃ আবাসিক উক্ত নিয়ম নিম্নলিখিত ব্যতিক্রমৰ অধীন ঃ

(ক) ১৯৯০-৯১ চনৰ পৰা (১৯৯০-৯১ onwards) ঃ এজন ভাৰতবর্ষৰ নাগৰিকে যি পূর্ববর্তী বছৰত ভাৰতবর্ষৰ বাহিৰত নিযুক্তিৰ বাবে ভাৰতবর্ষ ত্যাগ কৰে বা এজন ভাৰতীয় নাগৰিকে যি পূর্ববর্তী বছৰত ভাৰতীয় জাহাজৰ নাবিকদলৰ সদস্য হিচাপে ভাৰতবর্ষ ত্যাগ কৰে তেতিয়া মূলচর্তত উল্লেখ থকা ৬০ দিনৰ সময়ছোৱা ৬০ দিনৰ পৰিৱর্তে ১৮২ দিন হ'ব।

(খ) ১৯৯৫-৯৬ চনৰ পৰা (১৯৯৫-৯৬ onwards) ঃ এজন ভাৰতবৰ্ষৰ নগৰিক বা এজন ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰা ব্যক্তিয়ে যি পূৰ্ববৰ্তী বছৰত ভাৰতবৰ্ষলৈ ভ্ৰমণৰ বাবে আহে তেতিয়া দ্বিতীয় মূল চৰ্তত উল্লেখ কৰা ৬০ দিনৰ সময়ছোৱা ৬০ দিনৰ পৰিৱৰ্তে ১৮২ দিন হ'ব।

(ii) ভাৰতবৰ্ষৰ আবাসিক আৰু সাধাৰণভাৱে আবাসিক হিচাপ (As Reident and Orinarily Resident in India [6(i), 6 (6)(a)] ঃ

এজন ব্যক্তিক ভাৰতবৰ্ষৰ আবাসিক আৰু সাধাৰণভাৱে আবাসিক হিচাপে বিবেচনা কৰা হ'ব যদিহে তেওঁ নিম্নলিখিত দুটা মূল চৰ্তৰ এটা আৰু অতিৰিক্ত দুয়োটা চৰ্ত পৰিপূৰণ কৰে।

মূল চৰ্তাৱলী (Basic Conditions) ঃ

(i) যে তেওঁ পূৰ্ববৰ্তী বছৰত ১৮২ দিন বা ততোধিক দিনৰ সময়ৰ বাবে আৰু পূৰ্ববৰ্তী বছৰৰ পূৰ্বৰ সংলগ্ন ৪ বছৰৰ ভিতৰত ৩৬৫ দিন বা ততোধিক দিন ভাৰতবৰ্ষত আছে।

অতিৰিক্ত চৰ্তাৱলী (Additional Conditions) ঃ

(ক) যে ব্যক্তিজন পূৰ্ববৰ্তী বছৰৰ সংলগ্ন পূৰ্বৰ ১০ পূৰ্ববৰ্তী বছৰৰ ভিতৰত অতি কমেও ২ বছৰৰ বাবে ভাৰতবৰ্ষত আবাসিক হ'ব লাগিব (ওপৰত উল্লেখ কৰা মূল চৰ্তৰ ভিত্তিত নিৰ্ধাৰণ কৰা)

(খ) যে ব্যক্তিজন সংশ্লিষ্ট পূৰ্ববৰ্তী বছৰৰ সংলগ্ন পূৰ্বৰ ৭ বছৰৰ ভিতৰত তেওঁ ৭৩০ দিন বা ততোধিক দিনৰ কালৰ বাবে ভাৰতবৰ্ষত থাকিব লাগিব।

(iii) **ভাৰতবৰ্ষত আবাসিক কিন্তু সাধাৰণভাৱে আবাসিক নহয় হিচাপে** (As Residential but not Oridinarily Resident in India [6(1), 6 (6)(a)]ঃ

আয়কৰ আইনৰ ধাৰা 6(1) 6(6) (a) অনুসৰি এজন ব্যক্তিক ভাৰতবৰ্ষৰ আবাসিক কিন্তু সাধাৰণভাৱে আবাসিক নহয় বুলি বিবেচনা কৰা হ'ব যেতিয়া তেওঁ নিম্নলিখিত দুটা মূল চৰ্তৰ যিকোনো এচা চৰ্ত পৰিপূৰণ কৰে।

মূল চৰ্তাৱলী (Basic Conditions) ঃ

(i) যে তেওঁ পূৰ্ববৰ্তী বছৰত ১৮২ দিন বা ততোধিক দিনৰ বাবে ভাৰতবৰ্ষত আছে।

(ii) যে তেওঁ পূৰ্ববৰ্তী বছৰত ৬০ দিন বা ততোধিক দিনৰ সময়ৰ বাবে আৰু পূৰ্ববৰ্তী বছৰৰ পূৰ্বৰ সংলগ্ন ৪ বছৰৰ ভিতৰত ৩৬৫ দিন বা ততোধিক দিন ভাৰতবৰ্ষত আছে।

টোকা ঃ ৬০ দিনৰ কালছোৱাক কিছুমান বিশেষ ক্ষেত্ৰত ১৮২ দিন হিচাপে ধৰা হয়। এজন ব্যক্তিয়ে ওপৰত দিয়া মূল চৰ্তাৱলীৰ যিকোনো এটা চৰ্ত পৰিপূৰণ কৰিলে কিন্তু নিম্নলিখিত অতিৰিক্ত চৰ্তাৱলীৰ দুয়োটা চৰ্ত পৰিপূৰণ কৰিব নোৱাৰিলে তেওঁক ভাৰতবৰ্ষৰ আবাসিক কিন্তু সাধাৰণভাবে আবাসিক নহয় বুলি গণ্য কৰা হ'ব।

অতিৰিক্ত চর্তাৱলী (Additional Conditions) ঃ

(ক) যে ব্যক্তিজন পূর্ববর্তী বছৰৰ সংলগ্ন পূর্বৰ ১০ পূর্ববর্তী বছৰৰ ভিতৰত অতিকমেও ২ বছৰৰ বাবে ভাৰতবর্ষত আবাসিক হ'ব লাগিব (ওপৰত উল্লেখ কৰা মূল চর্তৰ ভিত্তিত নির্ধাৰণ কৰা)।

(খ) যে ব্যক্তিজন সংশ্লিষ্ট পূর্ববর্তী বছৰৰ সংলগ্ন পূর্বৰ ৭ বছৰৰ ভিতৰত তেওঁ ৭৩০ দিন বা ততোধিক দিনৰ কালৰ বাবে ভাৰতবর্ষত থাকিব লাগিব।

(iv) **ভাৰতবর্ষত অনাবাসিক** (Non-Resident in India) ঃ

এজন ব্যক্তিক ভাৰতবর্ষত অনাবাসিক হিচাপে বিবেচনা কৰা হ'ব যদি তেওঁ নিম্নলিখিত মূল চর্তাৱলীৰ এটাও চর্ত পৰিপূৰণ কৰিব নোৱাৰে।

(i) যে তেওঁ ভাৰতবর্ষত পূর্ববর্তী বছৰত ১৮২ বা ততোধিক কম দিনৰ সময়ৰ বাবে ভাৰতবর্ষত আছে; আৰু

(ii) যে তেওঁ ভাৰতবর্ষত পূর্ববর্তী বছৰত ৬০ দিন বা ততোধিক কম দিনৰ সময়ৰ বাবে আৰু পূর্ববর্তী বছৰৰ সংলগ্ন পূর্বৰ ৪ বছৰত ৩৬৫ দিন বা তাতোকৈ কম দিনৰ বাবে ভাৰতবর্ষত আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ এজন কৰদাতাৰ আবাসিক স্থিতি নির্ধাৰণ কৰিবৰ বাবে কি কি বিভিন্ন কাৰক বিবেচনাত ল'ব লাগে?

.....

.....

উদাহৰণ—১

ভাৰতবর্ষৰ এজন নাগৰিক Mr. A. Dihingia, Axis Bank ৰ এজন কর্মচাৰী আৰু তেওঁক ডিব্রুগড়ত নিযুক্তি দিয়ে। তেওঁক Axis Bank, লণ্ডনলৈ বদলি কৰিলে। তেওঁ তাত তেওঁৰ কামত যোগদান কৰিবৰ বাবে ভাৰতবর্ষ পোনপ্রথমবাৰৰ বাবে ২০১৮ চনৰ ১৮ আগষ্টত এৰিলে। ২০১৯-২০ পূর্ববতী বছৰত তেওঁ ভাৰতবর্ষলৈ আহে আৰু ১৮৫ দিনৰ কাৰণে ইয়াত থাকে।

Mr. A Dihingia ৰ ২০২০-২১ কৰ নির্ধাৰণ বর্ষৰ বাবে আবাসিক স্থিতি নির্ধাৰণ কৰক।

সমাধান ঃ

প্রথম পদক্ষেপ ঃ কৰ নির্ধাৰণ বছৰ ২০২০-২১

দ্বিতীয় পদক্ষেপ ঃ পূর্ববতী বছৰ ২০১৯-২০

তৃতীয় পদক্ষেপ ঃ কৰদাতাৰ (Mr. A Dihingia) ভাৰতবর্ষত পূর্ববতী বছৰত কায়িক উপস্থিতি = ১৮৫ দিন

চতুর্থ পদক্ষেপ ঃ মূল চর্তাৱলী পূৰণ কৰাৰ পৰীক্ষা (Testing the Fulfilment of basic conditions) ঃ


Mr. A Dihingia ৰ ভাৰতবর্ষত কায়িক উপস্থিতি ২০১৯-২০ চনৰ পূর্ববর্তী বছৰত হয় ১৮৫ দিন। গতিকে তেওঁ ভাৰতবর্ষত অর্থাৎ ১৮২ দিন চাকৰিৰ বাবে ভাৰতবর্ষ এৰি যোৱা ব্যক্তিৰ ক্ষেত্রত থকা চর্তাৱলীৰ এটা চর্ত পৰিপূৰণ কৰে।

পঞ্চম পদক্ষেপ ঃ অতিৰিক্ত চর্তাৱলী পৰিপূৰণ কৰাৰ পৰীক্ষা (Testing the fulfilment of Additional conditions)

অতিৰিক্ত চর্ত (i) ঃ যিহেতু Mr. A Dihingia ই ২০১৮ চনত পোন প্রথমবাৰৰ বাবে ভাৰতবর্ষ এৰি যায়, গতিকে তেওঁ সংশ্লিষ্ট পূর্ববর্তী বছৰৰ সংলগ্ন পূর্বৰ ১০ পূর্ববর্তী বছৰৰ অন্ততঃ ২ টা বছৰত ভাৰতবর্ষত আবাসিক হৈ আছিল।

অতিৰিক্ত চর্ত (ii) ঃ যিহেতু Mr. A Dihingia ই ২০১৮ চনত পোন প্রথমবাৰৰ বাবে ভাৰতবর্ষ এৰি যায় সেয়ে তেওঁ সংশ্লিষ্ট পূর্ববর্তী বছৰৰ সংলগ্ন পূর্বৰ ৭ বছৰৰ ভিতৰত ৭৩০ দিন ভাৰতবর্ষত আছিল।

গতিকে Mr. A Dihingia ই মূল চর্তাৱলী আৰু অতিৰিক্ত চর্তাৱলী দুয়োটা চর্ত পৰিপূৰণ কৰে। সেয়ে তেওঁক ২০২০-২১ কৰ নির্ধাৰণ বছৰত ভাৰতবর্ষত আবাসিক আৰু সাধাৰণভাৱে আবাসিক হিচাপে গণ্য কৰা হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ কোনজন ভাৰতবর্ষত অনাবাসিক?

.....

.....



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বর্তমানৰ আয়কৰ আনখন ১৯৬১ চনত প্রচলন হয়।
- কোম্পানীসমূহৰ আয়ৰ ওপৰত আৰোপ কৰা কৰক নিগমবদ্ধ কৰ বোলা হয়।
- আয়কৰ আইনৰ অধীনৰ ২ (২৪) ধাৰাৰ পৰিসৰৰ ভিতৰত অহা আয়ৰ পৰিমাণৰ ওপৰত পাওঁতাক কৰ আৰোপ কৰা হয়।
- কৰদাতা বুলিলে আয়কৰ আইনৰ অধীনত যাৰ দ্বাৰা যিকোনো কৰ বা যিকোনো পৰিমাণ পৰিশোধ কৰিবলগীয়া হয় তেনে ব্যক্তিকে বুজায়।

- কৃত্রিম বিচাৰক সংক্রান্ত ব্যক্তিসমূহ হৈছে সেই সত্তাসমূহ যি স্বাভাৱিক ব্যক্তি নহয় কিন্তু আইনৰ দৃষ্টিত ইহঁতৰ পৃথক সত্তা আছে।
- কৰ নির্ধাৰণ বছৰ বুলিলে প্রতি বছৰে ১ এপ্রিলত আৰম্ভ হৈ পিছৰ বছৰৰ ৩১ মার্চত শেষ হোৱা বাৰমাহৰ কালছোৱাক বুজায়।
- সর্বমুঠ আয় বুলিলে আয়কৰ আইনৰ ব্যৱস্থাৱলী অনুসৰি গণনা কৰা মুঠ আয়ৰ পৰা কৰদাতাৰ শ্রেণী অনুসৰি ধাৰা 80 C ৰ পৰা 80 U লৈকে অনুমোদিত বিয়োগসমূহ কৰাৰ আগৰ আয়ক বুজায়।
- "ধার্য কৰা" মানে কৰ আৰোপ কৰা।
- ব্যক্তি কৰদাতাৰ আবাসিক স্থিতি নির্ধাৰণ কৰিবলৈ নিম্নলিখিত কাৰকসমূহ বিবেচনা কৰা হয়।

  (ক) কৰ নির্ধাৰণ বছৰ আৰু পূর্ববর্তী বছৰ, (খ) জাতীয়তা আৰু (গ) ভাৰতবর্ষত কায়িকভাবে উপস্থিত থকা।



১.৯ অধিক জানিবলৈ

১) B. B. Dam, S Sikidar, R. Barman, B. Bora : Direct and Indirect Taxes, Capital Publishing Company, G. S. Road, Guwahati.

২) V. K. Singhania, K. Singhania : Taxmann.

১.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (i) ভাৰতীয় ষ্টেট বেংক ঃ এটা কোম্পানী

(ii) দিল্লী বিশ্ববিদ্যালয় ঃ কৃত্রিম বিচাৰক সংক্রান্ত ব্যক্তি

(iii) L.G. Ltd ঃ এটা কোম্পানী

(iv) LICI ঃ এটা কোম্পানী

(v) M/s Das Enterprise ঃ এখন অংশীদাৰী প্রতিষ্ঠান

(vi) ৰবী, ৰাইনা বিনোদ স্মিতা আৰু জেমচ অন্তর্ভুক্ত থকা যৌথ পৰিয়াল ঃ এটা হিন্দু অবিভক্ত পৰিয়াল।

(vii) গুৱাহাটী পৌৰ নিগম ঃ কৃত্রিম বিচাৰক সংক্রান্ত ব্যক্তি

(viii) DHSK Commerce College ঃ কৃত্রিম বিচাৰক সংক্রান্ত ব্যক্তি

(ix) Mr. G. Gogoi ঃ এজন ব্যক্তি

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) মুঠ আয় ঃ মুঠ আয় বুলিলে ধাৰা 80 C পৰা 80 U লৈকে থকা বিয়োগসমূহ সৰ্বমুঠ আয়ৰ পৰা বাদ দিয়াৰ পিছত থকা আয়ৰ পৰিমাণক বুজায়।

(খ) আয়কৰ ঃ আয়কৰ হৈছে প্রতিটো কৰ নির্ধাৰণ বছৰত এক নির্দিষ্ট হাৰত প্রতিজন ব্যক্তিৰ ওপৰত সংশ্লিষ্ট পূর্ববর্তী বছৰত কৰা তেওঁৰ মুঠ আয়ৰ ওপৰত আৰোপ কৰা এক বার্ষিক কৰ।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) এজন কৰদাতাৰ (ব্যক্তি) আবাসিক স্থিতি নির্ধাৰণ কৰিবৰ বাবে নিম্নলিখিত কাৰকসমূহ বিবেচনা কৰা হয় ঃ

(১) কৰ নির্ধাৰণ বছৰ আৰু পূর্ববর্তী বছৰ,

(২) জাতীয়তা আৰু

(৩) ভাৰতবর্ষত কায়িকভাবে উপস্থিত থকা।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) এজন ব্যক্তিক ভাৰতত অনাবাসিক বুলি বিবেচনা কৰা হ'ব যদি তেওঁ নিম্নলিখিত মূল চর্তাৱলীৰ এটাও চর্ত পৰিপূৰণ কৰিব নোৱাৰে—

(i) যে তেওঁ ভাৰতবর্ষত পূর্ববর্তী বছৰত ১৮২ দিন বা তাতোকৈ কম দিনৰ সময়ৰ বাবে ভাৰতবর্ষত আছে, আৰু

(ii) যে তেওঁ ভাৰতবর্ষত পূর্ববর্তী বছৰত ৬০ দিন বা তাতোকৈ কম দিনৰ সময়ৰ বাবে আৰু পূর্ববর্তী বছৰৰ সংলগ্ন পূর্বৰ ৪ বছৰত ৩৬৫ দিন বা তাতোকৈ কম দিনৰ বাবে ভাৰতবর্ষত আছে।



১.১১ আৰ্হি প্রশ্ন

প্রশ্ন ২ ঃনিম্নলিখিত বিবৃতিসমূহ শুদ্ধনে ভুল উল্লেখ কৰক ঃ

(i) কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় এক ব্যক্তিসকলৰ সম্মিলন।

(ii) কৰদাতাই যেতিয়াই আয় অর্জন কৰে তেনে আয়ৰ বাবে তেওঁৰ ওপৰত কৰ আৰোপ কৰা হয়।

(iii) অস্থায়ী উৎসৰ পৰা পোৱা আয়ক আয় কৰৰ উদ্দেশ্যত আয় হিচাপে গণ্য কৰা হয়।

(iv) এজন ব্যক্তি ভাৰতবর্ষত অনাবাসিক হিচাপে বিবেচনা কৰা হয় যদি তেওঁ ১৯৬১চনৰ আয়কৰ আইনৰ ৬ ধাৰাত বিধি নিয়ম ৰচনা কৰা দুয়ো বিধ মূল আৰু অতিৰিক্ত

চর্তসমূহ পৰিপূৰণ কৰে।

(v) কৰদাতাৰ জাতীয়তা আবাসিক স্থিতিৰ লগত কোনো সম্বন্ধ নাই।

(vi) যদি এটা কোম্পানী ভাৰতবর্ষত নিগমবদ্ধ হয় তেনেহ'লে ইয়াক ভাৰতত আবাসিক হিচাপে বিবেচনা কৰা হয়।

(vii) পূর্ববর্তী বছৰ আৰু কৰ নির্ধাৰণ বছৰ সদায়ে বেলেগ।

প্রশ্ন ২ ঃ আয়, সর্বমুঠ আয় আৰু মুঠ আয়ৰ সংজ্ঞা দিয়ক।

প্রশ্ন ৩ ঃ ১৯৬১ চনৰ আয়কৰ আইনৰ অধীনত পূর্ববর্তী বছৰ কি?

প্রশ্ন ৪ ঃ কৰ নির্ধাৰণ বছৰ বুলিলে কি বুজে?

প্রশ্ন ৫ ঃ বিত্তীয় বছৰৰ ওপৰত চমুটোকা লিখক।

প্রশ্ন ৬ ঃ কোনখন বিত্ত আইন ২০২০-২১ কৰ নির্ধাৰণ বছৰৰ বাবে প্রযোজ্য হয়।

প্রশ্ন ৭ ঃ এখন অংশীদাৰী প্রতিষ্ঠান ২০১৮ চনৰ পৰা ১৫ এপ্রিল তাৰিখত প্রতিষ্ঠা কৰা হয়, যদিও ইয়াৰ কাম-কাজ ২০১৯ চনৰ ৪ মেৰ পৰা আৰম্ভ হয়। ইয়াৰ প্রথম পূর্ববর্তী বছৰ কি হ'ব?

প্রশ্ন ৮ ঃ চমুটোকা লিখক ঃ

(ক) ধার্যৰ ভিত্তি

(খ) বিত্তীয় বছৰ

(গ) কৰ নির্ধাৰণ বছৰ

(ঘ) কৰ নির্ধাৰণ বছৰ

(ঙ) পূর্ববর্তী বছৰ

প্রশ্ন ৯ ঃ নিম্নলিখিত ক্ষেত্রসমূহত পূর্ববর্তী বছৰ আৰু কৰ নির্ধাৰণ বছৰ নির্ণয় কৰক—

(i) ৰাতুলে ০১-০১-২০১৯ তাৰিখে গেলামালৰ এটা ব্যৱসায় আৰম্ভ কৰিলে।

(ii) ডাঃ কে, গগৈয়ে ১৩-০৩-২০১৯ তাৰিখে নিযুক্তি পত্র পালে আৰু তেওঁ ১-৬-২০১৯ তাৰিখে কামত যোগদান কৰিলে।

(iii) ২০১৮-১৯ বর্ষৰ বকেয়া দৰমহা ৫-৪-২০১৯ তাৰিখে মিঃ হৰিয়ে পালে।

প্রশ্ন ১০ ঃ চাৰিটা ক্ষেত্র উল্লেখ কৰক য'ত পূর্ববর্তী বছৰ আৰু কৰ নির্ধাৰণ বছৰ একে হয়।

*** ***** ***

অধ্যায় ২ ঃ আয়কৰ আইনৰ অধীনত আয়ৰ শিতান

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ আয়ৰ শিতানসমূহ
২.৪ দৰমহা
২.৫ ঘৰ-সম্পত্তিৰ পৰা পোৱা আয়
২.৬ ব্যৱসায় আৰু পেশাৰ লাভ আৰু অৰ্জনসমূহ
২.৭ মূলধনী লাভসমূহ
২.৮ অন্যান্য উৎসসমূহৰ পৰা আয়
২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.১০ অধিক জানিবলৈ
২.১১ অগ্রগতিৰ খতিয়ান
২.১২ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আয়কৰৰ বিভিন্ন শিতানসমূহ ব্যাখ্যা কৰিব পাৰিব
- দৰমহা, ঘৰ সম্পত্তিৰ পৰা পোৱা আয়ৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ব্যৱসায় আৰু পেশাৰ লাভ আৰু অৰ্জনসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- মূলধনী লাভ আৰু অন্যান্য উৎসৰ পৰা পোৱা আয়সমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- অব্যাহতিপ্রাপ্ত আয়সমূহৰ বিষয়ে বর্ণনা কৰিব পাৰিব।

২.২ পৰিচয়

প্রথম অধ্যায়ত আমি আয়কৰ গণনাৰ লগত জড়িত বিভিন্ন ধাৰণা যেনে— আয়, ব্যক্তি, কৰদাতা আদিৰ বিষয়ে আলোচনা কৰিছিলো। এই অধ্যায়টোত আমি আয়কৰ আইন অনুসিৰ বিভিন্ন আয়ৰ শিতান আৰু আয়কৰৰ পৰা অব্যাহতিপ্রাপ্ত আয়সমূহৰ ওপৰত দৃষ্টি আকর্ষণ কৰিম।

এই দেশখনৰ সকলো নাগৰিকৰে জাতিৰ প্রতি কিছু কর্তব্য আছে। বাধ্যবাধকতাৰ অধীনত কৰা আইন প্রণয়ন সংক্রান্ত ব্যৱস্থাৱলীক তেওঁলোকে সন্মান কৰাটো কর্তব্য। সেই একেদৰে প্রতিজন ব্যক্তিয়েই নিয়ম অনুসৰি কৰ পৰিশোধ কৰাটোও কর্তব্য। আন কথাত ক'বলৈ

গ'লে প্ৰতিজন ব্যক্তি যাৰ পূৰ্ববৰ্তী বছৰৰ কৰযোগ্য আয় কৰযোগ্য বীমা অতিক্ৰম কৰে তেঁৱেই আয়কৰ পৰিশোধ কৰাৰ বাবে দায়ী থাকে। এজন কৰদাতাৰ এটা নিৰ্দিষ্ট কৰ নিৰ্ধাৰণ বছৰৰ আয়কৰ দেনা পূৰ্ববৰ্তী বিত্তীয় বছৰৰ মুঠ আয়ৰ ওপৰত সংশ্লিষ্ট শ্ৰেণীৰ ব্যক্তিৰ বাবে প্ৰযোজ্য হোৱা পূৰ্ববৰ্তী বিত্তীয় বছৰত প্ৰচলিত হৈ থকা হাৰত গণনা কৰা হয়। তদুপৰি, সকলোবোৰ আয় কৰৰ অধীন নহয়। কিন্তু আয়কৰ আৰোপণৰ উদ্দেশ্যে আয়সমূহ কিছুমান শিতান অনুসৰি শ্ৰেণীবিভাগ কৰা হয়। সেয়ে, এই অধ্যায়ত আমি আয়ৰ বিভিন্ন শিতান আৰু যিবোৰ আয় কৰৰ অধীন নহয়, সেই দিশত আলোকপাত কৰিম।

২.৩ আয়ৰ শিতানসমূহ

আয়কৰ ধাৰ্য আৰু মুঠ আয় গণনা কৰিবৰ বাবে এজন কৰদাতাৰ আয় পাঁচ টা মুখ্য শিতানত শ্ৰেণীবিভাগ কৰা হৈছে। এইখিনিতে এইটো মনত ৰাখিব লাগে যে এটা আয়ৰ পদ কৰৰ বাবে দেনা হ'ব যেতিয়া ইয়াক আয়কৰ আইনৰ অধীনত নিৰ্দিষ্ট কৰা উক্ত আয়ৰ যিকোনো এটা শিতানত শ্ৰেণীবিভাগ কৰিব পাৰি। আয়কৰ আইনে প্ৰতিটো আয়ৰ শিতানৰ বাবে পৃথকভাৱে আয় গণনাৰ ধৰণ বিশেষভাৱে নিৰ্দিষ্ট কৰিছে আৰু এই ব্যৱস্থাসমূহ প্ৰতিটো আয়ৰ শিতানৰ বাবে পৃথকভাৱে আয় গণনাৰ ধৰণ বিশেষভাৱে নিৰ্দিষ্ট কৰিছে আৰু এই ব্যৱস্থাসমূহ প্ৰতিটো আয়ৰ শিতানৰ অধীনত আয় গণনাৰ বাবে প্ৰয়োগ কৰিব লাগিব।

আয়কৰ ধাৰ্য কৰিবৰ উদ্দেশ্যে পাঁচটা আয়ৰ শিতান আছে। সেইকেইটা হৈছে—

(ক) দৰমহাৰ পৰা পোৱা আয় (Income from Salaries)

(খ) ঘৰ সম্পত্তিৰ পৰা পোৱা আয় (Income from House Property)

(গ) ব্যৱসায় আৰু পেশাৰ লাভ আৰু অৰ্জনসমূহ (Profits and Gains of Business and Profession)

(ঘ) মূলধনী লাভ (Capital Gains)

(ঙ) অন্যান্য উৎসৰ পৰা পোৱা আয় (Income from other Sources)

২.৪ দৰমহা

আয়কৰ আইনৰ ১৫ৰ পৰা ১৭ ধাৰালৈকে দৰমহাৰ পৰা পোৱা আয়ৰ বিষয়ে বৰ্ণনা কৰিছে। দৰমহা হৈছে নিয়োগকৰ্তাই তেওঁৰ কৰ্মচাৰীক তেওঁলোকৰ সেৱাৰ প্ৰতিদান হিচাপে আদায় দিয়া পৰিমাণ। ১৫ ধাৰাৰ অধীনত নিম্নলিখিত আয়সমূহ দৰমহা শিতানৰ অধীনত কৰযোগ্য হয়।

(ক) যিকোনো দৰমহা নিয়োগকৰ্তাৰ বা পূৰ্বৰ নিয়োগকৰ্তাৰ পৰা কৰদাতাই পূৰ্বৱৰ্তী বছৰত পাবলগীয়া, পৰিশোধ কৰক বা নকৰক।

(খ) নিয়োগকৰ্তা বা পূৰ্বৰ নিয়োগকৰ্তাৰ দ্বাৰা বা হৈ পূৰ্ববৰ্তী বছৰত, যদিও উক্ত পূৰ্বৱৰ্তী

বছৰত দেয় হোৱা নাই বা ই তেওঁক দেয় হোৱাৰ আগতে তেওঁক পৰিশোধ কৰা বা অনুদান কৰা যিকোনো দৰমহা, আৰু

(গ) নিয়োগকর্তাই বা তেওঁৰ হৈ বা পূর্বৰ নিয়োগকর্তাই তেওঁক পৰিশোধ কৰা বা অনুমোদন কৰা যিকোনো বকেয়া দৰমহা, যদি ইয়াক পূর্বৰ পূর্বৱর্তী বছৰত ধার্য কৰা নাই।

যদি কোনো দৰমহা অগ্রিমভাৱে পৰিশোধ কৰা হয় ইয়াক উক্ত ব্যক্তিৰ পূর্বৱর্তী বছৰৰ মুঠ আয়ৰ ভিতৰত অন্তর্ভুক্ত কৰা হয় আৰু উক্ত পৰিমাণ যেতিয়া দৰমহা দেয় হয় তেতিয়া পুনৰ মুঠ আয়ৰ ভিতৰত ধৰা নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আয়কৰ আইনমতে আয়ৰ বিভিন্ন উৎসসমূহ কি কি ?

.....

.....

.....

২.৫ ঘৰ-সম্পত্তিৰ পৰা পোৱা আয়

ঘৰ সম্পত্তিৰ পৰা পোৱা আয় আয়কৰ আইনৰ ২২ৰ পৰা ২৭ ধাৰাত বর্ণনা কৰিছে। আয়কৰ আইনৰ ২২ ধাৰাত প্রতিবিধান কৰিছে যে—

'কোনো ভৱন বা তাৰ লগত অন্তর্ভুক্ত হৈ থকা ভূমিৰে গঠিত হোৱা সম্পত্তি, যিটো সম্পত্তিৰ মালিক কৰদাতা হয়, তেনে সম্পত্তিৰ যিটো অংশ তেওঁ চলোৱা ব্যৱসায় বা পেশাৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হয় আৰু যাৰ লাভ আয়কৰত ধার্য কৰিবলগীয়া হয়, উক্ত অংশৰ বাহিৰে বাকী অংশৰ বার্ষিক মূল্য ঘৰ সম্পত্তিৰ পৰা পোৱা আয়ৰ শিতানৰ অধীনত আয়কৰত ধার্য কৰা হয়।'

কোনো ভৱন বা তাৰ লগত অংশ হিচাপে থকা ভূমিৰে গঠিত সম্পত্তিৰ বার্ষিক মূল্য 'ঘৰ সম্পত্তিৰ পৰা পোৱা আয়' শিতানত ধার্যৰ যোগ্য হয়।

ঘৰ সম্পত্তিৰ পৰা পোৱা আয় 'ঘৰ সম্পত্তিৰ পৰা পোৱা আয়' শিতানত কৰত ধার্য কৰিব লগীয়া হ'ব যদিহে নিম্নলিখিত তিনিটা চর্ত পৰিপূৰণ কৰিব পাৰে।

(১) সম্পত্তি কোনো ভৱন বা অংশস্বৰূপে থকা ভূমিৰে গঠিত হ'ব লাগিব।

(২) সম্পত্তি কৰদাতাৰ অধিকাৰভুক্ত হ'ব লাগিব।

(৩) সম্পত্তিৰ মালিকে সম্পত্তিটো তেওঁৰ ব্যৱসায় বা পেশা চলাবৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব।

২.৬ ব্যৱসায় আৰু পেশাৰ লাভ আৰু অর্জনসমূহ

ব্যৱসায় আৰু পেশাৰ লাভ আৰু অর্জনসমূহ আয়কৰ আইনৰ 24ৰ পৰা 44(D) ধাৰাৰ ভিতৰত বর্ণনা কৰিছে।

তলত ব্যাখ্যা কৰা মতে ব্যৱসায় পদটো পেশাৰ পৰা পৃথক—

ব্যৱসায় (Business) ঃ আয়কৰ আইনৰ ২(১৩) ধাৰা অনুসৰি ব্যৱসায় বুলিলে যিকোনো বেহা-বেপাৰ, বাণিজ্য বা উৎপাদন বা যিকোনো দুঃসাহসিক কর্ম প্রচেষ্টা বা বেহা-বেপাৰ, বাণিজ্য বা উৎপাদন প্রকৃতিৰ প্রতিষ্ঠানক বুজায়। সাধাৰণ ভাষাত ব্যৱসায় বুলিলে লাভ অর্জন কৰিবৰ উদ্দেশ্যে চলোৱা যিকোনো আর্থিক কার্যক বুজায়।

পেশা (Profession) ঃ পেশা হৈছে পৰিষ্কাৰভাৱে বোধশক্তিসম্পন্ন কৌশল বা বোধ শক্তিসম্পন্ন কৌশলৰ দ্বাৰা নিয়ন্ত্রিত হাতেৰে কৰা কৌশলেৰে জীৱন নির্বাহ বা লাভ অর্জনৰ বাবে কৰা বৃত্তি। আন কথাত ক'বলৈ গ'লে পেশাই বোধশক্তিসম্পন্ন কৌশল আৰু কাৰিকৰী বিশেষণ সুলভ জ্ঞান প্রয়োজন হোৱা সকলোবোৰ মানুহৰ কাম-কাজকে বুজায়। ডাক্তৰ, স্থাপত্যবিদ, চনদপ্রাপ্ত গাণনিক, উকীল, অভিযন্তা, কৰ পৰামর্শদাতা আদি কাম-কাজসমূহ হৈছে পেশাৰ কিছুমান উদাহৰণ। পেশাই ব্যক্তিগত বৃত্তিয়ো সামৰি লয়।

ব্যৱসায় আৰু পেশাৰ লাভ আৰু অর্জনসমূহ শিতানৰ অধীনত নিম্নলিখিত আয়সমূহ কৰত ধার্য কৰাৰ যোগ্য হয়।

(ক) পূর্বৱর্তী বছৰত যিকোনো সময়ত কৰদাতাৰ দ্বাৰা চলোৱা ব্যৱসায় আৰু পেশাৰ লাভ আৰু অর্জনসমূহ।

(খ) (১) এটা ভাৰতীয় কোম্পানীৰ কাম-কাজ, বা (২) ভাৰতবর্ষত আন কোনো কোম্পানীৰ কাম-কাজ, বা (৩) যিকোনো ব্যক্তিৰ ব্যৱসায়ৰ ভাৰতত থকা প্রতিনিধিত্ব ধাৰণ কৰা তেওঁৰ কার্যালয় বা প্রতিনিধিত্ব পৰিচালনা কৰা বাবে যিকোনো ব্যক্তিয়ে পোৱা যিকোনো ক্ষতিপূৰণ বা অন্যান্য পৰিশোধৰ দেয় বা প্রাপ্ত পৰিমাণ।

(গ) বেহা-বেপাৰ, বৃত্তিগত বা ইয়াৰ সদস্যসকললৈ বিশিষ্ট সেৱা আগবঢ়োৱা একেধৰণৰ সম্মিলনৰ পৰা পোৱা যিকোনো আয়।

(ঘ) অনুজ্ঞাপত্র বিক্রী যেনে আমদানি অধিকাৰদান (import entitlement) আমদানি আৰু ৰপ্তানি (নিয়ন্ত্রণ) আইন ১৯৪৭ৰ অধীনত মঞ্জুৰ কৰা আমদানি অধিকাৰসমূহ বিক্রী কৰি পোৱা লাভ।

(ঙ) ভাৰত চৰকাৰৰ কোনো আঁচনিৰ অধীনত এজন ব্যক্তিয়ে ৰপ্তানিৰ বিপৰীতে প্রাপ্ত বা পাবলগীয়া নগদ সাহায্য।

(চ) সংশ্লিষ্ট নিয়মৰ অধীনত ৰপ্তানিৰ বিপৰীতে যিকোনো ব্যক্তিক পুনৰ পৰিশোধ বা পুনৰ পৰিশোধ কৰিবলগীয়া সীমা শুল্ক বা আবকাৰী শুল্কৰ ফিৰৎ।

(ছ) কোনো ব্যৱসায় বা পেশা কার্যকৰীকৰণৰ বাবে উদ্ভৱ হোৱা কোনো সুবিধা বা ওপৰঞ্চি

সা-সুবিধা (perquisits), নগদ ধনলৈ পৰিবর্তন কৰিব পৰা হওক বা নহওক, এই শিতানৰ অধীনত কৰযোগ্য হয়। উদাহৰণস্বৰূপে, যদি এজন ৰোগীয়ে চিকিৎসাৰ মাচুল দিয়াৰ উপৰিও তেওঁক চিকিৎসা কৰা ডাক্তৰক দিয়া উপহাৰ, উপহাৰৰ বজাৰ মূল্য ডাক্তৰজনৰ পেশাগত আয় হিচাপে এই শিতানত কৰযোগ্য হয়।

(জ) এজন অংশীদাৰে তেওঁৰ প্রতিষ্ঠানৰ পৰা দেয় বা পোৱা কোনো সুত, দৰমহা, দস্তুৰী, বোনাচ বা পাৰিশ্রমিক অংশীদাৰজনৰ ব্যৱসায়িক আয় হিচাপে গণ্য কৰা হয়।

(ঝ) ব্যৱসায়ৰ বৈধত্য বা অবৈধতাৰ বিষয়ৰ লগত আয়কৰ জড়িত হয়। গতিকে বেআইনী ব্যৱসায় যেনে— নিষিদ্ধ মাদক দ্রব্যৰ বেপাৰ, নিষিদ্ধ সুৰাৰ বেপাৰ, চোৰাং কাৰবাৰ আদিৰ পৰা পোৱা লাভ এই শিতানৰ অধীনত কৰযোগ্য হয়।

(ঞ) বিবেচনা কৰা (deemed) ব্যৱসায়ৰ লাভ এই শিতানৰ অধীনত কৰযোগ্য হয়।

এইটো মনত ৰাখিব লাগে যে ব্যৱসায় আৰু পেশাৰ লাভ আৰু অর্জনসমূহ বিভিন্ন ব্যয় আৰু লোকচানসমূহৰ অনুমোদনযোগ্য বিয়োগসমূহ (deductions) বিবেচনাত লৈ গণনা কৰিব লাগে। আয়কৰ আইনৰ ৩০ৰ পৰা ৩৭ ধাৰালৈকে কিছুমান ব্যয় আৰু লোকচানসমূহৰ বাবদ কৰিবলগীয়া বিয়োগসমূহ স্পষ্টভাৱে দিয়া আছে। ওপৰত উল্লেখ কৰা ধাৰাসমূহত স্পষ্টভাৱে অনুমোদন কৰা ব্যয় আৰু লাভসমূহৰ উপৰিও কৰদাতাই ব্যৱসায় আৰু পেশা চলাওতে আৰু কিছুমান ব্যয় আৰু লোকচান সংঘটিত কৰে। সিহঁতক ব্যৱসায় আৰু পেশাৰ লাভ আৰু অর্জন গণনা কৰোতে সাধাৰণ বাণিজ্যিক নীতিৰ ভিত্তিত বিয়োগ হিচাপে অনুমোদন কৰা হয়, যদিহে সিহঁতক স্পষ্টভাৱে আয়কৰ আইনৰ আন কোনো ব্যৱস্থাত অগ্রাহ্য কৰা নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ 'ব্যৱসায় আৰু পেশাৰ লাভ আৰু অর্জনসমূহ' শিতানৰ অধীনত ধার্য কৰিব লগীয়া যিকোনো চাৰিপ্রকাৰৰ আয় উল্লেখ কৰক।

.....

.....

.....

.....

২.৭ মূলধনী লাভসমূহ

মূলধনী লাভৰ পৰা পোৱা আয়ৰ বিষয়ে আয়কৰ আইনৰ ৪৫ৰ পৰা ৫৫(A) ধাৰাত বর্ণনা কৰা হৈছে। আয়কৰ আইনৰ ৪৫(১) ধাৰাত 'মূলধনী লাভ' পদটোৰ সংজ্ঞাত কৈছে পূর্ববর্তী বছৰত এটা মূলধনী সম্পত্তিৰ স্থানান্তৰ কার্যকৰী কৰোতে উদ্ভৱ হোৱা লাভ বা অর্জনক 'মূলধনী লাভ' শিতানৰ অধীনত কৰত ধার্য কৰা হয়। মূলধনী লাভ কৰত ধার্য কৰ হয় যেতিয়া

নিম্নলিখিত চর্তসমূহ পৰিপূৰণ কৰে ঃ

১। মূলধনী সম্পত্তি— হ্ৰস্বকালীন বা দীর্ঘকালীন হ'ব পাৰে।

২। কৰদাতাই উক্ত সম্পত্তি স্থানান্তৰ কৰিব লাগিব।

৩। মূলধনী সম্পত্তিৰ স্থানান্তৰ পূর্ববর্তী বছৰৰ ভিতৰত কার্যকৰী হ'ব লাগিব।

৪। মূলধনী সম্পত্তি স্থানান্তৰ কৰোতে লাভ বা অর্জন উদ্ভৱ হয়।

৫। মূলধনী সম্পত্তি স্থানান্তৰ কৰোতে হোৱা লাভ বা অর্জন আয়কৰ আইনৰ 54, 54B, 54D, 54EC, 54F, 54G আৰু 54GA ধাৰাৰ অধীনত কৰৰ পৰা অব্যাহতি দিয়া নাই।

উদাহৰণস্বৰূপে ঃ

(১) Mr. L. K. Gogoi য়ে সম্পত্তিৰ ব্যৱসায় কৰে। তেওঁৰ ব্যৱসায় হৈছে ফ্লেট কিনে আৰু সিহঁতক প্রত্যাশিত গ্রাহকক বিক্রী কৰে। তেওঁৰ কাৰণে ঘৰ সম্পত্তি হৈছে মজুত পণ্য। ইয়াক মূলধনী সম্পত্তি হিচাপে গণ্য কৰিব নোৱাৰিব যদিও ঘৰ সম্পত্তি স্থাৱৰ সম্পত্তি। মজুত পণ্য অর্থাৎ ফ্লেট বিক্রী কৰি পোৱা যিকোনো আয় ব্যৱসায়ৰ আয় হিচাপে কৰযোগ্য হ'ব।

(২) Dr. R. K. Kalita কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এজন কর্মচাৰী। তেওঁ গুৱাহাটীত ২০০৩ চনৰ মার্চ মাহত দুটা ফ্লেট প্রতিটোত ৮,০০,০০০ টকাকৈ কিনিলে। ইয়াৰে এটা ফ্লেট ২০১০ চনৰ ২৫ ফেব্রুৱাৰীত ১২,০০,০০০ টকাত বেচিলে। Dr. R. K. Kalitaৰ ফ্লেট কেইটা মূলধনী সম্পত্তি হ'ব, কিন্তু মজুত পণ্য নহয় যিহেতু তেওঁ ফ্লেট তথা ঘৰ সম্পত্তিৰ ব্যৱসায়ী নহয়। ফ্লেট বিক্রী কৰোতে হোৱা লাভ ৪,০০,০০০ টকা অর্থাৎ ১২,০০,০০০ টকা—৮,০০,০০০ টকা মূলধনী লাভ শিতানত কৰযোগ্য হ'ব।

মূলধনী লাভ দুই প্রকাৰৰ, সিহঁত হ'ল—

(১) হ্ৰস্বকালীন মূলধনী লাভ (Short-term capital gains) আৰু

(২) দীর্ঘকালীন মূলধনী লাভ (Long-term capital gains)।

(১) হ্ৰস্বকালীন মূলধনী লাভ (Short-term capital gains) ঃ হ্ৰস্বকালীন মূলধনী লাভসমূহ হৈছে মূলধনী লাভ যিবোৰ হ্ৰস্বকালীন মূলধনী সম্পত্তি স্থানান্তৰ কৰোতে উদ্ভৱ হয়। হ্ৰস্বকালীন মূলধনী সম্পত্তি হৈছে সেইবোৰ মূলধনী সম্পত্তি যিবোৰ সম্পত্তি ইয়াৰ স্থানান্তৰ কৰাৰ তাৰিখৰ পৰা আগৰ ৩৬ মাহতকৈ কম দিনৰ বাবে ক্রেতাই ধাৰণ কৰিছে। যদি মূলধনী সম্পত্তিসমূহ কোম্পানীৰ অংশপত্র, ঋণপত্র আকাৰৰ আর্হিত থাকে তেনেহ'লে ধাৰণ কৰা কাল স্থানান্তৰ কৰা তাৰিখৰ পৰা আগৰ ১২ মাহতকৈ বেছি হ'ব নোৱাৰিব। হ্ৰস্বকালীন লাভ কৰ দেনা নির্ধাৰণ কৰিবৰ বাবে কৰদাতাৰ মুঠ আয়ৰ ভিতৰত আন আয়ৰ দৰেই অন্তর্ভুক্ত কৰি কৰযোগ্য কৰিব লাগে।

হ্ৰস্বকালীন মূলধনী লাভ গণনাৰ বাবে নিম্নলিখিত বিৱৰণীসমূহৰ প্রয়োজন হয় ঃ

(ক) হ্ৰস্বকালীন মূলধনী সম্পত্তি স্থানান্তৰৰ বাবে প্রাপ্ত বা উপার্জিত বিক্রী মূল্য বা স্থানান্তৰিত হ্ৰস্বকালীন মূলধনী সম্পত্তিৰ ন্যায্য বজাৰ মূল্য (fair market value)।

(খ) হ্ৰস্বকালীন মূলধনী সম্পত্তিৰ অধিগ্ৰহণ কৰা মূল্য।

(গ) হ্ৰস্বকালীন মূলধনী সম্পত্তিৰ উন্নয়ন কৰা ব্যয়।

(ঘ) হ্ৰস্বকালীন মূলধনী সম্পত্তি স্থানান্তৰৰ লগত জড়িত সম্পূৰ্ণকৈ আৰু স্বতন্ত্ৰভাৱে সংঘটিত টিকট শুল্ক, আইনসংক্ৰান্ত মাচুল, দালালী, দস্তুৰী আদি ব্যয়সমূহ।

পাবলগীয়া বিক্ৰী মূল্যৰ সম্পূৰ্ণ পৰিমাণৰ বা হ্ৰস্বকালীন মূলধনী সম্পত্তিৰ স্থানান্তৰৰ ফলস্বৰূপে উপাৰ্জন হোৱা বা হ্ৰস্বকালীন মূলধনী সম্পত্তিৰ ন্যায্য বজাৰ মূল্যৰ পৰা হ্ৰস্বকালীন মূলধনী সম্পত্তিৰ অধিগ্ৰহণ মূল্য আৰু হ্ৰস্বকালীন মূলধনী সম্পত্তিৰ উন্নয়নৰ বাবে কৰা খৰচ আৰু হ্ৰস্বকালীন মূলধনী সম্পত্তি স্থানান্তৰৰ লগত জড়িত নতুনকৈ আৰু স্বতন্ত্ৰভাৱে কৰা ব্যয়সমূহ বিয়োগ কৰিব লাগে। উদ্বৃত্তখিনিক হ্ৰস্বকালীন মূলধনী লাভ বোলা হয়। উদ্বৃত্তৰ পৰা 54B, 54D, 54G আৰু 54GA ধাৰাৰ অধীনত হ্ৰস্বকালীন মূলধনী সম্পত্তিৰ বাবে দিয়া অব্যাহতিসমূহ (exemptions) বিয়োগ কৰিব লাগে। ফলস্বৰূপে লব্ধ উদ্বৃত্তক হ্ৰস্বকালীন মূলধনী সম্পত্তিৰ কৰযোগ্য পৰিমাণ হিচাপে ধৰা হয়।

উদাহৰণ ঃ

(১) Mr. Rebati এ 10-10-2017 তাৰিখে 15,00,000 টকাৰে এটা ফ্লেট কিনে আৰু ইয়াৰ উন্নয়নৰ বাবে 1,00,000 টকা খৰচ কৰিলে। 26-10-2019 তাৰিখত তেওঁ ঘৰটো 19,00,000 টকাত বিক্ৰী কৰিলে আৰু 20,000 টকা স্থানান্তৰৰ বাবে খৰচ কৰিলে।

2020-21 কৰ নিৰ্ধাৰণ বছৰৰ বাবে Mr. Rebati ৰ মূলধনী লাভৰ পৰা হোৱা আয়ৰ পৰিমণ গণনা কৰক।

সমাধান ঃ

যিহেতু Mr. Rebatiয়ে ফ্লেটটো 36 মাহতকৈ কম কালৰ বাবে ধাৰণ কৰে সেয়ে ইয়াক হ্ৰস্বকালীন মূলধনী সম্পত্তি হিচাপে গণ্য কৰা হয়। সেয়ে সূচকাংক কৰাৰ প্ৰয়োজন নহয়। গতিকে কৰ নিৰ্ধাৰণ বছৰ 2020-21ৰ বাবে Mr. Rebati ৰ মূলধনী লাভৰ পৰা হোৱা আয়ৰ গণনা তলত দেখুৱা হ'ল ঃ

	টকা	টকা
বিক্ৰী মূল্য (Sales consideration)		19,00,000
বাদ ঃ স্থানান্তৰ কৰা খৰচ (Expenses on transfer)	20,000	
বাদ ঃ অধিগ্ৰহণৰ ব্যয় (Cost of Acquisition)	15,00,000	
বাদ ঃ উন্নয়নৰ ব্যয় (Cost of Improvement)	1,00,000	
		16,20,000
হ্ৰস্বকালীন মূলধনী লাভ (Short-term capital gain)		2,80,000

(২) Mr. Kumar এ প্ৰতিটো দহ টকীয়া অংশপত্ৰৰ সমমূল্যত 1000 অংশপত্ৰ 10-5-2019 তাৰিখে কিনিছিল। তেওঁ অংশপত্ৰখিনি 15-2-2020 তাৰিখে 45,000 টকাত বিক্ৰী কৰিলে আৰু দালালী আৰু আন খৰচৰ বাবদ 1,000 টকা ভৰিলে।

সমাধান ঃ

যিহেতু Mr. Kumar এ অংশপত্রসমূহ 12 মাহতকৈ কম দিনৰ বাবে ধাৰণ কৰিলে সেয়ে এই অংশপত্রসমূহ হ্রস্বকালীন মূলধনী সম্পত্তি হ'ব। গতিকে 2020-21 কৰ নির্ধাৰণ বছৰৰ বাবে Mr. Kumarৰ মূলধনী লাভৰ পৰা হোৱা আয়ৰ গণনা তলত দেখুৱা দৰে হ'ব।

		টকা
1000 অংশপত্র বিক্রীমূল্য (Sales consideration of 1000 shares)		45,000
বাদ ঃ অধিগ্রহণ ব্যয় (Cost of acquisition)	10,000	
বাদ ঃ স্থানান্তৰত হোৱা ব্যয় (Expenses on transfer)	1,000	
		11,000
হ্রস্বকালীন মূলধনী লাভ (Short term capital gain)		34,000

(২) **দীর্ঘকালীন মূলধনী লাভ (Long-term capital gains) ঃ** দীর্ঘকালীন মূলধনী লাভসমূহ হৈছে দীর্ঘকালীন মূলধনী সম্পত্তিসমূহ স্থানান্তৰ কৰোতে উদ্ভৱ হোৱা মূলধনী লাভ। আন কথাত ক'বলৈ গ'লে দীর্ঘকালীন মূলধনী লাভ হৈছে মূলধনী লাভ যিবোৰ মূলধনী সম্পত্তি স্থানান্তৰ কৰা তাৰিখৰ সংলগ্ন আগৰ ৩৬ মাহতকৈ বেছি দিনৰ বাবে বা বাৰ মাহতকৈ বেছি দিনৰ বাবে যদি মূলধনী সম্পত্তি কোম্পানীৰ অংশপত্র, ঋণপত্র, UTIৰ unit আদি হয়, কৰদাতাই ধাৰণ ধৰি স্থানান্তৰ কৰা বাবে উদ্ভৱ হয়।

দীর্ঘকালীন মূলধনী লাভ গণনাৰ বাবে নিম্নলিখিত তথ্যসমূহৰ প্রয়োজন হয় ঃ

(ক) দীর্ঘকালীন মূলধনী সম্পত্তি স্থানান্তৰ কৰা ফলস্বৰূপে প্রাপ্ত বা উদ্ভৱ হোৱা বিক্রী মূল্যৰ সম্পূর্ণ মূল্য বা দীর্ঘকালীন মূলধনী সম্পত্তিৰ ন্যায্য বজাৰ মূল্য।

(খ) দীর্ঘকালীন মূলধনী সম্পত্তিৰ সূচকাংককৃত (indexed) অধিগ্রহণ ব্যয়।

(গ) দীর্ঘকালীন মূলধনী সম্পত্তিৰ সূচকাংককৃত উন্নয়ন ব্যয়।

(ঘ) দীর্ঘকালীন মূলধনী সম্পত্তিৰ স্থানান্তৰৰ লগত সম্পূর্ণকৈ আৰু স্বতন্ত্রভাৱে জড়িত খৰচসমূহ।

দীর্ঘকালীন মূলধনী সম্পত্তিৰ সূচকাংককৃত অধিগ্রহণ ব্যয় নিম্নলিতি ধৰণেৰে গণনা কৰি পাব পাৰি ঃ

(মূলধনী সম্পত্তি বিক্রী কৰা বছৰৰ বাবে ব্যয় মুদ্রাস্ফীতি সূচক ÷ মূলধনী সম্পত্তি অধিগ্রহণ কৰা বছৰৰ ব্যয় মুদ্রাস্ফীতি সূচক বা 1981-82 চনৰ ব্যয় মুদ্রাস্ফীতি সূচক যিটোৱেই পিছৰ হয়) × মূলধনী সম্পত্তি অধিগ্রহণ কৰা হয়।

উদাহৰণ ঃ

(১) এটা সম্পত্তি 1987 চনৰ ডিচেম্বৰ মাহত 2,80,000 টকাৰে কিনিছিল।

(২) সম্পত্তিটো 2010 চনৰ জানুৱাৰী মাহত 10,00,000 টকাত বিক্রী কৰা হয়।

(৩) 1987-88 চনৰ ব্যয় মুদ্রাস্ফীতি সূচক ঃ 140

(৪) 2009-10 চনৰ বাবে ব্যয় মুদ্রাস্ফীতি সূচক ঃ 632

গতিকে সম্পত্তিৰ সূচকাংককৃত অধিগ্রহণ ব্যয় = (632 ÷ 140) × 2,80,000 টকা = 12,64,000 টকা।

মূলধনী সম্পত্তিৰ সূচকাংককৃত উন্নয়ন ব্যয়ৰ পৰিমাণ নিম্নলিখিত ধৰণেৰে গণনা কৰিব পাৰি ঃ

(মূলধনী সম্পত্তি বিক্রী কৰা বছৰৰ বাবে ব্যয় মুদ্রাস্ফীতি সূচক ÷ মূলধনী সম্পত্তি উন্নয়ন কৰা বছৰৰ ব্যয় মুদ্রাস্ফীতি সূচক) × মূলধনী সম্পত্তিত কৰা উন্নয়ন ব্যয়।

দীর্ঘকালীন মূলধনী লাভৰ গণনা (Computation of Long Term Capital Gains)ঃ

প্রথমতে ঃ দীর্ঘকালীন মূলধনী সম্পত্তি স্থানান্তৰ কৰা ফলস্বৰূপে পোৱা বিক্রীৰ সম্পূর্ণ মূল্য গণনা কৰিব লাগে।

দ্বিতীয়তে ঃ ওপৰত কোৱা দৰে নির্ধাৰণ কৰা পৰিমাণৰ পৰা নিম্নলিখিত পদসমূহ বিয়োগ কৰিব লাগে।

(১) তেনে স্থানান্তৰৰ বাবে সম্পূর্ণকৈ আৰু স্বতন্ত্রভাৱে উদ্ভৱ হোৱা খৰচসমূহ।

(২) স্থানান্তৰিত সম্পত্তিৰ সূচকাংককৃত অধিগ্রহণ ব্যয়।

(৩) স্থানান্তৰিত সম্পত্তিৰ সূচকাংককৃত উন্নয়ন ব্যয়।

তৃতীয়তে ঃ বাকী থকা পৰিমাণৰ পৰা 54, 54B, 54D, 54EC, 54F, 54G আৰু 54GA ধাৰাৰ অধীনত দীর্ঘকালীন মূলধনী লাভৰ বাবে ব্যৱস্থা কৰা অব্যাহতিসমূহ বিয়োগ কৰিব লাগে।

চূড়ান্ত উদ্বৃত্তৰ পৰিমাণক কৰযোগ্য মূলধনী লাভ হিচাপে বিবেচনা কৰা হয়।

টোকা ঃ দীর্ঘকালীন মূলধনী লাভ সূচকাংক ব্যৱহাৰ নকৰাকৈ কৰদাতাৰ ইচ্ছা অনুযায়ী গণনা কৰিব পাৰি।

দীর্ঘকালীন মূলধনী লাভৰ পৰা ৫৪ ধাৰাৰ অধীনত অব্যাহতিসমূহ (Exemption under section 54 from long term capital gains)

এতিয়া আমি দীর্ঘকালীন মূলধনী লাভৰ পৰা পোৱা অব্যাহতিসমূহ আলোচনা কৰো আহক। ৫৪ ধাৰাত আবাসিক ঘৰ সম্পত্তি অর্থাৎ ঘৰ বা অংশস্বৰূপে থকা ভূমি যাৰ আয় 'ঘৰ সম্পত্তিৰ পৰা পোৱা আয়' শিতানত ধার্য কৰিবলগীয়া হয়, স্থানান্তৰৰ পৰা উদ্ভৱ হোৱা মূলধনী লাভৰ অব্যাহতিসমূহৰ ব্যৱস্থা কৰিছে।

তথাপি ৫৪ ধাৰাৰ অধীনত দিয়া অব্যাহতি কেৱল মাত্র এজন ব্যক্তি বা এটা হিন্দু অবিভক্ত পৰিয়ালেহে দাবী কৰিব পাৰে। আন কথাত ক'বলৈ হ'লে ৫৪ ধাৰাৰ অধীনত আন কোনো ব্যক্তিয়ে অব্যাহতি পাবৰ যোগ্য নহয়।

৫৪ ধাৰাৰ অধীনত অব্যাহতি উপলব্ধ হয় যদিহে স্থানান্তৰিত কৰা মূলধনী সম্পত্তি আবাসিক ঘৰ সম্পত্তি (অর্থাৎ ঘৰ বা তাৰ অংশস্বৰূপে থকা ভূমি) হয় যাৰ আয় 'ঘৰ সম্পত্তিৰ পৰা পোৱা আয়' শিতানৰ অধীনত কৰযোগ্য হয়। উপলব্ধ অংশস্বৰূপ নিজে ব্যৱহাৰ কৰি থকা আবাসিক ঘৰ সম্পত্তি (তেনে ক্ষেত্রত ঘৰ সম্পত্তিৰ মূল্য শূন্য বা ঋণাত্মক হয়) হ'ব পাৰে বা

ভাড়াত দিয়া হ'ব পাৰে।

স্থানান্তৰিত কৰা ঘৰ সম্পত্তি দীর্ঘকালীন মূলধনী সম্পত্তি হ'ব লাগিব। অব্যাহতি দাবী কৰিবৰ বাবে কৰদাতাই (নতুন বা পুৰণি) আবাসিক ঘৰ সম্পত্তি কিনিব লাগিব বা এটা আবাসিক ঘৰ সম্পত্তি (নতুন আবাসিক সম্পত্তি) নির্মাণ কৰিব লাগিব। নতুন আবাসিক ঘৰ সম্পত্তি আবাসিক ঘৰ সম্পত্তি স্থানান্তৰ কৰা তাৰিখৰ আগৰ এবছৰৰ ভিতৰত বা পিছৰ দুবছৰৰ ভিতৰত ক্রয় কৰিব লাগিব বা নির্মাণ কৰিব লাগিব।

যেতিয়া এটা নতুন আবাসিক সম্পত্তি নির্মাণ কৰা হয়, নির্মাণ কার্য ঘৰ সম্পত্তি স্থানান্তৰ কৰা তাৰিখৰ ৩ বছৰৰ ভিতৰত সম্পূর্ণ কৰিব লাগিব। তথাপি, নির্মাণ কার্য আৰম্ভ কৰা তাৰিখটো অপ্রাসঙ্গিক হয়। নির্মাণ কার্য ঘৰ স্থানান্তৰ কৰাৰ আগতে আৰম্ভ হ'ব পাৰে। অব্যাহতিৰ পৰিমাণ সমান হ'ব ঃ

(ক) আবাসিক ঘৰ সম্পত্তি স্থানান্তৰ কৰোতে হোৱা মূলধনী লাভৰ পৰিমাণ, বা

(খ) এটা নতুন আবাসিক সম্পত্তি কিনোতে বা নির্মাণ কৰোতে (বিশেষ আমানত আঁচনিত ৰখা জমাৰ সহ) বিনিয়োগ কৰা পৰিমাণ, যিটোৰেই কম হয়।

উদাহৰণ ঃ

Mr. Giladhari এ 12.6.2001 তাৰিখত এটা আবাসিক ঘৰ সম্পত্তি 1,20,000 টকাৰে কিনিলে। 1988-89 বছৰটোত তেওঁ ঘৰটোৰ উন্নয়নৰ বাবে 70,000 টকা খৰছ কৰিলে। 4-8-2009 তাৰিখত তেওঁ ঘৰটো 13,85,000 টকাত বিক্রী কৰিলে। স্থানান্তৰৰ বাবদ তেওঁৰ 15,000 টকা খৰচ হ'ল।

2020-21 কৰ নির্ধাৰণ বছৰৰ বাবে মূলধনী লাভৰ পৰিমাণ গণনা কৰক।

দিয়া আছে যে,

পূর্ববর্তী বছৰ	ব্যয় মুদ্রাস্ফীতি সূচকাংক (Cost inflation index)
2001-02	100
2009-10	148
2019-20	280

সমাধান ঃ

Mr. Ghiladhari এ আবাসিক ঘৰটো 36 মাহতকৈ বেছি দিনৰ বাবে ধাৰণ কৰিলে। গতিকে ই এটা দীর্ঘকালীন মূলধনী সম্পত্তি।

	টকা	টকা
বিক্রী প্রতিদান (Sales consideration)		13,85,000
বাদ ঃ স্থানান্তৰ কৰা খৰচ (Expenses on transfer)	15,000	
বাদ ঃ সূচকাংককৃত অধিগ্রহণ ব্যয় (Indexed cost of acquisition)		
$\left(\text{Rs.1,20,00 0} \times \frac{280}{100}\right)$	3,36,000	

বাদ ঃ সূচকাংককৃত উন্নয়নৰ ব্যয় (Indexed cost of improvement)

$\left(\text{Rs.}70,000 \times \frac{280}{148}\right)$ 1,32,432 2,03,568

দীর্ঘকালীন মূলধনী লাভ (Long-term capital Gains) 11,81,432

(২) ওপৰত গণনা কৰা ধৰণে নির্ধাৰণ কৰা দীর্ঘকালীন মূলধনী লাভ আয়কৰ আইনৰ 54, 54B, 54D, 54EC, 54F, 54G আৰু 54GA ধাৰাত অব্যাহতি দিয়া বিয়োগসমূহ কৰাৰ পিছত কৰযোগ্য হ'ব।

২.৮ অন্যান্য উৎসসমূহৰ পৰা আয়

আয়কৰ আইনৰ ৫৯ৰ পৰা ৫৯ ধাৰাত ইহঁতক সন্নিৱিষ্ট কৰা হৈছে। অন্যান্য উৎসসমূহৰ পৰা পোৱা আয় হৈছে অৱশিষ্ট আয়ৰ শিতান। যিকোনো আয় যিবোৰ আয়কৰ আইনৰ অধীনত কৰযোগ্য হয়, কিন্তু পূর্বৰ চাৰিটা আয়ৰ শিতানত যেনে দৰমহাৰ আয়, ঘৰ সম্পত্তিৰ পৰা পোৱা আয়, ব্যৱসায় বা পেশাৰ পৰা পোৱা লাভ আৰু অর্জনসমূহ আৰু মূলধনী লাভৰ শিতানত অন্তর্ভুক্ত নহ'ল সিহঁতক এই শিতানৰ অধীনত কৰযোগ্য কৰা হয়।

অন্যান্য উৎসসমূহৰ পৰা পোৱা আয় শিতানৰ অধীনত ধার্য কৰিবলগীয়া আয়সমূহ (Incomes chargeable under the Head Income from other sources) ঃ

'অন্যান্য উৎসসমূহৰ পৰা পোৱা আয়' শিতানৰ অধীনত ধার্য কৰিবলগীয়া বিভিন্ন আয়সমূহ দুটা শ্রেণীত ভাগ কৰিব পাৰি, যেনে (ক) আয়কৰ আইনৰ ৫৬ (২) ধাৰা অনুসৰি বিশিষ্ট (specified) বা বিশেষভাৱে নির্দিষ্ট কৰা (specific) আয়সমূহ, আৰু (খ) আয়কৰ আইনৰ ৫৬ (১) ধাৰা অনুসৰি অন্যান্য আয়সমূহ।

বিশিষ্ট বা বিশেষভাৱে নির্দিষ্ট কৰা আয় (Specified or Specific Incomes) ঃ

আয়কৰ আইনৰ ৫৬ (২) ধাৰা অনুসৰি বিভিন্ন বিশিষ্ট আয়সমূহ হৈছে—

১। কোম্পানীসমূহৰ অংশপত্রৰ লাভাংশ।

২। লটাৰী, শব্দ শৃংখল, ঘোৰা দৌৰ সহ দৌৰসমূহ, কার্ডৰ খেল আৰু আন যিকোনো জুৱাখেল বা বাজী ধৰা প্রকৃতিৰ খেলত বিজয়ী হোৱা বাবে পোৱা অর্জনসমূহ।

৩। প্রতিভূতিৰ ওপৰত সুতৰ পৰা পোৱা আয়, যদি তেনে আয় অর্থাৎ প্রতিভূতিৰ সুত 'ব্যৱসায় বা পেশাৰ আয়ৰ' শিতানৰ অধীনত কৰ আৰোপণ কৰা হোৱা নাই।

৪। ভাড়াত লোৱা যন্ত্রপাতি, জনিত্র (Plant) বা আচবাব পত্র ভাড়াত দি পোৱা আয়, যদি তেনে আয় 'ব্যৱসায় বা পেশাৰ আয়' শিতানত কৰ আৰোপণ কৰা হোৱা নাই।

৫। ভাড়াত লোৱা কার্যক্ষম যন্ত্রপাতি, জনিত্র বা আচবাব পত্রৰ ভাড়া পৃথক কৰিব পৰা নাযায় আৰু যদি তেনে আয় 'ব্যৱসায় বা পেশাৰ পৰা পোৱা আয়' শিতানত কৰ আৰোপণ কৰা হোৱা নাই।

অন্যান্য আয়সমূহ (Other Incomes) ঃ

আয়কৰ আইনৰ ৫৬ (১) ধাৰা অনুসৰি অন্যান্য আয়সমূহ হৈছে ঃ

১। সমবায় সমিতিৰ অংশপত্ৰৰ ওপৰত পোৱা লাভাংশ।

২। সমবায় সমিতিসমূহে বিলি কৰা প্ৰতিভূতিসমূহৰ ওপৰত পোৱা সুত।

৩। বেংকৰ জমাৰ ওপৰত পোৱা সুত।

৪। কোম্পানী আৰু আনৰ সৈতে থকা জমাৰ ওপৰত সুত।

৫। আনক দিয়া আগধনৰ ওপৰত পোৱা সুত।

৬। বিদেশী চৰকাৰে বা বিদেশী কোম্পানীয়ে বিলি কৰা প্ৰতিভূতিৰ ওপৰত প্ৰাপ্ত সুত।

৭। এজন কৰ্মচাৰীয়ে অনাস্বীকৃত ভৱিষ্যনিধিত (unrecognised provident fund) দিয়া তেওঁৰ নিজৰ বৰঙণিৰ ওপৰত পোৱা সুত।

৮। নিজৰ বিনিয়োগৰ বাহিৰে আন ব্যক্তিৰ পৰা এজন কৰ্মচাৰীয়ে পোৱা মাচুল, দস্তুৰী বা পাৰিশ্ৰমিক।

৯। ইচ্ছাপত্ৰ (will), ন্যাস চুক্তি বা চুক্তিৰ অধীনত পোৱা কোনো বাৰ্ষিকী।

১০। ঘৰ সম্পত্তি নিজে ভাড়াত লৈ গোটেইখিনি বা একাংশ লোকক ভাড়া দিয়া (sub-let) উপ ভাড়াটিয়াৰ (sub-tenant) আয়।

১১। খনি আৰু লেখস্বত্বৰ মালিকে পোৱা স্বত্ব কৰ।

১২। সঞ্চালকৰ মাচুল।

১৩। কোম্পানীৰ কৰ্মচাৰী নোহোৱা কোম্পানীৰ সঞ্চালকে পোৱা পাৰিতোষিক (gratuity)।

১৪। এটা কোম্পানীৰ সঞ্চালকে নতুন বিলিৰ অংশপত্ৰ দায় গ্ৰহণ কৰি পোৱা দস্তুৰী।

১৫। এটা কোম্পানীৰ সঞ্চালকে বেংকক নিশ্চয়তা প্ৰদান কৰা বাবে পোৱা দস্তুৰী।

১৬। কোনো ভৱনৰ লগত অংশ স্বৰূপ নোহোৱা ভূমিৰ খাজানা।

১৭। বজাৰ, ফেৰী, মীনপালনৰ পৰা পোৱা আয়।

১৮। বিদেশত অৱস্থিত ভূমিৰ পৰা পোৱা কৃষি সংক্ৰান্ত আয়।

১৯। নিজ স্বত্বত লোৱা ভূসম্পত্তিৰ পৰা পোৱা আয়।

২০। প্ৰাপ্ত ভূমিৰ খাজানা।

২১। বিদেশী চৰকাৰৰ পৰা পোৱা যিকোনো দৰমহা বা পেঞ্চন।

২২। অপ্ৰকাশ্য উৎসৰ পৰা পোৱা আয়।

২৩। গৃহ শিক্ষকতা, বিদ্যালয়, মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ শিক্ষকে গোপনীয় কাম যেনে- পৰীক্ষক হিচাপে উত্তৰ বহী মূল্যায়ন কৰা, পুনৰীক্ষক, মুখ্য পৰীক্ষক আদি হিচাপেপোৱা পাৰিশ্ৰমিক।

২৪। লোকসভাৰ সদস্য, বিধানসভাৰ সদস্য বা স্থানীয় সমিতিৰ সদস্যৰ দৰমহা।

২৫। মৃত কৰ্মচাৰীৰ নিৰ্ভৰশীল সদস্যসকলে পোৱা পেঞ্চন।

নিম্নলিখিতসমূহ হৈছে আয়কৰ আইনৰ অধীনত বিভিন্ন আয়ৰ শিতানৰ পৰা পোৱা আয়ৰ কিছুমান উদাহৰণ।

আয়ৰ প্ৰকৃতি (Nature of Income)	আয়ৰ শিতান (Head of Income)
১। নিয়োগকাৰীৰ পৰা এজন কৰ্মচাৰীয়ে পোৱা বোনাচ	দৰমহাৰ পৰা পোৱা আয়।
২। মুক্ত প্ৰতিযোগিতাৰ পৰা পোৱা পুৰস্কাৰৰ ধন	অন্যান্য উৎসসমূহৰ পৰা পোৱা আয়।
৩। পাণ দোকানৰ পৰা পোৱা উপাৰ্জন	ব্যৱসায় বা পেশাৰ পৰা পোৱা আয়।
৪। অংশপত্ৰ বিক্ৰী কৰোতে হোৱা লাভ	মূলধনী লাভ।
৫। ঘৰভাড়া প্ৰাপ্তি	ঘৰ সম্পত্তিৰ পৰা পোৱা আয়।
৬। প্ৰতিভূতিৰ পৰা পোৱা সুত	অন্যান্য উৎসসমূহৰ পৰা পোৱা আয়।
৭। পৰীক্ষক হিচাপে পোৱা পাৰিশ্ৰমিক	অন্যান্য উৎসসমূহৰ পৰা পোৱা আয়।
৮। পূৰ্বৰ নিয়োগকৰ্তাৰ পৰা পোৱা পেঞ্চন	দৰমহাৰ পৰা পোৱা আয়।
৯। প্ৰতিযোগিতা Man of the Match হিচাপে পোৱা পুৰস্কাৰ	অন্যান্য উৎসসমূহৰ পৰা পোৱা আয়।
১০। নিয়োগকৰ্তাৰ পৰা পোৱা ল'ৰা-ছোৱালীৰ শিক্ষা ভাত্তা	দৰমহাৰ পৰা পোৱা আয়।
১১। নিয়োগকৰ্তাৰ পৰা পোৱা মৰগীয়া ভাত্তা	দৰমহাৰ পৰা পোৱা আয়।
১২। গৃহশিক্ষকে গৃহ শিক্ষকতা কৰি পোৱা আয়	ব্যৱসায় বা পেশাৰ পৰা পোৱা আয়।
১৩। অংশীদাৰী প্ৰতিষ্ঠানৰ পৰা এজন অংশীদাৰে পোৱা দৰমহা	ব্যৱসায় বা পেশাৰ পৰা পোৱা আয়।
১৪। এজন পূৰ্ণকালীন শিক্ষক-কৰ্মচাৰীয়ে গৃহ শিক্ষকতা কৰি পোৱা আয়	অন্যান্য উৎসসমূহৰ পৰা পোৱা আয়।
১৫। ভূমিৰ বাবে খাজানা প্ৰাপ্তি	অন্যান্য উৎসসমূহৰ পৰা পোৱা আয়
১৬। ভেটি (bribe) হিচাপে পোৱা প্ৰাপ্তি	অন্যান্য উৎসসমূহৰ পৰা পোৱা আয়।
১৭। নিয়োগকৰ্তাৰ দ্বাৰা কৰ্মচাৰীৰ ভৱিষ্যনিধি হিচাপলৈ দিয়া বৰঙণি	দৰমহাৰ পৰা পোৱা আয়।
১৮। নিয়োগকৰ্তাৰ পৰা প্ৰাপ্ত চিকিৎসা ভাত্তা	দৰমহাৰ পৰা পোৱা আয়।
১৯। বেংকৰ সুতৰ পৰা উপাৰ্জন	অন্যান্য উৎসসমূহৰ পৰা পোৱা আয়।
২০। ভূমি বিক্ৰীৰ পৰা পোৱা উপাৰ্জন	মূলধনী লাভ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ আয়কৰ আইনৰ অধীনত দুটা বিশিষ্ট আয় আৰু দুটা অন্যান্য আয় উল্লেখ কৰক।

.....

.....

.....

.....



২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- আয়কৰ ধার্য আৰু মুঠ আয় গণনাৰ উদ্দেশ্যে কৰদাতাৰ আয় পাঁচটা মুখ্য শিতানত ভাগ কৰা হৈছে ঃ
  - (ক) দৰমহাৰ পৰা পোৱা আয়।
  - (খ) ঘৰ সম্পত্তিৰ পৰা পোৱা আয়।
  - (গ) ব্যৱসায় আৰু পেশাৰ পৰা পোৱা লাভ আৰু অর্জনসমূহ।
  - (ঘ) মূলধনী লাভ।
  - (ঙ) অন্যান্য উৎসসমূহৰ পৰা পোৱা আয়।
- দৰমহা হৈছে নিয়োগ কর্তাই কর্মচাৰীক তেওঁলোকে আগবঢ়োৱা সেৱাৰ প্রতিদান হিচাপে পৰিশোধ কৰা ধন।
- কোনো ভৱন আৰু ইয়াৰ লগত সংলগ্ন হৈ থকা ভূমি সহ ঘৰ সম্পত্তিৰ বার্ষিক মূল্য 'ঘৰ সম্পত্তিৰ পৰা পোৱা আয়' শিতানৰ অধীনত কৰৰ বাবে ধার্য কৰা হয়।
- ব্যৱসায় আৰু পেশাৰ পৰা পোৱা লাভ আৰু অর্জন আয়কৰ আইনৰ 28ৰ পৰা 44D ধাৰালৈকে বর্ণনা কৰা হৈছে।
- মূলধনী লাভৰ পৰা পোৱা আয় আয়কৰ আইনৰ 45ৰ পৰা 55A ধাৰালৈকে বর্ণনা কৰা হৈছে।
- অন্যান্য উৎসসমূহৰ পৰা পোৱা আয় হৈছে অৱশিষ্ট আয়ৰ শিতান আৰু ইয়াক আয়কৰ আইনৰ 56ৰ পৰা 59 ধাৰালৈকে সন্নিবিষ্ট কৰা হৈছে।



২.১০ অধিক জানিবলৈ

১) B. B. Dam, S. Sikidar, R, Barman, B. Bora : Direct and Indirect Taxes Capital Publishing Company, G. S. Road, Guwahati.

২) V. K. Singhania, K. Singhania : Taxman.

২.১১ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আয়কৰ ধাৰ্য কৰিবৰ উদ্দেশ্যে আয়ৰ পাঁচটা শিতান আছে। এই শিতানসমূহ হৈছে — দৰমহাৰ পৰা পোৱা আয়, ঘৰ সম্পত্তিৰ পৰা পোৱা আয়, ব্যৱসায় আৰু পেশাৰ লাভ আৰু অৰ্জনসমূহ, মূলধনী লাভ আৰু অন্যান্য উৎসসমূহৰ পৰা পোৱা আয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ 'ব্যৱসায় বা পেশাৰ লাভ আৰু অৰ্জনসমূহ' শিতানৰ অধীনত নিম্নলিখিত আয়সমূহ কৰত ধাৰ্য কৰিবলগীয়া হয়।

(ক) পূৰ্ববৰ্তী বছৰত যিকোনো সময়ত কৰদাতাৰ দ্বাৰা চলোৱা ব্যৱসায় আৰু পেশাৰ পৰা পোৱা লাভ আৰু অৰ্জনসমূহ।

(খ) বেহা-বেপাৰ, বৃত্তিগত বা ইয়াৰ সদস্যসকললৈ বিশিষ্ট সেৱা আগবঢ়োৱা একে ধৰণৰ সন্মিলনৰ পৰা পোৱা যিকোনো আয়।

(গ) অনুজ্ঞাপত্ৰ বিক্ৰী যেনে— আমদানি অধিকাৰ দাম ১৯৪৭ চনৰ আমদানি আৰু ৰপ্তানি (নিয়ন্ত্ৰণ) আইনৰ অধীনত মঞ্জুৰ কৰা আমদানি অধিকাৰসমূহ বিক্ৰী কৰি পোৱা লাভ।

(ঘ) ভাৰত চৰকাৰৰ কোনো আঁচনিৰ অধীনত এজন ব্যক্তিয়ে ৰপ্তানিৰ বিপৰীতে প্ৰাপ্ত বা পাবলগীয়া নগদ সাহায্য।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বিশিষ্ট আয়সমূহ ঃ

১। কোম্পানীসমূহৰ অংশপত্ৰৰ লাভাংশ,

২। লটাৰী, শব্দশৃঙ্খল, ঘোৰা দৌৰসহ দৌৰসমূহ, কার্ডৰ খেল আৰু আন যিকোনো জুৱাখেল বা বাজীধৰা প্ৰকৃতিৰ খেলৰ বিজয়ী হোৱা বাবে পোৱা অৰ্জনসমূহ।

অন্যান্য আয়সমূহ ঃ

১। সমবায় সমিতিৰ অংশপত্ৰৰ ওপৰত পোৱা লাভাংশ।

২। বেংকৰ জমাৰ ওপৰত পোৱা সুত।



২.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ উপযুক্ত শব্দ/শব্দসমূহ বহুৱাই খালী ঠাই পূৰণ কৰক ঃ

(১) লটাৰীৰ পৰা প্ৰাপ্তি ..... শিতানৰ অধীনত কৰযোগ্য হয়।

(২) মূলধনী সম্পত্তি ..... কালীন আৰু ..... কালীন দুয়োবিধ হ'ব পাৰে।

(৩) ৰপ্তানি অনুজ্ঞাপত্ৰ বিক্ৰী কৰি পোৱা লাভ ..... আয়ৰ শিতানৰ অধীনত আহে।

(৪) মূলধনী সম্পত্তিৰ ব্যয়ৰ সূচকাংক ..... ক্ষেত্ৰত প্ৰয়োজন হয়।

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(১) মালিকে তেওঁ ব্যৱসায় বা পেশা চলাবৰ বাবে ব্যৱহাৰ কৰা সম্পত্তি 'ঘৰ সম্পত্তিৰ পৰা পোৱা আয়' শিতানৰ অধীনত কৰত ধাৰ্য যোগ্য হয়।

(২) ৰাজ্যিক বা প্ৰাদেশীক আইনৰ অধীনত স্থাপন কৰা খাদী আৰু গ্ৰামোদ্যোগ শিল্পসমূহৰ বোৰ্ডৰ আয় কৰৰ পৰা অব্যাহতি পায়।

(৩) যদি কোনো দৰমহা অগ্ৰিমপ্ৰাপ্ত হয় তেনেহ'লে ইয়াক উক্ত পূৰ্ববৰ্তী বছৰৰ সংশ্লিষ্ট কৰদাতাৰ মুঠ আয়ৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হয়।

(৪) এজন কৰ্মচাৰীয়ে পোৱা বিধিবদ্ধ ভৱিষ্যনিধিৰ পৰা পোৱা ৰিফৎ কৰযোগ্য হয়।

প্ৰশ্ন ৩ ঃ আয়কৰ আইন অনুসৰি বিভিন্ন আয়ৰ শিতানসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ চমুটোকা লিখক ঃ

(ক) ব্যৱসায় (খ) পেশা (গ) মূলধনী লাভ

প্ৰশ্ন ৫ ঃ 'ব্যৱসায় বা পেশাৰ লাভ আৰু অৰ্জন' শিতানৰ অধীনত কৰত ধাৰ্য কৰিবলগীয়া পাঁচবিধ আয় উল্লেখ কৰক।

প্ৰশ্ন ৬ ঃ হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন মূলধনী লাভ বুলিলে কি বুজে?

প্ৰশ্ন ৭ ঃ 'অন্যান্য আয়সমূহৰ পৰা পোৱা আয়'ৰ চাৰিটা উদাহৰণ দিয়ক।

*** ***** ***

অধ্যায় ৩ ঃ কৰ দেনাৰ মূল্যায়ণ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ দৰমহাৰ অর্থ

- ৩.৩.১ দৰমহাৰ পৰা পোৱা আয়ৰ বৈশিষ্ট্য
- ৩.৩.২ ধার্যৰ ভিত্তি
- ৩.৩.৩ দৰমহাৰ পৰা পোৱা আয়ৰ গণনা
- ৩.৩.৪ দৰমহাৰ পৰা পোৱা আয়ৰ গণনাৰ বাবে আয়ৰ বর্ষ আৰু কৰ নির্ধাৰণ বর্ষ
- ৩.৩.৫ দৰমহাৰ পৰিবর্তে লাভ

৩.৪ কর্মচাৰীসকললৈ আগবঢ়োৱা ভাত্তাসমূহ

৩.৫ দৰমহাৰ পৰা পোৱা আয় গণনাৰ বাবে বিবেচনা কৰা বিভিন্ন বিষয়সমূহ

৩.৬ 80C আদি ধাৰাৰ অধীনত বিয়োগসমূহ

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্রগতিৰ খতিয়ান

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- দৰমহাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- দৰমহাৰ বৈশিষ্ট্য, ভিত্তিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- কর্মচাৰীসকললৈ আগবঢ়োৱা ভাত্তাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- 80C ধাৰাৰ অধীনত বিয়োগসমূহ ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয়

দৰমহা এজন ব্যক্তিয়ে আগবঢ়োৱা সেৱাৰ বাবে তেওঁৰ নিয়োগকর্তাৰ পৰা পোৱা এক পৰিমাণৰ বাহিৰে আন একো নহয়। সমাজৰ হৈ সামগ্রিকভাৱে বিভিন্ন কাম-কাজসমূহ কৰিবৰ বাবে চৰকাৰে কৰ আকাৰত তেনে আয়ৰ বৰঙণিৰ পৰা ধন সংগ্রহ কৰে। এই অধ্যায়টোত আমি কৰযোগ্য আয় আৰু দৰমহাৰ পৰা পোৱা আয়ৰ কৰদেনাৰ ওপৰত আলোচনা কৰিম। এই

অধ্যায়টোত আমি কর্মচাৰীসকলৰে আগবঢ়োৱা অনুমোদনযোগ্য বিভিন্ন ভাত্তাসমূহ আৰু দৰমহাৰ পৰা পোৱা আয় গণনা কৰিবৰ বাবে 80C আদি ধাৰাৰ অধীনত বিয়োগসমূহৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিম।

৩.৩ দৰমহাৰ অর্থ

দৰমহা হৈছে এটা নির্দিষ্ট সময় কালৰ বাবে এজন ব্যক্তিয়ে তেওঁ আগবঢ়োৱা সেৱাৰ প্রতিদান হিচাপে তেওঁৰ নিয়োগকর্তাৰ পৰা পোৱা বা পাবলগীয়া পৰিমাণ। গতিকে, দৰমহা হৈছে এজন কর্মচাৰীয়ে তেওঁৰ নিয়োগকর্তাৰ পৰা পোৱা সাময়িক আৰু নিয়মীয়া আয়। নিয়োগকর্তা চৰকাৰ, এটা স্থানীয় কর্তৃপক্ষ, এটা নিগম, এটা কোম্পানী, এখন অংশীদাৰী প্রতিষ্ঠান, এটা অনুষ্ঠান বা এজন ব্যক্তি হ'ব পাৰে। যিকোনো নিয়োগকর্তাৰ পৰা পোৱা দৰমহা 'দৰমহাৰ পৰা পোৱা আয়' শিতানৰ অধীনত আয়কৰ আৰোপ কৰা হয়। দৰমহা হিচাপে কোনো প্রাপ্তি গঠিত হ'বলৈ হ'লে মূল উপাদান হৈছে পৰিশোধ আৰু নিয়ুক্তিৰ মাজত থকা সম্পর্ক স্থাপন কৰিবলৈ নিয়োগকর্তা আৰু কর্মচাৰীৰ মাজত চুক্তিবদ্ধ সম্বন্ধ থাকিব লাগিব।

৩.৩.১ দৰমহাৰ পৰা পোৱা আয়ৰ বৈশিষ্ট্য

নিম্নলিখিতসমূহ হৈছে দৰমহাৰ পৰা পোৱা আয়ৰ বৈশিষ্ট্য

(ক) ই হৈছে এক নিয়মীয়া আয়।

(খ) ইয়াক সেৱাৰ বাবে বা আগবঢ়োৱাৰ পিছত প্রাপ্তি হয়।

(গ) পৰিশোধ কৰোতা আৰু পাওতা হিচাপে নিয়োগকর্তা আৰু কর্মচাৰীৰ মাজত এটা সম্বন্ধ থাকিব লাগিব।

(ঘ) দৰমহা দেয়ভিত্তিত বা প্রাপ্তি ভিত্তিত যিটোৰেই আগতে হয় সিয়েই কৰত আৰোপনীয় হয়।

(ঙ) দৰমহা মুদ্রা এককত প্রকাশ কৰিব লাগে।

৩.৩.২ ধার্যৰ ভিত্তি

আয়কৰ আইনৰ ১৫ ধাৰা অনুসৰি নিম্নলিখিত দৰমহা 'দৰমহাৰ পৰা পোৱা আয়'ৰ শিতানৰ অধীনত কৰত ধার্য কৰা হয় ঃ

(ক) পৰিশোধ কৰা হওক বা নহওক, পূর্ববর্তী বছৰত বর্তমান বা পূর্বৰ নিয়োগকাৰীৰ পৰা কর্মচাৰীয়ে পাবলগীয়া দৰমহা,

(খ) পূর্ববর্তী বছৰত বর্তমান বা পূর্বৰ নিয়োগকাৰীয়ে দেয় হোৱাৰ আগতে কর্মচাৰীক পৰিশোধ কৰা দৰমহা,

(গ) পূর্ববর্তী বছৰত কৰত ধার্য নকৰা পূর্ববর্তী বছৰত বর্তমান বা পূর্বৰ নিয়োগকাৰীয়ে

কর্মচাৰীক পৰিশোধ কৰা বকেয়া দৰমহা,

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে পূৰ্ববৰ্তী বছৰত নিম্নলিখিত আহিৰ দৰমহা কৰত আৰোপনৰ যোগ্য হয়।

(১) দৰমহা, দেয় বা প্ৰাপ্তি ভিত্তিত, যিটোৰেই আগত হয়, কৰযোগ্য হয়।

(২) অগ্ৰিম প্ৰাপ্ত দৰমহা,

(৩) বৰ্তমান বা পূৰ্বৰ নিয়োগকাৰীৰ পৰা পোৱা দৰমহা, আৰু

(৪) বকেয়া দৰমহা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক —

(১) দৰমহা হৈছে নিয়োগকৰ্তাৰ পৰা এজন কৰ্মচাৰীয়ে পোৱা সাময়িক আৰু নিয়মীয়া আয়। (শুদ্ধ/অশুদ্ধ)

(২) দৰমহা, দেয় বা প্ৰাপ্তি ভিত্তিত যিটোৰেই আগতে হয়, কৰ যোগ্য কৰা হয়। (শুদ্ধ/অশুদ্ধ)

(৩) দৰমহাসমূহ মুদ্ৰাৰ এককত প্ৰকাশ কৰা হয়। (শুদ্ধ/অশুদ্ধ)

(৪) যিকোনো নিয়োগকৰ্তাৰ পৰা পোৱা পৰিমাণ 'দৰমহাৰ পৰা পোৱা আয়' শিতানৰ অধীনত কৰ আৰোপন কৰা নহয়। (শুদ্ধ/অশুদ্ধ)

৩.৩.৩ দৰমহাৰ পৰা পোৱা আয়ৰ গণনা

'দৰমহাৰ পৰা পোৱা আয়' গণনা কৰিবৰ বাবে প্ৰথম পদক্ষেপ হৈছে মুঠ দৰমহা (gross salary) গণনা কৰিব লাগে। আন আন বিষয়ৰ ভিতৰত নিম্নলিখিত দৰমহাৰ উপাংশসমূহ মুঠ দৰমহা গণনা কৰোতে বিবেচনা কৰা হয় ঃ

(ক) মূল দৰমহা তথা মজুৰি (Basic pay/wages),

(খ) বাৰ্ষিকী (Annuity),

(গ) পেঞ্চন (Pension),

(ঘ) পাৰিতোষিক (Gratuity),

(ঙ) মাচুল, দস্তুৰী, ওপৰঞ্চি সা-সুবিধা (Fees, commission, perquisites),

(চ) দৰমহা আৰু মজুৰীৰ অতিৰিক্ত বা পৰিবৰ্তে পোৱা লাভ (Profits in lieu of or in addition to salary and wages),

(ছ) ব্যৱহাৰ নকৰা ছুটী নগদীকৰণৰ বাবে পোৱা ধন (Sum received by encashment of leave not availed),

(জ) চতুৰ্থ সূচীৰ A অংশৰ 6 নিয়মৰ অধীনত এটা স্বীকৃতিপ্ৰাপ্ত ভৱিষ্যৎ নিধিত অংশগ্ৰহণ কৰা এজন কৰ্মচাৰীৰ ক্ৰেডিট উদ্বৃত্তত বাৰ্ষিক বৃদ্ধি যিখিনি কৰত ধাৰ্য

কৰিবৰ যোগ্য হয়,

(ঝ) চতুর্থ সূচীৰ A অংশৰ 11(4) নিয়ম অনুসৰি এটা স্বীকৃতিপ্রাপ্ত ভৱিষ্যৎ নিধিৰ স্থানান্তৰত উদ্বৃত্ত যিখিনি পৰিমাণ কৰ যোগ্য হয়,

(ঞ) 80CCD ধাৰাত উল্লেখ থকা পেঞ্চন আঁচনিৰ অধীনত কেন্দ্রীয় চৰকাৰৰ দ্বাৰা আগবঢ়োৱা বৰঙণি,

(ট) কর্মচাৰীৰ হৈ নিয়োগকর্তাই পৰিশোধ কৰা আয়কৰ যেতিয়া দৰমহা কৰ মুক্ত হিচাপে পৰিশোধ কৰা হয়।

ওপৰৰ প্রাপ্তিসমূহৰ ভিতৰত কিছুমান আয় আছে যিবোৰ সম্পূর্ণকৈ অব্যাহতি বা কোনো সীমালৈকে অব্যাহতি দিয়া হৈছে। ওপৰৰ আয়সমূহৰ সমষ্টিক, অব্যাহতিসমূহ, যদি থাকে, লভ্য হোৱাৰ পিছত, মুঠ দৰমহা (gross salary) বুলি জনা যায়।

ওপৰত উল্লেখ কৰা দৰে নির্ধাৰণ কৰা মুঠ দৰমহাৰ পৰা ১৯৬১ চনৰ আয়কৰ আইনৰ ১৬ ধাৰাৰ অধীনত নিম্নলিখিত তিনিটা বিয়োগ (deductions) অনুমোদন কৰা হয়।

(১) মানবিশিষ্ট বিয়োগ (standard deduction) [16(1) ধাৰা], (ইয়াক 2007-08 কৰ নির্ধাৰণ বছৰৰ পৰা ইতিমধ্যে প্রত্যাহাৰ তথা উঠাই লোৱা হৈছে)।

(২) আমোদ ভাত্তাৰ (entertainment allowance) বাবে বিয়োগ [16 (ii) ধাৰা], আৰু

(৩) নিয়োগৰ ওপৰত কৰ, যাক বৃত্তি কৰ (Professional Tax) বুলি জনা যায়, হিচাপে পৰিশোধ কৰা পৰিমাণৰ বিয়োগ [16(iii) ধাৰা]।

ওপৰত উল্লেখ কৰা বিয়োগসমূহ অনুমোদন কৰাৰ পিছত উপনীত হোৱা পৰিমাণ হৈছে 'দৰমহাৰ পৰা পোৱা আয়'। দৰমহাৰ পৰা পোৱা আয় নিম্নলিখিত তথ্য তালিকাৰ (chart) সহায়ত গণনা কৰিব পাৰি।

বিৱৰণ	টকা	টকা
(১) মূল দৰমহা (Basic Salary) (২) ভাত্তাসমূহ (কৰযোগ্য অংশ) (Allowances, taxable portion) (৩) ওপৰঞ্চি সা-সুবিধাসমূহৰ মূল্য (Value of perquisites) (৪) দৰমহাৰ পৰিবর্তে লাভ (Profit in lieu of salary)		
মুঠ দৰমহা (Gross salary)		
বাদ ঃ 16 ধাৰাৰ অধীনত বিয়োগসমূহ (Deductions under section 16) (১) 16(ii) ধাৰাৰ অধীনত আমোদ ভাত্তা [Entertainment Allowance) under section 16(ii)]		

(২)	16(iii) ধাৰাৰ অধীনত বৃত্তি কৰ/নিয়োগৰ ওপৰত কৰ [Professional tax/Tax on Employment under section 16(iii)]		
দৰমহাৰ পৰা পোৱা আয় (Income from salary)			

৩.৩.৪ দৰমহাৰ পৰা পোৱা আয়ৰ গণনাৰ বাবে আয়ৰ বর্ষ আৰু কৰ নির্ধাৰণ বর্ষ

এজন ব্যক্তিয়ে আগৰ বছৰ বা পূর্ববর্তী বছৰ বা যি বছৰত কৰ নির্ধাৰণ কৰা হয় তাৰ আগৰ বছৰত উপার্জন কৰা আয় কৰ নির্ধাৰণ বছৰত কৰত ধার্য কৰা হয়। উদাহৰণস্বৰূপে, যদি আয় কৰা বছৰ ২০১৯-২০ হয় তেতিয়া কৰ নির্ধাৰণ বছৰ হ'ব ২০২০-২১। ১ এপ্রিলৰ পৰা আৰম্ভ কৰি ১২ মাহ, য'ত কৰ নির্ধাৰণকাৰী বিষয়াই কৰদাতাৰ আয় নির্ধাৰণ কৰে তাক কৰ নির্ধাৰণ বছৰ বোলা হয়। যদি চলিত কৰ নির্ধাৰণ বছৰ ২০২০-২১ হয়, তেনেহ'লে সংশ্লিষ্ট পূর্ববর্তী বছৰ হ'ব ২০১৯-২০। আন কথাত ক'বলৈ হ'লে ২০১৯-২০ পূর্ববতী বছৰত প্রাপ্ত বা দেয় দৰমহা ২০২০-২১ কৰ নির্ধাৰণ বছৰত কৰত ধার্য কৰা হয়।

৩.৩.৫ দৰমহাৰ পৰিবর্তে লাভ

১৯৬১ চনৰ আয়কৰ আইনৰ 17(3) ধাৰা অনুসৰি নিম্নলিখিত পৰিশোধসমূহ 'দৰমহাৰ পৰিবর্তে 'লাভ'ৰ ভিতৰত অন্তর্ভুক্ত কৰা হয় ঃ

১। বর্তমান বা পূর্বৰ নিয়োগকাৰীৰ পৰা দেয় বা পোৱা ক্ষতিপূৰণ

(ক) নিযুক্তিৰ চর্তাৱলী পৰিবর্তন হোৱা বাবে।

(খ) নিযুক্তিৰ পৰা অবাহতি দিয়া বাবে।

(গ) অপসাৰণ তথা বর্খাস্ত কৰা বাবে।

তথাপি, আয়কৰ আইনৰ 10(10B) ধাৰাৰ অধীনত বর্খাস্তৰ ক্ষতিপূৰণৰ পৰিমাণ কর্মচাৰীক কৰৰ পৰা অব্যাহতি দিয়া হয়।

২। 'Keyman Insurance Policy'ৰ অধীনত বীমা কোম্পানীৰ পৰা পোৱা বোনাচসহ পৰিমাণ।

৩। অৱসৰ গ্রহণ/বর্খাস্ত/পদত্যাগৰ সময়ত অনাস্বীকৃত ভৱিষ্যনিধি আৰু অনুমোদিত নোহোৱা অৱসৰকালীন পুঁজিত অন্তর্ভুক্ত হোৱা কর্মচাৰীজনৰ বৰঙণি আৰু ইয়াৰ ওপৰত হোৱা সুত প্রাপ্তি।

৪। আয়কৰ আইনৰ 10 ধাৰাৰ অধীনত নিম্নলিখিত পৰিমাণৰ অব্যাহতি পোৱা পৰিমাণৰ আধিক্য পৰিমাণ ঃ

(ক) পাৰিতোষিক (Gratuity),

(খ) ঘৰ ভাড়া ভাত্তা (House rent allowance),

(গ) পেঞ্চন (Pension),

(ঘ) স্বীকৃতি প্ৰাপ্ত ভৱিষ্যনিধি (Recognised Provident Fund),

(ঙ) বিধিবদ্ধ ভৱিষ্যনিধি (Statutory provident fund),

(চ) অনুমোদিত অৱসৰকালীন পুঁজি (Approved superannuation fund)

৫। বিজ্ঞাপিত কালৰ বাবে দৰমহা, যেতিয়া এজন কৰ্মচাৰীক কামৰ পৰা অপসাৰিত কৰা হয়।

৬। স্বেচ্ছামূলক অৱসৰ গ্ৰহণত দেয় বা প্ৰাপ্ত ক্ষতিপূৰণ। এই ক্ষতিপূৰণ 10(10C) ধাৰাৰ অধীনত এক নিৰ্দিষ্ট পৰিমাণ কৰৰ পৰা অব্যাহতি দিয়া হয়।

উদাহৰণ ঃ

সুপ্ৰীয়াই 2019 চনৰ 1 এপ্ৰিলত ICICI বেংকৰ মেনেজাৰ হিচাপে কামত যোগদান কৰে আৰু তেওঁৰ দৰমহাৰ বিন্যাস (scale) হৈছে 20,000 টকা— 1,000 টকা— 22,000 টকা — যোগ্যতা বিচাৰ (EB) — 2,000 টকা — 42,000 টকা।

2020-21 চনৰ কৰ নিৰ্ধাৰণ বছৰৰ তেওঁৰ মূল দৰমহা নিৰ্ধাৰণ কৰক। প্ৰতিমাহৰ শেষ তাৰিখত দৰমহা দেয় হয় আৰু পিছৰ মাহৰ 10 তাৰিখে পৰিশোধ কৰা হয়।

সমাধান ঃ

সুপ্ৰীয়াৰ মূল দৰমহা গণনা

কৰ নিৰ্ধাৰণ বছৰ 2020-21 চন

পূৰ্ববৰ্তী বছৰ 2019-20 চন

2019 চনৰ 1 এপ্ৰিলৰ পৰা 2020 চনৰ 31 মাৰ্চলৈকে মাহে 22,000 টকা হিচাপে 12 মাহৰ দৰমহা = 2,64,000 টকা

∴ মুঠ মূল দৰমহা হাৰ 2,64,000 টকা।

উদাহৰণ ঃ

2017 চনৰ 1 জানুৱাৰীত ৰাজুয়ে শাখা পৰিচালক হিচাপে HDFCত যোগদান কৰে। তেওঁৰ দৰমহাৰ বিন্যাস আছিল 10,000 টকা— 500 টকা— 11,000 টকা— যোগ্যতা বিচাৰ — 1,000 টকা — 21,000 টকা।

2020-21 চনৰ কৰ নিৰ্ধাৰণ বছৰৰ বাবে তেওঁৰ মূল দৰমহা নিৰ্ধাৰণ কৰক। দৰমহা প্ৰতিমাহৰ শেষৰ দিনটোত দেয় হয় আৰু পিছৰ মাহৰ 10 তাৰিখত পৰিশোধ কৰা হয়।

সমাধান ঃ

মূল দৰমহা বৃদ্ধিৰ (increment) তাৰিখ = প্ৰতিবছৰৰ 1 জানুৱাৰীত

ৰাজুৱে মূল দৰমহা 11,000 টকা পোৱালৈকে 500 টকীয়া বছৰি দৰমহা বৃদ্ধি পাব আৰু ইয়াৰ পিছত মূল দৰমহা 21,000 টকা পোৱালৈকে বছৰি 1,000 টকা দৰমহা বৃদ্ধি পাব।

	টকা
মূল দৰমহা 1-01-2017 তাৰিখত	10,000
মূল দৰমহা 1-01-2018 তাৰিখত (10,000 টকা +500 টকা)	10,500
মূল দৰমহা 1-01-2019 তাৰিখত (10,500 টকা + 500 টকা)	11,000
মূল দৰমহা 1-01-2020 তাৰিখত (11,000 টকা +1000 টকা)	12,000

ৰাজুৰ মূল দৰমহা গণনা ঃ

কৰ নিৰ্ধাৰণ বছৰ = 2020-21

পূৰ্ববতী বছৰ = 2019-20

	টকা
2019 চনৰ 1 এপ্ৰিলৰ পৰা 31 ডিচেম্বৰলৈকে 9 মাহৰ বাবে 11,000 টকা হিচাপে	= 99,000
2020 চনৰ 1 জানুৱাৰীৰ পৰা 31 মাৰ্চলৈকে 3 মাহৰ বাবে 12,000 টকা হিচাপে	= 36,000
মুঠ মূল দৰমহা	1,35,000

উদাহৰণ ঃ

Dr R. K. Das গুৱাহাটীৰ GNRCত কাম কৰে। তেওঁ দৰমহা হিচাপে 5,00,000 টকা আৰু 50,000 টকা non-practicing ভাত্তা হিচাপে নিয়োগকৰ্তাৰ পৰা 2019-10 চনৰ পূৰ্ববতী বছৰত পালে। নিয়োগকৰ্তাই ওপৰত উল্লেখ কৰা তেওঁৰ দৰমহাৰ পৰা নিম্নলিখিত কৰ্তন (deduction) সমূহ কৰিলে ঃ

ভৱিষ্য নিধিৰ বৰঙণি—	15,000 টকা
জীৱনবীমা কিস্তি (দৰমহাৰ পৰা সঞ্চয়ী আঁচনিত) —	6,000 টকা
গাড়ীৰ ঋণ উচল—	40,000 টকা
গৃহ নিৰ্মাণ ঋণৰ উচল—	50,000 টকা
আয়কৰ (উৎসতে কৰ্তন)—	20,000 টকা
বৃত্তি কৰ —	25,000 টকা

কৰৰ উদ্দেশ্যে 2020-21 কৰ নিৰ্ধাৰণ বছৰৰ লগত প্ৰসঙ্গ থকা 2019-20 পূৰ্ববৰ্তী বছৰৰ বাবে তেওঁৰ মুঠ দৰমহা গণনা কৰক।

সমাধান ঃ

ওপৰৰ ক্ষেত্ৰটোত কৰদাতাই নিয়োগকৰ্তাৰ পৰা মুঠ দৰমহাৰ পৰা কিছুমান কৰ্তন কৰাৰ পিছত প্ৰকৃত (net) দৰমহা পায়। আয়কৰৰ উদ্দেশ্য দৰমহাৰ পৰা পোৱা আয় গণনা কৰোতে দৰমহাৰ পৰা কৰ্তন কৰা পৰিমাণ প্ৰকৃততে প্ৰাপ্ত দৰমহাৰ লগত পুনৰ যোগ কৰিব লাগে।

Dr. R. K. Dasৰ দৰমহা গণনা

কৰ নিৰ্ধাৰণ বছৰ = 2020-21

পূৰ্ববৰ্তী বছৰ = 2019-20

	টকা	টকা
প্ৰকৃত দৰমহা প্ৰাপ্তি	5,00,000	
Non-practicing ভাত্তা	50,000	
যোগ ঃ দৰমহাৰ পৰা কৰ্তনসমূহ		5,50,000
ভৱিষ্য নিধিৰ বৰঙণি	15,000	
জীৱন বীমাৰ কিস্তি (দৰমহা সঞ্চয়ী আঁচনি)	6,000	
গাড়ী ঋণ উচল	40,000	
গৃহ নিৰ্মাণ ঋণ পৰিশোধ	50,000	
আয়কৰ (উৎসতে কৰ্তন কৰা কৰ)	20,000	
বৃত্তি কৰ	25,000	
	1,56,000	
মুঠ দৰমহা (Gross Salary)		**7,06,000**

৩.৪ কৰ্মচাৰীসকললৈ আগবঢ়োৱা ভাত্তাসমূহ

মূল দৰমহাৰ উপৰিও বিশেষ খৰচসমূহৰ সন্মুখীন হ'বৰ বাবে কৰ্মচাৰীসকলক আন কিছুমান পৰিমাণ পৰিশোধ কৰিব পাৰে। নগদ টকাৰে পৰিশোধ কৰা এই পৰিমাণক ভাত্তা (allowance) বোলা হয়, যেনে— মৰগীয়া ভাত্তা, চহৰ ক্ষতিপূৰক ভাত্তা, ঘৰ ভাড়া ভাত্তা ইত্যাদি। আয়কৰৰ উদ্দেশ্যত ভাত্তাসমূহ নিম্নলিখিত প্ৰকাৰত শ্ৰেণীবিভাগ কৰা হয়।

(ক) সম্পূৰ্ণকৈ অব্যাহতি প্ৰাপ্ত ভাত্তা (fully Exempted Allowances)

(খ) আংশিকভাৱে অব্যাহতি প্ৰাপ্ত ভাত্তা (Partly Exempted Allowances or Party Taxable Allowances)

(গ) সম্পূৰ্ণকৈ কৰযোগ্য ভাত্তা (Fully Taxable Allowances)

(ক) সম্পূৰ্ণকৈ অব্যাহতি প্ৰাপ্ত ভাত্তা (Fully Exempted Allowances) ঃ

সম্পূৰ্ণকৈ অব্যাহতি প্ৰাপ্ত ভাত্তা হৈছে সেইবোৰ ভাত্তা যিবোৰ আয়কৰ আইন আৰু নিয়মৰ অধীনত কৰযোগ্য নহয়। নিম্নলিখিত ভাত্তাসমূহ কৰৰ পৰা সম্পূৰ্ণকৈ অব্যাহতি প্ৰাপ্ত ঃ

(১) এজন ন্যায়াধীশৰ (Judge) সংবিধানৰ 222(2) ধাৰাৰ অধীনত ক্ষতিপূৰক ভাত্তা হিচাপে পৰিশোধ কৰা ভাত্তা।

(২) ভাৰতৰ বাহিৰত মকৰল কৰা চৰকাৰী কৰ্মচাৰীক দিয়া ভাত্তা [10(7) ধাৰা মতে]

(৩) উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয় ন্যায়াধীশসকলৰ ভাত্তা।

(৪) সন্মিলিত ৰাষ্ট্ৰ সংগঠনৰ (U.N.O) দ্বাৰা পৰিশোধ কৰা ভাত্তা।

(খ) আংশিকভাৱে অব্যাহতি প্ৰাপ্ত ভাত্তাসমূহ (Party Exempted Allowances) ঃ

আংশিকভাৱে অব্যাহতিপ্ৰাপ্ত ভাত্তাসমূহ হৈছে আংশিকভাৱে কৰযোগ্য ভাত্তা। এই ভাত্তাৰ এটা অংশ অব্যাহতি দিয়া হয় আৰু বাকী অংশ কৰযোগ্য হয়। কৰযোগ্য দৰমহা গণনা কৰোতে কৰ আৰোপণ অংশ হিচাপত লোৱা হয়। বিভিন্ন প্ৰকাৰৰ ভাত্তাৰ বাবে অব্যাহতিৰ সীমা বেলেগ বেলেগ হয়। কেতিয়াবা কিছুমান চৰ্ত পৰিপূৰণ কৰিলেহে অব্যাহতি অনুমোদন কৰা হয়। বিভিন্ন প্ৰকাৰৰ আংশিকভাৱে অব্যাহতি প্ৰাপ্ত ভাত্তা সিহঁতৰ অব্যাহতিৰ সীমাসহ তলত উল্লেখ কৰা হল (নিয়ম)।

(১) এক বিশেষভাৱে নিৰ্দিষ্ট কৰা সীমালৈকে অব্যাহতি দিয়া ভাত্তা (Allowances which are exempted upto a specific limit) ঃ

কৰ্মচাৰীয়ে তেওঁলোকৰ নিয়োগকৰ্তাৰ পৰা পোৱা বহুতো ভাত্তা আছে যিবোৰৰ অব্যাহতিৰ সীমা সংশ্লিষ্ট কৰ্মচাৰীজনে উক্ত উদ্দেশ্যে প্ৰকৃততে কৰা খৰচৰ লগত কোনো সামঞ্জস্য নাথাকে। আয়কৰ আইনৰ অধীনত আৰু জাৰি কৰা জাননীৰ অধীনত এইবোৰৰ অব্যাহতি প্ৰাপ্ত হয় নিৰ্দিষ্ট কৰা সীমালৈকে বা প্ৰাপ্ত পৰিমাণ যিটোৱেই কম হয়। এই ভাত্তাসমূহৰ কিছুমান হৈছেঃ

১। কিছুমান ক্ষতিপূৰক ভাত্তা (Some Compensatory Allowances) ঃ

(ক) কিছুমান ক্ষতিপূৰক ভাত্তা যেনে যৌগিক পাহাৰ ক্ষতিপূৰক ভাত্তা (Composite Hill Compensatory allowance) বা উচ্চ উচ্চতা ভাত্তা (High Altitude Allowance) অনুপযোগী জলবায়ু ভাত্তা (Uncongenial Climate Allowance) বা হিমবাহ ভাত্তা (Avalanche Allowance) বা তুষাৰপাত এলেকা ভাত্তা (Snowbound Area Allowance)।

(খ) বিশেষ ক্ষতিপূৰক ভাত্তা যেনে সীমান্ত এলেকা ভাত্তা (Border Area Allowance), বহু দূৰবৰ্তী এলেকা ভাত্তা (Remote Area Allowance), কঠিন এলেকা ভাত্তা (Difficult Area Allowances) আৰু অশান্ত এলেকা ভাত্তা (Disturbed Area Allowance)।

২। বিশেষ ক্ষতিপূৰক (জনজাতি এলেকা তথা অনুসূচীত এলেকা তথা প্ৰতিনিধিত্ব এলেকা) ভাত্তা।

৩। পৰিবহন ব্যৱস্থাত কাম কৰা কৰ্মচাৰীক এঠাইৰপৰা আন ঠাইলৈ পৰিবহন চলি থাকোতে কৰ্তব্যৰত অৱস্থাত ব্যক্তিগত খৰচসমূহ পৰিপূৰণৰ বাবে অনুমোদন কৰা ভাত্তা (য'ত

তেনে কর্মচাৰীয়ে দৈনিক ভাত্তা নাপায়)।

৪। সন্তানৰ শিক্ষা ভাত্তা (Children education allowance)।

৫। সর্বাধিক দুটা সন্তানৰ ছাত্রাবাসৰ খৰচসমূহ পৰিপূৰণ কৰিবৰ বাবে দিয়া ভাত্তা।

৬। ক্ষতিপূৰক ৰণক্ষেত্র ভাত্তা (Compensatory field area allowance)।

৭। ক্ষতিপূৰক পৰিবর্তিত ৰণক্ষেত্রত ভাত্তা (Compensatory modified field area allowance)।

৮। বিশিষ্ট এলেকাত বিদ্রোহী দমন ভাত্তা প্রকৃতিৰ বিশেষ ভাত্তা।

৯। পৰিবহন ভাত্তা (Transport allowance)।

১০। নিম্ন চৰম দুর্দশাসহ অন্ধ বা অস্থি সম্বন্ধীয় বিকলাংগ কর্মচাৰীক মঞ্জুৰ কৰা পৰিবহণ ভাত্তা।

১১। অনুপযোগী, অস্বাভাৱিক জলবায়ু ভূগর্ভস্থ কয়লা খনিত কাম কৰা বাবে কর্মচাৰীক মঞ্জুৰ কৰা ভূগর্ভস্থ ভাত্তা।

১২। উচ্চ উচ্চতা এলেকাত কাম কৰি থকা সেনা বাহিনীৰ সদস্যসকলক মঞ্জুৰ কৰা উচ্চ উচ্চতা (অনুপযুক্ত জলবায়ু) ভাত্তা প্রকৃতিৰ যিকোনো বিশেষ ভাত্তা।

১৩। সেনা বাহিনীৰ সদস্যসকললৈ মঞ্জুৰ কৰা বিশেষ বাধ্যতামূলক উচ্চ সক্রিয় ৰণক্ষেত্র ভাত্তা প্রকৃতিৰ যিকোনো বিশেষ ভাত্তা।

১৪। সেনা বাহিনীৰ সদস্যসকললৈ মঞ্জুৰ কৰা দ্বীপ (কর্তব্য) ভাত্তা (আন্দামান আৰু নিকোবৰ আৰু লাক্ষা দ্বীপপুঞ্জ) প্রকৃতিৰ যিকোনো বিশেষ ভাত্তা।

উদাহৰণ ঃ

অধ্যাপক এছ শর্মা কেন্দ্রীয় বিশ্ববিদ্যালয়ৰ এজন কর্মচাৰী আৰু তেওঁৰ তিনিটা সন্তান আছে যি স্কুলত পঢ়ি আছে আৰু সিহঁতে স্কুলৰ ছাত্রাবাসত বাস কৰে। 2019-20 পূর্ববর্তী বছৰত তেওঁৰ মূল দৰমহা আৰু মৰগীয়া ভাত্তাৰ উপৰিও তেওঁ তেওঁৰ নিয়োগকাৰীৰ পৰা নিম্নলিখিত ভাত্তাসমূহ পায় ঃ

(ক) প্রতিটো সন্তানৰ বাবে প্রতিমাহে ৭০০ টকাকৈ সন্তানৰ শিক্ষা ভাত্তা।

(খ) প্রতিটো সন্তানৰ বাবে প্রতিমাহে ৫০০ টকাকৈ ছাত্রাবাস ব্যয় ভাত্তা।

অধ্যাপক এছ শর্মাই প্রতিজন সন্তানৰ বাবে শিক্ষাদানৰ মাচুল প্রতিমাহে ১০০০ টকাকৈ প্রকৃততে পৰিশোধ কৰে। তেওঁ তেওঁৰ প্রতিজন সন্তানৰ ছাত্রাবাসৰ খৰচৰ বাবে মাহে ২০০০ টকাকৈ পৰিশোধ কৰে। ২০২০-২১ কৰ নির্ধাৰণ বছৰৰ বাবে অধ্যাপক এছ শর্মাই পোৱা সন্তানৰ শিক্ষা ভাত্তা আৰু ছাত্রাবাসৰ খৰচৰ ভাত্তাৰ কৰযোগ্য পৰিমাণ পৰীক্ষা কৰক।

সমাধান ঃ

(১) সন্তানৰ শিক্ষা ভাত্তা (Children Education Allowance) ঃ

কেৱল দুজন সন্তাৰ বাবে লভ্য অব্যাহতি ঃ প্রতিজন সন্তানৰ মাহে 100 টকা

= 100 টকা × 12 × 2 = 2,400 টকা..... (ক)

সন্তানৰ শিক্ষা ভাত্তা প্ৰতিজনৰ বাবে মাহে 700 টকাকৈ তিনিজনৰ বাবে পায় = 700 টকা × 12 × 3 = 25,200 টকা ..... (খ)

বেছিকৈ পোৱা সন্তানৰ শিক্ষা ভাত্তা = (খ) — (ক) বা 25,200 টকা — 2,400 টকা = 22,800 টকা

গতিকে, তেওঁৰ 22,800 টকা কৰযোগ্য হ'ব আৰু ইয়াক তেওঁৰ দৰমহাৰ পৰা পোৱা আয়ৰ লগত যোগ হ'ব।

(২) সন্তানৰ ছাত্ৰাবাসৰ ভাত্তা (Children Hostel Allowance) ঃ

দুজন সন্তানৰ বাবে লভ্য অব্যাহতি = 300 টকাকৈ মাহে প্ৰতিজন সন্তানৰ বাবে

= 300 টকা × 12 × 2 = 7,200 টকা ..... (গ)

প্ৰতিজন সন্তানৰ বাবে মাহে 500 টকাকৈ তিনিজন সন্তানৰ বাবে প্ৰাপ্ত সন্তানৰ ছাত্ৰাবাস ভাত্তা = 500 টকা × 12 × 3 = 18,000 টকা .... (ঘ)

সন্তানৰ ছাত্ৰাবাস ভাত্তা বেছিকৈ পোৱা পৰিমাণ = (ঘ) — (গ) বা 18,000 টকা — 7,200 টকা = 10,800 টকা

গতিকে, এই 10,800 টকা কৰযোগ্য হ'ব আৰু ছাত্ৰাবাসৰ খৰচসমূহৰ প্ৰকৃততে হোৱা খৰচসমূহ কৰযোগ্য তথা তেনে ভাত্তাৰ অব্যাহতিৰ পৰিমাণ নিৰ্ধাৰণ কৰোতে বিবেচনা কৰা নহয়।

(গ) সম্পূৰ্ণকৈ কৰযোগ্য ভাত্তাসমূহ (Fully Taxable Allowances) ঃ

ওপৰৰ শিতান (ক)ত সম্পূৰ্ণকৈ অব্যাহতি দিয়া আৰু (খ)ত আংশিকভাৱে অব্যাহতি দিয়া ভাত্তাৰ বাহিৰে আন সকলোবোৰ ভাত্তা, যি নামেৰেই নামকৰণ নকৰক, সম্পূৰ্ণকৈ কৰযোগ্য হয়। এনে ভাত্তাৰ কিছুমান তলত উল্লেখ কৰা হ'ল ঃ

(১) মৰগীয়া ভাত্তা (Dearness Allowance/Dearness Pay)
(২) চহৰ ক্ষতিপূৰক ভাত্তা (City Compensatory Allowance, ie. CCA)
(৩) স্থিৰ চিকিৎসা ভাত্তা (Fixed Medical Allowance)
(৪) মধ্যাহ্ন ভোজন ভাত্তা (Lunch Allowance)
(৫) জলপান ভাত্তা (Tiffin Allowance)
(৬) অতিৰিক্ত সময় ভাত্তা (Overtime Allowance)
(৭) লগুৱা ভাত্তা (Servant Allowance)
(৮) অধীক্ষক ভাত্তা (Warden Allowance)
(৯) অনুশীলন বঞ্চিত ভাত্তা (Non-practicing Allowance)
(১০) পৰিয়াল ভাত্তা (Family Allowance)
(১১) ডধুৱা ভাত্তা (Bachelor Allowance)
(১২) গ্ৰাম্য ভাত্তা (Rural Allowance)
(১৩) আঁচনি ভাত্তা (Project Allowance)
(১৪) প্ৰতিনিধি ভাত্তা (Deputation Allowance)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ নিম্নলিখিত সমূহ সমতুল্য (match) কৰক ঃ

(ক)	সম্পূৰ্ণকৈ অব্যাহতি প্রাপ্ত ভাত্তাসমূহ
(১) পৰিয়াল ভাত্তা	
(খ) আংশিকভাৱে অব্যাহতি প্রাপ্ত ভাত্তা তথা আংশিকভাৱে কৰযোগ্য ভাত্তাসমূহ	(২) উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ ভাত্তা।
(গ) সম্পূৰ্ণকৈ কৰযোগ্য ভাত্তাসমূহ	(৩) পৰিবহন ভাত্তা।

উদাহৰণ ঃ

গুৱাহাটীৰ ICICI বেংকৰ এজন কর্মচাৰী Mr. Vikram এ 2020-21 কৰ নির্ধাৰণ বছৰৰ বাবে তেওঁৰ আয়ৰ নিম্নলিখিত বিৱৰণসমূহ যোগান ধৰিছে ঃ

	টকা
(১) মূল দৰমহা (Basic Salary)	প্রতিমাহে 20,000
(২) মৰগীয়া ভাত্তা (Dearness Allowance) (ইয়াৰ 60% অৱসৰকালীন সা-সুবিধাৰ বাবে দৰমহাৰ অংশ হয়)	প্রতিমাহে 4,000
(৩) মধ্যাহ্ন ভোজন ভাত্তা (Lunch Allowance)	প্রতিমাহে 500
(৪) চিকিৎসা ভাত্তা (Medical Allowance)	প্রতিমাহে 500
(৫) চহৰ ক্ষতিপূৰক ভাত্তা (City Compensatory Allowance)	প্রতিমাহে 300
(৬) ঘৰ ভাড়া ভাত্তা (House Rent Allowance)	প্রতিমাহে 3,000

Mr. Vikram এ গুৱাহাটীৰ তেওঁৰ নিজৰ ঘৰত বসবাস কৰে।

2020-21 কৰ নির্ধাৰণ বছৰৰ বাবে Mr. Vikram ৰ দৰমহাৰ পৰা পোৱা মুঠ আয় গণনা কৰক।

সমাধান ঃ

2019-20 পূর্ববর্তী বছৰৰ প্রাসঙ্গিক 2020-21 কৰ নির্ধাৰণ বছৰৰ বাবে Mr. Vikramৰ দৰমহাৰ পৰা পোৱা মুঠ আয়ৰ গণনা ঃ

	টকা
মূল দৰমহা প্রতিমাহে 20,000 টকা	2,40,000
মৰগীয়া ভাত্তা প্রতিমাহে 4,000 টকা	48,000
মধ্যাহ্ন ভোজন ভাত্তা প্রতিমাহে 500 টকা	6,000
চিকিৎসা ভাত্তা প্রতিমাহে 500 টকা	6,000
চহৰ ক্ষতিপূৰক ভাত্তা প্রতিমাহে 300 টকা	3,600
ঘৰভাড়া ভাত্তা প্রতিমাহে 3,000 টকা	36,000
দৰমহাৰ পৰা পোৱা মুঠ আয়	3,39,600

টোকা ঃ Mr. Vikram এ যিহেতু তেওঁৰ নিজৰ ঘৰত বাস কৰে সেয়ে ঘৰভাড়া ভাত্তা সম্পূৰ্ণকৈ কৰযোগ্য হ'ব।

৩.৫ দৰমহাৰ পৰা পোৱা আয় গণনাৰ বাবে বিবেচনা কৰা বিভিন্ন বিষয়সমূহ

নিম্নলিখিত তালিকাখনে আপোনাক কৰৰ উদ্দেশ্যে বিভিন্ন বিষয়ৰ কৰযোগ্য মূল্যৰ এক সাৰাংশৰ যোগান ধৰিব।

(ক) বিভিন্ন পৰিশোধ প্ৰাপ্তিৰ কৰযোগ্য মূল্য (Taxable Value of Different Payments Received) ঃ

- মূল দৰমহা (Basic Salary) (সম্পূৰ্ণকৈ কৰযোগ্য)।
- মৰগীয়া ভাতা (Dearness allowance) (সম্পূৰ্ণকৈ কৰযোগ্য)।
- মৰগীয়া বেতন (Dearness pay) (সম্পূৰ্ণকৈ কৰযোগ্য)।
- সাময়িক উপশম (Interim Relief) (সম্পূৰ্ণকৈ কৰযোগ্য)।
- অগ্ৰিম দৰমহা (Advance Salary) (সম্পূৰ্ণকৈ কৰযোগ্য)।
- বকেয়া দৰমহা (Arrear of Salary) (সম্পূৰ্ণকৈ কৰযোগ্য যদিহে পূৰ্বতে ইয়াৰ ওপৰত কৰ দিয়া নাই)।
- লাভৰ পৰিবৰ্তে দৰমহা (Salary in lieu of profit) (সম্পূৰ্ণকৈ কৰযোগ্য)।
- মাচুল (Fees) (সম্পূৰ্ণকৈ কৰযোগ্য)।
- দস্তুৰী (Commission) (সম্পূৰ্ণকৈ কৰযোগ্য)।
- বোনাচ (সম্পূৰ্ণকৈ কৰযোগ্য)।
- নিয়োগকৰ্তাৰ পৰা পোৱা বাৰ্ষিকী (Annuity) আৰু অতিৰিক্ত কামৰ (extra work) বাবদ পোৱা পাৰিশ্ৰমিক (সম্পূৰ্ণকৈ কৰযোগ্য)।
- পাৰিতোষিক (Gratuity) [10(10)] ধাৰাৰ অধীনত এক নিৰ্দিষ্ট সীমালৈকে অব্যাহতি দিয়া হয়)।
- ছুটীৰ নগদীকৰণ (Leave encashment [10(10AA) ধাৰাৰ অধীনত এক নিৰ্দিষ্ট সীমালৈকে অব্যাহতি দিয়া হয়।
- বিনিময়কৃত নকৰা (Uncommuted) পেঞ্চন (সম্পূৰ্ণকৈ কৰযোগ্য)।
- বিনিময়কৃত (Commuted) পেঞ্চন ধাৰাৰ অধীনত সম্পূৰ্ণকৈ বা আংশিকভাৱে অব্যাহতি দিয়া হয়।
- ভৱিষ্য নিধিৰ ক্ৰেডিট উদ্বৃত্তত বাৰ্ষিক বৃদ্ধি (এক নিৰ্দিষ্ট সীমালৈকে কিছুমান ক্ষেত্ৰত অব্যাহতি দিয়া হয়।
- কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা 80CCD ধাৰাত নিৰ্দিষ্ট কৰি দিয়া পেঞ্চন আঁচনিৰ অধীনত আগবঢ়োৱা বৰঙণি (দৰমহাৰ 10% লৈকে অব্যাহতি দিয়া হয়)।
- কৰ্মচাৰীৰ সংখ্যা কমোৱা তথা অপসাৰণ কৰা (retrenchment) বাবদ দিয়া ক্ষতিপূৰণ (compensation) (এক নিৰ্দিষ্ট সীমালৈকে অব্যাহতি দিয়া হয়)।
- স্বেচ্ছামূলক পৰিশোধ (সেৱা আগবঢ়োৱা প্ৰসঙ্গত পৰিশোধ কৰিলে সম্পূৰ্ণকৈ কৰযোগ্য)।

- বিদেশী নাগৰিকক দিয়া দৰমহা (কিছুমান ক্ষেত্ৰত অব্যাহতি দিয়া হয়)।
- স্বেচ্ছাই অৱসৰ (Voluntary retirement) লোৱা সময়ত প্ৰাপ্ত পৰিশোধ (এক নিৰ্দিষ্ট সীমালৈকে অব্যাহতি দিয়া হয়।
- দৰমহাৰ বাবদ পৰিশোধ কৰা আন যিকোনো নগদ পৰিশোধ (সম্পূৰ্ণকৈ কৰযোগ্য)।

(খ) **প্ৰাপ্ত বিভিন্ন ভাত্তাৰ কৰযোগ্য পৰিমাণ (Taxable Amount of Different Allowance Received)**

- চহৰ ক্ষতিপূৰক ভাত্তা (City Compensatory Allowance) (সম্পূৰ্ণকৈ কৰযোগ্য)।
- জলপান (Tiffin) ভাত্তা (সম্পূৰ্ণকৈ কৰযোগ্য)।
- স্থিৰ চিকিৎসা (Fixed Medical) ভাত্তা (সম্পূৰ্ণকৈ কৰযোগ্য)।
- লগুৱা (Servant), ভাত্তা (সম্পূৰ্ণকৈ কৰযোগ্য)।
- উচ্চ জীৱন-নিৰ্বাহ ব্যয় (High cost of living) ভাত্তা (সম্পূৰ্ণকৈ কৰযোগ্য)।
- আঁচনি (Project) ভাত্তা ধাৰাৰ অধীনত এক নিৰ্দিষ্ট সীমালৈকে অব্যাহতি দিয়া হয়।)
- ঘৰভাড়া (House Rent) ভাত্তা ধাৰাৰ অধীনত এক নিৰ্দিষ্ট সীমালৈকে অব্যাহতি দিয়া হয়।
- আমোদ (Entertainment) ভাত্তা (গোটেই পৰিমাণ অন্তৰ্ভুক্ত কৰা হয়।)
- সেৱা পৰিচ্ছদ (Uniform) ভাত্তা (ব্যৱহাৰ কৰা পৰিমানলৈকে অব্যাহতি দিয়া হয়।)
- বিশেষ ভাত্তা [10 (14)] ধাৰাৰ অধীনত কিছুমান ক্ষেত্ৰত অব্যাহতি দিয়া হয়)।
- বৈদেশিক (Foreign) ভাত্তা [10(7)] ধাৰাৰ অধীনত কিছুমান ক্ষেত্ৰত অব্যাহতি দিয়া হয়।)
- উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশক দিয়া ভাত্তা (কৰযোগ্য নহয়।)
- সম্মিলিত ৰাষ্ট্ৰ সংগঠনৰ (UNO) পৰা পোৱা ভাত্তা (কৰযোগ্য নহয়)
- বিদেশৰ শিলবিদক (Foreign technician) দিয়া ভাত্তা (কিছুমান ক্ষেত্ৰত অব্যাহতি দিয়া হয়।)
- সংবিধানৰ 222(2) ধাৰাৰ অধীনত দিয়া ক্ষতিপূৰক ভাত্তা (কৰ যোগ্য নহয়)।
- নগদ টকাৰে পোৱা আন কোনো ভাত্তা (যি নামেৰেই নকওক) (সম্পূৰ্ণকৈ কৰযোগ্য)।

(গ) **বিভিন্ন সা-সুবিধাৰ কৰযোগ্য মূল্য (Taxable Value of Different Perquisites)ঃ**

- ভাড়া মুক্ত (Rent free) ঘৰ (সকলো ক্ষেত্ৰতে কৰযোগ্য)।
- ৰেহাই ভাড়াত সংস্থাপন (সকলো ক্ষেত্ৰতে কৰযোগ্য)।
- হোটেলত সংস্থাপন (সকলো ক্ষেত্ৰতে কৰযোগ্য)।
- গেছ, বিজুলী আৰু পানী যোগান (কিছুমান ক্ষেত্ৰত কৰযোগ্য)।
- বিনামূলীয়া শিক্ষা (কিছুমান ক্ষেত্ৰত কৰযোগ্য)।
- দৰমহা নিদিয়া ঘৰুৱা লগুৱা (কিছুমান ক্ষেত্ৰত কৰযোগ্য)।
- সুত মুক্ত তথা ৰেহাইত লোৱা ধাৰ (সকলো ক্ষেত্ৰতে কৰযোগ্য)।

- অস্থাৱৰ সম্পত্তিৰ ব্যৱহাৰ (সকলো ক্ষেত্ৰতে কৰযোগ্য)।
- নিয়োগকৰ্তাই কৰ্মচাৰীক নামমাত্ৰ মূল্যত বিক্ৰী কৰা অৱস্থাৰ সম্পত্তি (সকলো ক্ষেত্ৰতে কৰযোগ্য)।
- অৱকাশ ভ্ৰমন ভাত্তা (Leave travel concession) (কিছুমান ক্ষেত্ৰত কৰযোগ্য)।
- 75,000 টকাতকৈ অধিক চিকিৎসাৰ ব্যয় পূৰণ (reimbursement)।
- মটৰ গাড়ী (বিশিষ্ট কৰ্মচাৰীৰ ক্ষেত্ৰত কৰযোগ্য।)
- পৰিবহন সুবিধা (Transport facility) (বিশিষ্ট কৰ্মচাৰীৰ ক্ষেত্ৰত কৰযোগ্য)।
- মধ্যাহ্ন ভোজন/জলযোগ (প্ৰতিটো ভোজনৰ মূল্য 50 টকাতকৈ বেছি হ'লে সকলোক্ষেত্ৰতে কৰযোগ্য হয়)।
- 5000 টকাতকৈ অধিক পৰিমাণ উপহাৰ টকাৰ সলনি দিয়া বস্তু (সকলো ক্ষেত্ৰতে কৰযোগ্য)।
- নগদ টকাৰে দিয়া যিকোনো পৰিমাণৰ উপহাৰ (সকলো ক্ষেত্ৰতে কৰযোগ্য)।
- ক্ৰেডিট কার্ড (সকলো ক্ষেত্ৰতে কৰযোগ্য)।
- ক্লাবৰ সা-সুবিধা (সকলো ক্ষেত্ৰতে কৰযোগ্য)।
- আন যিকোনো সা-সুবিধা (টেলিফোন তথা ম'বাইলৰ বাহিৰে সকলো ক্ষেত্ৰতে কৰযোগ্য (সকলো ক্ষেত্ৰতে কৰযোগ্য)।

(ঘ) 16 ধাৰাৰ অধীনত অনুমোদন কৰা বিয়োগ (Allowable Deduction Under Section 16) ঃ

- আমোদ ভাত্তা (সীমা অনুসৰি কেৱল চৰকাৰী কৰ্মচাৰীৰ ক্ষেত্ৰত বিয়োগ কৰিবলগীয়া)
- বৃত্তি কৰ (Professional tax) (প্ৰকৃততে পৰিশোধ কৰা পৰিমাণ)।

(ঙ) দৰমহাৰ পৰা পোৱা আয় (Income from Salary)

দৰমহাৰ পৰা পোৱা আয় = (ক + খ + গ) — ঘ

টোকা ঃ ওপৰত উল্লেখ কৰা 'ক', 'খ' আৰু 'গ' ৰ অধীনতৰ মুঠ পৰিমাণ বিয়োগ (ঘ) হ'ব দৰমহাৰ পৰা পোৱা আয়ৰ কৰযোগ্য পৰিমাণ।

৩.৬ 80C আদি ধাৰাৰ অধীনত বিয়োগসমূহ

এজন দৰমহা পোৱা ব্যক্তিৰ তেওঁৰ দৰমহাৰ পৰা পোৱা আয়ৰ পৰা পূৰ্ববৰ্তী বছৰত তেওঁৰ কৰযোগ্য আয় নিৰ্ধাৰণ কৰাৰ আগতে তেওঁ কৰা বিশিষ্ট বিনিয়োগ তথা পৰিশোধ আৰু সঞ্চয়ৰ বাবে বিয়োগ অনুমোদন কৰা হয়।

80C ধাৰাৰ অধীনত বিয়োগসমূহৰ গণনা (Computation of deduction U/S 80C) ঃ

80C ধাৰাৰ অধীনত বিয়োগসমূহ নিম্নলিখিত পদক্ষেপসমূহ অনুসৰণ কৰি নিৰ্ধাৰণ কৰা হয়।

পদক্ষেপ ১ ঃ মুঠ যোগ্য পৰিমাণ (Gross Qualifying amount)

পদক্ষেপ ২ ঃ প্ৰকৃত যোগ্য পৰিমাণ (Net Qualifying amount)

পদক্ষেপ ৩ ঃ বিয়োগ পৰিমাণ (Amount of deduction)

এই পদক্ষেপসমূহ তলত ব্যাখ্যা কৰা হ'ল ঃ

প্ৰথম পদক্ষেপ ঃ মুঠ যোগ্য পৰিমাণৰ গণনা (Calculation of Gross qualifying amount) ঃ

বিয়োগৰ মুঠ যোগ্য পৰিমাণ হৈছে এজন ব্যক্তিয়ে কিছুমান বিশিষ্ট বিনিয়োগ তথা পৰিশোধ আৰু সঞ্চয় কৰা মুঠ পৰিমাণ।

নিম্নলিখিত সমূহ হৈছে নিৰ্দিষ্ট সৰ্বাধিক স্তৰ থকা বিশিষ্ট বিনিয়োগ তথা পৰিশোধ আৰু সঞ্চয়সমূহ ঃ

(১) জীৱন বীমাৰ কিস্তি (Life Insurance Premium),

(২) Unit থকা বীমা আঁচনিত দিয়া বৰঙণি (Contribution to Unit linked Insurance Plan)

(৩) LIC Mutural Fund, Unit Linked Insuranceত কৰা বৰঙণি,

(৪) ৰাজহুৱা ভৱিষ্য নিধিৰ (Public Provident Fund) কৰা বৰঙণি বা আমানত,

(৫) LICৰ বাৰ্ষিকীৰ আঁচনি বা আন কোনো বীমা কোম্পানীৰ বাৰ্ষিকী আঁচনিত জমা কৰা পৰিমাণ,

(৬) বিলম্বিত বাৰ্ষিকী আঁচনিত (Deferred Annuity Scheme) পৰিশোধ,

(৭) বিজ্ঞাপিত পেঞ্চন পুঁজি আঁচনিত জমা কৰা ধন,

(৮) অনুমোদিত অৱসৰ ভাত্তা পুঁজিত (Approved Super annuation Fund) আগবঢ়োৱা বৰঙণিৰ পৰিমাণ,

(৯) কৰ্মচাৰীসকলৰ ভৱিষ্য নিধিত কৰা জমা পৰিমাণ।

(১০) ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণ পত্ৰ (NSC) VIII বিলিত কৰা বিনিয়োগ,

(১১) ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ, VIII বিলিৰ ওপৰত সুত হিচাপে ক্ৰেডিট কৰা পৰিমাণ,

(১২) ঘৰ সম্পত্তি নিৰ্মাণৰ সৈতে জড়িত জমাৰ পৰিমাণ,

(১৩) আবণ্টিত গৃহৰ কিস্তি আৰু নিৰ্মাণ বা গৃহ সম্পত্তি ক্ৰয় কৰা বাবে লোৱা ঋণৰ কিস্তি পৰিশোধ।

(১৪) সন্তানৰ শিক্ষাৰ খৰচ পৰিশোধ,

(১৫) আন্তঃগাঁথনি সুবিধাসমূহ যোগান ধৰা কোম্পানীসমূহত বিনিয়োগ কৰা পৰিমাণ,

(১৬) Mutual Fund or UTI ৰ বিজ্ঞাপিত Unit-ত জমা কৰা পৰিমাণ,

(১৭) বেংকত কৰা ম্যাদী জমা,

(১৮) কিছুমান পেঞ্চন পুঁজিলৈ আঁচনিলৈ আগবঢ়োৱা বৰঙণি বাবদ বিয়োগ (80 CCC ধাৰা)।

(১৯) কেন্দ্ৰীয় চৰকাৰৰ পেঞ্চন আঁচনিলৈ আগবঢ়োৱা বৰঙণি বাবদ বিয়োগ (80CCD ধাৰা)।

টোকা ঃ (১) 80CCE ধাৰাৰ ব্যৱস্থা অনুসৰি 80C, 80CCC আৰু 80CCD ধাৰাৰ অধীনত হোৱা বিয়োগৰ মুঠ পৰিমাণ যিকোনো ক্ষেত্ৰতে 1,00,000 টকাতকৈ অধিক হ'ব নোৱাৰিব।

(২) 80C ধাৰাৰ অধীনত বিয়োগৰ পৰিমাণ কৰযোগ্য আয়ৰ পৰিমাণতকৈ বেছি হ'ব নোৱাৰিব।

উদাহৰণ ঃ ৩১.৩.২০১৯ তাৰিখত অন্তপৰা বছৰটোৰ বাবে ভাৰতীয় নাগৰিক অঞ্জু বৰাই নিম্নলিখিত বিতং বিৱৰণ দাখিল কৰিলে।

	টকা
দৰমহা (কৰ নিয়োগ কর্তাই যোগানধৰা ঘৰৰ ভাড়া বাদ দি প্ৰকৃত পৰিমাণ	2,46,000
অঞ্জু বৰাৰ ভৱিষ্যৎ নিধিৰ বৰঙণি	39,000
নিয়োগকর্তাৰ ভৱিষ্য নিধিৰ বৰঙণি	39,000
নিয়োগকর্তাই যোগান ধৰা আবাস গৃহৰ ভাড়া, ভাড়া দৰমহাৰ পৰা বিয়োগ কৰা হৈছে।	12,000
উৎসতে কর্তন কৰা বৃত্তিক	3,000
ভৱিষ্য নির্ধিত বছৰি ৪% হাৰে জমা কৰা সুত,	32,000
অৱকাশ ভ্ৰমণ ভাত্তা প্ৰাপ্তি,	10,000
অৱকাশ ভ্ৰমণত প্ৰকৃত খৰচ কৰা পৰিমাণ,	1,000
ভাড়ামুক্ত আবাস গৃহ নিয়োগকর্তাই যোগান ধৰে মুম্বাইত আবাসগৃহৰ বাবে পৰিশোধ কৰা ভাড়াৰ পৰিমাণ	72,000
দুমাহৰ দৰমহাৰ সম পৰিমাণ (পৃথকভাৱে পৰিশোধ কৰা হৈছে, প্ৰকৃত (net) দৰমহাৰ ভিতৰত অন্তর্ভুক্ত হোৱা নাই।)	
বহু দূৰবর্তী অঞ্চল ভাত্তা মাহে ১,০০০ টকা হিচাপে (মাহে ২০০ টকালৈকে অব্যাহতি পাব বুলি বিজ্ঞাপিত)	
ভ্ৰমণৰত ভাত্তা (Running allowance) মাহে	2,000
সন্তানৰ শিক্ষা ভাত্তা ঃ তিনিজন সন্তানৰ বাবে প্ৰতিজনৰ বাবে মাহে ৫০০ টকা হিচাপে (তেওঁৰ এজন সন্তানে ছাত্রাবাসত বাস কৰে)	
আমোদ ভাত্তা মাহে	500
ৰাজহুৱা ভৱিষ্যনিধিত (PPF) জমা কৰা পৰিমাণ	50,000
ৰাষ্ট্রীৰ সঞ্চয় প্ৰমাণপত্র (NSC) VIII বিলি, ক্রয় কৰা পৰিমাণ	30,000

সমাধান ঃ

2019-20 পূর্ববর্তী বছৰৰ প্ৰাসঙ্গিক কৰ নির্ধাৰণ বছৰ 2020-21 চনৰ বাবে অঞ্জু বৰাৰ দৰমহাৰ পৰা পোৱা কৰযোগ্য আয়ৰ গণনাঃ

	টকা	টকা
প্ৰকৃত (net) দৰমহা প্ৰাপ্তি	2,46,000	
যোগ ঃ উৎসতে কৰ্তন কৰা বৃত্তি কৰ	3,000	
যোগ ঃ ভৱিষ্য নিধিলৈ বৰঙণি	39,000	
যোগ ঃ নিয়োগকৰ্তাই ব্যৱস্থা কৰা আবাসিক গৃহৰ ভাড়া দৰমহাৰ পৰা বিয়োগ কৰা	12,000	
মুঠ দৰমহা (Gross Salary)		**3,00,000**
নিয়োগকৰ্তাৰ ভৱিষ্য নিধিত দিয়া বৰঙণি	39,000	
বাদ ঃ অব্যাহতি দৰমহাৰ 12% লৈকে (3,00,000 টকাৰ 12%)	36,000	3,000
অৱকাশ ভ্ৰমণ ভাত্তা (টোকা ২)		9,000
দুই মাহৰ দৰমহাৰ সমান বোনাচ (3,00,000 টকা x $^{2}/_{12}$)		50,000
বহু দূৰবৰ্তী অঞ্চল ভাত্তা মাহে 1,000 টকাকৈ	12,000	
বাদ ঃ বিজ্ঞাপিত অব্যাহতি মাহে 200 টকা	2,400	
		9.600
ভ্ৰমণৰত ভাত্তা মাহে 2,000 টকা	24,000	
বাদ ঃ অব্যাহতি 70% লৈকে	16,800	
		7,200
সন্তানৰ শিক্ষা ভাত্তা তিনিজন সন্তানৰ প্ৰতিজনৰ বাবে মাহে 500 টকাকৈ	18,000	
বাদ ঃ অব্যাহতি (100 টকা × 12 × 2)	2,400	
		15,600
আমোদ ভাত্তা মাহে 500 টকাকৈ		6,000
ৰেহাই মূল্যত ব্যৱস্থা কৰা আবাসিক গৃহৰ বাবে সা-সুবিধা (টোকা 1)		46,530
দৰমহাৰ পৰা পোৱা আয়		**4,46,930**
বিয়োগ 16(iii) ধাৰাৰ অধীনত বৃত্তি কৰ পৰিশোধ		3,000
দৰমহাৰ পৰা পোৱা প্ৰকৃত আয়		**4,43,930**
80C ধাৰাৰ অধীনত বিয়োগসমূহ (Deductions U/S 80C)		
স্বীকৃতিপ্ৰাপ্ত ভৱিষ্য নিধিত (RPF) নিজৰ বৰঙণি	39,000	
ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ (NSC) VIII বিলি, ক্ৰয়	30,000	
ৰাজহুৱা ভৱিষ্য নিধিত (PPF) জমা কৰা পৰিমাণ	50,000	
	মুঠ	**1,19,000**
80C ধাৰাৰ অধীনত বিয়োগসমূহৰ পৰিমাণ সীমাবদ্ধ কৰিছে		1,00,000
মুঠ আয়		**3,43,930**



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- দৰমহা হৈছে এজন ব্যক্তিয়ে আগবঢ়োৱা সেৱাৰ বাবে তেওঁৰ নিয়োগকর্তাৰ পৰা পাৰিশ্রমিক হিচাপে পোৱা এক পৰিমাণ।
- আয়কৰৰ উদ্দেশ্যৰ বাবে ভাত্তাসমূহ সম্পূর্ণকৈ অব্যাহতি প্রাপ্ত, আংশিকভাৱে অব্যাহতি প্রাপ্ত অর্থাৎ আংশিকভাৱে কৰযোগ্য ভাত্তা আৰু সম্পূর্ণকৈ কৰযোগ্য ভাত্তা হিচাপে শ্রেণীবিভাগ কৰা হয়।
- দৰমহা মুদ্রা এককত প্রকাশ কৰিব পাৰি।
- দৰমহা দেয় ভিত্তি বা প্রাপ্তি ভিত্তিত, যিটোৱেই আগতে হয়, কৰত ধার্য কৰা হয়।
- এজন ব্যক্তিয়ে আগৰ বছৰ বা পূর্ববর্তী বছৰ বা যি বছৰত কৰ নির্ধাৰণ কৰা হয় তাৰ আগৰ বছৰত উপার্জন কৰা আয় কৰ নির্ধাৰণ বছৰত কৰ ধার্য কৰা হয়।



৩.৮ অধিক জানিবলৈ

১) B.B. Dam, S. Sikidar, R. Barman, B. Bora : Direct and Indirect Taxes; Capital Publishing Company, G.S Road, Guwahati.

২) V. K. Singhania, N. Singhania, Taxmann.



৩.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (১) শুদ্ধ (২) শুদ্ধ
(৩) শুদ্ধ (৪) অশুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) (১)
(খ) (৩)
(গ) (২)

৩.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ দৰমহা বুলিলে কি বুজে? দৰমহাৰ পৰা পোৱা আয়ৰ বিভিন্ন বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ২ ঃ পূৰ্ববৰ্তী বছৰত কৰত ধাৰ্য কৰিবলগীয়া দৰমহৰ বিভিন্ন আৰ্হিসমূহ কি কি?

প্ৰশ্ন ৩ ঃ তেজপুৰৰ ABCৰ এজন কৰ্মচাৰী মিষ্টাৰ ৰমেনে 2020-21 পূৰ্ববৰ্তী বছৰৰ তেওঁৰ আয়ৰ নিম্নলিখিত বিৱৰণিসমূহ দাখিল কৰিলে ঃ

		টকা
(১)	মূল দৰমহা 8(Basic Salary) মাহে	15,000
(২)	মৰগীয়া ভাত্তা (ইয়াৰ 60%) অৱসৰকালীন সুবিধাৰ বাবে দৰমহাৰ অংশ হিচাপে গঠিত হয়) মাহে	6,000
(৩)	চিকিৎসা ভাত্তা মাহে	300
(৪)	চহৰ ক্ষতিপূৰক ভাত্তা মাহে	300
(৫)	ঘৰভাড়া ভাত্তা মাহে	5,000
(৬)	সন্তানৰ শিক্ষা ভাত্তা মাহে	500

মিঃ ৰমেনে তেজপুৰৰ তেওঁৰ নিজৰ ঘৰত বাস কৰে।

2020-21 কৰ নিৰ্ধাৰণ বছৰৰ বাবে মিঃ ৰমেনৰ দৰমহাৰ পৰা পোৱা মুঠ আয় গণনা কৰক।

(উত্তৰ ঃ সন্তান শিক্ষাভাত্তা বাবে 15,600 টকা কৰযোগ্য হয়, মুঠ আয় 3,22,800 টকা)

প্ৰশ্ন ৪ ঃ নিম্নলিখিতসমূহ সমতুল্য কৰক ঃ

(ক)	মৰগীয়া ভাত্তা	(১)	বৃত্তি কৰ
(খ)	উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ ভাত্তা	(২)	80CCD ধাৰা
(গ)	বিনিময়কৃত নকৰা পেঞ্চন	(৩)	সম্পূৰ্ণকৈ কৰযোগ্য
(ঘ)	পেঞ্চন আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা বৰঙণি	(৪)	Keyman বীমাপত্ৰ
(ঙ)	বোনাচসহ বীমা কোম্পানীৰ পৰা পোৱা পৰিমাণ	(৫)	কৰযোগ্য নহয়।
(চ)	16 ধাৰাৰ অধীনত অনুমোদনযোগ্য বিয়োগ	(৬)	সম্পূৰ্ণকৈ কৰযোগ্য।

*** ***** ***

অধ্যায় ৪ ঃ কৰ পৰিকল্পনা-১

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ কৰ পৰিকল্পনাৰ অর্থ আৰু ধাৰণা
৪.৪ কৰ পৰিকল্পনা আৰু কৰ পৰিচালনা
৪.৫ কৰ পৰিকল্পনা, কৰফাঁকি, কৰ পৰিহাৰ
৪.৬ কৰ পৰিকল্পনা আৰু আয়ৰ অপসাৰণ/আয়ৰ প্ৰয়োগ
৪.৭ ব্যৱসায়ৰ লগত জড়িত কৰ পৰিকল্পনাসমূহ
৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৯ অধিক জানিবলৈ
৪.১০ অগ্রগতিৰ খতিয়ান
৪.১১ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- কৰ পৰিকল্পনাৰ অর্থ আৰু ধাৰণাৰ বর্ণনা
- কৰ পৰিকল্পনা, কৰ পৰিচালনা, কৰফাঁকি আৰু কৰ পৰিহাৰৰ মাজৰ পার্থক্য
- কৰ পৰিকল্পনা, আয়ৰ অপসাৰণ, আয়ৰ প্ৰয়োগৰ মাজত পার্থক্য
- কৰ পৰিকল্পনাৰ ব্যৱসায়ৰ লগত জড়িত বিভিন্ন ধাৰণাসমূহ আলোচনা কৰিবলৈ পাব।

৪.২ পৰিচয়

আমি সদায় নিজৰ কৰৰ বোজা হ্রাস কৰাৰ বিভিন্ন উপায় বিচাৰো। আমি প্রায়েই আয়ৰ সঠিক তথ্য প্রকাশ নকৰো বা কৰৰ বোজা পৰিশোধ কৰাৰ পৰা বিৰত থাকিবলৈ বিচাৰো যিটো আইন বিৰুদ্ধ। তথাপিও কৰৰ বোজা হ্রাস কৰাটো সদায় বে-আইনী নহয়। সঠিক কৰ পৰিকল্পনাৰ যোগেদি আমি আমাৰ কৰৰ বোজা আইনী প্রক্রিয়াৰে হ্রাস কৰিব পাৰো। আইনে প্রদান কৰা ৰেহাই, কর্তন, বাট্টা আৰু উপশম আদি বিভিন্ন ধৰণৰ সুবিধাসমূহ গ্রহণ কৰি কৰৰ বোজা হ্রাস কৰিব পাৰি। কৰ পৰিকল্পনা হৈছে আইনগত। তথাপিও কৰৰ বোজা হ্রাস কৰিবলৈ কৰ পৰিকল্পনাৰ প্রয়োগৰ অর্থে কৰৰ আইনগত নীতিসমূহ অনুশীলন তথা কৰনীতিৰ পদ্ধতিৰ বিষয়ে জ্ঞান থকা আৰু বিভিন্ন ব্যৱহাৰিক দিশত এই জ্ঞানসমূহ প্রয়োগৰ অর্থে দক্ষতা থকাৰ প্রয়োজন। এই অধ্যায়টোত আমি কৰ পৰিকল্পনা তথা কৰ পৰিচালনা, কৰফাঁকি তথা পৰিহাৰ ইত্যাদি বিষয়সমূহৰ

ওপৰত আলোচনা কৰিম। আইকৰ আইনে প্ৰদান কৰা ভাট্টা, কৰ্তন, ৰেহাই ইত্যাদি বিভিন্ন সুবিধাসমূহ গ্ৰহণ কৰি বিভিন্ন ক্ষেত্ৰত এটা নতুন ব্যৱসায়ে বা বৰ্তি থকা ব্যৱসায়ে কৰ পৰিকল্পনাৰ জৰিয়তে কৰৰ বোজা হ্ৰাস কৰিব পাৰে। এই বিষয়েও এই অধ্যায়ত আলোচনা কৰা হ'ব।

৪.৩ কৰ পৰিকল্পনাৰ অৰ্থ আৰু ধাৰণা

কৰ পৰিকল্পনা মূলতঃ এজন ব্যক্তিৰ আৰ্থিক বিষয়ৰ বুদ্ধিমান ব্যৱস্থা। কাৰণ ইয়াৰ জৰিয়তে, আইনৰ অধীনত উপলব্ধ তথা অনুমোদিত বিভিন্ন কৰ বিধানৰ সুবিধাসমূহ লংঘন নকৰি সম্পূৰ্ণৰূপে উপকৃত হয়। কৰ পৰিকল্পনা হৈছে যিকোনো প্ৰকাৰে কৰৰ বোজা হ্ৰাস কৰাৰ এক প্ৰক্ৰিয়া। কৰ পৰিকল্পনাত জড়িত হৈ থাকে পৰিকল্পনা আৰু এইটো এটা অতি উৎসাহজনক বৌদ্ধিক পদ্ধতি। এজন কৰদাতাই দুটা মূল পদ্ধতিৰ জৰিয়তে কৰ পৰিকল্পনা কৰিব পাৰে।

(ক) কৰ ভাট্টা, ৰেহাই, কৰ্তন আদিৰ যোগেদি কৰযোগ্য আয় হ্ৰাস কৰা।

(খ) যিমান সম্ভৱ কৰ প্ৰদানৰ বিষয়টো নিৰ্ধাৰণ কৰা।

কৰ পৰিকল্পনা কৰ আইনৰ অধীনত আছে, সেয়েহে এই প্ৰক্ৰিয়া বিধিসন্মত। এইটো আচলতে এনেধৰণৰ প্ৰক্ৰিয়া যিয়ে কৰ আইনৰ অধীনত থকা কৰ্তন, ৰেহাই, বাট্টা তথা পৰিত্ৰাণ আদিৰ সহায়ত কৰদাতাৰ কৰৰ বোজা হ্ৰাস কৰিব পাৰে। ই মূলতঃ কৰ আইনৰ বিভিন্ন বিধানৰ প্ৰয়োগ যিয়ে কৰদাতাৰ কৰৰ বোজা কৰ কৰ্তন, ৰেহাই, বাট্টা তথা উপশম ইত্যাদিৰ সহায়ত সামান্য পৰিমাণ হ্ৰাস কৰিব পাৰে। কৰ পৰিকল্পনাৰ অৰ্থে কৰ আইনৰ প্ৰয়োজনীয় জ্ঞান থকাৰ দৰকাৰ। লগতে চি বি ডি টি যে যোগান ধৰা পৰিপত্ৰ তথা ন্যায়ালৰ বিভিন্ন সিদ্ধান্তৰ বিষয়ে জনাৰ দৰকাৰ। কৰ পৰিকল্পনা হৈছে নিৰ্দিষ্ট ফলাফল আহৰণ কৰিবলৈ ৰূপায়ণ কৰা এক পৰিকল্পিত পদ্ধতি। কৰ পৰিকল্পনাৰ উদ্দেশ্য হৈছে, চৰকাৰে কৰৰ জৰিয়তে সংগৰিহ কৰা পুঁজিৰ পৰিমাণ হ্ৰাস কৰা যাতে সেই পুঁজি এজন ব্যক্তি বা ব্যৱসায়ৰ সুবিধাৰ্থে যিমান পাৰি সিমান কাৰ্যকৰীভাৱে ব্যৱহাৰ কৰিব পাৰে।

৪.৪ কৰ পৰিকল্পনা আৰু কৰ পৰিচালনা

কৰ পৰিচালনা হৈছে মূলত কৰ আইনৰ নীতিসমূহ মানি চলাৰ এটা প্ৰক্ৰিয়া। কৰ পৰিকল্পনাৰ তুলনাত কৰ পৰিচালনা হ'ল এক সীমিত পৰিভাষা। অৰ্থাৎ, ই কৰ পৰিকল্পনাৰ এক অংশ। কৰ পৰিচালনা এটা অবিচ্ছিন্ন প্ৰক্ৰিয়া তথা কৰ পৰিকল্পনাৰ এক গুৰুত্বপূৰ্ণ দিশ। কৰ পৰিচালনা কৰ পৰিকল্পনাৰ এক ধাৰাবাহিক প্ৰক্ৰিয়া তথা গুৰুত্বপূৰ্ণ দিশ। সময়মতে কৰ পৰিশোধ কৰা, আইনৰ অধীনত থকা নীতি-নিয়মসমূহ মানি চলি সুদ আৰু জৰিমনাৰ পৰা বিৰত থকা ইত্যাদিৰ লগত কৰ পৰিচালনা জড়িত হৈ থাকে। এইটো এনে এক প্ৰক্ৰিয়া যিয়ে দোষসমূহৰ পৰা দূৰত ৰাখে আৰু আইনী সন্মতিসমূহ সুৰক্ষিত কৰে। পৰিশোধৰ কাৰণে বিভিন্ন দাবী, ৰেহাই, পৰিত্ৰাণ, কৰ্তন, কৰ বোজা, আয়ৰ গণনা ইত্যাদিৰ যথাযথ প্ৰমাণিক তথ্য কৰ পৰিচালনাৰ

আওতাত থাকে। কৰ আইনৰ অধীনত থকা বাধ্যবাধকতাসমূহ যথাযথভাৱে সম্পাদন নকৰিলে কৰদাতাসকল কিছু অপ্ৰীতিকৰ পৰিস্থিতিৰ সন্মুখীন হয়। এনে পৰিস্থিতিয়ে সুদৰ হাৰ, জৰিমনা, আইনগত ব্যৱস্থা গ্ৰহণ, নিৰ্দিষ্ট আইনসমূহৰ বাজেয়াপ্তকৰণ ইত্যাদি অৱস্থাবোৰৰ সৃষ্টি কৰে। সেই কাৰণে যদিহে যথাযথভাৱে দায়িত্বসমূহ পালন কৰা নহয় তেতিয়া কৰ পৰিকল্পনা অসম্পূৰ্ণ হৈ ৰ'ব।

কৰ পৰিকল্পনাৰ অন্তৰ্গত বিষয়সমূহ হ'ল—

(ক) তথ্যসমূহ আৰু লেনদেন, দাবী ইত্যাদি সমৰ্থনকাৰী নথিপত্ৰসমূহ সংগ্ৰহ তথা সংৰক্ষণ কৰা

(খ) সময়মতে কৰ পৰিশোধ কৰা।

(গ) বিভিন্ন কৰ আইন অনুসৰি সন্মতি প্ৰদান।

(ঘ) প্ৰক্ৰিয়াত্মক প্ৰয়োজনীয়তাসমূহ অনুসৰণ কৰা।

(ঙ) সময় মতে পৰিশোধ দাখিল কৰা।

(চ) কৰ্তৃপক্ষই প্ৰকাশ কৰা বিজ্ঞপ্তিক সহযোগিতা কৰা।

(ছ) নিৰ্ধাৰিত বছৰৰ বাবে নথি-পত্ৰসমূহ সংগ্ৰহ কৰা।

কৰ পৰিকল্পনা আৰু কৰ পৰিচালনা মাজৰ পাৰ্থক্য ঃ

কৰ পৰিকল্পনা	**কৰ পৰিচালনা**
১) কৰ পৰিকল্পনাৰ যোগেদি আইনে প্ৰদান কৰা বিভিন্ন সুবিধাসমূহ যেনে- ৰেহাই, কৰ্তন, বাট্টা আৰু পৰিত্ৰাণ ইত্যাদি সম্পূৰ্ণৰূপে গ্ৰহণ কৰি কৰৰ বোজা হ্ৰাস কৰিব পাৰি।	১) কৰ আইনৰ বিধানসমূহ মানি চলাৰ এটা পদ্ধতি।
২) কৰ পৰিকল্পনাৰ উদ্দেশ্য হ'ল কৰৰ বোজা হ্ৰাস কৰা।	২) কৰ পৰিচালনাৰ উদ্দেশ্য হ'ল- কৰ আইনৰ বিধান তথা ইয়াৰ লগত জড়িত নিয়মসমূহ মানি চলে।
৩) ৰূকৰ পৰিচালনা কৰ পৰিকল্পনাৰ অন্তৰ্গত	৩) কৰ পৰিচালনা সময়মতে পৰিশোধ কৰা, উৎসৰ পৰা কৰা কৰ্তন কৰা ইত্যাদিৰ লগত জড়িত।

৪.৫ কৰ পৰিকল্পনা, কৰফাঁকি, কৰ পৰিহাৰ

কৰ পৰিহাৰ

কৰ পৰিহাৰ হৈছে এনে এক পদ্ধতি যিয়ে কৰ আইনৰ অধীনত কৰা কৰ পৰিহাৰৰ উপায়সমূহ গ্ৰহণ কৰি কৰৰ বোজা হ্ৰাস কৰিব পাৰে। ই আইনৰ অধীনত থকা জটিল আৰু প্ৰায়েই সমালোচনাত্মক সুবিধাসমূহৰ ব্যৱহাৰ কৰি কৰৰ বোজা হ্ৰাস কৰিব পাৰে। কৰ পৰিহাৰে

আইনী প্ৰক্ৰিয়াৰে কৰ বৰ্জন কৰে যদিও উৎসাহিত নকৰে। কাৰণ ই কৰ আইনৰ আইনী সুবিধাসমূহ শোষণ কৰে। যিটো আইন প্ৰণয়ন কৰাৰ সময়ত বিবেচনা কৰা নহয়। কৰ বিশেষজ্ঞৰ পৰামৰ্শ তথা আয়কৰ আইনৰ বিভিন্ন বিধানৰ অবিচ্ছিন্ন মূল্যায়নৰ ফলত কৰ পৰিহাৰ বিভিন্ন বিধানৰ অবিচ্ছিন্ন মূল্যায়নৰ ফলত কৰ পৰিহাৰ অপসাৰণৰ ক্ষেত্ৰত সহায় কৰে আৰু কৰৰ পৰা হাত সৰাৰ ঘটনাসমূহ কম কৰে। কিছুমান নিৰাপদ কৰৰ আশ্ৰয় ল'বলৈ নিজৰ আৱাসিক অৱস্থাৰ কথা বিবেচনা কৰি চাব পাৰে, য'ত কৰৰ হাৰ কম বা য'ত কিছুমান গতিবিধিৰ বাবে বিশেষ উদগনি দিয়া হয় আৰু সেইবোৰ কৰদাতাৰ আৱাসিক স্থানত উপলব্ধ নহয়, যাতে কৰ প্ৰদানৰ পৰা দূৰত থাকিব পাৰে। তেওঁলোকে নিজৰ ব্যৱসায়িক গঠন সলনি কৰিব পাৰে বা নহ'লে এটা বৈদেশিক প্ৰতিষ্ঠান স্থাপন কৰিব লাগিব ইত্যাদি। কৰৰ বোজা হ্ৰাস কৰাৰ উপৰোক্ত প্ৰতিটো পদ্ধতিৰ অৰ্থ বিবেচনা কৰি আমি প্ৰত্যেকৰ মাজৰ পাৰ্থক্য বিচাৰ কৰিব পাৰো।

কৰ পৰিহাৰ তথা কৰ পৰিকল্পনা ঃ

ক) ৰাষ্ট্ৰ গঠনৰ ক্ষেত্ৰত কৰ পৰিকল্পনাই যিবোৰ স্বাভাৱিকতে বিপদগ্ৰস্ত নহয় তেনেধৰণৰ কাৰ্যকলাপ বিনিয়োগ কৰি যথেষ্ট অৱদান আগবঢ়ায়। আনহাতে, সাধাৰণভাৱে কৰ পৰিহাৰ হৈছে কম কৰ প্ৰদান প্ৰক্ৰিয়া বা সমাজলৈ কোনো অৱদান আগ নবঢ়ায় কৰ প্ৰদান নকৰে।

(খ) কৰ পৰিকল্পনা নিখুতভাৱে আইনী তথা চৰকাৰে উৎসাহিত কৰে। কিন্তু কৰ পৰিহাৰ কিছু পৰিমাণে আইনী আৰু সদায় উৎসাহিত নকৰে।

(গ) কৰ পৰিকল্পনা মুঠেও বিপদজনক নহয়। কিন্তু কৰ পৰিহাৰৰ ক্ষেত্ৰত অনেক বিপদ আহিব পাৰে।

(ঘ) কৰ পৰিকল্পনা বিশেষভাৱে আইনৰ অধীনত থকা ৰেহাই আৰু কৰ্তন প্ৰয়োগ কৰা হয়। যাৰ সহায়ত কৰ দাতাৰ বোজা হ্ৰাস কৰা হয়।

আনহাতে, কৰ পৰিহাৰ কৰৰ বোজা হ্ৰাস কৰিবলৈ অনিচ্ছাকৃত, গোপন তথা প্ৰায়েই অনিৰ্দিষ্ট কৰৰ নীতি ব্যৱহাৰ কৰা হয়।

কৰ ফাঁকি ঃ

কৰ দাতাই ব্যৱহাৰ কৰা অন্য এক পদ্ধতি হ'ল কৰ ফাঁকি প্ৰতাৰণামূলক উদ্দেশ্য সিদ্ধিৰ বাবে এই পদ্ধতি ব্যৱহাৰ কৰা হয়। আয়ৰ তথ্য গোপন কৰি, কম আয় দেখুৱাই আৰু বেলেগ মিছা আৰু অসম্পূৰ্ণ তথ্য কৰ কৰ্তৃপক্ষক যোগান ধৰি কৰৰ পৰা হাত সাৰিবলৈ চেষ্টা কৰে। কৰ ফাঁকি সদায় ইচ্ছাকৃতভাৱে কৰা হয়, বিভিন্ন একাউণ্ট খোলা হয়, চালানৰ সহায় নোলোৱাকৈ নগদ লেনদেন কৰা, নকল নামেৰে নগদ লেন দেন কৰা, মিছা চালনৰ প্ৰস্তুত, যিমান মূল্যাংকন কৰা হৈছে তাতকৈ কম পৰিমাণৰ কৰ পৰিশোধ কৰা ইত্যাদি। প্ৰতাৰণা কৰাৰ উদ্দেশ্যে কৰ ফাঁকি অৱলম্বন কৰা হয়। কৰৰ উচ্চ হাৰৰ বাবে, কৰদাতাৰ অনুপস্থিতি তথা বন্ধুত্বপূৰ্ণ কৰনীতিৰ অভাৱ আৰু পৰ্যাপ্ত কৰ উৎসাহৰ অভাৱ আদিৰ বাবে কৰফাঁকি অৱলম্বন কৰা হয়। যিসকল মানুহৰ ক'লা ধন থাকে তেওঁলোকে কৰ ফাঁকিৰ সহায় লয়। তেওঁলোকে আয়ৰ সঠিক তথ্য

গোপনে ৰাখি কৰ প্ৰদানৰ পৰাহাত সাৰে। ফলস্বৰূপে ৰাষ্ট্ৰৰ কোষাগাৰৰ পৰা ৰাজহৰ পৰিমাণ হ্ৰাস পায়। মুদ্ৰাস্ফীতি সৃষ্টি হোৱা ই এক কাৰণ। কৰফাঁকিক এখন দেশৰ নাগৰিক অপৰাধ হিচাপে বিবেচনা কৰা হয় অৰ্থাৎ, অবৈধ আৰু অসৎ। এইটো এখন দেশৰ ক্ৰমবৰ্দ্ধমান বিপদৰ কাৰণ আৰু বহুসংখ্যক লোকে বিদেশত টকা লুকুৱাই থয় য'ত কৰৰ হাৰ নিম্ন আৰু এনেকৈয়ে কৰ প্ৰদানৰ পৰা হাত সাৰে। সম্পত্তিসমূহো সঠিকভাৱে প্ৰকাশ নকৰে তথা লুকুৱাই ৰাখি কৰ প্ৰদানৰ পৰা হাত সাৰি থাকে। এখন দেশৰ কঠোৰ আৰু দক্ষ কৰ ব্যৱস্থাৰ দ্বাৰা এই বিপদৰ কাৰণসমূহ বন্ধ কৰিব পৰা যায় যাতে কৰফাঁকি দিয়া লোকসকলক সহজতেই ধৰিব পাৰি আৰু এই অবৈধ কাৰ্যকলাপৰ বাবে তেওঁলোকক দণ্ডিত কৰা হয়।

কৰ পৰিকল্পনা তথা কৰফাঁকি ঃ

(১) আইনৰ অধীনত থকা সুবিধাসমূহৰ জৰিয়তে কৰৰ বোজা হ্ৰাস কৰাৰ ক্ষেত্ৰত কৰ পৰিকল্পনা জড়িত হৈ থাকে। আনহাতে, কৰফাঁকি হৈছে এক অনৈতিক কাৰ্য।

(২) কৰ পৰিকল্পনা বৈধ য'ত কৰফাঁকি অবৈধ।

(৩) কৰ পৰিকল্পনা এখন সমাজ তথা ব্যক্তিৰ সুবিধাৰ্থে কৰা হয়, য'ত কৰফাঁকিক এখন ৰাষ্ট্ৰৰ উন্নয়নৰ ক্ষেত্ৰত ক্ষতিকাৰক হিচাপে বিবেচনা কৰা হয় আৰু সামাজিক ক্ষতিকাৰকবোৰ যেনে ঃ দুৰ্নীতি, দৰিদ্ৰ, অনুন্নত আৰু ক'লাধনৰ সৃষ্টি ইত্যাদিৰ মূল কাৰক হ'ল কৰফাঁকি।

(৪) কৰফাঁকিক অপৰাধ বুলি বিবেচনা কৰা হয়, কিন্তু কৰ পৰিকল্পনা নহয়।

যদিও ওপৰোক্ত সকলো পদ্ধতিয়ে কৰৰ বোজা হ্ৰাস কৰে, তথাপিটো কৰ পৰিকল্পনা হৈছে সকলোতকৈ উন্নত পদ্ধতি যিয়ে কৰৰ বোজা হ্ৰাস কৰিবলৈ সম্পূৰ্ণৰূপে আইনী উপায় ব্যৱহাৰ কৰে। আনহাতে কৰদাতাসকলে নিজৰ আয় সম্পূৰ্ণভাৱে উপভোগ কৰিব পাৰে আৰু লগতে সমাজলৈও অৱদান আগবঢ়ায়।

কৰ পৰিহাৰ আৰু কৰফাঁকি ঃ

১) কৰ পৰিহাৰত এজন ব্যক্তিয়ে বস্তুগত তথ্য প্ৰকাস কৰে, কিন্তু কৰফাঁকিত কৰদাতাই প্ৰায়েই অসম্পূৰ্ণ মিছা তথ্য প্ৰকাশ কৰে।

২) কৰ পৰিহাৰ হৈছে আইনৰ অধীনত থকা উপায়সমূহ অৱলম্বন কৰি কৰৰ বোজা হ্ৰাস কৰাৰ এক প্ৰক্ৰিয়া। আনহাতে, কৰফাঁকিৰ অৰ্থ হ'ল প্ৰতাৰণামূলক উপায়ে কৰফাঁকি দিয়া যিটোত ভুল তথ্য উপস্থাপন কৰা হয় বা তথ্য গোপন কৰা বা মুঠেও কৰ পৰিশোধ নকৰা।

৩) কৰ পৰিহাৰে কৰ আইনক শোষণ কৰে, কিন্তু ই সদায় অবৈধ হিচাবে বিবেচিত নহয় কাৰণ ই আইনৰ আওতাধীনতাৰ মধ্যে কাম-কাজ কৰে আৰু এইটো আইন নিৰ্মাতাৰ দ্বাৰা দৃষ্টি গোচৰ নহয় বা উৎসাহিত নকৰে। আনহাতে, কৰফাঁকি সম্পূৰ্ণকৈ বে-আইনী, কাৰণ ই বে-আইনীভাৱে কৰৰ বোজা হ্ৰাস কৰিব হিচাৰে আৰু কৰ প্ৰদানৰ পৰা পলায়ন কৰে য'ত কৰদাতাজন আইনীভাৱে ঋণী হয়।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কৰ পৰিকল্পনা বুলিলে কি বুজা?

.....

.....

প্ৰশ্ন নং ২ ঃ কৰ পৰিকল্পনা আৰু কৰফাঁকিৰ মাজৰ দুটা পাৰ্থক্য উল্লেখ কৰা।

.....

.....

৪.৬ কৰ পৰিকল্পনা আৰু আয়ৰ অপসাৰণ/আয়ৰ প্ৰয়োগ

আয়ৰ অপসাৰণ ধাৰণটোৱে কৰদাতাই পোৱাৰ আগতেই আয়ৰ বিভাজনক বুজায়। এনে এক অপসাৰণ হ'ব পাৰে এটা আইনী বাধ্যবাধকতাৰ ফলত অথবা চুক্তিমূলক বাধ্যবাধকতাৰ ফলত। আয়ৰ বিৱৰ্তনৰ ফলত কৰদাতাই ফলাফল পোৱাৰ আগতেই আয়ক এক নিৰ্দিষ্ট দিশত প্ৰয়োগ কৰাটো বাধ্যতামূলক। আনহাতে, আয়ৰ প্ৰয়োগ বা বাধ্যবাধকতা বা আৰ্জিত বা উদ্ভূত হৈছে বা প্ৰাপ্ত হৈছে সেইটো কেৱল মাত্ৰ আয়ৰ বিভাজন বা প্ৰয়োগৰ ওপৰত নিৰ্ভৰ কৰে তাৰ বিচ্যুতিৰ ওপৰত নহয়। কেতিয়াবা অগ্ৰাহ্য শীৰ্ষক অপসাৰণ আৰু আয়ৰ প্ৰয়োগৰ মাজৰ বিভাজন ৰেখা পাতল হোৱা দেখা যায়। যেতিয়া আয় বা আয়ৰ কোনো অংশ অগ্ৰাহ্য শিৰোনামৰ উৎসলৈ প্ৰেৰণ কৰা হয়, তেনে আয়ৰ গতিপথ বেলেগলৈ সলনি হোৱাৰ আগেয়ে কৰদাতাৰ ফালে গতি কৰে, সেই আয় তেওঁৰ মূল্যায়ন যোগ্য আয়ৰ পৰা বাদ দিব পৰা যায়। য'তেই তেনেকুৱা আয়ৰ বিভক্ত থাকে, তেনেকুৱা বিভক্তিত আয় কৰদাতাৰ মূল আয়ৰ লগত অন্তৰ্ভুক্ত কৰা নহয় যি দাবী কৰে যে তাত অপসাৰণ আছে। অন্যহাতে, য'ত কৰদাতাৰ হাতত আয় জমা বা উদ্ভব হয়, ইয়াৰ পৰৱৰ্তী প্ৰয়োগ কোনো ধৰণেই আয়ৰ বোজাক প্ৰভাৱিত নকৰে।

আয়ৰ বিচ্যুতি আন আয়ৰ প্ৰয়োগৰ মাজত এটা সৰু পাৰ্থক্য ৰেখা আছে। নিৰ্দিষ্ট অপসাৰণৰ বিতৰণ পৰিমাণ নে আয়ৰ প্ৰয়োগ সিদ্ধান্ত ল'বৰ বাবে সঠিক পৰীক্ষা কৰা হয় আৰু সিদ্ধান্ত লোৱা হয় যে যিটো পৰিমাণৰ কৰ্তন কৰা হয়। তাক কৰদাতাজনে নিজৰ আয় হিচাপে নাপায়।

আয়ৰ অপসাৰণ ঃ

য'ত বাধ্যবাধকতাৰ দ্বাৰা কৰদাতায়ে পোৱাৰ আগতেই আয়ৰ সলনি কৰা হয় তাকে আয়ৰ অপসাৰণ বুলি কোৱা হয় আৰু এইটো কৰযোগ্য নহয় (উদাহৰণস্বৰূপে - যদিও কৰদাতাই আয়ৰ অংশ ল'ব বিচাৰে, তেওঁ সেইজন ব্যক্তিৰ হৈ লয় যাক এই আয় পৰিশোধ কৰিব)।

উদাহৰণ ঃ A, B আৰু C এখন কিতাপৰ সহ লিখক। কিতাপখনৰ প্ৰকাশকজনে গোটেই পাৰিশ্ৰমিকৰ 60,000 পৰিমাণটো A ক দিলে A য়ে 20,000 B আৰু C ক দিলে। তেনেধৰণৰ পাৰিশ্ৰমিকক আয়ৰ অপসাৰণ বোলা হয়।

আয়ৰ প্ৰয়োগ ঃ

আয়ৰ আৱেদন মানে তেনেধৰণৰ আয় কৰদাতায়ে পোৱাৰ পাছত বাধ্যবাধকতাসমূহ মুক্ত কৰা আৰু সেই কাৰণে এইটো কৰযোগ্য। কৰ পৰিকল্পনাৰ উদ্দেশ্যে আয়ৰ অপসাৰণ ধাৰণাটো শোষণৰ কাৰণে বেছি ভাল সুযোগ আয় প্ৰয়োগৰ ধাৰণাতকৈ। কাৰণ য'ত আয় বিচ্যুতি হয়, তেনে ব্যক্তিয়ে কৰ পৰিশোধ কৰিব নালাগে যিয়ে তেনে বিচ্যুতি দাবী কৰে। অন্যহাতে আয়ৰ আৱেদন ধাৰণাটোয়ে আয় জমা হোৱা বা উদ্ভৱ হোৱাৰ ওপৰত মনোনিৱেশ কৰে আৰু যদি এবাৰ আয় কৰ আইন, ১৯৬১ৰ অধীনত আহি পৰে তেতিয়া ই কৰযোগ্য হয়।

৪.৭ ব্যৱসায়ৰ লগত জড়িত কৰ পৰিকল্পনাসমূহ

এটা নতুন ব্যৱসায়ৰ বাবে তলত উল্লেখ কৰা পৰিসৱসমূহৰ লগত কৰ পৰিকল্পনা জড়িত হৈ থাকে।

১) প্ৰতিষ্ঠানটো গঢ়ি তোলা।

২) ব্যৱসায়ৰ প্ৰকৃতি।

৩) বিত্তীয় গঠন।

৪) প্ৰকল্প আৰু যান্ত্ৰিক কৌশল আৰু স্থায়ী সম্পদসমূহ অৰ্জন কৰা।

৫) ব্যৱসায়ৰ প্ৰতিষ্ঠা আৰু আৰম্ভণি।

১) প্ৰতিষ্ঠানটো গঢ়ি তোলা ঃ এটা উপযুক্ত ব্যৱসায় প্ৰতিষ্ঠান গঠন কৰিবৰ বাবে এজন ব্যক্তিৰ বিবেচনামূলক আৰু স্পষ্ট ধাৰণা থাকিব লাগিব যে ব্যৱসায়টো আৰম্ভণিৰে পৰা সফলভাৱে চলায় নিব পাৰে। কাৰণ ব্যৱসায়টো সূচনা কৰাৰ পাছত যদি ব্যৱসায় প্ৰতিষ্ঠানটোৰ গঠনৰ সাল-সলনি কৰা হয় তেতিয়া কৰৰ বোজাৰ প্ৰতি আকৰ্ষিত হয়। এটা নতুন ব্যৱসায় গঢ়ি তুলিবলৈ নিম্নলিখিত বিষয়সমূহৰ ওপৰত গুৰুত্ব দিব লাগিব—

(ক) একমাত্ৰ স্বত্বাধিকাৰ।

(খ) হিন্দু অবিভক্ত পৰিয়াল।

(গ) ব্যক্তি বা ব্যক্তি বিশেষ সমিতি।

(ঘ) অংশীদাৰিত্ব প্ৰতিষ্ঠান।

(ঙ) কোম্পানী

(চ) সমবায় সমিতি।

প্ৰতিষ্ঠান এখনৰ নিৰ্দিষ্ট গঠনৰ বাবে কেৱল কৰৰ দিশৰ ওপৰতে নিৰ্ভৰ নকৰে, বৰঞ্চ অন্যান্য বিষয়সমূহৰ ওপৰতো নিৰ্ভৰ কৰে। উদাহৰণস্বৰূপে আৰ্থিক প্ৰয়োজনীয়তা তথা সম্পদ, সীমিত দায়বদ্ধতাৰ প্ৰয়োজন আৰু অন্যান্য ব্যৱহাৰিক বিবেচ্য বিষয়সমূহ। তথাপিও মালিক কৰৰ স্থিতি আৰু কৰৰ দায়বদ্ধতাৰ স্তৰৰ ওপৰত নিৰ্ভৰ কৰি এটা নতুন গোট স্থাপন কৰিবলৈ বিভিন্ন বিষয়সমূহৰ পৰা এটা বিষয় নিৰ্বাচন কৰি লোৱা হয়।

(ক) একক স্বত্বাধিকাৰ ঃ একক স্বত্বাধিকাৰ ক্ষেত্ৰত, মালিকক পাৰিশ্ৰমিক প্ৰদান কৰা

নহয়, যদিহে একক স্বত্বাধিকাৰ প্ৰতিষ্ঠানসমূহৰ পৰা ব্যৱসায়ৰ লাভাংশ বাদ দিয়া হয় যিহেতু অংশীদাৰিত্ব প্ৰতিষ্ঠানে কাৰ্যকৰী সহকৰ্মীক পাৰিশ্ৰমিক প্ৰদান কৰে আৰু কৰ্তন বিষয় অধ্যায় 40(b) ৰ অনুমতি দিয়ে। ইয়াৰ ফলস্বৰূপে ব্যৱসায়ৰ পৰা কৰযোগ্য আয় হ্ৰাস পাব আৰু ইয়াৰ পাছত কৰৰ ঘটনাও হ্ৰাস পাব। একক স্বত্বাধিকাৰৰ অধীনত এটা ব্যৱসায়ৰ সম্পূৰ্ণ আয়ৰ মূল্যায়ন অন্যান্য আয়ৰ লগত একেজন ব্যক্তিৰ হাতত কৰা হয়। প্ৰাথমিক বছৰত ইয়াৰ কিছু লাভ থাকিব পাৰে, তাৰ পাছত ইয়াক প্ৰতিষ্ঠানটোলৈ পৰিৱৰ্তন কৰাৰ সম্ভাৱনাৰ ওপৰত বিচাৰ কৰা হয়। এনেধৰণৰ আলোচনাৰ পাছত সম্ভাব্য মূলধনৰ লাভ, কৰ ইত্যাদিৰ ওপৰত প্ৰশ্ন কৰা হয়।

(খ) **হিন্দু অবিভক্ত পৰিয়াল ঃ** হিন্দু অবিভক্ত পৰিয়ালক আয়কৰ আইনৰ অধীনত পৃথক সত্বা হিচাপে বিবেচনা কৰা হয়। যিহেতু অগ্ৰাহ্য কৰা ব্যয়ৰ ক্ষেত্ৰত আইন প্ৰৱৰ্তন কৰা নহয়। সেই কাৰণে হিন্দু অবিভক্ত পৰিয়ালৰ দ্বাৰা ব্যৱসায় চলায় নিব পৰাটো সুবিধাজনক। পৰিয়ালৰ আয় গণনা কৰা হয় আৰু প্ৰথমে পৰিয়ালৰ হাতত কৰ ধাৰ্য কৰা হয়। যিটো হাৰত প্ৰযোজ্য হয়। সেই কাৰণে পৰিয়ালৰ আয়, পৰিয়ালৰ সদস্য তথা সদস্যৰ মাজত বিভাজন কৰা হয়। এনে ক্ষেত্ৰত, আয়কৰ আইন ১৯৬১ ৰ ধাৰা ১০(২)ৰ অধীনত থকা ৰেহাই হাৰলৈ লক্ষ্য কৰিও কোনো ব্যক্তি কৰ পৰিশোধ কৰিবলৈ আকৰ্ষিত নহয়। এনেকৈয়ে, যদি কোনো এটা ব্যৱসায় হিন্দু অবিভক্ত পৰিয়ালৰ দ্বাৰা পৰিচালিত হয়, তেতিয়া কোনো প্ৰতিষ্ঠানৰ পৰা পোৱা সুবিধাসমূহ সম্পূৰ্ণৰূপে গ্ৰহণ কৰিব পাৰে আৰু পৰিয়ালৰ সদস্যই পৰিয়ালৰ আয়ৰ অংশ লাভ কৰিলে কৰৰ বাব দায়ী নহয়।

(গ) **অংশীদাৰী ব্যৱসায় আৰু সীমিত দেনা অংশীদাৰিত্ব ঃ** এটা উদ্যোগৰ কৰযোগ্য আয় গণনা কৰা ক্ষেত্ৰত সুদ আৰু পাৰিশ্ৰমিকৰ ক্ষেত্ত কিছু বিহিত কৰ্তন কৰিব লাগে। অনুচ্ছেদ 10(2A) ৰ অধীনত উদ্যোগটোৰ অংশীদাৰীসকলৰ হাতত থকা আয়ৰ অংশ সম্পূৰ্ণৰূপে ৰেহাইকৃত। ইয়াৰ লগতে অনুচ্ছেদ 88AD ৰ নিয়মাৱলী অনুসৰি অংশীদাৰী উদ্যোগসমূহ যিসমূহে এক যোগ্য বৈধ ব্যৱসায় চলাই আহিছে তেওঁলোকে মুঠ প্ৰাপ্তিৰ ৮ শতাংশ (য'ত ৫ শতাংশ প্ৰাপ্তি একাউণ্টৰ মাধ্যমেৰে প্ৰাপ্ত চেক/বেংক ড্ৰাফ্ট/অথবা বেংক একাউণ্টৰ মাধ্যমেৰে ECS (Electronic Clearing Service) ব্যৱহাৰ কৰি লাভ কৰা হয়) আনুমানিকভাৱে অনুচ্ছেদ 44AD ৰ নিয়মাৱলী অনুসৰি অংশীদাৰী উদ্যোগ যিসমূহে নিৰ্দিষ্ট ঘোষিত বৃত্তি (যেনে— চিকিৎসা, বৃত্তি, ইঞ্জিনিয়াৰিং আদি)ৰ অধীনত ব্যৱসায় চলাই আহিছে তেওঁলোকে মুঠ প্ৰাপ্তিৰ ৫০ শতাংশ আয়ৰ ঘোষণা কৰিব পাৰে।

(ঘ) **কোম্পানী ঃ** এটা কোম্পানীৰ ভিতৰত প্ৰতিষ্ঠানৰ প্ৰকাৰৰ ক্ষেত্ৰত বহুতো বিকল্প দেখিবলৈ পোৱা যায়। মালিকীস্বত্ব আৰু নিয়ন্ত্ৰণৰ ওপৰত ভিত্তি কৰি

কোম্পানীসমূহ বিস্তৃতভাৱে সংগঠিত কোম্পানী অর্থাৎ, য'ত আয়কৰ আইন ১৯৬১ৰ অনুচ্ছেদ ২(১৮)ৰ অধীনত জনসাধাৰণ অতি আগ্রহী। একেধৰণে এটা কোম্পানী সীমিতভাৱে সংগঠিত হ'ব পাৰে যি নির্ভৰ কৰে কোম্পানীটোৰ প্রতিষ্ঠানৰ প্রকাৰ নির্বাচনৰ ওপৰত। কোম্পানীৰ প্রতিষ্ঠানটোৰ আকৃতি অথবা প্রকাৰ নির্বাচনৰ ক্ষেত্রত তলত দিয়া কৰৰ প্রভাৱসমূহ কৰ পৰিকল্পনাৰ দিশৰ পৰা বিবেচিত হ'ব লাগে—

(১) ঘৰুৱা কোম্পানীসমূহৰ সাধাৰণ কৰৰ হাৰ ৩০ শতাংশ আৰু যদি ১৬/১৭ বিত্তীয় বছৰত ইয়াৰ মুঠ turnover ২৫০ কোটি টকা হয়। তেন্তে সাধাৰণ কৰৰ হাৰ ২৫ শতাংশ হ'ব।

(২) বিদেশী কোম্পানীসমূহৰ সাধাৰণ কৰৰ হাৰ ৪০ শতাংশ।

(৩) ঘৰুৱা কোম্পানীসমূহৰ ওপৰত অতিৰিক্ত কৰৰ হাৰ ৭ শতাংশ যদিহে মুঠ আয় ১ কোটিতকৈ অধিক হয় আৰু যদিহে মুঠ আয় ১০ কোটিতকৈ অধিক হয়, তেন্তে অতিৰিক্ত কৰৰ হাৰ ১২ শতাংশ।

(৪) বিদেশী কোম্পানীসমূহৰ ওপৰত অতিৰিক্ত কৰৰ হাৰ ২ শতাংশ যদিহে কোম্পানীটোৰ মুঠ আয় ১ কোটিতকৈ অধিক হয় আৰু যদিহে মুঠ আয় ১০ কোটিতকৈ অধিক হয় তেন্তে অতিৰিক্ত কৰৰ হাৰ ৫ শতাংশ।

(৫) কোম্পানী অংশীদাৰীত্বৰ ক্ষেত্রত অহা কিছুমান নির্দিষ্ট পৰিৱর্তনৰ সময়ছোৱাত লোকচানসমূহক পৰৱর্তী পর্যায়লৈ নিয়াৰ ক্ষেত্রত থকা সীমাবদ্ধতাসমূহৰ লগত জড়িত ৭৯ নং অনুচ্ছেদৰ ব্যৱস্থাৱলীসমূহ প্রযোজ্য হয়, সেই কোম্পানীৰ ওপৰত যি এনে এক কোম্পানী যাৰ প্রতি সাধাৰণ নাগৰিকসমূহ মুঠেও আগ্রহী নহয়। এই দৃষ্টিভংগীয়ে closely held company সমূহৰ ক্ষেত্ত বিশেষ গুৰুত্বতা বহন কৰে য'ত লোকচানসমূহৰ সম্পূর্ণৰূপে ক্ষতিপূৰণ হোৱাৰ পূর্বে লোকচানৰ আর্বিভাৱ আৰু অংশীদাৰীত্বৰ হস্তান্তৰকৰণ হয়।

(৬) ঘৰুৱা কোম্পানীসমূহে ধাৰা 115O অধীনত ঘোষিত কৰা অথবা বিভাজিত বা প্রদান কৰা লাভাংশৰ ওপৰত CDT ১৫ শতাংশ হাৰত অতিৰিক্ত কৰ ১২ শতাংশ হাৰত উপকৰ বা শুল্ক কৰ ৪ শতাংশ হাৰত প্রদান কৰিব লাগে।

(৭) MAT ৰ অধীনস্থ ব্যৱস্থাৱলী বা নিয়মাৱলীসমূহো কোম্পানীসমূহৰ ওপৰত প্রযোজ্য হয়। যিসমূহ কোম্পানীয়ে কৰ বিৰতিৰ সুবিধাসমূহ উপভোগ কৰি আছিল তেওঁলোকেও এই MAT ৰ নিয়মাৱলীৰ অধীনত কৰ প্রদান কৰিব লাগে যাৰ কৰ পাওনাসমূহৰ পৰা পাবলগীয়া গুৰুত্বপূর্ণ ধনৰ বহিঃপ্রবাহ প্রাথমিক বছৰত কোম্পানীসমূহে লাভ নকৰে আৰু ই কেইবা বছৰলৈকে এনেকৈয়ে থাকে।

(২) **ব্যৱসায়ৰ প্ৰকৃতি ঃ** কৰ আইনৰ অধীনত কিছুমান কোম্পানীয়ে বিশেষ সুবিধা লাভ কৰে। সেয়েহে সংগঠনৰ প্ৰকাৰ নিশ্চিত কৰাৰ উপৰিও ব্যৱসায়ৰ প্ৰকৃতি নিৰ্ধাৰণ কৰাটো কৰ পৰিকল্পনাকৰণৰ বাবে প্ৰয়োজনীয় হৈ পৰে। সুবিধাসমূহ ইমানেই আকৰ্ষণীয় যে ব্যৱসায়ৰ প্ৰকৃতি নিৰ্ধাৰণ কৰোতে ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

এই সুবিধাসমূহ লাভ কৰাৰ ক্ষেত্ৰত কোম্পানীসমূহ দুটা ভাগত ভাগ কৰিব পাৰি— বেহা-বেপাৰ আৰু উৎপাদন ব্যৱসায়। ইয়াতে এক তৃতীয় ভাগও থাকিব পাৰে, যিটো এই দুয়োটাৰে সংমিশ্ৰত ৰূপ। বিশেষ অৰ্থনৈতিক অঞ্চলত নতুনকৈ স্থাপন কৰা ব্যৱসায়িক গোটসমূহে ধাৰা 10AA ৰ অধীনত ৰেহাইৰ সুবিধা লাভ কৰে। উৎপাদন বা ঔদ্যোগিক কাৰ্যত জড়িত কৰ দাতাই বিভিন্ন প্ৰকাৰৰ ৰেহাই লাভ কৰিব পাৰে, যেনে— ধাৰা ৩২ৰ অধীনত অৱক্ষয় ভাত্তা, স্পেকট্ৰাম খৰচ (ধাৰা 35ABA), টেলিকম অনুজ্ঞাপত্ৰ (ধাৰা 35ABB), প্ৰাৰম্ভিক খৰচ (ধাৰা 35D), খনন খৰচ (ধাৰা 35E)।

বিশেষ সময়ৰ বাবে কৰ ৰেহাইৰ সুবিধা ধাৰা 80-IAC ৰ অধীনত উপযুক্ত ষ্টাৰ্ট-আপ, ধাৰা 80-IBAৰ অধীনত হাইজিৱ----- উন্নয়নত জড়িত গোটসমূহে লাভ কৰে।
ব্যৱসায়ৰ প্ৰকৃতি নিৰ্ধাৰণ কৰোতে, কিছুমান ব্যৱসায়ৰ ক্ষেত্ৰত যেনে— কৃষিজনিত আয়, নতুন ঔদ্যোগিক গোট, জাহাজ প্ৰস্তুতকৰণ বা মেৰামতি, খনন আদিৰ ক্ষেত্ৰত থকা কৰ ৰেহাইৰ সুবিধা বিবেচনা কৰিব লাগে।

(৩) **বিত্তীয় গাঁথনি ঃ** এটা নতুন ব্যৱসায়িক গোটৰ বিত্তায়নৰ ক্ষেত্ৰত মূলধন আৰু ঋণৰ মাজৰ পৰা এটা বিকল্প গ্ৰহণ কৰিব লাগে। চলিত ব্যৱসায়ে নতুন এটা গোট স্থাপন কৰিলে জমা পুঁজিও ব্যৱহাৰ কৰিব পাৰে। কোম্পানী ক্ষেত্ৰত বিত্তায়নৰ বিভিন্ন বিকল্পসমূহ তলত উল্লেখ কৰা হ'ল—

- অংশপত্ৰিক মূলধন
- ঋণ পত্ৰ
- অন্যান্য ঋণ
- লাভৰ পৰা স্থানান্তৰিত পুঁজি

অংশপত্ৰিক মূলধনৰ ওপৰত আগবঢ়োৱা আয়, কৰ পৰিশোধৰ পাছত থকা কোম্পানীৰ লাভৰ বিপৰীতে সংযোজিত কৰা হয়। ঋণৰ ওপৰত পৰিশোধ কৰা সুত, কৰ পৰিশোধৰ আগতে লাভৰ পৰিমাণৰ বিপৰীতে সংযোজিত কৰা হয়। সেয়েহে ঋণ গ্ৰহণ কৰিলে কৰ পৰিশোধৰ ক্ষেত্ৰত এক সুবিধা পোৱা যায় আৰু এই ব্যৱস্থাই মালিকীস্বৰ্তজড়িত মূলধন অৰ্থাৎ সমাংশ অংশৰ আয় বৃদ্ধি কৰিব।

(৪) **প্ৰকল্প আৰু যান্ত্ৰিক কৌশল আৰু স্থায়ী সম্পদসমূহ অৰ্জন কৰা ঃ** সম্পত্তি ক্ৰয় বা ভাড়াত অধিগ্ৰহণ কৰিব পাৰি। যদি সম্পত্তিসমূহ ক্ৰয় কৰা হয় আৰু এইবোৰৰ অৱক্ষয় ধাৰ্য কৰিব পাৰি, যেনে— ঘৰ, সা-সৰঞ্জাম, আচবাব, তেনে ক্ষেত্ৰত কৰ দাতাই সম্পত্তিৰ মূল্যৰ ওপৰত বছৰেকীয়া হাৰত অৱক্ষয় দাবি কৰিব পাৰে। সম্পত্তিবিধৰ সম্পূৰ্ণ মূল্য,

লাভৰ বিপৰীতে অৱক্ষয় ৰূপত দাবি কৰিব পাৰি। যদিহে, সম্পত্তিবিধ ভাড়া কৰা হয়, এই ভাড়াৰ পৰিমাণ কৰ নিৰূপণৰ সময়ত বাদ দিব পৰা যায়। সম্পত্তি এবিধ ক্ৰয় কৰাৰ ক্ষেত্ৰত তাৎক্ষণিকভাৱে এক বিশাল পঁজিতে হ'ব। সেয়েহে কিছু ক্ষেত্ৰত কোম্পানীয়ে ক্ৰয়তকে ভাড়াত সম্পত্তি অধিগ্ৰহমক অধিক গুৰুত্ব দিব পাৰে। উদাহৰণস্বৰূপে, ব্যৱসায়ৰ ঘৰবাৰী ক্ৰয় কৰাতকৈ ভাড়াত লোৱাটোৱে প্ৰাধান্য দিব পাৰি।

কিন্তু সা-সৰঞ্জামৰ ক্ষেত্ৰত আন দুটা অতিৰিক্ত দিশ বিবেচনা কৰিব লগা হয়। কিছুমান উদ্যোগৰ ক্ষেত্ৰত নতুন সা-সৰঞ্জাম ক্ৰয়ৰ ফলস্বৰূপে কোম্পানীটোৱে অৱক্ষয়ৰ দাবী কৰিব পাৰে। ইয়াৰ ফলত আন বিকল্প বিবেচনা কৰাৰ প্ৰয়োজন আহি নপৰে। একেধৰণে, নতুন ব্যৱসায়িক গোটে সীমিত সময়ৰ বাবে বিশেষ কৰ ৰেহাইৰ সুবিধা পাব পাৰে কিন্তু ইয়াৰ বাবে নতুন সা-সৰঞ্জাম ক্ৰয় কৰিব লাগিব।

এই দিশসমূহ কৰ নিৰূপণৰ বাবে কৰা হয় আৰু কৰ পৰিশোধ কৰাৰ ক্ষেত্ৰত দুটা বিকল্প চালি-জাৰি চাব লাগে—

(১) সা-সৰঞ্জাম ভাড়া নকৰি, ক্ৰয় কৰিব লাগে, আৰু

(২) ব্যৱহৃত সা-সৰঞ্জাম ক্ৰয় নকৰি, নতুন সা-সৰঞ্জাম ক্ৰয় কৰিব লাগে।

কোনো ক্ষেত্ৰত কৰ পৰিশোধ কৰা জনে ব্যৱহৃত আমদানিকৃত সা-সৰঞ্জাম ব্যৱহাৰ কৰিব পাৰে। এই ক্ষেত্ৰত ধাৰা 80-IACত উল্লেখ থকা চৰ্তসমূহ পূৰণ কৰিব লাগিব।

ধাৰা 35AD ত উল্লেখিত বিশেষ ব্যৱসায়ৰ ক্ষেত্ৰত সম্পূৰ্ণ মূলধনী ব্যয় বিয়োগ কৰাৰ সুবিধা পায়। ব্যৱসায় আৰম্ভ কৰাৰ পূৰ্বে হোৱা মূলধনী ব্যয় বিয়োগ কৰাৰ সুবিধা পাব। এই বিয়োগৰ সুবিধা ব্যৱসায় কাৰ্যকলাপ আৰম্ভ কৰাৰ তাৰিখত হিচাপৰ বহীত মূলধনীকৃত কৰিলে, ইয়াৰ পূৰ্বৱৰ্তী বছৰত এই বিয়োগৰ ব্যৱস্থা কৰ পৰিশোধকাৰীয়ে কৰিব পাৰিব। কিন্তু ব্যৱসায়ৰ বাবে মাটি, সুনাম বা বিত্তীয় আহিলা ক্ৰয়ৰ লগত জড়িত মূলধনী ব্যয় বিয়োগ কৰাৰ সুবিধা নাপায়।

(৫) **ব্যৱসায়ৰ প্ৰতিষ্ঠা আৰু আৰম্ভণি ঃ** আয়কৰ আইন, ১৯৬১ৰ আধাৰত এনে ব্যৱসায় প্ৰতিষ্ঠা কৰাৰ ধাৰণা এই আইনত সংযুক্ত হৈ আছে। এই ধাৰণাটো ব্যৱসায়ৰ আৰম্ভণিৰ ধাৰণাৰ লগত একে নহয়, আয় কৰৰ বাবে এই দুয়োটা ধাৰণা পৃথক। ব্যৱসায় প্ৰতিষ্ঠা কৰাৰ তাৰিখ আৰু ব্যৱসায় আৰম্ভ কৰাৰ তাৰিখৰ মাজৰ সময় সীমাছোৱাত কৰ পৰিশোধ কৰা গৰাকীয়ে কিছুমান চলিত প্ৰকৃতিৰ খৰচ বহন কৰিব লগা হ'ব পাৰে।

কৰ আইনৰ অধীনত ব্যৱয়ায় প্ৰতিষ্ঠা কৰা তাৰিখৰ পূৰ্বে কৰা খৰচ সাধাৰণতে কৰ পৰিশোধৰ বাবে বিবেচনা কৰা নহয়। কিন্তু এই খৰচসমূহ ব্যৱসায় প্ৰতিষ্ঠা কৰা তাৰিখত বা সেই তাৰিখৰ পৰা কৰিলে কিন্তু ব্যৱসায়ৰ আৰম্ভণিৰ আগত কৰিলে, সেই খৰচসমূহ আয়কৰৰ ক্ষেত্ৰত বিয়োগ কৰাৰ বাবে অনুমতি দিব পাৰে। কিন্তু এই খৰচসমূহ চলিত প্ৰকৃতিৰ হ'ব লাগিব, আৰু এই গোটেই খৰচ কেৱল মাত্ৰ ব্যৱসায়ৰ বাবে কৰিব লাগিব। বহুতো আইনী সিদ্ধান্তৰ পৰা এই স্থিতিটো স্পষ্ট যে এটা ব্যৱসায় যেতিয়া উৎপাদন

আৰম্ভ কৰিবলৈ প্ৰস্তুত হয়, তেতিয়া ইয়াক স্থাপিত হোৱা বুলি বিবেচনা কৰা হয় আৰু এই ক্ষেত্ৰত প্ৰকৃতাৰ্থত উৎপাদন হৈছেনে এই সেইটো গুৰুত্বপূৰ্ণ নহয়। সেয়েহে, প্লাষ্টিক উৎপাদনৰ বাবে এটা কোম্পানী প্ৰতিষ্ঠা কৰিলে, কেঁচা সামগ্ৰী ক্ৰয় প্ৰক্ৰিয়া আৰম্ভ হ'লে ব্যৱসায়লৈ প্ৰতিষ্ঠা কৰা বুলি ধৰা হয় যদি পুৰা প্ৰকৃত উৎপাদনৰ বাবে প্ৰয়োজনীয় সা-সৰঞ্জাম স্থাপিত নহ'বও পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ আয়ৰ ভাগ-বিতৰণ বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ৪ ঃ নতুন ব্যৱসায়ৰ বাবে কি কি ক্ষেত্ৰত কৰ পৰিকল্পনাকৰণ গুৰুত্বপূৰ্ণ উল্লেখ কৰক।

.....

.....



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- কৰ পৰিকল্পনা মূলতঃ এজন ব্যক্তিৰ আৰ্থিক বিষয়ৰ বুদ্ধিমান ব্যৱস্থা। কাৰণ ইয়াৰ জৰিয়তে, আইনৰ অধীনত উপলব্ধ তথা অনুমোদিত বিভিন্ন কৰ বিধানৰ সুবিধাসমূহ লংঘন নকৰি সম্পূৰ্ণৰূপে উপকৃত হয়।
- কৰ পৰিকল্পনা কৰ আইনৰ অধীনত আছে, সেয়েহে এই প্ৰক্ৰিয়া বিধিসম্মত।
- এইটো আচলতে এনেধৰণৰ প্ৰক্ৰিয়া যিয়ে কৰ আইনৰ অধীনত থকা কৰ্তন, ৰেহাই, বাট্টা তথা পৰিত্ৰাণ আদিৰ সহায়ত কৰদাতাৰ কৰৰ বোজা হ্ৰাস কৰিব পাৰে।
- কৰ পৰিকল্পনাৰ তুলনাত কৰ পৰিচালনা হ'ল এক সীমিত পৰিভাষা।
- কৰ পৰিহাৰ হৈছে এনে এক পদ্ধতি যিয়ে কৰ আইনৰ অধীনত কৰা কৰ পৰিহাৰৰ উপায়সমূহ গ্ৰহণ কৰি কৰৰ বোজা হ্ৰাস কৰিব পাৰে।
- কৰ পৰিকল্পনাৰ অৰ্থে কৰ আইনৰ প্ৰয়োজনীয় জ্ঞান থকাৰ দৰকাৰ।
- কৰ ফাঁকি হ'ল কৰৰ পৰা হাত সাৰিব বাবে প্ৰয়োগ কৰা এক অবৈধ্য পদ্ধতি।



৪.৯ অধিক জানিবলৈ

১) Direct Tax Laws & International Taxation by T. N. Manoharan, Snow White Publications.

২) Direct Taxes Law & Practice -With Special Reference To Tax Planning (61st Edition A.Y. 2019-20) by Vinod K. Singhania & Kapil Singhania.

৩) Income Tax Act, 1961, Bare Act.

৪) Income Tax Act by Girish Ahuja & Ravi Gupta.

৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কৰ পৰিকল্পনা মূলতঃ এজন ব্যক্তিৰ আর্থিক বিষয়ৰ বুদ্ধিমান ব্যৱস্থা। কাৰণ ইয়াৰ জৰিয়তে, আইনৰ অধীনত উপলব্ধ তথা অনুমোদিত বিভিন্ন কৰ বিধানৰ সুবিধাসমূহ লংঘন নকৰি সম্পূর্ণৰূপে উপকৃত হয়। কৰ পৰিকল্পনা হৈছে যিকোনো প্রকাৰে কৰৰ বোজা হ্রাস কৰাৰ এক প্রক্রিয়া।

২ নং প্রশ্নৰ উত্তৰ ঃ (১) আইনৰ অধীনত থকা সুবিধাসমূহৰ জৰিয়তে কৰৰ বোজা হ্রাস কৰাৰ ক্ষেত্রত কৰ পৰিকল্পনা জড়িত হৈ থাকে। আনহাতে, কৰফাঁকি হৈছে এক অনৈতিক কার্য।

(২) কৰ পৰিকল্পনা বৈধ য'ত কৰফাঁকি অবৈধ।

৩ নং প্রশ্নৰ উত্তৰ ঃ আয়ৰ অপসাৰণ ধাৰণটোৱে কৰদাতাই পোৱাৰ আগতেই আয়ৰ বিভাজনক বুজায়। এনে এক অপসাৰণ হ'ব পাৰে এটা আইনী বাধ্যবাধকতাৰ ফলত অথবা চুক্তিমূলক বাধ্যবাধকতাৰ ফলত। আয়ৰ বিৱর্তনৰ ফলত কৰদাতাই ফলাফল পোৱাৰ আগতেই আয়ক এক নির্দিষ্ট দিশত প্রয়োগ কৰাটো বাধ্যতামূলক।

৪ নং প্রশ্নৰ উত্তৰ ঃ এটা নতুন ব্যৱসায়ৰ বাবে তলত উল্লেখ কৰা পৰিসৰসমূহৰ লগত কৰ পৰিকল্পনা জড়িত হৈ থাকে।

১) প্রতিষ্ঠানটো গঢ়ি তোলা।

২) ব্যৱসায়ৰ প্রকৃতি।

৩) বিত্তীয় গঠন।

৪) প্রকল্প আৰু যান্ত্রিক কৌশল আৰু স্থায়ী সম্পদসমূহ অর্জন কৰা।

৫) ব্যৱসায়ৰ ঠিক লগোৱা আৰু সূচনা কৰা।



৪.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ কৰ পৰিকল্পনাকৰণৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ ঃ কৰ পৰিচালনা বুলিলে কি বুজে? কৰ পৰিকল্পনা আৰু কৰ পৰিচালনাৰ মাজৰ পাৰ্থক্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ কৰ পৰিহাৰ ওপৰত এটি টোকা লিখক।

প্ৰশ্ন ৪ ঃ কৰ পৰিবাৰ আৰু কৰ ফাঁকিৰ পৰা কৰ পৰিকল্পনাকৰণ কিদৰে পৃথক? আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ নতুন ব্যৱসায়ৰ ক্ষেত্ৰত কৰ পৰিকল্পনাকৰণৰ বিভিন্ন দিশসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ কৰ পৰিকল্পনা-২

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ পৰিচালনামূলক সিদ্ধান্তৰ বাবে কৰ পৰিকল্পনা

৫.৩.১. নির্মাণ অথবা ক্রয় সিদ্ধান্ত

৫.৩.২. নিজা অথবা বন্ধকী

৫.৩.৩. একত্রিকৰণ আৰু সংযোজীকৰণ

৫.৪ আমি কি কি শিকিলোঁ

৫.৫ অধিক জানিবলৈ

৫.৬ অগ্রগতি খতিয়ান

৫.৭ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই গোটটো অধ্যয়নৰ অন্তৰ আপুনি ঃ

- বিভিন্ন পৰিচালনামূলক সিদ্ধান্তত কৰ পৰিকল্পনাৰ প্রাসংগিকতা আৰু প্রয়োগ যেনে— নির্মাণ বা ক্রয় সিদ্ধান্ত, নিজা স্বত্ব বা বন্ধকী, একত্রিকৰণ আৰু সংযোজীকৰণৰ বিষয়ে জানিব পাৰিব।

৫.২ পৰিচয়

পূর্বৰ অধ্যায়ত আমি কৰ পৰিকল্পনাৰ বিষয়ে বিস্তৃতভাৱে অধ্যয়ণ কৰিলো। আমি শিকিলো যে কৰ পৰিকল্পনা মূলতঃ কোনো ব্যক্তিৰ বিত্তীয় কার্য-কলাপসমূহ এনেধৰণে সজোৱা হয় যাতে যিকোনো বিধিৰ অধীনৰ কৰৰ সুবিধাসমূহ তেওঁ কোনো বাধা নোহোৱাকৈ লাভ কৰিব পাৰে। কৰ পৰিকল্পনা কৰ আইনৰ অন্তর্গত হোৱা বাবে ই আইনসংগত। আমি ব্যৱসায়ৰ লগত জড়িত থকা বিভিন্ন কৰ পৰিকল্পনাৰ বিষয়ে আলোচনা কৰিলো। এটা নতুন ব্যৱসায়িক সংস্থাই বিভিন্ন ক্ষেত্রত কৰ পৰিকল্পনা কৰিব পাৰে যেনে যিকোনো সংগঠন, ব্যৱসায়ৰ প্রকৃতি, বিত্তীয় গাঁথনি; যিকোনো উদ্যোগৰ যন্ত্র-পাতি আৰু অন্যান্য স্থায়ী সম্পত্তি, স্থাপন আৰু ব্যৱসায়ৰ আৰম্ভণিৰ বাবে এক কৰ আঁচনি যুগুত কৰিব পাৰে।

এই অধ্যায়ত, আমি বিভিন্ন পৰিচালনামূলক সিদ্ধান্ত যেনে তৈয়াৰী আৰু ক্রয় সিদ্ধান্ত, নিজা স্বত্ব বা বন্ধকী, একত্রীকৰণ আৰু সংযোজনৰ ক্ষেত্রত কৰ পৰিকল্পনাৰ প্রাসংগিকতা আৰু প্রয়োগৰ বিষয়ে আলোচনা কৰিম।

৫.৩ পৰিচালনামূলক সিদ্ধান্তৰ বাবে কৰ পৰিকল্পনা

কোনো এটা ব্যৱসায়িক সংগঠনত, পৰিচালকজনে বিভিন্ন বিষয়ক সিদ্ধান্ত ল'ব লগা হয়। তাৰ ভিতৰত কৰ পৰিকল্পনাও এটা। কৰৰ বিষয়সমূহে পৰিচালনামূলক সিদ্ধান্তত প্ৰভাৱ পেলায়। কিছুমান বিশেষ পৰিচালনামূলক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত কৰ আঁচনিসমূহ যে অতি প্ৰাসংগিক সেই কথা তলত ব্যাখ্যা কৰা হ'ল—

৫.৩.১ তৈয়াৰ বা ক্ৰয় সিদ্ধান্ত

এনে এটা পৰিস্থিতিত য'ত পৰিচালক মণ্ডলীয় এবিধ সামগ্ৰীৰ ক্ৰয় বা তৈয়াৰী বা আংশিক বা সম্পূৰ্ণতাৰ মাজত বিকল্পৰ নিৰ্বাচন কৰিব লগা হয়, তেতিয়া চূড়ান্ত সিদ্ধান্ত লোৱাৰ আগতে ই সামগ্ৰীৰ পৰিৱৰ্তনশীল ব্যয়ৰ সৈতে কিনা দামৰ তুলনা কৰিব পাৰে। যদিহে সামগ্ৰীৰ উৎপাদন ব্যয় ইয়াৰ কিনা দামতকৈ বেছি হয়, তেন্তে ইয়াক কিনা হয়। আনহাতে বিকল্প ধৰণেৰে, এই উদ্দেশ্যত যদি অন্য ব্যৱসায়িক/ঔদ্যোগিক গোটক ইয়াত জড়িত কৰাৰ সিদ্ধান্ত লোৱা হয়, তেন্তে পৰিৱৰ্তনশীল ব্যয়তকৈ মুঠ ব্যয়ৰ ভিত্তিতহে সিদ্ধান্ত লোৱা হয়। এনে ক্ষেত্ৰত, নতুন ঔদ্যোগিক প্ৰকল্পসমূহৰ ক্ষয়-ক্ষতিৰপৰা উদ্ভৱ হোৱা বিভিন্ন ভাট্টাৰ কৰ লাভ, কৰ বন্ধৰ লাভ, আৰু নতুন ঔদ্যোগিক প্ৰকল্পসমূহৰপৰা হোৱা লাভৰ বিয়োগ ইত্যাদি বিবেচনা কৰা হয়।

'ক্ৰয়' বা 'নিৰ্মাণ'ৰ সিদ্ধান্তৰ বুনিয়াদ হ'ল 'কৰৰ পিছৰ সঞ্চয়'। নিগুটি সঞ্চয় মুঠ সঞ্চয়ৰপৰা আয় কৰ পৰিশোধৰ পৰিমাণ বিয়োগ কৰি পোৱা যায়। 'নিৰ্মাণ'ৰ সিদ্ধান্তৰ পৰা উদ্ভৱ হোৱা দীৰ্ঘকালীন সুবিধাসমূহো সিদ্ধান্তত উপনীত হোৱাৰ বাবে লাভ কৰা উচিত।

ইয়াৰোপৰি, সামগ্ৰী এটাৰ পৰিৱৰ্তনশীল ব্যয় নিৰ্ধাৰণ কৰাৰ সময়ত (নিৰ্মাণ বা ক্ৰয় দুই ধৰণৰ সিদ্ধান্তৰ ক্ষেত্ৰত) উৎপাদন প্ৰক্ৰিয়া আৰু সামগ্ৰীৰ কিনা দাম নিৰ্ধাৰণৰ ক্ষেত্ৰত সকলো ধৰণৰ কৰ যেনে GST , আবকাৰী শুল্ক আদি পৰিশোধ কৰিবলগীয়া হয়। এই সকলো কৰ ক্ৰেতাই তুলনা আৰু ব্যয় বহনৰ উদ্দেশ্যৰে বহন কৰিবলগীয়া হয়।

৫.৩.২ নিজা অথবা বন্ধকী

কোনো সম্পত্তিৰ স্বত্ব ৰখা বা বন্ধকত দিয়াৰ সিদ্ধান্ত অন্য এক গুৰুত্বপূৰ্ণ বিষয় য'ত কৰৰ প্ৰভাৱ থাকে। বন্ধকী ব্যৱস্থাৰ নিজস্ব সুবিধা আৰু অসুবিধা আছে। এনে বহুতো উপাদান আছে সিবিলাক 'নিজা স্বত্ব বা বন্ধকীৰ' সিখদ্ধান্ত লোৱাৰ আগতে বিবেচনা কৰিবলগীয়া যেনে, স্বত্ব ৰাখিবলগীয়া সম্পত্তিৰ ব্যয়, বন্ধকত ল'বলগীয়া

সম্পত্তিৰ খাজনা, সম্পত্তিৰ বিত্তায়নৰ উৎস, বিকল্প বাচনিৰ বাবে দায়িত্ব বহন, কৰ বেহাইৰ প্ৰভাৱ যেনে— ক্ষয়-ক্ষতিৰ মূল্য, কৰ-বন্ধৰ (Tax holiday benefit) etc. লাভ ইত্যাদি।

বন্ধকী ব্যৱস্থাইও বিভিন্ন কৰ সুবিধা প্ৰদান কৰে। যদি কোনো সম্পত্তি বন্ধকত লোৱা হয়, তেন্তে ফাৰ্মখনে আয় কৰ উদ্দেশ্যৰ বাবে সমগ্ৰ খাজনা পৰিশোধৰ পৰিমাণ বিয়োগ কৰিব পাৰে। যদি কৰৰ হাৰ ৩০% হয়, খাজনাৰ পৰিমাণো সেই অনুপাতত হ্ৰাস কৰা হয়। বন্ধকী ব্যৱস্থাৰ আন এটা সুবিধা হৈছে যে যদিহে বিবেচনাকাৰীয়ে (assessce) সম্পত্তিখিনি কিনি লয় তেন্তে বন্ধকীৰ কাল, মূল্য হ্ৰাসৰ কালৰ তুলনাত চুটি কৰিব পাৰি। গতিকে, তাৰ ফলত কৰ পৰিশোধত বিলম্ব হয় আৰু ইয়াৰ ফলত কৰৰ বিলম্বতা অনুসৰি চৰকাৰৰপৰা এক সূত মুক্ত লোন লাভ কৰা যায়।

৫.৩.৩ একত্ৰীকৰণ আৰু সংযোজীকৰণ

ব্যৱসায়ৰ একত্ৰীকৰণ আৰু সংযোজীকৰণৰ বিষয়ত কৰৰ পৰিশোধৰ ক্ষেত্ৰত পৰিচালনাই তলত উল্লেখ কৰা সিদ্ধান্তসমূহ ল'ব পাৰে —

১) যিহেতু অনাকাংক্ষিত লোকচান আৰু অনাকাংক্ষিত মূল্যহ্ৰাসক আগুৱাই নিব নোৱাৰি আৰু একত্ৰিকৃত প্ৰতিষ্ঠাসমূহৰ হাততহে দায়িত্ব অৰ্পণ কৰা হয়। সেয়ে ৭২ নং অনুচ্ছেদৰ অধীনত প্ৰস্তাৱিত কৰা হৈছে যে—

(ক) একত্ৰিকৰণৰ আঁচনি বন্ধ কৰিব পাৰি তেতিয়া যি সময়ত একত্ৰিকৃত প্ৰতিষ্ঠানে ইয়াৰ নিৰ্ধাৰিত সম্পূৰ্ণ লাভ আহৰণ কৰিব পাৰে। আৰু

(খ) লোকচান ভৰি থকা কোম্পানী নোহোৱা হ'ব লাগিব নতুবা তেওঁলোকে লাভ হৈ থকা কোম্পানীৰ ব্যৱসায় গ্ৰহণ কৰিব লাগিব। আন কথাত, লাভ হৈ থকা প্ৰতিষ্ঠানে নিজেই লোকচান ভৰি থকা প্ৰতিষ্ঠানৰ সৈতে সংযোজিত হ'ব লাগিব এই কাৰ্যই সকলো অনাকাংক্ষিত লোকচান আৰু ক্ষয়-ক্ষতিৰ খৰচ বহন কৰাত সহায়ক হ'ব। এইখিনি লাভ বহন কৰি থকা প্ৰতিষ্ঠানৰ পৰা আদায় কৰা হ'ব।

২) যি প্ৰতিষ্ঠানৰ অংশপত্ৰসমূহ ষ্টক বিনিময় কেন্দ্ৰত উল্লেখ নাথাকে তেওঁলোকে একত্ৰিকৰণৰ পৰা সুবিধা লাভ কৰে। এনে প্ৰতিষ্ঠানে ষ্টক বিনিময়ত উল্লেখ থকা প্ৰতিষ্ঠানৰ সৈতে নিজকে একত্ৰিকৃত কৰিব পাৰে। এই কাৰ্যই অংশীদাৰসকলক তেওঁলোকৰ অংশপত্ৰৰ নিৰ্দিষ্ট দৰৰ সুবিধা লোৱাত সহায় কৰিব পাৰে। যেতিয়া তেওঁলোকৰ সম্পত্তিত কৰৰ নিৰ্ণয় কৰে।

৩) এটা লোকচান ভৰি থকা প্ৰতিষ্ঠান আৰু এটা লাভ আদায় কৰি থকা প্ৰতিষ্ঠানে ১৯৬১ চনৰ আয়কৰ বিধিৰ অধীনত কৰৰ সামগ্ৰীক বোজা হ্ৰাস কৰাৰ উদ্দেশ্যেৰে সংযোজিত হ'ব পাৰে। এই সংযোজীকৰণৰ এক বিপৰীত দিশত হোৱাও পৰিলক্ষিত হয়। ইয়াৰ অৰ্থ হ'ল লাভ আদায় কৰি থকা প্ৰতিষ্ঠানে দুৰ্বল প্ৰতিষ্ঠানৰ

সৈতে সংযোজিত হয় যাতে— তেওঁলোকে লোকচানৰ দায়িত্ব বহন কৰি যাব পাৰে। এই ক্ষেত্ৰত ৭২ নং অনুচ্ছেদৰ সহায় নোলোৱাকৈ কৰা হয়। ইয়াৰ ফলত, লাভ আদায় কৰি থকা প্ৰতিষ্ঠান এটা লুপ্ত হৈ পৰে আৰু ই নিজৰ নামো হেৰুৱায়। তাৰ পৰিৱৰ্তে দুৰ্বল প্ৰতিষ্ঠান একোটাই তেওঁলোকক ইয়াৰ নাম দিয়ে। ই প্ৰকৃততে ৭২ নং অনুচ্ছেদৰ অধীনৰে এক সংযোজন আৰু বৰ্তমান অদি জনপ্ৰিয় হৈ পৰিছে।



অগ্ৰগতি পৰীক্ষা কৰক

প্ৰশ্ন নং ১ঃ পৰিচালনামূলক সিদ্ধান্তৰ বাবে কৰ পৰিকল্পনাৰ দুটা ক্ষেত্ৰত উল্লেখ কৰা।

.....

.....

প্ৰশ্ন নং ২ঃ ব্যৱসায়ৰ একত্ৰিকৰণ আৰু সংযোজীকৰণৰ লগত জড়িত পৰিচালমণ্ডলীৰ দুটা কৰ বিষয়ক সিদ্ধান্ত উল্লেখ কৰা।

.....

.....



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলো

এই অধ্যায়ত আমি, নিযুক্ত দিশসমূহ আলোচনা কৰিলো।

- একোটা ব্যৱসায়িক সংগঠনত পৰিচালকজনে বিভিন্ন বিষয়ৰ সিদ্ধান্ত ল'ব পাৰে। তাৰ ভিতৰত কৰ এবিধ উল্লেখযোগ্য বিষয়/উপাদান।
- এনে এটা পৰিস্থিতিত, য'ত এবিধ সামগ্ৰীৰ নিৰ্মাণ বা ক্ৰয় নতুবা সামগ্ৰীবিধৰ অংশ বা সম্পূৰ্ণৰ মাজত বিকল্পৰ নিৰ্বাচন কৰিবলগীয়া হয় তেন্তে তেওঁ চূড়ান্ত সিদ্ধান্ত লোৱাৰ আগতে সামগ্ৰীৰ পৰিৱৰ্তনশীল ব্যয়ৰ লগত কিনা দামৰ তুলনা কৰিব।
- ক্ৰেতাই বহন কৰা সকলো কৰ তুলনা আৰু ব্যয় বহনৰ বাবে সংযোগ কৰা উচিত।
- কোনো সম্পত্তিৰ নিজা স্বত্ব বা বন্ধকীৰ বিষয়ে সিদ্ধান্ত লোৱাটোও এক গুৰুত্বপূৰ্ণ বিষয় য'ত কৰৰ প্ৰভাৱ পৰে।
- বন্ধকী ব্যৱস্থাই গুৰুত্বপূৰ্ণ কৰ সুবিধা প্ৰদান কৰে।
- ওলোটা সংযোজীকৰণ বুলিলে বুজা যায় যে লাভ আদায় কৰি থকা প্ৰতিষ্ঠানসমূহে দুৰ্বল প্ৰতিষ্ঠানসমূহৰ সৈতে সংযোজিত হয় যাতে তেওঁলোকৰ লোকচানখিনি ৭২ নং অনুচ্ছেদৰ সাহায্য নোলোৱাকৈ ভৰিব পাৰে।



৫.৫ অধিক জানিবলৈ

১) Direct Tax Laws & International Taxation by T.N. Manoharan. Snow White Publication.

২) Direct Taxes Law & Practice– *With Special Reference To Tax Planning* (621st Edition A.Y. 2019-20) by Vinod K. Singhania & Kapil Singhania.

৩) Income Tax Act, 1961, *Bare Act*.

৪) Income Tax Act, by Girish Ahuja & Ravi Gupta.

৫.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) নিজা স্বত্ব অথবা বন্ধকী

(খ) একত্রিকৰণ আৰু সংযোজীকৰণ

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) যি প্রতিষ্ঠানৰ অংশপত্রসমূহ ষ্ট'ক বিনিময় কেন্দ্রত উল্লেখ নাথাকে তেওঁলোকে একত্রিকৰণৰ পৰা সুবিধা লাভ কৰে। এনে প্রতিষ্ঠানৰ সৈতে একত্রিত হ'ব পাৰে। এনে কাৰ্যই অংশিদাৰসকলক তেওঁলোকৰ অংশ পত্রৰ নির্দিষ্ট দৰৰ সুবিধা লোৱাত সহায় কৰে। এই সময়ত তেওঁলোকে সম্পত্তি কৰৰ দেনাও নির্ণয় কৰে।

(খ) একোটা লোকচান ভৰি থকা প্রতিষ্ঠান আৰু একোটা লাভ আদায় কৰি থকা প্রতিষ্ঠানে কৰৰ সামগ্রীক বোজা হ্রাস কৰিবলৈ ১৯৬১ চনৰ আয়কৰ বিধিৰ অধীনত সংযোজিত হয়।



৫.৭ আৰ্হি প্রশ্নাৱলী

প্রশ্ন ১ ঃ পৰিচালনামূলক সিদ্ধান্ত অনুযায়ী হোৱা কৰ পৰিকল্পনাৰ বিষয়সমূহ চমুকৈ আলোচনা কৰা।

প্রশ্ন ২ ঃ 'নির্মাণ' অথবা 'ক্রয়' সিদ্ধান্ত অনুযায়ী হোৱা কৰ পৰিকল্পনাৰ ওপৰত এটি চমু টোকা লিখা।

প্রশ্ন ৩ ঃ 'একত্রিকৰণ' আৰু 'সংযোজীকৰণ' অনুযায়ী হোৱা কৰ পৰিকল্পনাৰ বিষয়ে চমুকৈ লিখা।

প্রশ্ন ৪ ঃ একোটা ব্যৱসায়ত 'নিজা স্বত্ব' বা 'বন্ধকী অনুযায়ী হোৱা কৰ পৰিকল্পনাৰ ওপৰত চমু টোকা লিখা।

*** ***** ***

অধ্যায় ৬ ঃ কৰ পৰিচালনা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ কৰ পৰিচালনাৰ অর্থ আৰু ধাৰণা
৬.৪ উৎসৰ পৰা হোৱা কৰ কর্তনৰ বিষয়ে কৰ পৰিচালনা
৬.৫ আয় নির্ধাৰণ সম্পর্কে কৰ পৰিচালনাৰ ভূমিকা
৬.৬ দৰমহা আয়ৰ ক্ষেত্রত কৰ পৰিকল্পনাৰ বিবেচনাসমূহ
৬.৭ মূল্যায়ণ প্রক্রিয়া
৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৯ অধিক জানিবলৈ
৬.১০ অগ্রগতিৰ খতিয়ান
৬.১১ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- কৰ পৰিচালনাৰ অর্থ আৰু ধাৰণা
- উৎসৰ ভিত্তিত হোৱা কৰ কর্তনৰ সম্পর্কে কৰ পৰিকল্পনা
- আয় কৰৰ অধীনত হোৱা বিভিন্ন মূল্যায়ণ প্রক্রিয়া
- আয় নির্ধাৰণ সম্পর্কে কৰ পৰিচালনাৰ ভূমিকা ব্যাখ্যা কৰক।

৬.২ পৰিচয়

পূর্বৰ দুটা অধ্যায়ত আমি ইতিমধ্যে কৰ পৰিকল্পনাৰ ওপৰত বিতংভাৱে আলোচনা কৰিছো। অধ্যায় ৪ত কৰ পৰিচালনাৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা হৈছে। এই অধ্যায়ত আমি কৰ পৰিচালনাৰ ওপৰত আলোচনা অব্যাহত ৰাখিম। কৰ পৰিচালনাত আয় কৰক সংযুক্ত কৰিবলৈ বিভিন্ন পদক্ষেপ নিহিত থাকে যেনে— হিচাপৰক্ষণ, আয় গণনা, কৰৰ জমা, আয়ৰ ওভটনিৰ নথিকৰণ ইত্যাদি। এই অধ্যায়ত কৰ পৰিচালনাৰ লগত জড়িত মূল্যায়ণ প্রক্রিয়াসমূহ যেনে উৎসৰ ভিত্তিত কৰৰ কর্তন, কৰৰ অগ্রিম পৰিশোধ, আয়ৰ আলোচনা কৰিম।

৬.৩ কৰ পৰিচালনাৰ অর্থ আৰু ধাৰণা

কৰ পৰিচালনা বুলিলে আয় কৰৰ নীতি-নিয়মসমূহৰ অনুসৰণকে বুজায়। কৰ পৰিচালনাৰ অর্থ জৰিমনা, মোকদর্মা, আবেদন, কৰ পুনৰাবৃত্তি বা কৰ case সমূহৰ নিষ্পত্তি আদি সামৰি লয়। কৰ পৰিচালনাৰ উদ্দেশ্য হ'ল নির্ধাৰিত সময়ত কৰ আইনসমূহৰ সংকলন কৰা আৰু এক নির্ধাৰিত জোখত কৰ ব্যয় হ্রাস কৰা। কৰ পৰিচালনাৰ কার্যসমূহ হ'ল— কৰ পৰিকল্পনা কৰা, কৰ সংগঠনৰ বাবে প্রযোজ্য ব্যক্তিৰ যোগান ধৰা আৰু পূর্বৰ কৰ আইনসমূহৰ সতে এই সংকলনসমূহ সংলগ্ন কৰা আৰু পৰিচালনা কৰা।

এই অধ্যায়ত, আমি কৰ পৰিচালনাৰ লগত জড়িত বিভিন্ন বিষয় যেনে— কৰৰ উৎসৰ ভিত্তিত কৰৰ কর্তন, কৰৰ অগ্রিম পৰিশোধ, ১৯৬১ চনৰ আইনৰ অধীনত বিভিন্ন Income returns সামৰি লম।

কৰ পৰিচালনাৰ গুৰুত্বপূর্ণ দিশসমূহ—

১) উৎসৰ ভিত্তিত কৰৰ কর্তন।

২) উৎসৰ ভিত্তিত কৰ সংগ্রহ। কিছুমান বিশেষ পৰিস্থিতিত, ক্রেতাৰ পৰা কৰ সংগ্রহ কৰাৰ ক্ষেত্রত কিছুমান বিশেষ ব্যক্তি দায়বদ্ধ হয়।

৩) অগ্রীম কৰ পৰিশোধ।

৪) গণনাৰ চোৱা চিতা কৰা ঃ গণনাসমূহ চোৱা চিতা কৰা আৰু অন্যান্য প্রাসংগিক নথি-পত্রসমূহ চোৱা চিতা কৰা। যাতে কৰ নির্ধাৰক বিষয়াই সঠিক কৰ গণনা কৰিব পাৰে। বহী খাটাৰ চোৱা চিতা, ৰচিদ, সংযোগ আৰু চুক্তি ইত্যাদি কৰ পৰিকল্পনাৰ অংশ।

৫) বহী খাতাৰ গণনা ঃ ধৰা হওক যদি ২০১৫-১৬ চনৰ ব্যৱসায়ৰ মুঠ লাভ এক কোটি টকাতকৈ বেছি হয় তেন্তে বহী খাতাৰ গণনা কৰাটো আয়কৰৰ নিয়ম অনুসৰি বাধ্যতামূলক।

৬) আয়ৰ ওভটনি (Return) সুসজ্জিত কৰা ঃ কৰ পৰিচালকে সুনিশ্চিত কৰিব লাগিব যে আয়ৰ ওভটনিখিনিক সঠিক সময়ত সজোৱা হয়, নহ'লে মূল্যায়ন প্রক্রিয়াই আগলৈ অধিকাৰ হেৰুৱাব আৰু লোকচানৰ মুখামুখী হ'ব আৰু সুদ, জৰিমনা, মোকর্দমা আদি কৰিবলৈ দায়বদ্ধ হয়।

৭) কৰ ৰেৰ্কডৰ নথিকৰণ আৰু নিৰীক্ষণ ঃ একোটা কৰ নির্ধাৰণ প্রক্রিয়াই সম্পূর্ণ আৰু নবীনকৃত হ'ব লাগে যাতে যিকোনো প্রশ্ন সন্মুখীন হোৱাৰ সময়তসাক্ষী মজুত ৰাখিব পাৰি। এই কৰ ফাইলত, ফাইল ৰিটান ফর্ম ১৬, কর্তনৰ সমর্থনত নথি-পত্রমূলক সাক্ষ্য, আদালয়ৰ আদেশ ইত্যাদি।

৮) আয়কৰ বিভাগৰ আদেশৰ সমীক্ষা মূল্যাংকনৰ আদেশ আৰু কৰৰ আদেশৰ সমীক্ষা কৰাটো কৰ বিভাগৰ এক গুৰুত্বপূর্ণ কার্য। আদেশৰ সংক্রান্তত, সংশোধনৰ আৱেদন কৰা হয় আৰু যদি আদেশসমূহ মূল্যাংকনৰ প্রতিকূল হয় তেন্তে তেওঁ এক আৱেদন কৰিব পাৰে।

৬.৪ উৎসৰ পৰা হোৱা কৰ কৰ্তনৰ বিষয়ে কৰ পৰিচালনা

কৰদাতাই ১৯৬১ চনৰ আয়কৰ অধিনিয়ম অনুসৰি, ব্যক্তিৰ উপাৰ্জন মতে সিদ্ধান্ত পালন কৰা উচিত। উৎসৰ ভিত্তিত কৰৰ কৰ্তন প্ৰণালী (TDS) এই সিদ্ধান্তৰে পৰিণাম। এই TDS ধাৰণা বিভিন্ন উৎসৰ আয়ৰ পৰা কৰ সংগ্ৰহৰ উদ্দেশ্য প্ৰস্তুত কৰা হৈছিল। আয়ৰ উৎসৰ ভিত্তিত প্ৰতিষ্ঠিত এই ধাৰণা অনুসৰি, এজন ব্যক্তিয়ে (deductor) যি আন এজন ব্যক্তি (deductor)ক এক নিৰ্দিষ্ট প্ৰকৃতিৰ পৰিমাণ পৰিশোধ কৰিবলৈ দায়বদ্ধ হয়, তেওঁ উৎসৰ ভিত্তিত কৰ কৰ্তন কৰিব আৰু একেখিনি পৰিমাণকে কেন্দ্ৰীয় চৰকাৰৰ খাতাত জমা কৰিব লাগে। উৎসৰ ভিত্তিত কৰ্তন কৰ্তাৰ দ্বাৰা জাৰী কৰা ২৬ প্ৰ-পত্ৰ বা TDS প্ৰমাণ পত্ৰৰ আধাৰত কৰ্তন কৰা পৰিমাণৰ কৃতিত্ব লাভ কৰিব। এইদৰে, TDS হ'ল এক অগ্ৰিম কৰ য'ত কৰসমূহ সেইসকল ব্যক্তিৰ দ্বাৰা সংগ্ৰহ কৰা হয় যিসকলে আয়ৰ সমবিতৰণ কৰে। যিসকল ব্যক্তিৰ পৰা আয়ৰ উৎসৰ ভিত্তিত কৰ কৰ্তন কৰা হয়।

১) চৰকাৰী নিয়োগৰ অধীনত কৰা পৰিশোধ কৰা বিষয়া, আহৰণ আৰু সমবিৰ্তকৰণ কৰা ব্যক্তিসকল।
২) নিয়োগকৰ্তাই নিজৰ কৰ্মচাৰী বা প্ৰধান বিষয়াসকলক বেতন দিয়ে।
৩) ব্যক্তিগত ঋণ গ্ৰহণকাৰীৰ ক্ষেত্ৰত।
৪) কোম্পানীৰ ক্ষেত্ৰত, কোম্পানীৰ প্ৰধান বিষয়।
৫) কোনো অন্য প্ৰকাৰৰ পৰিশোধৰ ক্ষেত্ৰত, যদি পৰিশোধকাৰী বিষয়াও TDSৰ বাবে দায়বদ্ধ হয়।

১৯৬১ চনৰ, আয়কৰ বিধিৰ প্ৰাসংগিক অনুচ্ছেদৰ নিৰ্দিষ্ট পৰিমাণৰ কৰ কৰ্তন কৰিব লাগিব। ইয়াত কৰ কৰ্তনকাৰীৰ ওচৰত কৰ পৰিশোধকাৰীৰ স্থায়ী খাটা নম্বৰ (Permanent Account Number-PAN) হ'ব লাগিব। নিম্নলিখিত পৰিশোধৰ বিষয়ত কৰ উৎসৰ ভিত্তিত কৰ কৰ্তন কৰা হয়।

১) বেতন (ধাৰা ১৯২),
২) নিৰাপত্তা পত্ৰৰ ওপৰত সুদ (ধাৰা ১৯৩),
৩) লাভাংশ (ধাৰা ১৯৪),
৪) নিৰাপত্তাপত্ৰ ওপৰত সুদৰ বাবে অন্য সুদ (ধাৰা ১৯৪ A)
৫) লটাৰী বা ক্ৰছৱৰ্ডৰ ওফৰত জয় (ধাৰা ১৯৪ B)
৬) Race horses ৰ পৰা হোৱা জয় (ধাৰা ১৯৪ BB)
৭) ঠিকাদাৰ বা উপ ঠিকাদাৰ সকলোলৈ পৰিশোধ (ধাৰা ১৯৪ C)
৮) বীমা আয়োগ (ধাৰা ১৯৪ D)
৯) অনিবাসী খেলুৰৈ লৈ পৰিশোধ, খেল সংঘলৈ পৰিশোধ (ধাৰা ১৯৪ E)
১০) ৰাষ্ট্ৰীয় সঞ্চয় যোজনাৰ অধীনত পৰিশোধ (ধাৰা ১৯৪ EE)

১১) Mutual funds বা ইউনিট ট্রাষ্ট অব ইণ্ডিয়াৰ দ্বাৰা পূর্ণ ক্রয়ৰ কাৰণে কৰা পৰিশোধ (ধাৰা ১৯৪ F)

১২) লটাৰী টিকেটৰ ওপৰত কমিচনৰ পৰিশোধ (ধাৰা ১৯৪ G)

১৩) কমিচন বা দালালী (ধাৰা ১৯৪ H)

১৪) ভাৰা (ধাৰা ১৯৪ I)

১৫) বৃত্তিমূলক বা প্রযুক্তিগত সেৱাসমূহ (ধাৰা ১৯৪ J)

১৬) UTI আৰু mutual fund ৰ সম্পর্কত হোৱা আয় (ধাৰা ১৯৪ K)

১৭) কিছুমান অচল সম্পত্তিৰ অধিগ্রহণত হোৱা বাবে পৰিশোধ কৰা ক্ষতিপূৰণ (ধাৰা ১৯৪ L A)

এইসমূহৰ উপৰিও অনিবাসীসকলৰ প্রতি কৰা পৰিশোধৰ উৎসৰ ওপৰতো কৰ কর্তন কৰা হয়। তাৰোপৰি বৈদেশিক মুদ্রাত ক্রয় কৰা একক বৈদেশিক মুদ্রাৰ পৰা হোৱা দীর্ঘকালীন লাভ, নিৰাপত্তা পত্রৰ পৰা বৈদেশিক অনুষ্ঠানিক বিনিয়োগকাৰীৰ আয় ইত্যাদিতো কৰৰ কর্তন কৰা হয়।

চৰকাৰৰ একোটা কার্যালয়ৰ দ্বাৰা কর্তন কৰা পৰিমাণৰ পৰিশোধ সেই একে দিনাই চৰকাৰৰ ঋণত চালানৰ উৎপাদনৰ অবিহনে মাহৰ শেষৰ সাত দিনৰ আগত বা তাৰ আগতেই কৰা হয়। আৰু কর্তন তাত কৰা হয় য'ত আয় কৰ চালান লগত থাকে।

চৰকাৰৰ এটা কার্যালয়ৰ বাহিৰে কর্তন কর্তাসকলৰ দ্বাৰা কৰা কর্তনৰ পৰিমাণ কেন্দ্রীয় চৰকাৰৰ ক্রেডিটত পৰিশোধ কৰা হ'ব। সেয়া এপ্রিলৰ ৩০ তাৰিখত বা আগত পৰিশোধ কৰিব লাগিব। য'ত মার্চ মাহত আয় পৰিশোধ কৰা হয় আৰু অন্য ক্ষেত্রত মাহৰ শেষৰ সাত দিনত আয় পৰিশোধ কৰা হয়, য'ত কর্তন কৰা হয়।

প্রত্যেক কর্তনকাৰীয়ে, কৰ কর্তন কৰি কৰ গ্রহণ বা প্রদান কৰাৰ কাৰণ হ'ব আয়কৰ মহানির্দেশক, আয়কৰ (DGIT) বা কোনো ব্যক্তি বা সংস্থা। নির্দিষ্ট পৰিমাণৰ কৰৰ কর্তনৰ বার্ষিক ওভটনি (return) DGIT ৰ দ্বাৰা অধিকৃত আৰু বিত্তীয় বর্ষৰ পৰা জুন মাহৰ শেষলৈকে দিয়া হয়।

অনুচ্ছেদ ১৯২ৰ কৰ কর্তনৰ ক্ষেত্রত উৎসৰ ভিত্তিত কৰ কর্তনৰ প্রমাণ পত্র কর্মচাৰীক প্রদান কৰা হয়। নতুবা বিত্তীয় বর্ষৰ ৩১ মে'ৰ ফর্ম নং ১৬ ৰ অনুসৰি বিত্তীয় বর্ষৰ পৰৱর্তী বর্ষত যেতিয়া আয় পৰিশোধ কৰা হৈছিল আৰু কৰ কর্তন কৰা হৈছিল। অন্য ক্ষেত্রত ফর্ম নং ১৬ A ত পযেকীয়াকৈ নির্ধাৰিত তাৰিখৰ পৰা ৩১A ৰ নিয়মৰ অধীনত কৰ উৎসৰ ভিত্তিত কৰ কর্তনৰ প্রমাণ-পত্র দিয়া হয়।

চমুকৈ TDS প্রক্রিয়াত নির্মূক্ত পর্যায়সমূহ অন্তর্ভুক্ত হয়—

১) পৰিশোধৰ পৰা পৰিশোধকাৰীয়ে কৰ কর্তন কৰে।

২) পৰিশোধকাৰীয়ে TDS ৰ ৰির্টাণ কৰে।

৩) পৰিশোধকাৰীয়ে TDS প্রমাণ পত্র দিয়ে।

৪) পৰিশোধকাৰীয়ে চৰকাৰৰ ওচৰত কৰ জমা কৰে।

৫) পৰিশোধকাৰীয়ে তেওঁ আয় কৰ ৰিটাৰ্ণত (ITR) TDS ৰ নবী কৰিব পাৰে।

যদি কৰ্তনকাৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ ক্ৰেডিটত বৰ্তন কৰা কৰৰ পৰিমাণ পৰিশোধ কৰাত বিফল হয়। তেন্তে তেওঁ অনুচ্ছেদ ২০১ অধীনত সৰল সুদৰ পৰিশোধ কৰিবলগীয়া হয়। এই কাৰ্য সেই তাৰিখৰ পৰা ৰূপায়ণ কৰা হয় যেতিয়া সেই কৰ সময়ে সময়ে নিৰ্দিষ্ট পৰিমাণ পৰিশোধ কৰা হৈছিল।

বেতন আয়ৰ ওপৰত TDS

বেতনভোগী ব্যক্তিসকলৰ উৎসৰ ভিত্তিত কৰ পৰিচালনা ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ১৯২ অনুচ্ছেদ এই কথা পৰিস্কাৰ কৰে যে কোনো ব্যক্তিয়ে যদি কৰ পৰিশোধ কৰিবলৈ দায়বদ্ধ হয়, তেন্তে সেই বিত্তীয় বৰ্ষত "Salaries" শীৰ্ষক ঘৰত তেওঁৰ আয়ৰ কৰ্তন কৰি কৰৰ হিচাপ কৰা হ'ব। বিত্তীয় বৰ্ষৰ হাৰৰ ভিত্তিত গড় আয় কৰৰ পৰা কৰ কৰ্তন কৰা হ'ব। য'ত কৰ পৰিশোধ কৰা হ'ব। আন কথাত, কোনো সাময়িক বিত্তীয় বৰ্ষত কৰ্মচাৰীৰ নিৰ্ধাৰিত আয়ৰ ওপৰত মুঠ কৰৰ কৰ্তন কৰা হয় ইয়াত সেই বিত্তীয় বৰ্ষক মাহৰ সংখ্যাৰে হৰণ কৰা হয়। এনেদৰে পোৱা কৰৰ পৰিমাণেই হ'ল— উৎসৰ ভিত্তিত মাহেকীয়া কৰ্তন। বেতনৰ পৰিশোধৰ সৈতে সম্পৰ্কিত TDS ৰ সুবিধাসমূহ আন পৰিশোধৰ পৰা কৰ কৰ্তনৰ পৰিমাণ নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত বস্তুগতভাৱে পৃথক। সকলো পৰিশোধৰ ক্ষেত্ৰত, কৰ কৰ্তন কৰা ব্যক্তিজনে মুঠ আয়কৰৰ দেনাৰ প্ৰতি নিৰপেক্ষ হৈ মুঠ পৰিশোধ কৰিবলগীয়া কৰৰ পৰিমাণৰ এটা নিৰ্ধাৰিত শতাংশ কৰ্তন কৰিব লাগিব। যি কি নহওক বেতন পৰিশোধৰ ক্ষেত্ৰত নিয়োগ মুখ্য বেতনৰ আধাৰত এটা সঠিক হিচাপ উলিয়াব লাগিব আৰু সঠিক হাৰত কৰ কৰ্তন কৰিব লাগিব। এই দৃষ্টিভংগী অনুসৰি, কৰ্মচাৰীৰ বাবে TDS অনুসৰি কৰ পৰিকল্পনা অধিক গুৰুত্বপূৰ্ণ হৈ পৰে। যিহেতু মাহেকীয়া কৰ সমসাময়িক বিত্তীয় বৰ্ষৰ বাবে গণনা কৰা গড় আয়ৰ পৰা কৰ্তন কৰা হয়। সেয়ে কৰ্মচাৰী এজনে, সমসাময়িক বৰ্ষটোত বিত্তীয় বিধিত কৰা সকলো সংশোধনৰ পিছত সকলো কৰ্তন আৰু লাভৰ প্ৰতি সচেতন হোৱা উচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কৰ পৰিচালনা বুলিলে কি বুজা?

.....

.....

প্ৰশ্ন নং ২ ঃ উৎসৰ ভিত্তিত কৰ কৰ্তনৰ অৰ্থ লিখা।

.....

.....

৬.৫ আয় নির্ধাৰণ সম্পর্কে কৰ পৰিচালনাৰ ভূমিকা

১৯৬১ চন আয়কৰ ব্যৱস্থাত কৰদাতাই ১৩৯ বিধিৰ অনুচ্ছেদত উল্লেখ কৰা অনুসৰি নির্দেশিত ফর্মত আৰু নির্দেশিত সময়ত আয়ৰ ওভটনিৰ সংকলন আগবঢ়াব লাগিব।

Rule 12 ই বিভিন্ন কৰ মূল্যায়নৰ বাবে নিমোক্ত ফর্মসমূহৰ সুবিধা আগবঢ়ায়—

ITR - 1 (সহজ Sahaj) বেতনৰ পৰা আয় লাভ কৰা ব্যক্তিসকলৰ বাবে, একক গৃহ সম্পত্তি (কোনো ক্রয়মূলক লোকচান নাই), অন্যান্য উৎসসমূহ সুত (প্রধান শাৰীত কোনো লোকচান জড়িত নাই) ইত্যাদি। কিন্তু লটাৰী বা ঘোঁৰা ৰেচৰ পৰা জয়ৰ লাভৰ বাহিৰে) মুঠ আয় ৫০ লাখ থকা সকলৰ বাবে।

ITR - 2 ব্যক্তি আৰু HUF যিসকলে কোনো মালিকাধীন ব্যৱসায় বা বৃত্তি চলাই নিয়া নাই।

ITR - 3 ব্যক্তি আৰু HUF সকলৰ মালিকাধীন ব্যৱসায় বা বৃত্তিৰ পৰা হোৱা আয়।

ITR - 4 (সুগম Sugam) ব্যৱসায় আৰু বৃত্তিৰ পৰা অনুমানিক আয়ৰ বাবে।

ITR - 5 (i) ব্যক্তি, (ii) HUF, (iii) কোম্পানী, (iv) ITR-7 ফর্মৰ সংকলৰ ব্যক্তিসকলৰ বাদে অন্য ব্যক্তি।

ITR - 6 U/S 11 ৰ ৰেহাই দাবী কৰা কোম্পানীসমূহৰ বাদে অন্য কোম্পানী।

ITR - 7 U/S 139(4A) বা 139(4B) বা 139(4C) বা 139(4D) বা 139(4F) ৰ ওভটনিসমূহ সজাবলৈ প্রয়োজন হোৱা কোম্পানীকে ধৰি ব্যক্তিসকলো।

ITR - V আয়কৰ ওভটনিৰ প্রমাণকৰণ ফর্ম (য'ত ডিজিটেল স্বাক্ষৰ নোহোৱাকে পূর্বোক্ত আয়ৰ ওভটনিক বৈদুতিকভাৱে পৰিৱর্তন কৰা হয়)

আয়ৰ ওভটনি সংকলনৰ বাবে সময়সীমা

নিমোক্ত নির্ধাৰিত তাৰিখত বা তাৰ আগত কোনো ৰিটর্ন সংকলন কৰা হয়। (বছৰটোৰ নিজা নিজা মূল্যায়ন)

মূল্যায়ন	তাৰিখ
য'ত নির্ধাৰকে প্রপত্র 3CEB u/s 92E ত আন্তঃৰাষ্ট্রীয় লেনদেন সম্বন্ধিত এক প্রতিবেদন প্রস্তুত কৰিব লাগিব।	৩০ নৱেম্বৰ
য'ত নির্ধাৰক আন্তঃৰাষ্ট্রীয় লেনদেন নোহোৱা এটা কোম্পানী অন্য কোনো নির্ধাৰক।	৩০ চেপ্টেম্বৰ
য'ত যিকোনো আইনৰ অধীনত নির্ধাৰকৰ গণনা কৰা প্রয়োজন।	৩০ চেপ্টেম্বৰ
য'ত নির্ধাৰক কোনো প্রতিষ্ঠানত কার্যবাহী সদস্য	৩০ চেপ্টেম্বৰ
অন্য কোনো ধন	৩১ জুলাই

ব্যক্তিগত মূল্যায়নৰ ক্ষেত্রত আয়ৰ ওভটনিৰ সংকলনৰ সম্পর্কত নিমোক্ত ধৰণে কৰ পৰিচালনা কৰা হয়—

১) ৰেহাইৰ পিছত মুঠ কৰযোগ্য আয়, কিন্তু কর্তনৰ পিছত, মূল সীমাতকৈ বৃদ্ধি হয়। নতুবা

কৰ refund দাবী কৰিব লাগিব। এই সাধাৰণ কৰদাতাৰ বাবে এই সীমা (৬০ বছৰৰ তলত) ২.৫ লাখ টকা। জ্যেষ্ঠ নাগৰিকৰ (৬০ বছৰৰ ওপৰত) এই সীমা ৫ লাখ টকা, অতি জ্যেষ্ঠ নাগৰিকৰ বাবে (৪০ বছৰৰ ওপৰত) ৩ লাখ টকা।

২) কৰৰ প্ৰমাণিকৰণৰ বিস্তৃত বৰ্ণনা TDS প্ৰমাণ পত্ৰত প্ৰতিফলিত হয় (ফৰ্ম 16 আৰু ফৰ্ম 16A) আৰু অন্য কৰসমূহ (অগ্ৰীম কৰ আৰু স্ব-মূল্যায়ন কৰ) PAN ৰ কৰদাতাক 26AS ফৰ্মত অনলাইনৰ যোগেদি কৰা হয়। এই নথিপত্ৰ কৰ কৰ্তৃপক্ষই কৰৰ একক প্ৰমাণ হিচাপে বিবেচনা কৰে। কৰ বিভাগে এই বিস্তৃত বৰ্ণনা কৰে। কৰ বিভাগে এই বিস্তৃত বৰ্ণনা পুনঃ 26AS ফৰ্মত উল্লেখ থকা পৰিমাণৰ সৈতে সংযোগ ঘটায়।

৩) ব্যক্তিগত কৰ মূল্যায়নৰ ক্ষেত্ৰত আয়ৰ ওভটনিৰ সংকলনৰ বাবে চাৰি প্ৰকাৰৰ ওভটনি পোৱা যায়। গতিকে, আয়ৰ প্ৰকাৰৰ ওপৰত ভিত্তি কৰি সঠিক ফৰ্ম বাচনি কৰা উচিত।

৪) 234F অনুচ্ছেদৰ অধীনত 5,000 টকাৰ জৰিমনাৰ পৰা বিৰত থাকিবলৈ নিৰ্দিষ্ট তাৰিখ বা তাৰিখৰ আগত আয়ৰ ওভটনিৰ সংকলন।

৬.৬ দৰমহা আয়ৰ ক্ষেত্ৰত কৰ পৰিকল্পনাৰ বিবেচনাসমূহ

পূৰ্বৰ অধ্যায়ত কৰ পৰিকল্পনাৰ আলোচনাৰ পৰা আমি ক'ব পাৰো যে বেতনভোগী কৰ্মচাৰীৰ ক্ষেত্ৰত কৰ নিয়োজন, কৰৰ ন্যূনতম দেনা আকৰ্ষণ কৰিবলৈ বা পৰৱৰ্তী সময়লৈ কৰৰ দেনা স্থগিত কৰিবলৈ নিয়োগকৰ্তাৰ দ্বাৰা তৈয়াৰ কৰা এক পদ্ধতিগত পৰিকল্পনা। এইসমূহ হ'ল, ৰেহাই, ভাট্টা, কৰ হ্ৰাস ইত্যাদি।

বেতনভোগী আয়ৰ ওপৰত কৰ পৰিকল্পনাৰ চৰ্তসমূহ নিম্নোক্ত ধৰণেৰে দৃষ্টি নিক্ষেপ কৰিব পাৰি।

- বেতনৰ ওপৰত কৰ ন্যূনতম কৰিব পাৰি যদিহে মুঠ বেতন মূল বেতন, বিভিন্ন ভাট্টা (যিবিলাক কৰযোগ্য নহয় বা যিবিলাক আংশিকভাৱে কৰৰ পৰা মুক্ত) আৰু অনুলাভসমূহৰ বিভক্ত হৈ থাকে।
- এই সুনিশ্চিত কৰিব লাগে যে, নিয়োগৰ চৰ্ত অনুসৰি খৰচী/দামী ভাট্টা আৰু খৰচী পৰিশোধ প্ৰপত্ৰ মূল বেতনৰ অংশ হয়। এই কাৰ্যই ঘৰ ভাড়া ভাট্টা, মনোৰঞ্জন ভাট্টা আদিৰ ওপৰত কৰৰ বোজা হ্ৰাস কৰিব।
- এজন কৰদাতাই সঠিকভাৱে কৰ আপাতন নিৰ্ণয় কৰিব লাগে। তেওঁ ঘৰ ভাড়া ভাট্টা বা ভাড়াৰ ওপৰত ভাড়াবিহীন সুসজ্জিত বা ভাড়াবিহীন ঘৰৰ ভিতৰত বাচনি কৰিব লাগিব। আয়কৰ অধিনিয়ম 10 (13A) ৰ অধীনত ঘৰ ভাড়া ভাট্টা ৰেহাই দিয়া হৈছে। এয়া 1962, আয়কৰ বিধি 2A নীতিৰ সীমাৰ ভিতৰত হ'ব লাগিব।
- বহুতো কৰ্মচাৰী কল্যাণ আঁচনি আছে যেনে মান্যতা প্ৰাপ্ত নিধি, অনুমোদিত অতিৰিক্ত সেৱানি বৃত্তি নিধি, gratuity নিধি ইত্যাদি। এনে নিধিসমূহৰ পৰা প্ৰাপ্ত পৰিশোধসমূহ এক বিশেষ পৰিমাণলৈকে সম্পূৰ্ণৰূপে ৰেহাই দিয়া হয়।

- কর্মচাৰীসকলে নির্ধাৰিত চিকিৎসা ভাড়াতকৈ বিনা ভাট্টাৰ চিকিৎসা সুবিধা গ্ৰহণ কৰিব লাগে, চিকিৎসা ভাট্টা কৰযোগ্য।
- এক মূল্যায়নৰ মুঠ আয় গণনা কৰোতে, আয়কৰ অধিনিয়মৰ অধ্যায় VIA ৰ অধীনত কিছুমান কর্তনৰ অনুমতি দিয়া হয়। এই কর্তনসমূহ প্রাসংগিক বিত্তীয় বর্ষত কর্তনসমূহ প্রাসংগিক বিত্তীয় বর্ষত কৰযুক্ত বিনিয়োগ আৰু নির্ধাৰকৰ দ্বাৰা কৰা কিছুমান নির্দিষ্ট ব্যয় যেনে চিকিৎসা, উচ্চ শিক্ষা আদি হিচাবে পোৱা যায়। এই কর্তনসমূহত অনুচ্ছেদ 80C পৰা 80U লৈকে অন্তর্ভুক্ত হয়। অনুচ্ছেদ 80Cয়ে বিশেষ কিছুমান বিনিয়োগৰ কৰা পৰিশোধৰ গণনা আৰু বিনিয়োগসমূহ সামৰি লয়। কৰদাতাই অনুচ্ছেদ 80C ৰ 80U লৈকে আয়কৰ বিধিৰ সর্বোচ্চ সম্ভাৱ পর্যায়লৈকে থকা কর্তনসমূহ সামৰি লয়।

৬.৭ মূল্যায়ণ প্রক্রিয়া

কৰ নির্ধাৰণ বুলিলে নির্ধাৰকৰ আয় মূল্যায়ণ কৰা সেয়া হ'ল— আয় return filed, সংগ্রহিত তথ্য বা আয়কৰ বিভাগৰ সর্বোত্তম নির্ণয়ৰ আধাৰত কৰদাতাৰ আয় আৰু কৰ দেনাৰ সিদ্ধান্ত গ্রহণ কৰা। আয়কৰ বিধিৰ অধীনত বিভিন্ন কৰ মূল্যায়ণসূহৰ তলত উল্লেখ কৰা ধৰণৰ—

i. স্ব-মূল্যায়ণ u/s 140A

স্ব-মূল্যায়ণৰ ক্ষেত্রত, কৰদাতাই নিজে তেওঁৰ কৰযোগ্য আয় আৰু কৰ দেনা নির্ধাৰণ কৰে আৰু সেই অনুসৰি কৰ পৰিশোধ কৰে। কৰদেনাৰ পিছত, যিকোনো পৰিমাণৰ কৰ এনে মূল্যাংকনৰ দিশত কৰা হয়। যদি এজন কৰদাতাই এনে কৰৰ সম্পূর্ণ ভাগ বা সূত বা দুয়োটাই পৰিশোধ কৰিবলৈ বিফল হয়, তেন্তে তেওঁক default হিচাবে গণ্য কৰা হয়।

ii. আয়কৰ বিভাগৰ দ্বাৰা কৰ নির্ধাৰণ

Return জমা কৰাৰ পিছত বা ৰিটর্ান জমা নকৰাৰ বাবে তাৰ মূল্যাংকণ আয়কৰ বিভাগৰ দ্বাৰা কৰা হয়। নির্ধাৰক বিষয়াই নিম্নলিখিত যিকোনো ধৰণে কৰদাতাৰ আয়ৰ আকলন কৰিব পাৰে—

(ক) জাননী/সূচনা দিয়া 143(1);

(খ) পুনৰীক্ষণ নির্ধাৰণ u/s 143(3);

(গ) সর্বশ্রেষ্ঠ নির্ণয় নির্ধাৰণ u/s 144;

কৰ নির্ধাৰণৰ বাবে, নির্ধাৰক বিষয়াই যিকোনো ব্যক্তিৰ আয়ৰ সম্পর্কত সম্পূর্ণ তথ্য আহৰণ কৰাৰ উদ্দেশ্যৰে, যেতিয়াই প্রয়োজনবোধ কৰে u/s 142 আয়কৰ বিধিমতে অনুসন্ধান চলাব পাৰে। যিকি নহওক, নির্ধাৰকে u/s 142(2) u/s 142(2A) যিকোনো গণনাৰ অনুসন্ধানৰ আধাৰ হোৱা যিকোনো সংগ্রহিত বস্তুৰ বিষয়ে শুনাৰ সুযোগ পাব লাগিব। তাৰোপৰি তেওঁলোকে ইয়াৰ মূল্যাংকনৰ উদ্দেশ্য ব্যৱহাৰ কৰা হৈছে বুলি অৱগত হ'ব লাগিব।

a) জাননী u/s 143(1)

য'ত একোটা ৰিটর্ান নথিকৰণ u/s 139 কৰা হৈছে বা u/s 142(1), অনুসৰি কৰা হৈছে।

তেনে ৰিটৰ্নসমূহ নিম্নোক্ত ধৰণেৰে প্ৰক্ৰিয়াভুক্ত কৰা হৈছে—

a. নিম্নলিখিত সমূহ পিছত মুঠ আয় বা লোকচান গণনা কৰা হয়।
   i. ৰিটৰ্নত (return) যিকোনো গাণিতিক ভুল,
   ii. অশুদ্ধ দাবী, যদি এনে অশুদ্ধ দাবী কোনো পত্ৰ-পত্ৰত পৰিস্ফুট হয়,
   iii. ক্ষতি হোৱা দাবীৰ অ-ভাট্টা, যদি পূৰ্বৰ বৰ্ষৰ ক্ষতি যিখিনি নিৰ্ধাৰিত তাৰিখৰ পিছত ক্ষতিসমূহ দাবী কৰা হৈছিল,
   iv. গাণিতিক প্ৰতিবেদনত সূচোৱা ব্যয়ৰ অ-ভাট্টা কিন্তু ৰিটৰ্নত মুঠ আয় গণনা কৰোতে বিবেচনা কৰা হোৱা নাই।
   v. u/s 10AA, 80-IA, 80-IAB, 80-IB, 80-IC, 80-ID or 80-IE ত কৰ্তনৰ অ-ভাট্টাসমূহ, যদিহে নিৰ্ধাৰিত তাৰিখৰ পিছত ৰিটৰ্ন সজাই তোলা হৈছে।

b. কৰ, সুত আৰু মাচুল, মুঠ আয়ৰ ওপৰত গণন্য কৰা হয়।

c. কৰদাতাৰ দ্বাৰা পৰিশোধ কৰিবলগীয়া (or the amount of refund due to) কৰৰ পৰিমাণ কৰ, সূত আৰু মাচুল আদিৰসমযোজনৰ পিছত নিশ্চিত কৰা হয়। যদি কোনো TDS, TCS, অগ্ৰিম কৰ, কোনো ৰেহাই, স্ব-মূল্যায়নৰ ওপৰত কৰ আদি থাকে, সেইসমূহো নিৰীক্ষণ কৰি লোৱা হয়।

d. কৰদাতাসকললৈ এখন জাননী প্ৰস্তুত কৰি পঠিওৱা হ'ব, য'ত পৰিশোধ কৰিবলগীয়া কৰৰ পৰিমাণ, পৰিশোধ, কৰদাতাৰ সবিশেষ উল্লেখ কৰা।

e. কৰদাতাসকলৰ বাবে পৰিশোধৰ পৰিমাণ কৰদাতাসকলৰ অনুসৰণত তেওঁলোকক প্ৰদান কৰা হ'ব।

f. নিৰ্ধাৰিত সকলক এই সংক্ৰান্তত এক জাননী পঠিওৱা হ'ব যে ৰিটৰ্নত ঘোষিত লোকচান খাপ খুৱাই লোৱা হৈছে। কিন্তু তেওঁৰ দ্বাৰা কোনো কৰ বা সুত বা মাচুল পৰিশোধ কৰিব নালাগে।

   যিকি নহওক, ৰিটৰ্ন তৈয়াৰ কৰাৰ বিত্তীয় বৰ্ষৰ সমাপ্তিৰ পৰা ১ বছৰ অতিক্ৰম কৰাৰ পিছত কোনো জাননী পঠিওৱা নহয়। এই ম্যাদৰ সময় শেহতীয়া ৰিটৰ্নৰ তাৰিখৰ পৰা আৰম্ভ হয়।

b) পুনঃৰীক্ষণ কৰ নিৰ্ধাৰণ 143(3)

u/s 139 ৰ অধীনত বা u/s 142(1) ৰ জাননী অনুসৰি। এক ৰিটৰ্ন সুসজ্জিত কৰা হয় আৰু কৰ নিৰ্ধাৰক বিষয়াই এইটো নিশ্চিত কৰা প্ৰয়োজন যে নিৰ্ধাৰিতই তেওঁৰ আয়ৰ বৰ্ণনা দিছে নাই, বা অত্যাধিক লোকচান ঘোষণা কৰিছে নেকি বা কৰ পৰিশোধ কৰা নাই নেকি ইত্যাদি ক্ষেত্ৰত তেওঁ এক পুনৰীক্ষণ কৰিব পাৰে আৰু এই সংগৃহিত তথ্য আৰু প্ৰমাণৰ ভিত্তিত তেওঁ এক কৰ মূল্যায়ণ আদেশ জাৰি কৰে। এই আদেশত ৰিটৰ্ণাৰ সংক্ৰান্তত নিৰ্দিষ্ট তাৰিখ উল্লেখ থাকিব। কাৰণ দৰ্শাব লাগিব আৰু যিকোনো প্ৰমাণ য'ত কৰদাতাই নিৰ্ভৰ কৰিব পাৰে। যি কি নহওক, বিত্তীয় বৰ্ষৰ সমাপ্তিৰ ৬ মাহৰ পৰা ম্যাদৰ পিছৰ পৰা, য'ত ৰিটৰ্ণাণ সজোৱা হৈছে,

কোনো জাননী পঠোৱা নহয়। এনে তথ্যসমূহ সংগ্রহ কৰাৰ পিছত আৰু এনে প্রমাণসমূহ শুনাৰ পিছত (যিখিনি 143(2) জাননীত নির্ধাৰিতই দেখুৱায়) কৰ নির্ধাৰক বিষয়াই সকলো প্রাসংগিক বিষয়বস্তু সামৰি, লিখিত ৰূপত এখন আদেশ জাৰি কৰে। য'ত তেওঁ কৰদাতাৰ মুঠ আয় বা লোকচানৰ মূল্যায়ণ কৰে আৰু এই মূল্যায়নৰ ভিত্তিত তেওঁ পৰিশোধ কৰিবলগীয়া কৰৰ পৰা পৰিমাণ বা যিকোনো পৰিমাণ নিশ্চিত কৰে। এই পুনৰীক্ষণ u/s 143(3) প্রাসংগিক বিত্তীয় বর্ষৰ ১২ মাহৰ ভিতৰত সম্পূর্ণ হ'ব লাগিব।

c) সর্বশ্রেষ্ট নির্ণয় নির্ধাৰণ u/s 144

এই অনুচ্ছেদৰ অধীনত, কৰ নির্ধাৰক বিষয়াই তেওঁ সংগ্রহ কৰা আটাইবোৰ বিষয়বস্তুৰ বিবেচনা কৰাৰ পিছত তেওঁ সর্বশ্রেষ্ঠ নির্ণয় আগবঢ়াব। এই অনুচ্ছেদৰ অধীনত বিষয়াজনে কৰদাতাৰ দেনা হ্রাস কৰিব নোৱাৰে। এই অনুচ্ছেদৰ অধীনত নিমোক্ত পৰিস্থিতিসমূহত মূল্যায়ণ আগবঢ়োৱা হয়।

i. যদি ব্যক্তিজনে u/s 139(1), 139(4) বা 139(5); ৰ ৰিৰ্টান সংকলন কৰাত বিফল হয়।
ii. যদি বক্তিজনে u/s 142(1) জাননীৰ সৈতে সংযোজিত হোৱা বিফল হয়।
iii. যদি ব্যক্তিজনে u/s 142(2A) ত বিচৰা ধৰণে তেওঁৰ হিচাপ নিৰীক্ষণ কৰা কার্যত সংযোজিত হোৱাত বিফল হয়।
iv. যদি ব্যক্তিজনে u/s 143(2) ৰ চর্তত বিচৰাৰ ধৰণে তেওঁৰ প্রমাণ আৰু নথিসমূহ দেখুওৱাত ব্যর্থ হয়।

u/s 144 কৰ নির্ধাৰণ নির্ধাৰিতক এক উচিত সুযোগ দিয়াৰ পিছতহে ৰূপায়ণ কৰিব পাৰি। এনে সুযোগ নির্ধাৰিতসকলক 'কাৰণ দর্শোৱা জাননী' জাৰি কৰিহে আগবঢ়াব পাৰি। এই জাননীত এক নির্ধাৰিত তাৰিখ আৰু সময়ত নির্ধাৰক বিষয়াক তাৰিখ আৰু সময়ত নির্ধাৰক বিষয়াক দেখুৱাব লাগিব যে কিয় কৰ নির্ধাৰণ কার্য সম্পূর্ণ নহ'ল। যিকি নহওক, য'ত ইতিমধ্যে 142(1) ইতিমধ্যে জাৰি কৰা হৈছে, তাত এই সুযোগ আগবঢ়োৱাৰ কথা নাহে। এই কৰ নির্ধাৰণ প্রক্রিয়া সম্পূর্ণ কৰাৰ সময়সীমা ১২ মাহ। (সমসাময়িক মূল্যায়ণ বর্ষ)।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ কোনে ITR নথিকৰণ (File) কৰিব পাৰে?

.....

.....

প্রশ্ন নং ৪ ঃ u/s 144 সর্বশ্রেষ্ঠ নির্ণয় নির্ধাৰণ বুলিলে কি বুজা?

.....

.....



৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- কৰ পৰিচালনা বুলিলে আয়কৰ নিয়মসমূহৰ অনুসৰণ কৰা বুজায়।
- কৰ পৰিচালনাই জৰিমনা, মোকৰ্দমা, আৱেদন, কৰ নিষ্পত্তিৰ বিষয়সমূহ সামৰি লয়।
- কৰ পৰিচালনাৰ গুৰুত্বপূৰ্ণ দিশসমূহ তলত আলোচনা কৰা হৈছে—
  ১) উৎসৰ ভিত্তিত কৰ কৰ্তন
  ২) উৎসৰ ভিত্তিত কৰ সংগ্রহ
  ৩) অগ্রীম কৰৰ পৰিশোধ
  ৪) বহি খাটাৰ চোৱা চিতা কৰা
  ৫) গণনাৰ লেখ নিৰীক্ষণ
  ৬) আয়ৰ ওভটনিক সুসজ্জিত কৰা
  ৭) কৰ ৰেকর্ডৰ নথিকৰণ আৰু চোৱা চিতা কৰা
  ৮) আয়কৰ বিভাগৰ আদেশৰ সমীক্ষা
- আয়ৰ বিভিন্ন উৎসৰ পৰা কৰ সংগ্রহ কৰাৰ উদ্দেশ্যে TDS ধাৰণাৰ সূচনা কৰা হৈছিল। এই ধাৰণা অনুসৰি এজন ব্যক্তিয়ে (কৰ কৰ্তনকাৰী) যিকোনো আন ব্যক্তিৰ (deductee)ৰ নির্দিষ্ট প্রকৃতিৰ পৰিমাণৰ পৰিশোধ কৰিবলৈ দায়বদ্ধ হয়, তেওঁ উৎসৰ ভিত্তিত কৰ কৰ্তন কৰিব আৰু সেইখিনিকে কেন্দ্রীয় চৰকাৰৰ খাটাত জমা কৰিব।
- বেতন আয়ৰ বাহিৰে, ১৯৬১ আয়কৰ অধিনিয়মৰ প্রাসংগিক অনুচ্ছেদ উল্লেখিত হাৰত কৰৰ কৰ্তন কৰা হ'ব।
- ১৯৬১ৰ পূৰ্ব আয়কৰ অধিনিয়ম অনুসৰি, এজন কৰদাতাই নির্দিষ্ট প্র-পত্রত ৰিটৰ্নৰ নথিকৰণ কৰিব লাগিব আৰু এই কার্য ১৩৯ অনুচ্ছেদৰ অধিনিয়ম অনুসৰি নির্ধাৰিত সময়ত সম্পাদন কৰিব লাগিব। ১২ বিধিয়ে বিভিন্ন নির্ধাৰিত (কৰদাতাৰ) ৰ বাবে ৰিটৰ্ন সংকলনৰ বাবে বিভিন্ন প্র-পত্রৰ সুবিধা প্রদান কৰে।
- কৰ নির্ধাৰণৰ তাৎপর্য হ'ন্দ্র কৰদাতাৰ আয়ৰ মূল্যায়ন কৰা। অর্থাৎ কৰদাতাৰ ওভটনি সংকলন (return filed), সংগৃহিত তথ্য বা আয়কৰ বিভাগৰ সর্বশ্রেষ্ঠ নির্ণয়ৰ আধাৰত আয় আৰু কৰৰ দেনাৰ মূল্যায়ন কৰা।
- আয়কৰ অধিনিয়ম অধীনত বাহাল থকা বিভিন্ন প্রকাৰৰ কৰ নির্ধাৰণসমূহ এনেধৰণৰ—
  i. স্ব-মূল্যাংকন/নির্ধাৰণ u/s 140A,
  ii. u/s 143(1) জাননী,

iii. পুনৰীক্ষণ নির্ধাৰণ u/s 143(3),

iv. সর্বশ্রেষ্ঠ নির্ণয় নির্ধাৰণ u/s 144।



৬.৯ অধিক জানিবলৈ

১) Direct Tax Laws & International Taxation by T. N. Manoharan, Snow White Publications.

২) Direct Taxes Law & Practice -With Special Reference To Tax Planning (61st Edition A.Y. 2019-20) by Vinod K. Singhania & Kapil Singhania

৩) Income Tax Act, 1961, Bare Act.

৪) Income Tax Act by Girish Ahuja & Ravi Gupta.



৬.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কৰ পৰিচালনা বুলিলে আয় কৰৰ নীতি-নিয়মসমূহৰ অনুসৰণকে বুজায়। কৰ পৰিচালনাৰ অর্থ জৰিমনা, মোকদর্মা, আবেদন, কৰ পুনৰাবৃত্তি বা কৰ case সমূহৰ নিষ্পত্তি আদি সামৰি লয়। কৰ পৰিচালনাৰ উদ্দেশ্য হ'ল নির্ধাৰিত সময়ত কৰ আইনসমূহৰ সংকলন কৰা আৰু এক নির্ধাৰিত জোখত কৰ ব্যয় হ্রাস কৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ আয়ৰ উৎসৰ ভিত্তিত প্রতিষ্ঠিত এই ধাৰণা অনুসৰি, এজন ব্যক্তিয়ে (deductor) যি আন এজন ব্যক্তি (deductor)ক এক নির্দিষ্ট প্রকৃতিৰ পৰিমাণ পৰিশোধ কৰিবলৈ দায়বদ্ধ হয়, তেওঁ উৎসৰ ভিত্তিত কৰ কর্তন কৰিব আৰু একেখিনি পৰিমাণকে কেন্দ্রীয় চৰকাৰৰ খাতাত জমা কৰিব লাগে। উৎসৰ ভিত্তিত কর্তন কর্তাৰ দ্বাৰা জাৰী কৰা ২৬ প্র-পত্র বা TDS প্রমাণ পত্রৰ আধাৰত কর্তন কৰা পৰিমাণৰ কৃতিত্ব লাভ কৰিব।

৩ নং প্রশ্নৰ উত্তৰ ঃ এজন ব্যক্তি যাৰ বছৰেকীয়া আয় Basic Exemption Limit তকৈ অধিক থাকিলে আয়কৰ প্রতিবেদন দাখিল কৰিব লাগিব।

৪ নং প্রশ্নৰ উত্তৰ ঃ কৰ নির্ধাৰক বিষয়াই তেওঁ সংগ্রহ কৰা আটাইবোৰ বিষয়বস্তুৰ বিবেচনা কৰাৰ পিছত তেওঁ সর্বশ্রেষ্ঠ নির্ণয় আগবঢ়াব। এই অনুচ্ছেদৰ অধীনত বিষয়াজনে কৰদাতাৰ দেনা হ্রাস কৰিব নোৱাৰে। এই অনুচ্ছেদৰ অধীনত নিমোক্ত পৰিস্থিতিসমূহত মূল্যায়ণ

আগবঢ়োৱা হয়।

i. যদি ব্যক্তিজনে u/s 139(1), 139(4) বা 139(5); ৰ ৰিৰ্টান সংকলন কৰাত বিফল হয়।

ii. যদি বক্তিজনে u/s 142(1) জাননীৰ সৈতে সংযোজিত হোৱা বিফল হয়।

iii. যদি ব্যক্তিজনে u/s 142(2A) ত বিচৰা ধৰণে তেওঁৰ হিচাপ নিৰীক্ষণ কৰা কার্যত সংযোজিত হোৱাত বিফল হয়।

iv. যদি ব্যক্তিজনে u/s 143(2) ৰ চর্তত বিচৰাৰ ধৰণে তেওঁৰ প্রমাণ আৰু নথিসমূহ দেখুওৱাত ব্যর্থ হয়।

৬.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ কৰ পৰিচালনা আৰু তাৰ গুৰুত্বপূর্ণ ক্ষেত্রৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ ঃ উৎসৰ পৰা হোৱা কৰ কর্তনৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৩ ঃ দৰমহাৰ পৰা হোৱা কৰ কর্তনৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৪ ঃ কৰ পৰিশোধ কৰা ব্যক্তিসকলে ব্যৱহাৰ কৰা বিভিন্ন প্রকাৰৰ প্র-পত্রসমূহ আলোচনা কৰক।

প্রশ্ন ৫ ঃ এজন ব্যক্তিৰ ক্ষেত্রত আয় নির্ধাৰণ সম্পর্কে কৰ পৰিচালনাৰ ভূমিকা ব্যাখ্যা কৰক।

প্রশ্ন ৬ ঃ দৰমহাৰ ক্ষেত্রত কৰ পৰিকল্পনা বিবেচনাসমূহ আলোচনা কৰক।

প্রশ্ন ৭ ঃ আয়কৰ আইনৰ অধীনত মূল্যায়ণ প্রক্রিয়াৰ বিষয়ে লিখক।

*** ***** ***

অধ্যায় ৭ ঃ আয়কৰ কর্তৃপক্ষ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ আয়কৰ কর্তৃপক্ষসমূহ
৭.৪ বিভিন্ন আয়কৰ কর্তৃপক্ষৰ নিযুক্তি আৰু ক্ষমতাসমূহ
৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবলৈ
৭.৭ অগ্রগতিৰ খতিয়ান
৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- উৎসতে বিয়োগ তথা কর্তন কৰা কৰৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- অগ্রিম পৰিশোধ কৰা কৰৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- কৰ প্রবঞ্চনা আৰু কৰ পৰিহাৰৰ অর্থ বর্ণনা কৰিব পাৰিব
- আয়কৰ কর্তৃপক্ষসকলৰ ক্ষমতা আৰু কার্যাৱলীসমূহ বর্ণনা কৰিব পাৰিব।

৭.২ পৰিচয়

পূর্ববর্তী অধ্যায়টোত আপুনি পালে যে আয়কৰ বিধি বিধানসমূহ ১৯৬১ চনৰ আয়কৰ আইনত অন্তর্ভুক্ত কৰা হৈছে। লোকসভাই বিধিবদ্ধ কৰা যিকোনো আইন আৰু ইয়াত কৰা সংশোধনসমূহ উপযুক্ত কার্যালয় সংক্রান্তীয় ব্যৱস্থাৰ যোগেদি কার্যনির্বাহকৰ দ্বাৰা কার্যকৰীকৰণ আৰু শাসন কৰা হয়। আয়কৰ বিধি বিধানসমূহো ১৯৬১ চনৰ আয়কৰ আইনৰ অধীনত প্রস্তুত কৰা নিয়মাৱলীত নির্দিষ্ট কৰা উত্তম সংযুতি ব্যৱস্থাৰ যোগেদি পৰিচালনা কৰা হয়। উপার্জন কৰা আয়ৰ পৰা কৰ পৰিশোধ কৰা হয় আৰু কৰ কমাই পৰিশোধ কৰাটো এটা স্বাভাৱিক মানবীয় প্রবৃতি। আকৌ চৰকাৰৰ বাবে কৰ অপৰিহার্য যিহেতু ই চৰকাৰৰ এক প্রধান আয়ৰ উৎস। গতিকে আয়কৰ আইনৰ ব্যৱস্থাসমূহ যথাযথভাৱে কার্যকৰী কৰিবৰ বাবে দক্ষ কৰ কর্তৃপক্ষৰ প্রয়োজন হয়।

এই অধ্যায়টোত আমি 'উৎসতে কর্তন কৰা কৰ', 'অগ্রিম কৰ পৰিশোধ', কৰ প্রবঞ্চনা আৰু 'কৰ পৰিহাৰ' আদি বিভিন্ন শিতানৰ অধীনত এই সকলোবোৰ বিষয়ৰ আলোচনা সামৰি লম। ইয়াৰ পিছত আয়কৰ কর্তৃপক্ষ আৰু তেওঁলোকৰ ক্ষমতা আৰু কার্যাৱলীসমূহ আলোচনা কৰিম।

৭.৩ আয়কৰ কর্তৃপক্ষসমূহ

আয়কৰ আইনৰ ১১৬ ধাৰাৰ অধীনত কার্যনির্বাহী আৰু প্রশাসনিক কার্যসমূহ সম্পাদন কৰিবৰ বাবে নিম্নলিখিত আয়কৰ কর্তৃপক্ষসমূহক নিযুক্ত কৰা হৈছে।

(১) ১৯৬৩ চনৰ কেন্দ্রীয় বোর্ডৰ আইনৰ (Central Board of Revenue Act, 1963) অধীনত গঠন কৰা প্রত্যক্ষ কৰৰ কেন্দ্রীয় বোর্ড (The Central Board of Direct Taxes)।

(২) আয়কৰ সঞ্চালক প্রধান (Director General of Income Tax) বা আয়কৰ মুখ্য আয়ুক্ত (Chief Commissioners of Income Tax)।

(৩) আয়কৰৰ সঞ্চালক (Directors of Income Tax) বা আয়কৰ আয়ুক্ত (Commissioners of Income Tax) বা আয়কৰৰ আয়ুক্ত (আপিল) (Commissioners of Income Tax) (Appeals)।

(৪) আয়কৰৰ অতিৰিক্ত সঞ্চালক (Additional Director of Income Tax), আয়কৰৰ অতিৰিক্ত আয়ুক্ত (Additional Commissioners of Income Tax) বা আয়কৰৰ অতিৰিক্ত আয়ুক্ত (আপিল) (Additional Commissioners of Income Tax) (Appeals) ।

(৫) আয়কৰৰ যুটীয়া সঞ্চালক (Joint Dirctors of Income Tax) বা আয়কৰৰ যুটীয়া আয়ুক্ত (Joint Commissioners of Income Tax)।

(৬) আয়কৰৰ উপ-সঞ্চালক (Deputy Directors of Income Tax) বা আয়কৰৰ উপায়ুক্ত (Deputy Commissioners of Income Tax) বা আয়কৰৰ উপায়ুক্ত (আপিল) (Deputy Commissioners of Income Tax) (Appeals)।

(৭) আয়কৰৰ সহকাৰী সঞ্চালক (Assistant Directors of Income Tax) বা আয়কৰৰ সহকাৰী আয়ুক্ত (Assistant Commissioners of Income Tax)।

(৮) আয়কৰ বিষয়া (Income Tax Officers)।

(৯) কৰ পুনৰুদ্ধাৰ বিষয়া (Tax Recovery Officers)।

(১০) আয়কৰৰ পৰিদর্শক (Insectors of IncomeTax)।

কর্তব্য আৰু কামসমূহৰ প্রকৃতিৰ ভিত্তিত ওপৰত উল্লেখ কৰা বিভিন্ন কর্তৃপক্ষসমূহক নিম্নলিখিত তিনিটা শ্রেণীত ভাগ কৰিব পাৰি।

১। প্রশাসনীয় কর্তৃপক্ষসকল (Administrative authorities),

২। নির্ধাৰণকাৰী বিষয়াসকল (Assessing officers), আৰু

৩। আপিল কর্তৃপক্ষ (Appellate Authority)।

১। আইন অনুসৰি নিম্নলিখিতসমূহ হৈছে প্রশাসনীয় কর্তৃপক্ষসকল ঃ

(ক) প্রত্যক্ষ কৰৰ কেন্দ্রীয় বোর্ড (Central Board of Direct Taxes),

(খ) আয়কৰৰ সঞ্চালক প্ৰধান (Director General of Income Tax) :

(গ) আয়কৰৰ মুখ্য আয়ুক্ত বা মুখ্য আয়ুক্তসকল (Chief Commissioner or Chief Commissioners of Income Tax)

(ঘ) আয়কৰৰ উপ-সঞ্চালকসকল (Deputy Directors of Income Tax), বা

(ঙ) আয়কৰৰ উপায়ুক্তসকল (Deputy Commissioners of Income Tax)।

২। আইন অনুসৰি নিম্নলিখিতসকল হৈছে নির্ধাৰণকাৰী বিষয় ঃ

(ক) সহকাৰী আয়ুক্ত (Assistant Commissioner),

(খ) সহকাৰী সঞ্চালক (Assistant Director),

(গ) উপ-সঞ্চালক (Deputy Director),

(ঘ) উপায়ুক্ত (Deputy Commissioner), বা

(ঙ) আয়কৰ বিষয়া (Income Tax Officer)।

৩। আইন অনুসৰি আপিল কর্তৃপক্ষ ঃ

(ক) আয়কৰৰ আয়ুক্ত (আপিল) (Commissioner of Income Tax) (Appeals)।

৭.৪ আয়কৰ কর্তৃপক্ষসকলৰ নিযুক্তি আৰু ক্ষমতাসমূহ

কর্তৃপক্ষসকলৰ নিযুক্তি (Appointment of Tax Authorities) ঃ

কেন্দ্ৰীয় চৰকাৰে এনেবোৰ ব্যক্তিক নিযুক্তি দিব পাৰে যাক চৰকাৰে আয়কৰ কর্তৃপক্ষ হ'বৰ বাবে উপযুক্ত হয় বুলি ভাবে (১১৭ ধাৰা)। তথাপি কেন্দ্ৰীয় চৰকাৰে বোৰ্ডক বা যিকোনো সঞ্চালক প্ৰধানক, মুখ্য আয়ুক্তক সঞ্চালক বা আয়ুক্তক সহকাৰী আয়ুক্ত/উপায়ুক্ত পদবীৰ নিম্ন পদৰ আয়কৰ কর্তৃপক্ষসমূহক নিযুক্তি দিবৰ কর্তৃত্ব দিব পাৰে। বোৰ্ডৰ দ্বাৰা কর্তৃত্ব পোৱা আয়কৰ কর্তৃপক্ষই ইয়াৰ কাম-কাজ সম্পাদন কৰিবৰ বাবে সহায় কৰিবলৈ উচিত বুলি ভবা এনেবোৰ কার্যনির্বাহী বা কার্য আধিকাৰিক কর্মচাৰীবৃন্দ নিযুক্তি দিব পাৰে। কেন্দ্ৰীয় চৰকাৰে নিয়ন্ত্ৰণ কৰা চৰকাৰী সেৱা আৰু পদসমূহৰ ব্যক্তিসকলৰ সেৱা চর্তৰ নিয়ম আৰু আদেশসমূহৰ অনুসৰি এই সকলোবোৰ নিযুক্তি কৰা হয়।

কৰ কর্তৃপক্ষসকলৰ ক্ষমতা (Powers of Tax Authorities) ঃ

নিম্নলিখিতসমূহ হৈছে বিভিন্ন কৰ কর্তৃপক্ষসকলৰ ক্ষমতা ঃ

(ক) প্ৰত্যক্ষ কৰৰ কেন্দ্ৰীয় বোৰ্ড (The Central Board of Direct Taxes) ঃ ১৯৬৩ চনৰ কেন্দ্ৰীয় ৰাজহ বোৰ্ডৰ আইনৰ (Central Board of Revenue Act, 1963) অধীনত এই বোৰ্ড গঠন কৰা হয়। ই বিত্তীয় মন্ত্ৰালয়ৰ অধীনত কাম কৰে। ই হৈছে প্ৰত্যক্ষ কৰৰ ক্ষেত্ৰত উচ্চতম কার্যনির্বাহী কর্তৃপক্ষ। এই কর্তৃপক্ষৰ ওপৰত আৰোপ কৰা ক্ষমতা আৰু কার্যাৱলী তলত উল্লেখ কৰা হ'ল ঃ

(১) আন আয়কৰ কর্তৃপক্ষৰ ওপৰত নিয়ন্ত্ৰণ অনুশীলন কৰা।

(২) ১৯৬১ চনৰ আয়কৰ আইনৰ 2(17), 2(18), 11(c), 35D(3), 36(i) (iv), 44AA,

80RRA, 80U, 118, 119, 120, 124(2), 127, 132(1), 138, 139 A (4), 197 (2A), 200, 228A, 246, 273 A (2) 279, 288, 293B, আৰু 295 ধাৰাত থকা ব্যৱস্থাৱলী মতে অধীনৰ কর্তৃপক্ষলৈ প্রয়োজনীয় আদেশ, নির্দেশ আৰু সংবাদ বিলি কৰা।

(খ) **সঞ্চালক প্রধান/সঞ্চালকৰ ক্ষমতা (Powers of Director General /General/ Director)** ঃ সঞ্চালক প্রধান/সঞ্চালকক কেন্দ্রীয় চৰাকৰে নিযুক্তি দিয়ে। তেওঁলোকে প্রত্যক্ষ কৰৰ কেন্দ্রীয় বোর্ডে আৰোপ কৰা কামসমূহ সম্পাদন কৰিব লাগে। আইনৰ বিভিন্ন ব্যৱস্থাৰ অধীনত সঞ্চালক প্রধান/সঞ্চালকে নিম্নলিখিত ক্ষমতাসমূহ ভোগ কৰেঃ

১। গোপন কৰা কামৰ অনুসন্ধান আৰু তদন্ত কৰা (Enquiry and Investigation into concealment,

২। সন্ধান আৰু বাজেয়াপ্ত কৰা (Search and Seizure),

৩। হিচাপৰ বহীসমূহ বিধিমতে দাবী কৰা (Requisition of books of accounts):

৪। ব্যাপকভাৱে নিৰীক্ষণ কৰা (Making survey)

৫। যিকোনো অনুসন্ধান কৰা (Making any enquiry)

৬। আয়কৰ বিষয়ালৈ নির্দেশনাসমূহ দিয়া (Giving instructions to the Income Tax Officers)।

(গ) **আয়কৰ আয়ুক্তৰ ক্ষমতা (Powers of Commissioners of Income Tax)ঃ** আয়কৰ আয়ুক্তসকলক কেন্দ্রীয় চৰকাৰে নিযুক্তি দিয়ে। তেওঁলোকক এক বিশিষ্ট এলেকা, সাধাৰণতে এখন প্রদেশ বা এটা অঞ্চল (region)ৰ আয়কৰ প্রশাসন পৰিচালনা কৰিবৰ বাবে নিযুক্তি দিয়া হয়। প্রশাসনৰ মুৰব্বী হিচাপে এজন আয়কৰ আয়ুক্তই প্রশাসনিক আৰু বিচাৰক সংক্রান্ত দুয়োবিধ ক্ষমতাই ভোগ কৰে। নিম্নলিখিতসমূহেই হৈছে আয়কৰ আয়ুক্তৰ ক্ষমতা ঃ

(১) দ্বিতীয় শ্রেণীৰ আয়কৰ বিষয়াক আৰু আয়কৰ পৰিদর্শকসকলক নিযুক্তি দিয়া,

(২) অধীনৰ কর্তৃপক্ষসমূহক নির্দেশাৱলী বিলি কৰা,

(৩) পৰিদর্শনকাৰী সহকাৰী আয়ুক্ত আৰু আয়কৰ বিষয়াসকলৰ অধিকাৰ ক্ষেত্র বিভাজন কৰা,

(৪) অধিকাৰ ক্ষেত্র পৰিবর্তন কৰা,

(৫) সন্ধান আৰু বাজেয়াপ্ত কৰিবৰ বাবে আদেশ দিয়া,

(৬) চাৰি বছৰ পাৰ হৈ যোৱাৰ পিছত কৰ নির্ধাৰণ পুনৰ মুকলি কৰিবৰ বাবে অনুমতি অনুমোদন কৰা,

(৭) এজন কৰদাতাৰ পৰা যিকোনো বকেয়া দেয় কৰ পুনৰুদ্ধাৰ কৰিবৰ বাবে আয়কৰ বিষয়াক কর্তৃত্ব প্রদান কৰা,

(৮) আপিল সহকাৰী আয়ুক্তৰ বিৰুদ্ধে আপিল ন্যায়াধিকৰণলৈ (Appellate

Tribunal) আয়কৰ বিষয়াক আপিল কৰিবলৈ নির্দেশ দিয়া,

(৯) আয়কৰ বিষয়াই মঞ্জুৰ কৰা ৰাজহৰ ক্ষতিকৰ হোৱা আদেশ সংশোধনার্থে পুনৰীক্ষণ কৰিবৰ বাবে আদেশ দিয়া,

(১০) ভৰিষ্যৎ নিধিৰ স্বীকৃতি প্রদান বা উঠাই ল'ব পাৰে,

(১১) আয়কৰ আইনৰ ব্যৱস্থাৱলীৰ অধীনত কিছুমান ক্ষেত্রত দণ্ডৰ পৰিমাণ হ্রাস বা পৰিত্যাগ কৰা।

(ঘ) আয়কৰ বিষয়াসকলৰ ক্ষমতা (Powers of Income Tax Officers) ঃ আয়কৰ বিষয়াসকল দুই প্রকাৰৰ — প্রথম শ্রেণী আৰু দ্বিতীয় শ্রেণী। প্রথম শ্রেণী সেৱাৰ আয়কৰ বিষয়াসকলক কেন্দ্রীয় চৰকাৰে নিযুক্তি দিয়ে। দ্বিতীয় শ্রেণী সেৱাৰ আয়কৰ বিষয়াক আয়কৰ আয়ুক্তই নিযুক্তি দিয়ে। আয়কৰ বিষয়াসকলৰ ক্ষমতা আৰু কার্যাৱলী বিভিন্ন আৰু বহুতো। নিম্নলিখিতসমূহ হৈছে আয়কৰ বিষয়ৰ কিছুমান ক্ষমতা আৰু কার্যাৱলী ঃ

(১) সাক্ষ্য বা প্রামাণিক তথ্যৰ আৱিষ্কাৰ আৰু প্রসাৰিতকৰণ,

(২) সন্ধান আৰু বাজেয়াপ্ত কৰা সংক্রান্তত ক্ষমতা,

(৩) সংবাদৰ বাবে তলব কৰা ক্ষমতা,

(৪) কৰ নির্ধাৰণ কৰা ক্ষমতা,

(৫) অর্থদণ্ড আৰোপ কৰা ক্ষমতা,

(৬) কোম্পানীসমূহৰ পঞ্জীয়ন বহীসমূহ পৰিদর্শন কৰাৰ ক্ষমতা,

(৭) স্থায়ী হিচাপ সংখ্যা (Permanent Account Number) আবণ্টন কৰা,

(৮) লুকুৱাই ৰখা আয়ৰ পুনৰ কৰ নির্ধাৰণ কৰা,

(৯) উৎসতে কর্তন কৰা কৰৰ বাবে নিম্ন হাৰ অনুমোদন মঞ্জুৰ কৰা,

(১০) অগ্রিম কৰ পৰিশোধ দাবী কৰা,

(১১) প্রত্যর্পন (refund) আদি মঞ্জুৰ কৰা।

(ঙ) আয়কৰ পৰিদর্শকসকলৰ ক্ষমতা (Powers of Inspectors of Income Tax)ঃ আয়কৰ পৰিদর্শকসকলক আয়কৰ আয়ুক্তই নিযুক্তি দিয়ে। আয়কৰ পৰিদর্শকসকলে আয়ুক্ত বা আন কোনো কর্তৃপক্ষই, যাৰ অধীনত তেওঁলোকে কাম কৰিবৰ বাবে নিযুক্তি দিয়া হৈছে, তেওঁলোকৰ ওপৰত আৰোপ কৰা কামসমূহ সম্পাদন কৰিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ প্রত্যক্ষ কৰৰ কেন্দ্রীয় বোর্ডৰ দুটা ক্ষমতা উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ২ ঃ যিকোনো দুটা আয়কৰৰ কর্তৃপক্ষৰ নাম উল্লেখ কৰক।

.....

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- উৎসতে কর্তন কৰা কৰ হৈছে কৰদাতাৰ পৰা আয়কৰ সংগ্রহ কৰা এক ধৰণ।
- অগ্রিম আয়কৰ চলিত আয় বিয়োগ উৎসতে কর্তন কৰা কৰৰ পৰিমাণ বা চলিত আয়ত অন্তর্ভুক্ত হৈ থকা যিকোনো আয়ৰ পৰা সংগ্রহ কৰিব লগীয়া পৰিমাণৰ ওপৰত পৰিশোধ কৰিব লাগে।
- কৰ প্রবঞ্চনা হৈছে বেআইনী কার্য আৰু এজনৰ শুদ্ধ কৰ দেনাৰ লগত জড়িত তথ্য অশুদ্ধভাৱে দেখুৱাৰ যোগেদি ইচ্ছাকৃতভাৱে কমাই দেখুৱাই স্পষ্টভাৱে ৰাজহত প্রবঞ্চনা কৰা।
- কৰ পৰিহাৰ হৈছে আইন অমান্য নকৰাকৈ কৌশলৰে কৰ পৰিহাৰ কৰা এটা কলা।
- কেন্দ্রীয় চৰকাৰে এনেবোৰ ব্যক্তিক নিযুক্তি দিব পাৰে যাক কেন্দ্রীয় চৰকাৰে আয়কৰ কর্তৃপক্ষ হিচাপে উপযুক্ত বুলি ভাবে (১১৭ ধাৰা)।
- আয়কৰ পৰিদর্শকসকলক আয়কৰ আয়ুক্তৰ দ্বাৰা নিযুক্তি দিয়া হয়।



৭.৬ অধিক জানিবলৈ

১) B.B. Dam, S. Sikidar, R. Barman, B. Bora : Direct and Indirect Taxes; Capital Publishing Company, G.S Road, Guwahati.

২) V. K. Singhania, N. Singhania, Taxmann.



৭.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (১) আন আয়কৰ কর্তৃপক্ষৰ ওপৰত নিয়ন্ত্রণ অনুশীলন কৰা।

(২) ১৯৬১ চনৰ আয়কৰ আইনৰ 2(17), 2(18), 11(c), 35D(3), 36(i) (iv), 44AA, 80RRA, 80U, 118, 119, 120, 124(2), 127, 132(1), 138, 139 A (4), 197 (2A), 200, 228A, 246, 273 A (2) 279, 288, 293B, আৰু 295 ধাৰাত থকা ব্যৱস্থাৱলী মতে অধীনৰ কর্তৃপক্ষলৈ প্রয়োজনীয় আদেশ, নির্দেশ আৰু সংবাদ বিলি কৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ (১) আয়কৰ সঞ্চালক প্রধান (Director General of Income Tax) বা আয়কৰ মুখ্য আয়ুক্ত (Chief Commissioners of Income Tax)।

(২) আয়কৰৰ সঞ্চালক (Directors of Income Tax) বা আয়কৰ আয়ুক্ত (Commissioners of Income Tax) বা আয়কৰৰ আয়ুক্ত (আপিল) (Commissioners of Income Tax) (Appeals)।



৭.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ যিকোনো চাৰিটা আয়কৰ কর্তৃপক্ষৰ নাম উল্লেখ কৰক।

প্রশ্ন ২ ঃ প্রত্যক্ষ কৰৰ কেন্দ্রীয় বোর্ডৰ ক্ষমতাসমূহ উল্লেখ কৰক।

প্রশ্ন ৩ ঃ আয়কৰৰ পৰিদর্শকসকলৰ ক্ষমতাসমূহ উল্লেখ কৰক।

*** ***** ***

অধ্যায় ৮ ঃ পৰোক্ষ কৰৰ পৰিচয়

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ পৰোক্ষ কৰৰ ধাৰণা

৮.৪ পৰোক্ষ কৰৰ বৈশিষ্ট্যসমূহ

৮.৫ GST পূৰ্বৰ সাংবিধানিক সুবিধাসমূহ/ব্যৱস্থা

৮.৬ উত্তৰ GST ৰ সাংবিধানিক প্ৰেক্ষাপট

৮.৭ GST ৰ বৈশিষ্ট্যসমূহ

৮.৮ GST ৰ সুবিধাসমূহ

৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.১০ অধিক জানিবলৈ

৮.১১ অগ্ৰগতিৰ খতিয়ান

৮.১২ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পৰোক্ষ কৰৰ বিষয়ে ধাৰণা কৰিব পাৰিব
- পৰোক্ষ কৰৰ বৈশিষ্ট্য আৰু সুবিধাসমূহৰ বিষয়ে জানিব পাৰিব
- GST ৰ পূৰ্বৰ সাংবিধানিক ব্যৱস্থাসমূহৰ বিষয়ে জানিব পাৰিব
- উত্তৰ GST কৰৰ সাংবিধানিক প্ৰেক্ষাপটৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

এই পাঠ্যক্ৰমৰ পূৰ্বৰ অধ্যায়সমূহত, আমি প্ৰত্যক্ষ কৰৰ বিষয়ে বিস্তৃত আলোচনা কৰিলো। এতিয়া আমি ভাৰতত প্ৰযোজ্য হোৱা পৰোক্ষ কৰৰ বিষয়ে আলোচনা কৰিম। আমি ইতিমধ্যে বুজিলো যে চৰকাৰৰ ৰাজহৰ প্ৰধান উৎস হ'ল কৰ। বিত্ত মন্ত্ৰালয়, ভাৰত চৰকাৰে প্ৰদান কৰা তথ্য অনুসৰি ২০১৮-১৯ চনৰ বাজেটৰ মুঠ কৰ হিচাব হ'ল ২২,৭১,২৪১ টকা। মুঠ কৰ ৰাজহৰ ৪৯% পৰোক্ষ কৰৰ পৰা সংগ্ৰহ কৰা হয়। সামগ্ৰী আৰু সেৱা কৰ (GST) আৰু আবকাৰী শুল্কৰ ভাৰতত প্ৰযোজ্য হোৱা কৰসমূহৰ অন্যতম। ভাৰতত GST, ২০১৭ চনৰ জুলাই মাহৰ পৰা প্ৰয়োগ কৰা হৈছে। ১৯৫৪ চনত GST ৰূপায়ণৰ দিশত ফ্ৰান্স প্ৰথমখন দেশ আছিল। যোৱা ৬৩ বছৰত, ১৬০ খনতকৈও অধিক দেশে GST গ্ৰহণ কৰিছে। পৰৱৰ্তী অধ্যায়ত আমি GST

আৰু আবকাৰী শুল্কৰ বিষয়ে আলোচনা কৰিম। এই অধ্যায়ত আমি পৰোক্ষ কৰৰ ধাৰণা, পৰোক্ষ কৰৰ বৈশিষ্ট্য, সাংবিধানিক প্ৰেক্ষাপট, ভাৰতত পৰোক্ষ কৰ, GST ৰ বুনিয়াদ আদিৰ বিষয়ে আলোচনা কৰিম।

৮.৩ পৰোক্ষ কৰৰ ধাৰণা

আমি উপভোগ কৰা সামগ্ৰী আৰু সেৱাত যদি কৰ পৰিশোধ কৰা হয়। মূলত এইসমূহেই পৰোক্ষ কৰ। এই বিলাকক পৰোক্ষ কৰ কোৱা হয়, কাৰণ এই কৰসমূহ এজন ব্যক্তিৰপৰা আন এজন ব্যক্তিলৈ প্ৰেৰণ কৰা হয় আৰু এই কৰ বহন কৰে সেইসকলৰ ওপৰত কৰৰ আৰোপ কৰা হয়। পৰোক্ষ কৰৰ ক্ষেত্ৰত কৰৰ তাৎক্ষণিক বোজা এজন ব্যক্তিৰ ওপৰত পৰে আৰু ইয়াৰ শেষ বোজা আন এজন ব্যক্তিৰ ওপৰত পৰে, যিয়ে শেষত সেই সামগ্ৰীবিধ উপভোগ কৰে। সেয়ে পৰোক্ষ কৰক উপভোগ কৰ বুলিও কোৱা হয়। এই বিলাক ক্ৰমহ্ৰাসমান প্ৰকৃতিৰ কাৰণ এইবিলাক সামৰ্থ্য নীতিৰ ওপৰত প্ৰতিষ্ঠিত নহয়।

পৰোক্ষ কৰ উপভোগ, ব্যয়, সুবিধা বা অধিকাৰৰ ওপৰত আৰোপ কৰা হয় কিন্তু আয় বা সম্পত্তিৰ ওপৰত আৰোপ কৰা নহয়। ভাৰতত বহুত ধৰণৰ পৰোক্ষ কৰ আৰোপ কৰা হৈছে যেনে— আবকাৰী শুল্ক, সীমা শুল্ক, সেৱাকৰ, কেন্দ্ৰীয় বিক্ৰী কৰ, মূল্য সংযোজন কৰ, প্ৰবেশ কৰ, ক্ৰয়যোগ্য কৰ, লটাৰী ভিত্তিক কৰ, যোৱা বাজিৰ ওপৰত কৰ, বিলাসী সামগ্ৰীৰ কৰ, বিজ্ঞাপনৰ ওপৰত কৰ ইত্যাদি।

যি কি নহওক, ভাৰতত ২০১৭ চনৰ, ১ জুলাইত পৰোক্ষ কৰৰ এক আদৰ্শমূলক পৰিৱৰ্তনৰ সূচনা হয়। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ পৰোক্ষ কৰসমূহ একেলগ কৰি এবিধ একক কৰ সামগ্ৰী আৰু সেৱা কৰৰ (GST) ৰ পৰিচয় কৰোৱা হয়। ভাৰতত এই GST ৰ সূচনাই এক অতি গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাবে পৰিগণিত হৈছে। পৰোক্ষ কৰৰ দুবিধ প্ৰাথমিক প্ৰকাৰ হ'ল সামগ্ৰী আৰু সেৱা কৰ আৰু আবকাৰী শুল্ক।

৮.৪ পৰোক্ষ কৰৰ বৈশিষ্ট্যসমূহ

পৰোক্ষ কৰৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল---

১) **কৰযোগ্য সময় ঃ** পৰোক্ষ কৰসমূহ উৎপাদনৰ সময়ছোৱাতে সামগ্ৰীৰ ওপৰত আৰোপ কৰা হয় নতুবা সামগ্ৰীৰ ক্ৰয় বা বিক্ৰী বা আমদানি-ৰপ্তানি আৰু সেৱা প্ৰদানৰ সময়তে আৰোপ কৰ হয়।

২) **ক্ৰমহ্ৰাসমান প্ৰকৃতি ঃ** পৰোক্ষ কৰসমূহ কৰ যোগ্য সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ নকৰে কাৰণ সামগ্ৰী এবিধ ধনী বা দুখীয়া ব্যক্তিয়ে কিনিলেও তাত কৰ পৰিশোধৰ পৰিমাণ একে থাকে।

৩) **কৰৰ বোজা স্থানান্তৰ ঃ** পৰোক্ষ কৰৰ ক্ষেত্ৰত কৰৰ বোজা যোগানকাৰীৰ পৰা ক্ৰেতালৈ স্থানান্তৰ কৰা হয়।

৪) **মানসিক চাপ কম ঃ** যিহেতু সামগ্ৰীৰ দামে পৰোক্ষ কৰক সামৰি লয়, অন্তিম কৰদাতা উপভোক্তাজনে পৰোক্ষ কৰ পৰিশোধ কৰোতে বোজাৰ অনুভৱ নকৰে। গতিকে পৰোক্ষ কৰক প্ৰত্যক্ষ কৰতকৈ মানসিক চাপ কম।

৫) **মুদ্ৰাস্ফীতিকাৰক ঃ** সামগ্ৰীৰ আৰু সেৱাৰ ওপৰত কৰে ইয়াৰ দাম বৃদ্ধি কৰে। ইয়ে মুদ্ৰাস্ফীতিৰ ফালে গতি কৰে।

৬) **সমাজ কল্যাণ সাধন কৰে ঃ** স্বাস্থ্যৰ প্ৰতি অনিষ্ট কাৰক দ্ৰব্য যেনে— এলকহল, টবাক ইত্যাদিৰ ওপৰত উচ্চ হাৰত কৰ আৰোপ কৰে। এই ব্যৱস্থাই কেৱল এনে সামগ্ৰীৰ উপভোগেই নিৰুৎসাহ প্ৰদান নকৰে, বৰঞ্চ ৰাজ্যৰ ৰাজহো বৃদ্ধি কৰে।

৭) **ৰাজহৰ উৎস ঃ** পৰোক্ষ কৰে চৰকাৰৰ ৰাজহৰ উৎসলৈ বৃহৎ বৰঙনি আগবঢ়ায়। ভাৰতত, মুঠ কৰ ৰাজহত পৰোক্ষ কৰৰ বৰঙনি ৫০% ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পৰোক্ষ কৰৰ সংজ্ঞা দিয়া।

.....

.....

প্ৰশ্ন নং ২ ঃ পৰোক্ষ কৰৰ দুটা বৈশিষ্ট্য লিখা।

.....

.....

৮.৫ GST পূৰ্বৰ সাংবিধানিক সুবিধাসমূহ/ব্যৱস্থা

ভাৰতৰ সংবিধানে কৰ আৰোপ আৰু কৰ সংগ্ৰহৰ বাবে ক্ষমতা প্ৰদান কৰে। সাংবিধানিক ক্ষমতা অবিহনে কোনোৱে কৰ আৰোপ আৰু সংগ্ৰহ কৰিব নোৱাৰে। ২০১৭ চনৰ জুনৰ আগৰ সময়ছোৱাত কৰৰ সম্পৰ্কত তলত উল্লেখ কৰা ব্যৱস্থাৱলী প্ৰদান কৰিছে--

অনুচ্ছেদ ২৬৫ ঃ আইনৰ কৰ্তৃত্বৰ বাহিৰে কোনেও কৰ আৰোপ আৰু সংগ্ৰহ কৰিব নোৱাৰিব। 'আইনৰ কৰ্তৃত্ব'ই ইয়াকে বুজাই যে যিকোনো প্ৰস্তাৱিত কৰ বিধান মণ্ডলৰ বিধানী ক্ষমতাৰ অধীনত আৰোপ কৰিব লাগে।

অনুচ্ছেদ ২৪৬ ঃ ই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক কৰ আৰোপ কৰাৰ কৰ্তৃত্ব প্ৰদান কৰে। য'ত সংসদে সমগ্ৰ ভাৰত বা কোনো এটা অঞ্চল বিশেষৰ বাবে আইন প্ৰস্তুত কৰিব পাৰে। সেইদৰে ৰাজ্যিক বিধান পৰিষদেও সমগ্ৰ ৰাজ্য বা কোনো এটা অঞ্চল বিশেষৰ বাবে আইন তৈয়াৰ কৰিব পাৰে।

সপ্তম অনুসূচী (২৪৬ অনুচ্ছেদ) ঃ সপ্তম অনুসূচীত তিনিখন তালিকা থাকে যিখিনিয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে আইন প্ৰস্তুত কৰিব পৰা কৰ্তৃত্বক সূচায়।

(ক) তালিকা ১ (কেন্দ্ৰীয় তালিকা) ঃ কেন্দ্ৰীয় চৰকাৰে তালিকাত উল্লেখ থকা যিকোনো

বিষয় সংক্রান্তত আইন প্রস্তুত কৰিবলৈ সম্পূর্ণ অধিকাৰ আছে। এই ক্ষেত্রত সংসদে আইন প্রস্তুত কৰে। এই তালিকাত উল্লেখ থকা কিছুমান বিষয় হ'ল ভাৰতৰ প্রতিৰক্ষা নৌসেনা, সেনাবাহিনী আৰু বায়ুসেনা, এটমিক শক্তি আৰু খনিজ সম্পদ central bureau of intelligence and investigation, ৰে'লসেৱা, হাইৱে, মুদ্রা, RBI, ডাকঘৰ সেৱা বেংক, কৃষিৰ বাদে অন্য আয়ৰ ওপৰত কৰ, আবকাৰী শুল্ক, সমবায় কৰ আদি।

(খ) **তালিকা ২ (ৰাজ্যিক সূচী) ঃ** ইয়াত ৰাজ্য চৰকাৰে যিকোনো বিষয় সংক্রান্তত ল'ব পৰা আইন প্রণয়ন কৰিব পৰা অধিকাৰ বিষয়সমূহ উল্লেখ আছে। এই বিষয়সমূহ হ'ল ৰাজহুৱা আদেশ, আৰক্ষী, স্থানীয় চৰকাৰ ৰাজহুৱা স্বাস্থ্য আৰু হস্পিতেল, শ্মশান আৰু শ্মশানথলী, সৎকাৰথলী, পানী, ফিচাৰী, যোৱা-বাজী ইত্যাদি।

(গ) **সমৱর্তী সূচী ঃ** ই সেইসমূহ বিষয় সামৰি লয় য'ত কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰে দুয়োৰে আইন প্রস্তুত কৰাৰ ক্ষমতা থাকে। এই সূচীত অপৰাধ আইন, অপৰাধ প্রক্রিয়া, বিবাহ আৰু বিচ্ছেদ ন্যায় আৰু ন্যায়ৰক্ষী, শ্রমিক সংঘ, উদ্যোগীক আৰু শ্রমিক বিভাগ ইত্যাদি থাকে।

ওপৰোক্ত আলোচনাৰ পৰা আমি প্রধান কৰসমূহ কেন্দ্রীয় আৰু ৰাজ্যিক সূচীত অন্তর্ভুক্ত কৰিব পাৰো।

কেন্দ্রীয় সূচী ঃ

- কৃষি আয়ৰ বাহিৰে অন্যান্য আয়ৰ ওপৰত কৰ।
- ৰপ্তানি শুল্ককে ধৰি অন্যান্য শুল্কসমূহ।
- ভাৰতত উৎপাদন হোৱা মানৱ উপভোগৰ বাবে ব্যৱহৃত আৰু এলকহলৰ বাহিৰে গাঞ্জা, নিদ্রাজনীত ঔষধ আৰু ধপাতৰ ওপৰত শুল্ক।
- সমবায় কৰ।
- বাতৰি কাকতৰ বাহিৰে আন্তঃৰাজ্যিক সামগ্রীৰ বাণিজ্যত কৰ।
- সামগ্রীৰ আন্তঃৰাজ্যিক হস্তান্তকৰণৰ ওপৰত কৰ ।
- তালিকা II বা III ত অন্তর্ভুক্ত নোহোৱা যিকোনো বিষয়ত।

ৰাজ্যিক সূচী ঃ

- কৃষি আয়ৰ ওপৰত কৰ।
- নিচাযুক্ত দ্রব্য, গাঞ্জা, নিদ্রাজনিত ঔষধৰ ওপৰত উৎপাদন শুল্ক।
- নগৰ শুল্ক বা প্রৱেশ কৰ।
- বাতৰি কাকতৰ বাহিৰে আন্তঃৰাজ্যিক সামগ্রীৰ আন্তঃৰাজ্যিক বাণিজ্যৰ ওপৰত কৰ।
- বাতৰি কাকতত দিয়া বিজ্ঞাপনৰ বাহিৰে অন্য বিজ্ঞাপনত কৰ।
- পথ বা জলপথেদি কঢ়িয়াই নিয়া সামগ্রী আৰু যাত্রীৰ ওপৰত কৰ।
- বৃত্তিধাৰী ব্যক্তি, বাণিজ্য, সাক্ষাৎকাৰ আৰু নিযুক্তিৰ ওপৰত কৰ।
- উত্তৰ GST ৰ সংবিধানিক প্রেক্ষাপট।

৮.৬ উত্তৰ GST ৰ সাংবিধানিক প্ৰেক্ষাপট

২০১৪ চনত সংবিধানে (১২২তম সংশোধন) GST ৰ আৰম্ভণি কৰে। ইয়াৰ পিছত ২০১৬ চনৰ ৮ ছেপ্টেম্বৰত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে ইয়াক অনুমোদন জনায় আৰু ২০১৬ চনত ই সাংবিধানিক ৰূপ লয়।

GST ত তলত উল্লেখ কৰা সংশোধনসমূহ কৰা হয়।

ক) সামগ্ৰী আৰু সেৱা নিয়ন্ত্ৰণৰ বাবে বিধি প্ৰস্তুত কৰিবলৈ সংসদ আৰু ৰাজ্যিক বিধান পৰিষদৰ ওপৰত সমৱৰ্তী ক্ষমতা।

খ) ২৪৬ অনুচ্ছেদ, অনুসৰি প্ৰত্যেক ৰাজ্যৰ বিধানমণ্ডল তথা সংসদক GST আৰোপ কৰিবলৈ ক্ষমতা প্ৰদান।

১) GST কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা ।

২) IGST ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা।

৩) SGST ৰাজ্যিক চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা।

৪) UTGST ভাৰত চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা।

গ) GST আয়োগৰ পৰামৰ্শ অনুসৰি IGST কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত বিভাজন হ'ব।

ঘ) মানৱ উপভোগৰ বাবে প্ৰাপ্ত নিচাযুক্ত দ্ৰব্যৰ বাদে GST সকলো সামগ্ৰী আৰু সেৱাৰ যোগানৰ ওপৰত আৰোপ কৰা হ'ব।

ঙ) ভাৰতৰ সংবিধানৰ ২৬৯ অনুচ্ছেদৰ ব্যাখ্যাই বুজায় যে সামগ্ৰীৰ আৰু সেৱাৰ ৰপ্তানিক আন্তঃৰাজ্যিক বাণিজ্যক সময়ছোৱাত সামগ্ৰী আৰু সেৱাৰ যোগান বুলিলে বিবেচনা কৰা হয়। সামগ্ৰীৰ ৰপ্তানিৰ ক্ষেত্ৰত IGST মূল আবকাৰী শুল্কৰ স'তে আৰোপ কৰা হ'ব। ইয়াৰ অৰ্থ হ'ল CVD + Spl ৰ পুনঃ স্থানান্তৰ কাৰণত IGST আৰোপ কৰা হ'ব। সেৱাৰ ৰপ্তানিৰ ক্ষেত্ৰত কেৱল IGSTৰে আৰোপ কৰা হ'ব।

চ) যোগানৰ নীতিসমূহ আৰু আন্তঃৰাজ্যিক বাণিজ্য-বেপাৰৰ সময়ছোৱাত হোৱা যোগানৰ সিদ্ধান্ত সংসদে গ্ৰহণ কৰিব ।

ছ) ভাৰতত তৈয়াৰ হোৱা বা উৎপাদন হোৱা যিসমূহ সামগ্ৰীৰ ওপৰত কেন্দ্ৰীয় উৎপাদন শুল্ক আৰোপ কৰা হ'ব সেইসমূহ হ'ল-

১) পেট্ৰলিয়ামজাত

২) উচ্চ গতিৰ ডিজেল

৩) মটৰ spirit (পেট্ৰল হিচাবে জনাজাত)

৪) প্ৰাকৃতিক গেছ

৫) বিমানৰ টাৰবাইন ইন্ধন, আৰু

৬) ধঁপাত আৰু ধঁপাতজাতীয় সামগ্ৰী

যি কি নহওক, এবাৰ GST ৰূপায়ণ কৰাৰ পিছত এনেবিলাক সামগ্ৰীৰ ওপৰত কোনো শুল্ক নাথাকিব।

ছ) তলত উল্লেখ কৰাৰ সামগ্ৰীসমূহৰ ওপৰত বিক্ৰী কৰ ধাৰ্য্য কৰাৰ ক্ষমতা এতিয়াও ৰাজ্য চৰকাৰক প্ৰদান কৰা হৈছে।

ক) অশোধিত পেট্ৰলিয়াম

খ) উচ্চ গতিবেগৰ ডিজেল

গ) মটৰ spirit (পেট্ৰল হিচাবে জনাজাত)

ঘ) প্ৰাকৃতিক গেছ

ঙ) বিমানজাত টাৰবাইন ইন্ধন

চ) মানৱ উপভোগৰ বাবে প্ৰাপ্ত নিচাজাতীয় দ্ৰব্য মানৱ উপভোগৰ বাবে নিচাজাতীয় দ্ৰব্যৰ বাদে সকলোতে GST য়ে সামৰি লয়। মানৱ উপভোগৰ বাবে প্ৰাপ্ত নিচাজাতীয় দ্ৰব্যৰ ওপৰত উৎপাদন শুল্ক আৰু বিক্ৰীকৰ। এইদৰে, ২০১৭ চনৰ ১২ এপ্ৰিলত নিমোক্ত বিলকেইখন আইনত পৰিণত হয়।

- কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱাকৰ বিল, ২০১৭
- সম্মিলিত সামগ্ৰী আৰু সেৱা বিল, ২০১৭
- কেন্দ্ৰীয় শাসিত অঞ্চলৰ সামগ্ৰী আৰু সেৱাকৰ, ২০১৭
- সামগ্ৰী আৰু সেৱাকৰ ৰাজ্যসমূহলৈ ক্ষতিপূৰণ বিল, ২০১৭

ভাৰতত সামগ্ৰী আৰু সেৱা কৰ (GST) ২০১৭ চনৰ ১ জুলাইত ৰূপায়ণ কৰা হৈছে। স্বাধীনতাৰ পিছৰ পৰা ভাৰতত GST হ'ল আটাইতকৈ বুৰঞ্জীমূলক পদক্ষেপ। ইয়াৰ উদ্দেশ্য হ'ল সমগ্ৰ ভাৰততে এক একক একত্ৰিত কৰ প্ৰণয়ন কৰা। ই এক সামগ্ৰী তথা সেৱাৰ ওপৰত পৰোক্ষ কৰৰ ভিত্তিত ই ৰাষ্ট্ৰীয় পৰ্যায়ত এক সামূহিক লক্ষ্য। ইয়াৰ প্ৰধান উদ্দেশ্য হ'ল বহুমূখী কৰক একক কৰলৈ পৰিৰেশিত কৰা। এইদৰে ই বহুতো কৰক সামৰি লয় আৰু পূৰ্বৰ পৰোক্ষ কৰৰ গাঁথনিৰ দুখসমূহ আঁতৰ কৰে। ইয়াৰোপৰি ই কৰ প্ৰশাসনৰ দক্ষতা বৃদ্ধি কৰে আৰু সমগ্ৰ ৰাষ্ট্ৰকে এক বজাৰলৈ ৰূপান্তৰ কৰে।

GST হ'ল 'লক্ষ্য নীতি' ওপৰত ভিত্তি কৰি আৰোপ কৰা এবিধ উপভোগ কৰ। এই ধাৰণা সামগ্ৰীৰ যোগানৰ সময়ত আৰোপিত কৰ বা উপভোগৰ সময়ত কৰা সেৱাৰ সৈতে সম্পৰ্কিত।

ইয়াৰোপৰি, ই সামগ্ৰী আৰু সেৱাক সামৰি লোৱা এক সামূহিক কৰ প্ৰশাসন আৰু ইয়াক যোগান প্ৰক্ৰিয়াৰ প্ৰতিটো পৰ্যায়ত মূল্য সংযোজনৰ ভিত্তিত সংগ্ৰহ কৰা হয়। ইয়াৰোপৰি, সামগ্ৰী আৰু সেৱাৰ উপাৰ্জনৰ ওপৰত পৰিশোধ কৰা GST সামগ্ৰী আৰু সেৱাৰ যোগানৰ বিপৰীতে ৰাখিব পাৰি। GST ৰ ৰূপায়ণে পৰিৱৰ্তনশীল প্ৰভাৱ হ্ৰাস কৰে, সেয়া হ'ল মূল্য সংযোজনৰ যোগেদি কেন্দ্ৰীয় ৰাজ্যিক কৰৰ ওপৰত কৰ আৰোপ, কৰৰ সুবিধা প্ৰদান কৰে। এয়া কৰা হয় মূল উৎপাদনকাৰী আৰু সেৱা প্ৰদানকাৰীৰ পৰা উপভোক্তাৰ পৰ্যায়লৈকে।

পূৰ্বৰ পৰোক্ষ কৰৰ সময়ত ৰাজ্য আৰু কেন্দ্ৰৰ ওপৰত বহুতো কৰ প্ৰৱৰ্তন কৰা হৈছিল। উৎপাদন শুল্ক ভাৰততে তৈয়াৰ হোৱা সামগ্ৰীৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে কৰ আৰোপ কৰিছিল আৰু ভাৰততে প্ৰদান কৰা সেৱাসমূহৰ ওপৰত মূল্য সংযোজিত কৰ সংগ্ৰহ কৰিছিল। প্ৰত্যেক ৰাজ্যৰে পৃথক পৃথক বিধি আৰু নিয়ম আছিল। কেন্দ্ৰীয় বিক্ৰী কৰ (CST) আন্তঃৰাজ্যিক সামগ্ৰীৰ আন্তঃৰাজ্যিক বিক্ৰীৰ ওপৰত আৰোপ কৰা হৈছিল। এইসমূহ কেন্দ্ৰই আৰোপ কৰিছিল আৰু ৰাজ্যই সংগ্ৰহ কৰিছিল। এইসমূহৰ বাদেও আৰু বহুসংখ্যক পৰোক্ষ কৰ আছিল, যিবিলাক কেন্দ্ৰ আৰু ৰাজ্যই প্ৰৱৰ্তন কৰিছিল। GST য়ে বিভিন্ন পৰোক্ষ কৰক এবিধ কৰলৈ থুপ খোৱায় আনিলে আৰু কৰ প্ৰৱৰ্তন ব্যৱস্থাক চমু কৰি পেলালে। কিন্তু যিকি নহওঁক ৰপ্তানিৰ ওপৰত মূল আৱকাৰী শুল্ক একেধৰণেৰে বাহাল থাকিল।

৮.৭ GST ৰ বৈশিষ্ট্যসমূহ

১) GSTয়ে পূৰ্বৰ সামগ্ৰীৰ উৎপাদন আৰু সামগ্ৰী বিক্ৰী নাই সেৱাৰ সুবিধাৰ ওপৰত পৃথক পৃথক কৰৰ ধাৰণাৰ বিপৰীতে সামগ্ৰীৰ বা সেৱাৰ ওপৰতহে প্ৰযোজ্য হয়।

২) GST পূৰ্বৰ ধাৰণাৰ মূল ভিত্তিক কৰৰ নীতিৰ বিপৰীতে লক্ষ্য নীতিৰ উপভোগ ভিত্তিক কৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত।

৩) ভাৰতত ৰূপায়ণ হোৱা GST এক দ্বৈত GST যাক কেন্দ্ৰ আৰু ৰাজ্যই একেসময়তে একেলগে প্ৰৱৰ্ত্তন কৰিব পাৰে। কেন্দ্ৰই আৰোপ কৰা GST ক কেন্দ্ৰীয় GST (CGST) আৰু ৰাজ্য (কেন্দ্ৰীয় শাসিত বিধান মণ্ডলসমূহ অন্তৰ্ভুক্ত কৰি) ই আৰোপ কৰা GST ক ৰাজ্যিক GST (SGST) বুলি কোৱা হয়। কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে বিধায়ক অবিহনেই UTGST প্ৰৱৰ্ত্তন কৰিব' পাৰে।

৪) এক একত্ৰিত GST (IGST) সেৱা আৰু সামগ্ৰীৰ আন্তঃৰাজ্যিক যোগান (including stock transfers) ৰ ওপৰত আৰোপ কৰা হয়।

৫) সামগ্ৰীৰ ৰপ্তানিক আন্তঃৰাজ্যিক যোগান হিচাবে বিবেচনা কৰা হয় আৰু IGST ৰ ভিতৰত ধৰা হয়। লগতে ইয়াত আবকাৰী শুল্কও প্ৰয়োগ হয়।

৬) সেৱাৰ ৰপ্তানীকো আন্তঃৰাজ্যিক যোগান হিচাবে বিবেচনা কৰা হয় আৰু IGST কৰা হয়।

৭) CGST, SGST/UTGST আৰু IGST, GST আয়োগৰ অধীনত কেন্দ্ৰ আৰু ৰাজ্য ৰ পাৰস্পৰিক সন্মতিমূলক হাৰত আৰোপ কৰা হয়।

৮) GST য়ে তলত উল্লেখ কৰা কৰসমূহৰ স্থান লৈছে আৰু এইসমূহ কেন্দ্ৰৰ দ্বাৰা সংগ্ৰহ কৰা হয়।

ক) কেন্দ্ৰীয় উৎপাদন শুল্ক

খ) Excise ৰ কৰ্তব্যসমূহ (মেডিকেল আৰু টয়লেত তৈয়াৰ কৰণ)

গ) Excise ৰ অতিৰিক্ত কর্তব্যসমূহ (বিশেষ গুৰুতৰ সামগ্রীসমূহ)

ঘ) Excise ৰ অতিৰিক্ত কর্তব্যসমূহ (বস্ত্রশিল্প আৰু বস্ত্রশিল্পজাত সামগ্রী)

৮.৮ GST ৰ সুবিধাসমূহ

GST ৰ আটাইতকৈ গুৰুত্বপূর্ণ সুবিধাটো হ'ল যে ই কৰৰ আপাতন প্রভাৱ নোহোৱা কৰে। GSTয়ে পূর্বৰ পৰোক্ষ কৰ ব্যৱস্থাতকৈ বহুতো সুবিধা প্রদান কৰিছে। ই চৰকাৰ, উদ্যোগৰ অংশীদাৱসকল আৰু উৎভোক্তাসকলক লাভ আগবঢ়াইছে। ই সামগ্রী আৰু সেৱাৰ ব্যয় হ্রাস কৰিব বুলি আশা কৰা হৈছে। এইদৰে ই অর্থনীতিক গতি প্রদান কৰিব আৰু উৎপাদিত সামগ্রী আৰু সেৱাক গোলকীয় বজাৰত প্রতিযোগিতামূলক কৰি তুলিব।

(ক) নাগৰিকসকলৰ প্রতি ঃ

১) সৰল কৰ ব্যৱস্থা (দেশজুৰি একক কৰ হাৰ)

২) আপাতন প্রভাৱ নোহোৱা বাবে সামগ্রী আৰু সেৱাৰ দাম হ্রাস হয়। (i.e. কৰৰ ওপৰত কৰ নাই)

৩) দেশজুৰি একে দৰ

৪) কৰ ব্যৱস্থাৰ স্বচ্ছতা

৫) নিয়োগৰ সুযোগ বৃদ্ধি (কাৰণ GST ৰ ব্যৱসায় কার্য কার্যকৰা কৰিবলৈ গণনাৰ কার্য্য পৰিচালনাৰ বাবে বহুসংখ্যকলোকৰ প্রয়োজন হয়া আৰু GST ৰ কাগজী কাম-কাজত মাহেকীয়া আৰু পষেকীয়া দৰমহা প্রাপ্তিৰ সুবিধা দিয়ে।

খ) বাণিজ্য- উদ্যোগৰ প্রতি

১) কৰৰ ভিন্নতা হ্রাস (কেন্দ্র আৰু ৰাজ্যিক পর্যায়ত প্রায় ১৭টা কৰ উঠাই দিয়া হয় আৰু একক কৰ GST ৰ পৰিচয় কৰা হয়। ই ব্যৱসায়ক প্রকৃততে লাভ প্রদান কৰে।)

২) আপাতন/দ্বৈত কৰ হ্রাস

৩) ৰপ্তানী কৰৰ দক্ষতামূলক নিষ্ক্রীয়কৰণ

৪) সাধাৰণ ৰাষ্ট্রীয় বজাৰৰ বিকাশ

৫) সৰল কৰ প্রশাসন য'ত নিম্ন কৰৰ হাৰ নিম্ন আৰু ৰেহাই ।

গ) কেন্দ্র/ৰাজ্য চৰকাৰৰ প্রতি ঃ

১) বৈদেশিক বিনিয়োগক উৎসাহ যোগাবলৈ এক সাধাৰণ ৰাষ্ট্রীয় বজাৰৰ সুবিধা আৰু "Make in India" ৰ প্রচাৰ ।

২) ৰপ্তানী/উৎপাদনমূলক কার্য্যৰ প্রতি উদগনি, অধিক নিয়োগৰ সুবিধা, যিয়ে দৰিদ্রতা হ্রাস আৰু GDP ৰ বৃদ্ধি।

৩) দেশৰ সামগ্রিক বিনিয়োগৰ পৰিবেশ উন্নত কৰা যিয়ে ৰাজ্যসমূহৰ উন্নয়ণত বৰঙনি যোগাব।

৪) কৰফাঁকিৰ সম্ভাৱনা হ্রাস একে সমান কৰ SGST আৰু IGST।

৫) বিভিন্ন তথ্য ৰক্ষণ নথকাৰ সংকলন ব্যয়ো হ্রাস হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ চূড়ান্ত উপভোক্তাৰ প্রতি GST ৰ দুটা সুবিধা উল্লেখ কৰা।

.....

.....

প্রশ্ন নং ৪ ঃ GSTয়ে সামৰি নোলোৱা বিষয়সমূহৰ উল্লেখ কৰা।

.....

.....



৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- পৰোক্ষ কৰৰ বিষয়ে, ইয়াৰ অর্থ আৰু বৈশিষ্ট্য বিষয়ে ।
- GST ৰ পূর্বৰ পৰোক্ষ কৰৰ ক্ষেত্রত সাংবিধানিক ব্যৱস্থাসমূহ
- GST সূচনাৰ দিশত হোৱা সাংবিধানিক প্রেক্ষাপট
- আমি সামগ্রী আৰু সেৱাৰ বাবে পৰিশোধ কৰা কৰ আমিয়ে উপভোগ কৰ মূলতঃ সেইসমূহো পৰোক্ষ গঠন কৰে। সেইসমূহক পৰোক্ষ কৰ এইবাবে কোৱা হয় কাৰণ এই কৰৰ বোজা এজন ব্যক্তিৰপৰা আন এজন ব্যক্তিলৈ স্থানান্তৰ হয়। ই প্রত্যক্ষ কৰৰ দৰে নহয় য'ত কৰৰ বোজা সেইজন ব্যক্তিয়ে বহন কৰিব যাৰ ওপৰত কৰ আৰোপ কৰা হয়।
- পৰোক্ষ কৰসমূহক উপভোগ্য কৰ বুলিও কোৱা হয় এই কৰসমূহ ক্রমহ্রাস প্রকৃতিৰ কাৰণ। এই কৰ সামর্থ্য নীতিৰ ওপৰত প্রতিষ্ঠিত নহয়।
- পূর্বতে ভাৰতত বহুতো কৰৰ প্রৱর্তন কৰা হৈছিল যেনে— উৎপাদন শুল্ক, আৱকাৰী শুল্ক, কেন্দ্রীয় বিক্রি কৰ, মূল্য সংযোজন কৰ (VAT), প্রৱেশ কৰ, ক্রয় কৰ, মনোৰঞ্জন কৰ, লটাৰী কৰ, যোৱা আৰু স্বত্ব, বিলাসী সামগ্রী কৰ, বিজ্ঞাপনৰ কৰ ইত্যাদি।



৮.১০ অধিক জানিবলৈ

১) Axmann's GST Acts with Rules & Forms [Bare Act] by Taxmann Publication.

২) Goods and Services Tax GST by by H.C. Mehrotra & V.P. Agarwal, Sahitya Bhawan Publications.

৩) GST: A Transformational Tax Reform by V. S. Krishnan.

৪) Goods and Services Tax (GST) in India by B. Viswanathan.



৮.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ আমি উপভোগ কৰা সামগ্রী আৰু সেৱাৰ ওপৰত যি কৰ পৰিশোধ কৰো মূলতঃ সেয়াই পৰোক্ষ কৰ। এইসমূহক পৰোক্ষ কৰ কোৱা হয় কাৰণ এই কৰৰ বোজা এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিলৈ স্থানান্তৰ কৰা হয়। ই প্রত্যক্ষ কৰৰ দৰে নহয় য'ত কৰৰ বোজা সেইজন ব্যক্তিয়ে বহন কৰে যাৰ ওপৰত কৰ আৰোপ কৰা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ ১) কৰযোগ্য সময় ঃ পৰোক্ষ কৰ সামগ্রীৰ উৎপাদন বা ক্রয় বা বিক্রী বা আনদানি ৰপ্তানি আৰু সেৱা আগবঢ়োৱাৰ সময়তে আৰোপ কৰা হয়।

২) ক্রমহ্রাসমান প্রকৃতিৰ ঃ পৰোক্ষ কৰ সামগ্রীৰ কৰ পৰিশোধ সামর্থ্যৰ ওপৰক নির্ভৰ নকৰে। পৰোক্ষ কৰ আৰোপিত সামগ্রী ধনী ব্যক্তি বা দুখীয়া ব্যক্তিয়ে কিনিলে ই সলনি নহয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ ১) আপাতন প্রভাৱ হ্রাস হোৱা বাবে সামগ্রী আৰু সেৱাৰ দাম হ্রাস হয়। (i.e. কৰৰ ওপৰত কৰ নাই)।

৪ নং প্রশ্নৰ উত্তৰ ঃ GST য়ে মানৱ উপভোগ্য নিচাযুক্ত দ্রব্যৰ বাহিৰে সকলো সামগ্রী সামৰি লয়।

৮.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ পৰোক্ষ কৰৰ অৰ্থ আৰু ধাৰণা আলোচনা কৰা।

প্ৰশ্ন ২ ঃ পৰোক্ষ কৰৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

প্ৰশ্ন ৩ ঃ GST সূচনাৰ পূৰ্বে পৰোক্ষ কৰ সংক্ৰান্ত সংবিধানিক ব্যৱস্থাৱলী আলোচনা কৰা।

প্ৰশ্ন ৪ ঃ ভাৰতত GST ৰূপায়ণৰ পিছৰ সংবিধানিক প্ৰেক্ষাপটৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন ৫ ঃ GST ৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

প্ৰশ্ন ৬ ঃ GST ৰ সুবিধাসমূহ আলোচনা কৰা।

*** ***** ***

অধ্যায় ৯ ঃ জি এছ টি পূর্বৰ পৰোক্ষ কৰসমূহ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ভাৰতবর্ষত পৰোক্ষ কৰৰ ইতিহাস

৯.৪ মূল্য সংযোজন কৰ

৯.৫ কেন্দ্রীয় বিক্রী কৰ

৯.৬ সেৱা কৰ

৯.৭ আবকাৰী শুল্ক

৯.৮ সীমাশুল্ক

৯.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.১০ অধিক জানিবলৈ

৯.১১ অগ্রগতিৰ খতিয়ান

৯.১২ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতবর্ষত পৰোক্ষ কৰৰ ব্যৱস্থাৰ ইতিহাস ব্যাখ্যা কৰা
- ভাৰতবর্ষত প্রযোজ্য হোৱা ভিন্ন প্রাক জি এছ টি কৰসমূহ আলোচনা কৰা।

৯.২ পৰিচয়

জি এছ টি আইনৰ পূর্বে ভাৰতবর্ষত বিভিন্ন পৰোক্ষ কৰৰ অস্তিত্ব আছিল। ভাৰতবর্ষত প্রযোজ্য হোৱা বিভিন্ন গুৰুত্বপূর্ণ পৰোক্ষ কৰসমূহ হৈছে মূল্য সংযোজন কৰ, সেৱা কৰ, আবকাৰী শুল্ক আৰু বহিঃশুল্ক। কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰসমূহে এই কৰসমূহ আৰোপ কৰাৰ ক্ষমতা পৃথকভাৱে ভগাই লৈছে। ভাৰতবর্ষত উৎপাদিত দ্রব্যসমূহৰ ওপৰত কেন্দ্রই আবকাৰী শুল্ক আৰোপ কৰে আৰু ভাৰতবর্ষত সেৱাসমূহৰ ওপৰত সেৱা কৰ আগবঢ়োৱা হয়। দ্রব্যৰ বিক্রীৰ ওপৰত ৰাজ্যসমূহে মূল্য সংযোজন কৰ সংগ্রহ কৰে। প্রত্যেক ৰাজ্যৰ পৃথক পৃথক আইন আৰু নীতিসমূহ থাকে। কেন্দ্রীয় বিক্রী কৰ দ্রব্যসমূহৰ আন্তঃৰাজ্যিক বিক্রীৰ ওপৰত প্রযোজ্য হয় আৰু কেন্দ্রীয় আৰু ৰাজ্য উভয় চৰকাৰৰ এই কৰ আৰোপিত হয়। এই সকলোবোৰৰ উপৰিও কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা অন্য বহুতো পৰোক্ষ কৰ আৰোপিত হয়। দ্রব্য আৰু সেৱা কৰ আইনে ভিন্ন পৰোক্ষ কৰ আৰোপণৰ ব্যৱস্থাক একগোট কৰি একক কৰলৈ একত্রিত কৰে যি কৰ


আৰোপণৰ এক শ্ৰেণী তৈয়াৰ কৰে। দ্ৰব্য আৰু সেৱা কৰ আইনৰ ৰূপায়ণৰ পিছত প্ৰাক্ জি এছ টি কৰসমূহ জি এছ টিত একত্ৰিত হয়। কিন্তু প্ৰাথমিক সীমাশুল্কসমূহ এতিয়াও দ্ৰব্য আমদানিৰ ওপৰত আৰোপিত হয়। এই অধ্যায়টিত দ্ৰব্য আৰু সেৱা কৰ আইন ৰূপায়ণ হোৱাৰ আগলৈকে প্ৰযোজ্য হোৱা অতি গুৰুত্বপূৰ্ণ পৰোক্ষ কৰসমূহ আলোচনা কৰিম।

৯.৩ ভাৰতবৰ্ষত পৰোক্ষ কৰৰ ইতিহাস

ভাৰতবৰ্ষত কৰ ৰোপণৰ ইতিহাস অতি পুৰণি যিহেতু কৌটিল্যই 'অৰ্থশাস্ত্ৰ'ত মৌৰ্যসকলৰ শাসনকালত কৰ প্ৰশাসনৰ বিভিন্ন উদাৰণৰ বিৱৰণী দিছে। সেই সময়ত কৰ দ্ৰব্যৰ বিনিময়ত সংগ্ৰহ কৰা হৈছিল। কৌটিল্যই বিস্তৃতভাৱে উল্লেখ কৰিছিল যে ৰজাসকলে বস্ত্ৰ উৎপাদন, মাদক দ্ৰব্য আৰু বস্ত্ৰৰ ওপৰত কৰসমূহ সংগ্ৰহ কৰিব পাৰে। ভাৰতত এক জি এছ টি পৰোক্ষ কৰ প্ৰশাসনৰ সৃষ্টি সম্পৰ্কে আবকাৰী শুল্কৰ জৰিয়তে চিনাক্ত কৰিব পাৰি যি ভাৰতবৰ্ষত ব্ৰিটিছসকলৰ দ্বাৰা আৰম্ভ হৈছিল। বিংশ শতিকাৰ পূৰ্ব কালত ব্ৰিটিছ শাসনে ভাৰতত নিমখ, চেনি, ইন্ধন, তেল ইত্যাদিত আবকাৰী শুল্ক আৰোপ কৰিছিল। সময়ৰ অতিক্ৰমত, আবকাৰী শুল্ক অন্য বণ্ডত বস্তুৰ আৰোপ কৰা হৈছিল আৰু ১৯৪৪ চনত, Central Excise Act বিধিগত কৰা হৈছিল। স্বাধীনতাৰ পাছতে, আবকাৰী শুল্ক আইন বাতিল কৰা নহ'ল যিহেতু ইয়াৰ জৰিয়তে চৰকাৰে সমাজৰ উন্নয়নৰ বাবে বহু পৰিমাণত আয় উপাৰ্জন কৰিছিল।

জি এছ টিৰ পূৰ্বত ভাৰতৰ পৰোক্ষ কৰসমূহৰ গঠন ভাৰতৰ সংবিধানৰ সপ্তম অনুসূচীৰ ভিত্তিত কৰা হৈছিল। এই সপ্তম অনুসূচীত তিনিখন সূচী আছিল অৰ্থাৎ কেন্দ্ৰীয় সূচী, য'ত কেন্দ্ৰীয় চৰকাৰী আইন তৈয়াৰ কৰিবলৈ সামৰ্থ আছিল, ৰাজ্য সূচী, য'ত অকল ৰাজ্য চৰকাৰ আইন তৈয়াৰ কৰিব পাৰে আৰু সমৱৰ্তী সূচী, য'ত কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্য চৰকাৰেও আইন তৈয়াৰ কৰিব পাৰে।

ভাৰতত প্ৰযোজ্য হ'ব জি এছ টি পূৰ্বৰ কৰসমূহৰ নক্সা তলত প্ৰস্তুত কৰা হৈছে ঃ



VAT আৰু Sales Tax ৰ সন্দর্ভত, প্রত্যেক ৰাজ্যৰ বস্তুৰ ক্রয়/বিক্রয়ৰ ক্ষেত্রত নিজৰ কৰ আইন আছিল। ইতিমধ্যে কেন্দ্রীয় চৰকাৰে মদ আৰু মাদক দ্রব্য ইত্যাদিৰ বাহিৰে বস্তুৰ উৎপাদনৰ ওপৰত আবকাৰী শুল্ক সংগ্রহ কৰে। মদ আৰু মাদক দ্রব্যৰ ওপৰত ৰাজ্য চৰকাৰে কৰ আৰোপ কৰে। GST পৰিচলনৰ পাছতো ৰাজ্যবোৰে মদৰ ওপৰত ৰাজ্যিক আবকাৰী শুল্ক আৰু বিক্রী কৰ আৰোপ কৰে। ৰাজ্য সীমিত আৰু আন্তঃৰাজ্যিক বিক্রীৰ ওপৰত কৰ সংগ্রহ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সুকীয়া ক্ষমতা আছে। সেয়া কৰ আৰোপ কৰা আৰু সংগ্রহ কৰা কেন্দ্রীয় চৰকাৰৰ সুকীয়া ক্ষমতা আছে। ৰাজ্য চৰকাৰে বিভিন্ন বিষয় যেনে- বিলাসী কৰ (luxury tax), ক্রয় কৰ (purchase tax), প্রৱেশ কৰ (entry tax) ইত্যাদিৰ জৰিয়তে বহু পৰিমাণত কৰ সংগ্রহ কৰে।

১৯৮৭ চনলৈকে, কেন্দ্রীয় আবকাৰী বস্তুৰ মুঠ মূল্যৰ ওপৰত সংগ্রহ কৰা হৈছিল। যিয়ে পৰিৱর্তনশীল প্রভাৱৰ সৃষ্টি কৰে। MODVAT আঁচনি এই পৰিৱর্তনশীল প্রভাৱক হ্রাস কৰিবলৈ সূচনা কৰা হৈছিল। পিছত MODVAT আঁচনিৰ ঠাইত CENVAT Credit আঁচনি সূচনা কৰা হয় যি সেৱা কৰতো বিস্তৃত কৰা হয়। তদুপৰি কেন্দ্রীয় ৰাজ্যবোৰক স্থানীয় বিক্রীৰ ওপৰত VAT আৰোপ কৰিবৰ বাবে সন্মত কৰোৱায়।

এই প্রক্রিয়া ২০০৩ৰ পৰা ২০০৮লৈকে চলি থাকে যাৰ জৰিয়তে ভাৰতৰ গোটেই ৰাজ্যসমূহ VAT অনুসৰণকাৰী ৰাজ্য হিচাপে গণ্য হয়। ২০০৩ চনত Haryana ৰাজ্য VAT সূচনা কৰা একমাত্র ৰাজ্য আছিল। ২০০৫ চনত প্রায়ভাগ ৰাজ্যই VAT সূচনা কৰিছিল আৰু ৰৈ যোৱা ৰাজ্যবোৰে পিছৰ বছৰত VAT অনুসৰণ কৰে।

GST আইন, ২০১৭ৰ পৰিণতকৰণৰ পাছত দেশত কৰ সংগ্রহালয়ত সমৰূপতা দেখিবলৈ পোৱা যায়। GST ৰ পূর্বে বিভিন্ন প্রকাৰৰ পৰোক্ষ কৰসমূহ (কেন্দ্রীয় আৰু ৰাজ্যিক স্তৰত) সেৱা আৰু দ্রব্যৰ ওপৰত আৰোপ কৰা হৈছিল। সেই কাৰণে একে দ্ব্য আৰু সেৱাৰ ওপৰত বহুসংখ্যক কৰসমূহ আৰোপ কৰা হৈছিল। তদুপৰি একে দ্রব্যৰ ওপৰত বিভিন্ন ৰাজ্যত বিভিন্ন হাৰত কৰ আৰোপ কৰা হৈছিল। তদুপৰি একে দ্রব্যতে দুয়ো কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰে কৰ আৰোপ কৰে। যিহেতু বিভিন্ন চৰকাৰে কৰসমূহ আৰোপ কৰে, ব্যৱসমূহক দ্রব্য ক্রয় কৰাৰ সময়ত পৰিশোধ কৰা কৰসমূহৰ লাভ ল'বলৈ দিয়া হোৱা নাছিল।

এতেকে, GST ৰ পূর্বে Input Tax Credit (ITC) শৃংখলা এখনীয়া নাছিল। আৰু এই সন্দর্ভত GST আইন ITC ৰ সমস্যা আঁতৰ কৰি গুৰুত্বপূর্ণ ভূমিকা আদায় কৰিছিল।

৯.৪ মূল্য সংযোজন কৰ

মূল্য সংযোজন কৰ হৈছে উৎপাদন তথা বিতৰণৰ প্রক্রিয়া বা শৃংখলাৰ প্রতিটো স্তৰত দ্রব্য আৰু সেৱাৰ ক্ষেত্রত সংযোজিত মূল্যৰ কৰ। পৰোক্ষ কৰৰোপণ অনুসন্ধান কমিটিয়ে মূল্য সংযোজন কৰৰ সংজ্ঞা এনেধৰণে দিছে। 'বহল অর্থত মূল্য সংযোজন কৰ হৈছে সকলো দ্রব্য আৰু সেৱাৰ (ৰপ্তানি আৰু চৰকাৰী সেৱাসমূহৰ বাদে) ওপৰত আৰোপিত কৰ, ইয়াৰ বিশেষ

বৈশিষ্ট্য হৈছে যে ই উৎপাদনৰ প্ৰতিটো স্তৰৰ পৰা আৰম্ভ কৰি খুচুৰা ব্যৱসায়লৈকে প্ৰতিটো স্তৰত সংযোজিত মূল্যৰ ওপৰত আৰোপিত হয়।

অসম মূল্য সংযোজন কৰৰ অর্থ হৈছে এনে এক কৰ যি পূবৱর্তী ক্ৰয়ৰ ক্ষেত্ৰত input tax credit ৰ ব্যৱস্থাৰ লগত সংগতি ৰাখি এজন পঞ্জীকৃত ব্যৱসায়ীৰ দ্বাৰা কৰা বিভিন্ন দ্ৰব্যৰ বিক্ৰীৰ শ্ৰেণীত যিকোনো দ্ৰব্যৰ বিক্ৰীৰ প্ৰতিটো বিন্দুত আৰোপিত কৰ।

মূল্য সংযোজন কৰ বুলিলে এজন উৎপাদনকাৰীয়ে (নির্মাণকাৰী অথবা বিতৰণকাৰী বা বিজ্ঞাপনৰ প্ৰতিনিধি) তেওঁৰ নতুন বা বিকশিত দ্ৰব্য বা সেৱা বিক্ৰীৰ পূর্বে তেওঁৰ কেঁচা মানসমূহক ক্ৰয়সমূহৰ ক্ষেত্ৰত যি মূল্য সংযোজন কৰে তাক বুজা যায়। গতিকে সাধাৰণ অর্থত মূল্য সংযোজন কৰ হৈছে এটা কৰ যি দ্ৰব্য আৰু সেৱা উৎপাদন আৰু বিতৰণৰ বিভিন্ন স্তৰত হোৱা মূল্য সংযোজনৰ ওপৰত আৰোপিত হয়।

ই হৈছে এটা বহুস্তৰীয় বিক্ৰী কৰ (মূল্য হাৰত ৰপ্তানিসমূহ) যি প্ৰতিটো বিক্ৰী যি ক্ৰয়ৰ ওপৰত প্ৰদান কৰা কৰ ৰাহিৰ সুবিধাৰ সৈতে থাকে। তাৰ ওপৰত আৰোপ কৰা হয়। ইয়াক কেৱল প্ৰতিটো স্তৰত হোৱা ক্ৰমবর্দ্ধমান মূল্য সংযোজনৰ ওপৰত আৰোপিত কৰা হয়, Turnover tax ৰ নিচিনাকৈ ব্যৱসায়ীজনৰ মুঠ Turnover ৰ ওপৰত আৰোপ কৰা নহয়।

মূল্য সংযোজন কৰ হৈছে উপভোগ (Consumption)ৰ ওপৰত আৰোপিত এক পৰোক্ষ কৰ। এই কৰৰ অন্তিম আৰু সর্বমুঠ বোজা গ্ৰাহকসকলে বহন কৰিবলগীয়া হয়। মূল্য সংযোজন কৰে অন্য অতিৰিক্ত কৰসমূহৰ সৈতে স্থানীয় ৰাজ্যক বিক্ৰী কৰসমূহক সলনি কৰে।

মূল্য সংযোজন কৰ তিনি প্ৰকাৰৰ থাকে। এইবোৰ হৈছে (i) উৎপাদন প্ৰকাৰ VAT, (ii) আন প্ৰকাৰৰ VAT আৰু (iii) উপভোগ প্ৰকাৰৰ VAT.

এইবোৰ তলত আলোচনা কৰা হৈছে—

(i) উৎপাদন প্ৰকাৰ VAT ঃ যেতিয়া এটা উদ্যোগৰ দ্বাৰা সংযোজিত মূল্য গণনা কৰা হয় তেতিয় মূলধনৰ মূল্য, যেনে— যন্ত্ৰপাতি, কার্যালয় গৃহ (building) ইত্যাদি উদ্যোগটোৰ বিক্ৰী পৰিমাণৰ পৰা হ্ৰাস কৰা নহয়। তাৰোপৰি, কোনো অৱক্ষয়সমূহকো হ্ৰাস কৰা নহয়। কেৱল অনা মূলধনী ক্ৰয়সমূহকহে হ্ৰাস কৰা হয়। চমুকৈ ক'বলৈ গ'লে মূলধনী দ্ৰব্যসমূহৰ ওপৰত প্ৰদান কৰা কৰৰ ওপৰত কোনো Input tax credit উপলব্ধ নহয়। সেই গতিকে—

উৎপাদন প্ৰকাৰৰ VAT = মুঠ প্ৰাপ্তিসমূহ — মধ্যকালীন দ্ৰব্যসমূহৰ ওপৰত হোৱা ব্যয়

(ii) আন প্ৰকাৰৰ VAT ঃ এটা উদ্যোগৰ দ্বাৰা সংযোজিত মূল্য গণনা কৰা সময়ত, এই ব্যৱস্থাই অনা মূলধনী দ্ৰব্যসমূহৰ সম্পূর্ণ মূল্য আৰু বছৰটোৰ সময়ছোৱাত মূলধনী দ্ব্যসমূহৰ অৱক্ষয়ৰ পৰিমাণ হ্ৰাস কৰাৰ অনুমতি প্ৰদান কৰে। গতিকে মূলধনী দ্ৰব্যসমূহৰ ওপৰত কৰ প্ৰদানৰ ক্ষেত্ৰত ক্ৰেডিট সেই মূলধনীয় সামগ্ৰীৰ অস্তিত্বলৈ সম্প্ৰসাৰিত হয়। সেই গতিকে,

আয় প্ৰকাৰৰ VAT = মুঠ প্ৰাপ্তিসমূহ — মধ্যকালীন — অৱক্ষয় দ্ৰব্যসমূহৰ ওপৰত

হোৱা ব্যয়

(iii) উপভোগ প্রকাৰৰ VAT ঃ এই ব্যৱস্থাৰ অধীনত এটা উদ্যোগৰ দ্বাৰা সংযোজিত মূল্য গণনা কৰাৰ ক্ষেত্রত উদ্যোগটোৱে অনা মূলধনী inputs ৰ লগত মূলধনী দ্রব্যসমূহৰ সম্পূর্ণ মূল্য হ্রাস কৰাৰ সন্মতি লাভ কৰে। মূলধনী দ্রব্যসমূহৰ ওপৰত প্রদান কৰা কৰৰ ক্ষেত্রত ইয়াক সম্পূর্ণ ক্রেডিট দ্রব্যটো ক্রয় কৰা বছৰটোত প্রদান কৰা হয়। ই অৱক্ষয়ৰ কোনোধৰণৰ নিষ্পত্তিৰ সন্মতি নিদিয়ে আৰু যদিহে এনে হয়, তেনে ক্ষেত্রত মূলধনী দ্রব্যসমূহৰ মূল্য দুবাৰকৈ হ্রাস কৰা হয়। গতিকে কৰৰোপণ ব্যৱহাৰ ভিত্তি কেৱল ভোগ্য সামগ্রীৰ উৎপাদক মূল্যলৈকে সীমিত। সেই গতিকে—

ভোগ্য প্রকাশ VAT = মুঠ প্রাপ্তিসমূহ — মধ্যকালীন দ্রব্যসমূহৰ ওপৰত হোৱা ব্যয় — মূলধনী দ্রব্যসমূহৰ ওপৰত হোৱা ব্যয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মূল্য সংযোজন কৰ VAT ৰ সংজ্ঞা দিয়া।


.....

.....

প্রশ্ন নং ২ ঃ ভাৰতবর্ষত প্রযোজ্য হোৱা দুটা প্রাক্ জি এছ টি কৰ উল্লেখ কৰা।

.....

.....



৯.৫ কেন্দ্রীয় বিক্রী কৰ

কেন্দ্রীয় বিক্রী কৰ (CST) আছিল কেন্দ্রীয় চৰকাৰে দ্রব্য বিক্রীৰ ওপৰত আৰোপ কৰা কৰ। এই কৰ গোটেই ভাৰতত বিস্তাৰিত কৰা হৈছিল। কেন্দ্রীয় বিক্রী কৰ কেন্দ্রীয় চৰকাৰে CST আইনৰ অধীনত আৰোপ কৰিছিল কিন্তু এই কৰ ৰাজ্য চৰকাৰে দ্রব্যৰ বিক্রীৰ ওপৰত সংগ্রহ কৰিছিল। এতেকে সংগ্রহ কৰা কৰ ৰাজ্য চৰকৰে নিজে ব্যৱহাৰ কৰে। কেন্দ্রীয় শাসিত অঞ্চলৰ ক্ষেত্রত সংগ্রহ কৰা কৰ ভাৰতবর্ষত একত্রীকৃত পুঁজিত জমা কৰা হৈছিল। প্রত্যেক ব্যৱসায়ী যিজনে আন্তঃৰাজ্যিক স্তৰত দ্রব্য বিক্রী কৰে তেনে ব্যৱসায়ী পঞ্জীভুক্ত হ'ব লাগিব আৰু পঞ্জীয়নৰ প্রমাণপত্র তেওঁৰ ব্যৱসায়ৰ প্রত্যেক ঠাইত প্রদর্শিত হ'ব লাগিব। কেন্দ্রীয় বিক্রী কৰৰ আৰোপৰ ক্ষেত্রত বিক্রী সীমাৰ ওপৰত কোনোধৰণৰ ৰেহাই নাথাকে।

CST কেৱল আন্তঃৰাজ্যিক বিক্রীৰ ক্ষেত্রত প্রযোজ্য হয় আৰু ই ৰাজ্যৰ ভিতৰত অথবা দ্রব্য বিক্রীৰ আমদানি/ৰপ্তানিৰ ক্ষেত্রত প্রযোজ্য নহয়। অনুচ্ছেদ 3(a)/(b) ত দিয়া সংজ্ঞা অনুসৰি আন্তঃৰাজ্যিক লেনদেনৰ প্রকৃতি নির্দাৰিত হয়। যদি বিক্রী/ক্রয় ব্যৱস্থাত, এটা ৰাজ্যৰ পৰা অন্য এটা ৰাজ্যলৈ দ্রব্যৰ চলাচল হয়, তেন্তে ই হ'ল এটা আন্তঃৰাজ্যিক বিক্রী। গতিকে, প্রতিনিধিসকলক চালান প্রেৰণ বা অন্য শাখা বা অন্য কার্যালয়সমূহলৈ দ্রব্যসমূহৰ স্থানান্তৰকৰণক

বিক্রী হিচাপে গণ্য কৰিব নোৱাৰি। এনে দ্রব্যৰ বিক্রী য'ত দ্রব্যসমূহৰ আন্তঃৰাজ্যিক চলাচলৰ ক্ষেত্রত দ্রব্যৰ মালিকীস্বত্ব নথিপত্রসমূহৰ হস্তান্তৰকৰণৰ যোগেদি প্রভাৱিত হয়, তেন্তে বিক্রীকো আন্তঃৰাজ্যিক বিক্রী বুলিব পাৰি। এই আইনৰ অধীনত, দ্রব্যসমূহ শ্রেণীবিভাজিত হয় এনেধৰণে—

- আন্তঃৰাজ্যিক ব্যৱসায় অথবা বাণিজ্যৰ ক্ষেত্ত ঘোষিত দ্রব্যসমূহক বিশেষভাৱে গুৰুত্বপূর্ণ দ্রব্যসমূহ আৰু অন্যান্য দ্রব্যসমূহ।
- দ্বিতীয় বিভাগৰ অন্তর্ভুক্ত দ্রব্যসমূহৰ কৰৰ হাৰতকৈ ঘোষিত দ্রব্যসমূহৰ ওপৰত থকা কৰৰ হাৰসমূহ তুলনামূলকভাৱে কম। আনহাতে দ্রব্যসমূহ যিবোৰ এখন ৰাজ্যৰ ভিতৰত বিক্রী হয়। কিন্তু যেতিয়া ই যাতায়তৰ উদ্দেশ্যত অন্য ৰাজ্যসমূহত চলাচল কৰে। তেনে অৱস্থাত ইয়াক আন্তঃৰাজ্যিক বিক্রী হিচাপে বিবেচনা কৰা নহয়।

এই আইনত কৰ পৰিশোধ জমা, কৰ প্রদান, আৱেদনসমূহ ইত্যাদি সম্পর্কীয় নীতিসমূহৰ সম্পর্কে একো দিয়া হোৱা নাই। ইয়াৰ কাৰণে, এখন ৰাজ্যই ইয়াৰ নিজাববীয়া বিক্রী আইনৰ অধীনত মানি চলা নীতিসমূহৰ লগতে এই আইনৰ উদ্দেশ্যসমূহো মানি চলিব লাগে। যদিও কেন্দ্রীয় বিক্রী কৰৰ গঠন কেন্দ্রীয় চৰকাৰৰ দ্বাৰা কৰা হয়। কিন্তু ৰাজ্য চৰকাৰসমূহে এই কৰৰ লগত খাপ খাব পৰাকৈ জাননী আৰু পৰিৱর্তনৰ লগত সংগতি ৰাখি কেতবোৰ নীতি গঠন কৰিব পাৰে।

৯.৬ সেৱা কৰ

সেৱা কৰ বিত্তীয় বর্ষ ১৯৯৪-৯৫ সময়ছোৱাত কৰ সংস্কাৰৰ ওপৰত গঠন হোৱা ড° ৰাজা চেলীয়া (Dr. Raja Chelliah) কমিটীৰ অনুমোদন মর্মে আৰম্ভ হয়। সেৱা কৰৰ উদ্দেশ্যে অন্য কোনো পূর্বক আইন নাই। সেৱা কৰৰ ব্যৱস্থাৱলীসমূহ বিত্তীয় আইন ১৯৯৪ ৰ পঞ্চম অধ্যায়ত সন্নিৱিষ্ট কৰা হৈছে। সেৱা কৰৰ ক্ষেত্রত পৰিৱর্তনৰ ক্ষমতা কেন্দ্রীয় চৰকাৰৰ হাতত ন্যস্ত কৰা হৈছে। আৰম্ভণি অৱস্থাত তিনিটা সেৱাৰ ক্ষেত্রত ৫%ৰ সমহাৰত ধার্য কৰা হৈছিল। কিন্তু বিত্তীয় আইন ২০১২ৰ অধীনত কৰযোগ্য সেৱাসমূহৰ ইতিবাচক তালিকাক (Positive list), নেতিবাচক তালিকাৰ (negative list) সৈতে সলনি কৰা হয়। এনে ক্ষেত্রত নেতিবাচক তালিকা বা ৰেহাইকৃত তালিকাত উল্লেখিত সেৱাসমূহৰ বাদে বাকী সকলো সেৱাসমূহৰ ওপৰত সেৱা কৰ প্রযোজ্য হয়।

সেৱা কৰ কেন্দ্রীয় আবকাৰী আৰু সীমা শুল্ক ব'র্ডৰ দ্বাৰা পৰিচালিত হয় যি বিত্তীয় মন্ত্রালয়ৰ ৰাজহ বিভাগৰ অধীনস্থত কেন্দ্রীয় আবকাৰী আৰু সীমা শুল্ক ব'র্ডে কেন্দ্রীয় আবকাৰী বিভাগৰ জৰিয়তে সেৱা কৰসমূহ পৰিচালিত কৰে। এই উদ্দেশ্যেৰে আবকাৰী বিভাগৰ প্রতিটো কমিশ্যনাৰীৰ অধীনত সেৱা কৰ কোষ নামেৰে একো একোটা পৃথক কোষ গঠন কৰা হয়।

উন্নীত সেৱা খণ্ডৰ পৰা এক পর্যাপ্ত পৰিমাণৰ ৰাজহ সংগ্রহৰ অর্থে ভাৰতবর্ষত সেৱা কৰৰ আৰম্ভণি কৰা হৈছিল। যি পূর্বতে কৰ বিভাগৰ আওতালৈ অহা নাছিল। সেৱা কৰ নেতিবাচক তালিকাত উল্লেখিত সেৱাসমূহক বাদ দি অথবা কৰযোগ্য কেন্দ্রীয় শাসিত অঞ্চলত এজন

ব্যক্তিৰ দ্বাৰা অন্য ব্যক্তিলৈ সেৱা প্রদান অথবা সেৱা প্রদানৰ প্রতিশ্রুতি প্রদান বা নির্ধাৰিতভাৱে কৰ সংগ্রহক বাদ দি অন্য সকলো সেৱাৰ ওপৰত কৰ শতাংশ (১২%) হাৰত আৰোপ কৰা হয়।

সেৱা কৰ হৈছে স্থানভিত্তিক ভোগ কৰ যিসকলে বাণিজ্যিক কার্যসমূহৰ ক্ষেত্রত প্রযোজ্য হয় আৰু যি ব্যৱসায়ৰ ওপৰত আৰোপিত নহৈ গ্রাহকসকলৰ ওপৰত আৰোপিত হয় আৰু দেশৰ ভিতৰত কেৱল প্রদান কৰা সেৱাসমূহৰ ওপৰতহে আৰোপিত হয়। সেৱা কৰ প্রদানৰ liability ৰ উৎপত্তি হয় চামন জাৰি বা প্রাপ্তি সংগ্রহ বা সেৱা ব্যৱস্থাপনাৰ সমাপ্তি, এই তিনিওটাৰ ভিতৰত যিটো অংশত হয় তাৰ ওপৰত নির্ভৰ কৰি।

৯.৭ আবকাৰী শুল্ক

কেন্দ্রীয় আবকাৰী শুল্ক আইন ১৯৪৪ (যি ১৯৯৬ৰ পূর্বতে কেন্দ্রীয় আবকাৰী আৰু লোন আইন নামেৰে জনা গৈছিল)। ভাৰতবর্ষত নির্মিত তথা উৎপাদিত দ্রব্যসমূহ আৰু নিমখৰ লত জড়িত প্রধান নীতি আছিল। কমেও ১০খন পৃথক আবকাৰী আইন আৰু এঘাৰটা বিবিবদ্ধ নিয়মৰ গোটসমূহক সলনি কৰে। সেই গতিকে কেন্দ্রীয় আবকাৰী আইন ১৯৪৪ হৈছে কেন্দ্রীয় চৰকাৰৰ দ্বাৰা পৰিচালিত এক বিস্তৃত আবকাৰী শুল্ক আইন ব্যৱস্থা।

কেন্দ্রীয় আবকাৰী শুল্ক আৰোপ কৰা ক্ষমতা সংবিধানৰ পৰা প্রাপ্ত কৰা হৈছিল। সংবিধানৰ সপ্তম অনুসূচীৰ তালিকা ১ত উল্লেখ কৰা যিকোনো বিষয়ৰ ওপৰত আইন প্রস্তুত কৰাৰ বাবে ভাৰতীয় সংসদৰ বিশেষ ক্ষমতা আছে। সংবিধানৰ সপ্তম অনুসূচীৰ তালিকা ১ৰ ৮৪ নং প্রৱেশত লিখা আছে যে ঃ "Duties of excise on tobacco and other goods manufactured or produced in India, except alcoholic liquors for human consumption, opium, narcotics, but including medical and toilet preparations containing alcohol, opium or narcotics." কেন্দ্রীয় আবকাৰীয়ে ভাৰতীয় সংবিধানৰ সপ্তম অনুসূচীৰ তালিকা II (State List) বা তালিকা III (Concurrent List) ৰ অধীনত অন্তর্ভুক্ত থকা দ্রব্যসমূহ সামৰি লোৱা নাছিল। দ্রব্যসমূহ যেনে— আফিং, নিচা জাতীয় দ্রব্য আৰু মাদক দ্রব্যবোৰ কেন্দ্রীয় আবকাৰীৰ পৰিসৰৰ বাহিৰত আছিল। ঔষধ-সম্বন্ধীয় আৰু টয়লেট সামগ্রী য'ত মদৰ ব্যৱহাৰ হয় সেইবোৰ কেন্দ্রীয় আবকাৰীৰ সামৰি লোৱা হৈছিল।

কেন্দ্রীয় আবকাৰীৰ আৰোপ দ্রব্যৰ উৎপাদনৰ ওপৰত প্রযোজ্য। যদিও কৰ আৰোপযোগ্যৰ ঘটনা এটা নির্দিষ্ট সময়ত যাতে কৰৰ আৰোপ আৰু সংগ্রহ কাৰখানা/উৎপাদনৰ ঠাইৰ পৰা দ্রব্যৰ অপসাৰণ প্রক্রিয়ালৈকে পিছুৱাই দিয়া গৈছিল প্রশাসনিক সুবিধাৰ বাবে।

৯.৮ সীমাশুল্ক

সীমা শুল্ক এক প্রকাৰৰ পৰোক্ষ কৰ যিটো সীমা আইন, ১৯৬২ৰ অন্তর্গত আৰোপ কৰা হয়। সীমা শুল্ক ১৯৬২ এ বিভিন্ন প্রকাৰৰ জাহাজ বিমান, বাহন, ইত্যাদিৰ দেশলৈ অহা বা

দেশৰ পৰা বাহিৰলৈ যোৱা গতিবিধিত শাসন কৰে। এই আইন গোটেই ভাৰতবৰ্ষত প্ৰযোজ্য। সীমা আইন, ১৯৩২ কেৱল শুল্কৰ আৰোপন আৰু সংগ্ৰহ নিয়ন্ত্ৰণ নকৰে। আনকি অন্য সমানে গুৰুত্বপূৰ্ণ উদ্দেশ্য পূৰণ কৰে।

i) আমদানি আৰু ৰপ্তানি নিয়ন্ত্ৰণ

ii) স্থানীয় উদ্যোগক নিৰাপত্তা প্ৰদান কৰা

iii) চোৰাং কাৰবাৰৰ প্ৰতিৰোধ কৰা

iv) বৈদেশিক মুদ্ৰাৰ সংৰক্ষণ আৰু বৃদ্ধি কৰা।

সীমা আইন, ১৯৬২ৰ ধাৰা ১২ৰ মতে 'Duties of customs to be levied at such rates as may be specified under the Customs Tariff Act, 1975 or other applicable Acts on goods imported into or exported from India.'

সামগ্ৰী সীমা শুল্ক আৰোপনৰ বাবে সাজু হয় যেতিয়া সেইবোৰ ভাৰতলৈ আমদানিকৃত কৰা হয় বা ভাৰতৰ বাহিৰলৈ ৰপ্তানিকৃত কৰা হয়। দ্ৰব্যৰ ওপৰত সীমা শুল্ক, শুল্কৰ ঘোষণা কৰাৰ সময়ত আৰু তেনে দ্ৰব্যৰ মানিকৰ চিনাক্তকৰণৰ পাছত আৰোপ কৰা হয়। যদি কেন্দ্ৰীয় চৰকাৰ সন্তুষ্ট হয় যে কোনো দ্ৰব্যৰ ওপৰত সীমা শুল্ক ৰেহাই কৰাৰ উচিত তেনে ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে চৰকাৰী জাননীৰ যোগেদি ৰেহাই কৰিব পাৰে। এখন শুল্ক ৰেহাই জাননী প্ৰত্যাহাৰ কৰিব নোৱাৰি আৰু পূৰ্ব তাৰিখৰ পৰা শুল্ক দাবী কৰিব নোৱাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ কোনখন কমিটীয়ে ভাৰতত সেৱা কৰ আৰম্ভ কৰাৰ পৰামৰ্শ দিছিল?

.....

.....

প্ৰশ্ন নং ৪ ঃ সীমা শুল্ক বুলিলে কি বুজে?

.....

.....



৯.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ভাৰতবৰ্ষত প্ৰযোজ্য হোৱা বিভিন্ন গুৰুত্বপূৰ্ণ পৰোক্ষ কৰসমূহ হৈছে মূল্য সংযোজন কৰ, সেৱা কৰ, আবকাৰী শুল্ক আৰু বহিঃশুল্ক।

- জি এছ টিৰ পূর্বত ভাৰতৰ পৰোক্ষ কৰসমূহৰ গঠন ভাৰতৰ সংবিধানৰ সপ্তম অনুসূচীৰ ভিত্তিত কৰা হৈছিল।
- এই সপ্তম অনুসূচীত তিনিখন সূচী আছিল অর্থাৎ কেন্দ্রীয় সূচী, য'ত কেন্দ্রীয় চৰকাৰী আইন তৈয়াৰ কৰিবলৈ সামর্থ আছিল, ৰাজ্য সূচী, য'ত অকল ৰাজ্য চৰকাৰ আইন তৈয়াৰ কৰিব পাৰে আৰু সমৱর্তী সূচী, য'ত কেন্দ্রীয় চৰকাৰৰ লগতে ৰাজ্য চৰকাৰেও আইন তৈয়াৰ কৰিব পাৰে।
- GST ৰ পূর্বে Input Tax Credit (ITC) শৃংখলা এখনীয়া নাছিল।
- মূল্য সংযোজন কৰ হৈছে উৎপাদন তথা বিতৰণৰ প্রক্রিয়া বা শৃংখলাৰ প্রতিটো স্তৰত দ্রব্য আৰু সেৱাৰ ক্ষেত্রত সংযোজিত মূল্যৰ কৰ।
- অসম মূল্য সংযোজন কৰৰ অর্থ হৈছে এনে এক কৰ যি পূবৱর্তী ক্রয়ৰ ক্ষেত্রত input tax credit ৰ ব্যৱস্থাৰ লগত সংগতি ৰাখি এজন পঞ্জীকৃত ব্যৱসায়ীৰ দ্বাৰা কৰা বিভিন্ন দ্রব্যৰ বিক্রীৰ শ্রেণীত যিকোনো দ্রব্যৰ বিক্রীৰ প্রতিটো বিন্দুত আৰোপিত কৰ।
- মূল্য সংযোজন কৰ তিনি প্রকাৰৰ থাকে। এইবোৰ হৈছে (i) উৎপাদন প্রকাৰ VAT, (ii) আন প্রকাৰৰ VAT আৰু (iii) উপভোগ প্রকাৰৰ VAT.
- সেৱা কৰ বিত্তীয় বর্ষ ১৯৯৪-৯৫ সময়ছোৱাত কৰ সংস্কাৰৰ ওপৰত গঠন হোৱা ড° ৰাজা চেলীয়া (Dr. Raja Chelliah) কমিটীৰ অনুমোদন মর্মে আৰম্ভ হয়।
- সেৱা কৰৰ উদ্দেশ্যে অন্য কোনো পূর্বক আইন নাই।
- সেৱা কৰ কেন্দ্রীয় আবকাৰী আৰু সীমা শুল্ক ব'র্ডৰ দ্বাৰা পৰিচালিত হয় যি বিত্তীয় মন্ত্রালয়ৰ ৰাজহ বিভাগৰ অধীনস্থত কেন্দ্রীয় আবকাৰী আৰু সীমা শুল্ক ব'র্ডে কেন্দ্রীয় আবকাৰী বিভাগৰ জৰিয়তে সেৱা কৰসমূহ পৰিচালিত কৰে।
- কেন্দ্রীয় আবকাৰী শুল্ক আইন ১৯৪৪ (যি ১৯৯৬ৰ পূর্বতে কেন্দ্রীয় আবকাৰী আৰু লোন আইন নামেৰে জনা গৈছিল)। ভাৰতবর্ষত নির্মিত তথা উৎপাদিত দ্রব্যসমূহ আৰু নিমখৰ লত জড়িত প্রধান নীতি আছিল।
- সীমা শুল্ক এক প্রকাৰৰ পৰোক্ষ কৰ যিটো সীমা আইন, ১৯৬২ৰ অন্তর্গত আৰোপ কৰা হয়।
- সীমা আইন, ১৯৬২ৰ ধাৰা ১২ৰ মতে 'Duties of customs to be levied at such rates as may be specified under the Customs Tariff Act, 1975 or other applicable Acts on goods imported into or exported from India.'
- সামগ্রী সীমা শুল্ক আৰোপনৰ বাবে সাজু হয় যেতিয়া সেইবোৰ ভাৰতলৈ আমদানিকৃত কৰা হয় বা ভাৰতৰ বাহিৰলৈ ৰপ্তানিকৃত কৰা হয়।



৯.১০ অধিক জানিবলৈ

১) Direct Tax Laws & International Taxation by T. N. Manoharan, Snow White Publications.

২) Direct Taxes Law & Practice -With Special Reference To Tax Planning (61st Edition A.Y. 2019-20) by Vinod K. Singhania & Kapil Singhania.

৩) Income Tax Act, 1961, Bare Act.

৪) Income Tax Act by Girish Ahuja & Ravi Gupta.



৯.১১ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মূল্য সংযোজন কৰ তিনি প্ৰকাৰৰ থাকে। এইবোৰ হৈছে (i) উৎপাদন প্ৰকাৰ VAT, (ii) আন প্ৰকাৰৰ VAT আৰু (iii) উপভোগ প্ৰকাৰৰ VAT.

২ নং প্ৰশ্নৰ উত্তৰ ঃ মূল্য সংযোজন কৰ আৰু সেৱা কৰ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ Dr. Raja Chelliah Committee.

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সীমা শুল্ক এক প্ৰকাৰৰ পৰোক্ষ কৰ যিটো সীমা আইন, ১৯৬২ৰ অন্তৰ্গত আৰোপ কৰা হয়। সীমা শুল্ক ১৯৬২ এ বিভিন্ন প্ৰকাৰৰ জাহাজ বিমান, বাহন, ইত্যাদিৰ দেশলৈ অহা বা দেশৰ পৰা বাহিৰলৈ যোৱা গতিবিধিত শাসন কৰে। এই আইন গোটেই ভাৰতবৰ্ষত প্ৰযোজ্য।

৯.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাৰতত পৰোক্ষ কৰসমূহৰ ইতিহাসৰ ওপৰত এটি চমুটোকা লিখক।

প্ৰশ্ন ২ ঃ VAT ৰ সংজ্ঞা দিয়ক। VAT ৰ ওপৰত এটি টোকা লিখক।

প্ৰশ্ন ৩ ঃ কেন্দ্ৰীয় বিক্ৰী কৰৰ বিষয় আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ আবকাৰী শুল্ক ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ সেৱা কৰৰ ওপৰত চমুটোকা লিখক।

প্ৰশ্ন ৬ ঃ সীমা শুল্ক ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ ভাৰতত জি এছ টিৰ গাঁথনি

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ভাৰতত জি এছ টিৰ ইতিহাস
১০.৪ জি এছ টি কাউন্সিল
১০.৫ জি এছ টিৰ দ্বৈত আৰ্হি
    ১০.৫.১ চি জি এছ টি (CGST)
    ১০.৫.২ এছ জি এছ টি (SGST)
    ১০.৫.৩ ইউ টি জি এছ টি (UTGST)
    ১০.৫.৪ আই জি এছ টি (IGST)
১০.৬ জি এছ টি নেটৱর্ক
১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৮ অধিক জানিবলৈ
১০.৯ অগ্রগতিৰ খতিয়ান
১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতত জি এছ টিৰ ইতিহাস সম্পর্কে অৱগত হ'ব
- জি এছ টি কাউন্সিলৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- ভাৰতত কার্যকৰী হোৱা জি এছ টি ব্যৱস্থাৰ দ্বৈত মার্জিৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব
- জি এছ টি নেটৱর্কৰ বিষয়ে জানিব পাৰিব।

১০.২ পৰিচয়

পূর্বৰ অধ্যায়ত জি এছ টি প্রৱর্তন কৰাৰ পূর্বে কার্যকৰী হৈ থকা বিভিন্ন কৰসমূহ একক কৰ ব্যৱস্থাত অন্তর্ভুক্ত কৰা হৈছে। এই অধ্যায়ত, ভাৰতত জি এছ টিৰ চমু ইতিহাসৰ বিষয়ে আলোচনা কৰাৰ লগতে পৰিহাৰ কৰা মুখ্য কৰসমূহ আৰু যিবোৰ জি এছ টিত কার্যকৰী হোৱা নাই, সেইবোৰৰ কথাও আলোচনা কৰা হ'ব। লগতে ভাৰতত গ্রহণ কৰা জি এছ টি ব্যৱস্থাৰ বিষয়েও ব্যাখ্যা আগবঢ়োৱা হ'ব। ইয়াৰ উপৰিও জি এছ টি কাউন্সল আৰু জি এছ টি নেটৱর্কৰ বিষয়েও আলোচনা আগবঢ়োৱা হ'ব।

১০.৩ ভাৰতত জি এছ টিৰ ইতিহাস

১৯৫৪ চনত জি এছ টি ব্যৱস্থা কার্যকৰী কৰা এখন দেশখনেই হৈছে ফ্রান্স। বিগত ৬৩ বছৰত বিশ্বৰ আৰু ১৬০খন দেশে জি এছ টি ব্যৱস্থা গ্রহণ কৰিছে। ভাৰতত 'আর্থিক দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা (FRBM)ৰ ওপৰত গঠিত 'কেলকাৰ টাস্ক ফোর্চ' (Kelkar Task Force)এ ২০০৫ চনত কেন্দ্রীয় ভেট (VAT) আৰু ৰাজ্যিক ভেট (VAT) ব্যৱস্থাৰ সলনি সকলো দ্রব্য আৰু সেৱাৰ ওপৰত এটা বিস্তৃত কৰৰ ব্যৱস্থা গ্রহণ কৰিবলৈ পৰামর্শ প্রদান কৰিছিল। আয়োগখনে বহিঃশুল্ক (customs duty)ৰ বাহিৰে সকলো পৰোক্ষ কৰ দ্রব্য আৰু সেৱাৰ উৎপাদনৰ প্রতিটো স্তৰত আৰোপিত মূল্য সংযোজন কৰ (value added tax)ৰ দ্বাৰা পৰিৱর্তিত হ'ব লাগে বুলি মত প্রদান কৰিছিল।

পূর্বে, ২০০০ চনত সেই সময়ৰ প্রধানমন্ত্রীয়ে জি এছ টিৰ ধাৰণাটো আগবঢ়াইছিল আৰু দেশত জি এছ টিৰ আর্হি নির্মাণ কৰিবলৈ এখন কমিটি গঠন কৰিছিল। ২০০৩ চনত কেন্দ্রীয় চৰকাৰে 'আর্থিক দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা'ৰ এখন টাস্ক ফোর্চ গঠন কৰিছিল। এই টাস্ক ফোর্চে ২০০৪ চনত কেন্দ্রীয় আৰু ৰাজ্যিক ভেটৰ সলনি সকলো দ্রব্য আৰু সেৱাৰ ওপৰত এটা বিস্তৃত কৰ প্রৱর্তনৰ দ্বাৰা সেই সময়ত বাহাল থকা কৰৰ ব্যৱস্থাৰ সলনি জি এছ টি ব্যৱস্থা কার্যকৰী কৰিবলৈ উপদেশ প্রদান কৰিছিল। আয়োগখনে বহিঃশুল্কৰ বাহিৰে সকলো পৰোক্ষ কৰ দ্রব্য আৰু সেৱাৰ উৎপাদনৰ প্রতিটো স্তৰত আৰোপিত মূল্য সংযোজন কৰৰ দ্বাৰা পৰিৱর্তিত কৰিব লাগে বুলি মত প্রদান কৰিছিল। সেই সময়ৰ কেন্দ্রীয় বিত্ত মন্ত্রীয়ে ২০০৬-০৭ চনৰ বাজেটত জি এছ টি ব্যৱস্থা ২০১১ চনৰ ১ এপ্রিলৰ পৰা আৰম্ভ হ'ব বুলি কোৱাৰ লগতে নির্বাচন আয়োগে তেওঁৰ অনুৰোঘত ভাৰতত জি এছ টি প্রৱর্তনৰ বাবে এটা আঁচনি প্রস্তুতৰ উদ্দেশ্যে কেন্দ্রীয় চৰকাৰৰ সৈতে ভূমিকা পালন কৰিব বুলিও উল্লেখ কৰিছিল। এই ঘোষণাৰ পিছত, নির্বাচন আয়োগে ২০০৭ চনৰ ১০ মে'ত এটা যৌথ কার্য দল গঠন কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰিছিল, য'ত বিত্ত মন্ত্রীয়ে উপদেষ্টা, ক্ষমতায়িত কমিটীৰ সদস্য সচিবজন ইয়াৰ সহ-আহ্বায়ক, কেন্দ্রীয় বিত্ত মন্ত্র্যালয়ৰ ৰাজহ বিভাগৰ চাৰিগৰাকী যৌথ সচিব আৰু সকলো ৰাজ্যৰ বিত্তীয় সচিবসকল ইয়াৰ সদস্য হ'ব। যৌথ কার্যদলে তিনিটা উপদলত বিভক্ত হৈ কেইবালানিও আভ্যন্তৰীণ আলোচনা তথা বিশেষজ্ঞ আৰু চেম্বার্চ অৱ কমার্চ আৰু ইণ্ডাষ্ট্রিজৰ সৈতে মত বিনিময়ত মিলিত হৈছিল। এই আলোচনা আৰু মত-বিনিময়ৰ ভিত্তি উপদলসমূহে তেওঁলোকৰ প্রতিবেদন দাখিল কৰি যৌথ কার্যদলৰ প্রতিবেদনক শক্তিশালী কৰিছিল। (নৱেম্বৰ ১৯, ২০০৭)

নির্দিষ্ট কিছুমান সংশোধনীৰ সৈতে জি এছ টি বিধেয়কখন লোকসভা আৰু ৰাজ্যসভাত ২০১৬ চনৰ আগষ্ট মাহত গৃহীত কৰা হৈছিল। ইয়াৰ পিছত বিধেয়কখন প্রয়োজনীয় সংখ্যক ৰাজ্যই অনুমোদন জনাইছিল আৰু ২০১৬ চনৰ ৮ ছেপ্টেম্বৰত ৰাষ্ট্রপতিৰ স্বাক্ষৰ লাভ কৰাৰ পিছত সংবিধান সংশোধনী (১০১ নং) আইন, ২০১৬ হিচাপে ১৬/০৯/২০১৬ তাৰিখৰ পৰা কার্যকৰী হৈছিল।



भारत का राजपत्र
The Gazette of India
असाधारण
EXTRAORDINARY
भाग II — खण्ड 1
PART II — Section 1
प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY

सं॰ 55] नई दिल्ली, बृहस्पतिवार, सितम्बर 8, 2016/भाद्र 17, 1938 (शक)
No. 55] NEW DELHI, THURSDAY, SEPTEMBER 8, 2016/BHADRA 17, 1938 (SAKA)

इस भाग में भिन्न पृष्ठ संख्या दी जाती है जिससे कि यह अलग संकलन के रूप में रखा जा सके।
Separate paging is given to this Part in order that it may be filed as a separate compilation.

MINISTRY OF LAW AND JUSTICE
(Legislative Department)

New Delhi, the 8th September, 2016/Bhadra 17, 1938 (Saka)

The following Act of Parliament received the assent of the President on the 8th September, 2016, and is hereby published for general information:—

THE CONSTITUTION (ONE HUNDRED AND FIRST AMENDMENT) ACT, 2016

[*8th September*, 2016.]

An Act further to amend the Constitution of India.

জি এছ টি প্ৰৱৰ্তন কৰাৰ উদ্দেশ্যে ১০১ নং সংবিধান সংশোধনীৰ জৰিয়তে তলত দিয়া সংশোধনবোৰ প্ৰৱৰ্তন কৰা হৈছিল—

(ক) ২৪৬ (ক) শীৰ্ষক এটা নতুন অনুচ্ছেদ অন্তৰ্ভুক্ত কৰা হৈছিল। যিটোৱে কেন্দ্ৰ আৰু ৰাজ্যসমূহক জি এছ টি আইনৰ লগত সম্পৰ্কিত ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষমতা অৰ্পণ কৰিছিল। এই অনুচ্ছেদে লগতে উল্লেখ কৰিছে যে আন্তঃৰাজ্যিক যোগানৰ ক্ষেত্ত নীতি নিৰ্ধাৰণত সংসদৰ বিশেষ ক্ষমতা থাকিব।

(খ) ২৬৮ (ক) অনুচ্ছেদটো সংবিধানৰ পৰা বাদ দিয়া হৈছে। এই অনুচ্ছেদটোৱে ভাৰত চৰকাৰক সেৱাৰ ওপৰত কৰ আৰোপ কৰিবলৈ ক্ষমতা প্ৰদান কৰিছিল। যিহেতু সেৱাৰ ওপৰত আৰোপিত কৰ জি এছ টিৰ অধীনলৈ অনা হৈছে। গতিকে এনে ব্যৱস্থা অপ্ৰয়োজনীয় হৈ পৰিল।

(গ) অনুচ্ছেদ ২৬৯ (ক) অন্তৰ্ভুক্ত কৰা হৈছে, যিটোত আন্তঃৰাজ্যিক বাণিজ্যৰ দ্ৰব্য আৰু সেৱাৰ যোগানৰ ব্যৱস্থাৰ বিষয়ে উল্লেখ আছে, যিটো ভাৰত চৰকাৰে আৰোপ আৰু সংগ্ৰহ কৰিব আৰু এনে কৰ কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত দ্ৰব্য আৰু সেৱা কৰ কাউন্সিলৰ পৰামৰ্শ অনুসৰি সংসদে গ্ৰহণ কৰা সিদ্ধান্তৰ ভিত্তিত বিভাজিত হ'ব। লগতে অনুচ্ছেদটোৱে এই কথাও উল্লেখ কৰিছে যে সংসদে আইন প্ৰণয়নৰ জৰিয়তে আন্তঃৰাজ্যিক বাণিজ্যৰ ক্ষেত্ৰত দ্ৰব্য বা সেৱা অথবা উভয়ৰে যোগানৰ স্থান আৰু সময় নিৰ্ধাৰণৰ ক্ষেত্ৰত নীতি প্ৰস্তুত কৰিব লাগিব।

(ঘ) কেন্দ্ৰই সংগ্ৰহ কৰা দ্ৰব্য আৰু সেৱা কৰ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত বিতৰণৰ বাবে অনুচ্ছেদ ২৭০ সংশোধন কৰা হৈছে।

(ঙ) অনুচ্ছেদ ২৭১ সংশোধন কৰা হৈছিল যিটোৱে জি এছ টিৰ অধীনত সংসদৰ কৰ আৰোপৰ ক্ষমতা হ্ৰাস কৰিছিল। ইয়াৰ ফলশ্ৰুতিত ২৪৬(ক)ৰ অধীনস্থ কৰযোগ্য দ্ৰব্য আৰু সেৱাৰ ওপৰত কোনো শুল্ক আৰোপ কৰিব নোৱাৰিব।

(চ) জি এছ টি কাউন্সিলক সাংবিধানিক মৰ্যাদা প্ৰদান কৰিবলৈ অনুচ্ছেদ ২৭৯(ক) অন্তৰ্ভুক্ত কৰা হৈছে।

(ছ) অনুচ্ছেদ ৩৬৬ অনুসৰি মানুহে সেৱন কৰা মাদক দ্ৰব্যসমূহ জি এছ টিৰ আওতাৰ পৰা বাহিৰত ৰখা হৈছে আৰু সেৱাসমূহৰ ব্যাখ্যা আগবঢ়োৱা হৈছে।

(জ) অনুচ্ছেদ ৩৬৮ সংশোধন কৰা হৈছে এই কথা নিৰ্দিষ্ট কৰা হৈছে যে ৰাজ্যসমূহৰ আধাতকৈ বেছি বিধান সভাই বিধেয়কখনলৈ সমৰ্থন জনোৱাৰ লগতে সংবিধানত থকা উল্লেখ অনুসৰি সংবিধান সংশোধনীৰ বাবে ধাৰ্য কৰা ব্যৱস্থাৰে গৃহীত হ'ব লাগিব। এইদৰে জি এছ টি কাউন্সিলৰ যিকোনো পৰিৱৰ্তনৰ বাবে আধাতকৈ বেছি ৰাজ্যৰ বিধান সভাৰো অনুমোদনৰ প্ৰয়োজন হ'ব।

(ঝ) সূচী ১ আৰু ২ৰ বিষয়বোৰ সূচীত উল্লিখিত দ্ৰব্য বা সেৱাৰ কৰৰ ক্ষমতা হ্ৰাস কৰিবলৈ অথবা জি এছ টিৰ অধীনত দ্ৰব্য বা সেৱাৰ কৰৰ ক্ষমতাৰ পৰিৱৰ্তন অথবা বাতিল কৰা হ'ব।

(ঞ) সংসদে দ্ৰব্য আৰু সেৱা কাউন্সিলৰ পৰামৰ্শৰ ভিত্তিত আইনৰ জৰিয়তে পাঁচ বছৰলৈ জি এছ টি কাৰ্যকৰী হোৱাৰ ফলত সন্মুখীন হ'ব পৰা ক্ষতিৰ বাবদ ক্ষতিপূৰণ আগবঢ়াব লাগিব।

(ট) পেট্ৰ'লিয়াম আৰু পেট্ৰ'লিয়ামৰজাত দ্ৰব্যসমূহৰ ওপৰত জি এছ টি কাউন্সিলে নতুন অধিসূচনা জাৰি নকৰালৈ জি এছ টিৰ অধীনত কৰ আৰোপ কৰা নহ'ব।

১০.৪ জি এছ টি কাউন্সিল

সংবিধাৰ ১৭৯(ক) নং অনুচ্ছেদত থকা উল্লেখ অনুসৰি দ্ৰব্য আৰু সেৱা কৰ কাউন্সিল (জি এছ টি কাউন্সিল) ১/০৯/২০১৬ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ গঠন কৰা হৈছিল। কাউন্সিলখনৰ কেন্দ্ৰীয় বিত্ত মন্ত্ৰী (যি কাউন্সিলৰ অধ্যক্ষ হ'ব), ৰাজ্য মন্ত্ৰী (ৰাজহ) আৰু ৰাজ্যৰ বিত্ত/কৰ মন্ত্ৰীসকল ইয়াৰ সদস্য হ'ব। কাউন্সিলখনে তলত দিয়া বিষয়বোৰৰ ওপৰত পৰামৰ্শ আগবঢ়াব—

(ক) জি এছ টিৰ অধীনস্থ কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ বা স্থানীয় কৰ্তৃপক্ষই আৰোপ কৰা কৰ, উপকৰ বা অন্যান্য অতিৰিক্ত মাচুল।

(খ) জি এছ টিৰ আওতাত আহিব পৰা বা আওতাৰ পৰা বাহিৰ হ'ব পৰা দ্ৰব্য আৰু সেৱাসমূহ।

(গ) জি এছ টিৰ আৰ্হিমূলক নীতি, শুল্কৰ নীতি, IGST ৰ ভাগ আৰু যোগানৰ স্থান আৰু পৰিচালনাৰ নীতি।

(ঘ) আয়ৰ নিম্ন সীমা, যিটো সীমাৰ তলত দ্ৰব্য আৰু সেৱাৰ কৰ আৰোপ কৰা নহ'ব।

(ঙ) জি এছ টি বেণ্ডৰ লগতে ফ্লু'ৰ ৰেটকে আদি কৰি বিভিন্ন দৰ।

(চ) অন্য যিকোনো বিশেষ দৰ বা প্ৰাকৃতিক দুৰ্যোগৰ সময়ত অতিৰিক্ত সম্পদ আহৰণ কৰিবলৈ এক নিৰ্দিষ্ট সময়ৰ বাবে আৰোপিত কৰ।

(ছ) উত্তৰ পূবৰ ৰাজ্য, জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ ক্ষেত্ৰত থকা বিশেষ ব্যৱস্থাসমূহ।

(জ) কাউন্সিলে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি জি এছ টিৰ লগত সম্পৰ্ক থকা অন্য যিকোনো দিশ।

কাউন্সিলে খাৰুৱা তেল, হাইস্পীড ডিজেল, মটৰ স্পিৰিট (যাক পেট্ৰ'ল বুলিও জনা যায়)। প্ৰাকৃতিক গেছ আৰু উৰাজাহাজৰ ইন্ধনৰ ওপৰত দ্ব্য আৰু সেৱা কৰ আৰোপৰ সময়ৰ নিৰ্দেশনা প্ৰদান কৰিব লাগিব। এই অনুচ্ছেদত উল্লেখ থকা কাৰ্যসমূহ কৰাৰ সময়ত, জি এছ টিৰ কাউন্সিল এটা দ্ৰব্য আৰু সেৱা কৰৰ ক্ষেত্ত সমন্বয়মূলক প্ৰতিষ্ঠান হিচাপে পৰিচালিত হোৱাৰ লগতে দ্ৰব্য আৰু সেৱাৰ ৰাষ্ট্ৰীয় বজাৰ এখনৰ নিৰ্মাণৰ বাবে ভূমিকা পালন কৰিব লাগে।

দ্ৰব্য আৰু সেৱা কৰ কাউন্সিলৰ মুঠ সদস্যৰ অৰ্ধেকে ইয়াৰ সভাৰ ন্যূনতম প্ৰয়োজনীয় সদস্যৰ সংখ্যা পূৰণ কৰে। দ্ব্য আৰু সেৱা কৰ কাউন্সিলে ইয়াৰ কাৰ্যসমূহৰ পালনৰ নীতি নিৰ্ধাৰণ কৰে। জি এছ টি কাউন্সিলৰ সকলো সিদ্ধান্ত বৈঠকত উপস্থিত থকা আৰু ভোটদান কৰা সদস্যৰ কমেও তিনি-চতুৰ্থাংশৰ সন্মতিৰ ভিত্তিত গ্ৰহণ কৰা হয়। লগতে তলত দিয়া নীতিবোৰ মানি চলা হয়—

(ক) মুঠ ভোটদানৰ তিনি-চতুৰ্থাংশ কেন্দ্ৰীয় চৰকাৰৰ হ'ব লাগিব।

(খ) বৈঠকত প্ৰক্ষেপিত হোৱা মুঠ ভোটৰ কমেও দুই-তৃতীয়াংশ ৰাজ্য চৰকাৰসমূহৰ হ'ব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনখন দেশে সৰ্বপ্ৰথমে জি এছ টি গ্ৰহণ কৰিছিল?

.....

.....

প্ৰশ্ন নং ২ ঃ কোনটো সংশোধনীৰ ভিত্তি জি এছ টি ভাৰতৰ সংবিধানত অন্তৰ্ভুক্ত হৈছিল?

.....

.....


১০.৫ জি এছ টিৰ দ্বৈত আৰ্হি

ভাৰত ইয়াৰ একক যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ বাবে জি এছ টিৰ দ্বৈত আৰ্হি গ্ৰহণ কৰিছে। এই আৰ্হিৰ অধীনত, কেন্দ্ৰ আৰু ৰাজ্য উভয় চৰকাৰৰ দ্বাৰা একক ভিত্তি অৰ্থাৎ দ্ৰব্য বা সেৱাৰ উভয়ৰে যোগানৰ ক্ষেত্ৰত সমান্তৰালভাৱে কৰ আৰোপ কৰা হয়। কেন্দ্ৰৰ দ্বাৰা আৰোপিত জি এছ টিক কেন্দ্ৰীয় এছ টি/কেন্দ্ৰীয় কৰ (CGST) আৰু ৰাজ্যৰ দ্বাৰা আৰোপিত জি এছ টিক ৰাজ্যিক জি এছ টি/ৰাজ্যিক কৰ (SGST) বোলা হয়। ৰাজ্যিক জি এছ টিক বিধান সভাবিহীন কেন্দ্ৰীয় শাসিত অঞ্চলত কেন্দ্ৰীয় শাসিত অঞ্চলৰ জি এছ টি (UTGST) বুলি কোৱা হয়। CGST আৰু (intra-State supplies) ৰ ওপৰত আৰোপ কৰা হ'ব। CGST আৰু SGST/ UTGST সকলো কৰযোগ্য আন্তঃৰাজ্যিক যোগানৰ ওপৰত আৰোপ কৰাৰ বিপৰীতে সন্মিলিত দ্ৰব্য আৰু সেৱা কৰ (Integrated Goods and Service Tax, IGST) তলত দিয়াবোৰৰ ওপৰত আৰোপ কৰা হয়—

ক) আন্তঃৰাজ্যিক যোগান (কেৱল দুখন ৰাজ্যৰ মাজত হোৱা যোগান)

খ) আমদানি

গ) ৰপ্তানি



কেন্দ্ৰীয় দ্ৰব্য আৰু সেৱা কৰ (CGST), ৰাজ্যিক দ্ৰব্য আৰু সেৱা কৰ (SGST) অথবা সন্মিলিত দ্ৰব্য আৰু সেৱা কৰ (IGST) ৰ কোনটো কৰযোগ্য বিনিয়োগত প্ৰযোজ্য হয়, সেয়া নিৰ্ধাৰণ কৰিবলৈ সৰ্বপ্ৰথম বিনিয়োগটো অন্তঃৰাজ্যিক নে আন্তঃৰাজ্যিক সেয়া ধাৰ্য কৰিব লাগিব।

- যেতিয়া যোগানকৰ্তাৰ স্থান আৰু যোগানৰ স্থান অৰ্থাৎ ক্ৰেতাৰ স্থান একেখন ৰাজ্যত হয়, তেতিয়া তাক দ্ৰব্য আৰু সেৱাৰ অন্তঃৰাজ্যিক যোগান আখ্যা দিয়া হয়। অন্তঃৰাজ্যিক বিনিয়োগত এজন বিক্ৰেতাই ক্ৰেতাৰ পৰা উভয় CGST আৰু SGST আহৰণ কৰে। CGST কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আৰু SGST ৰাজ্য চৰকাৰৰ ওচৰত জমা দিয়া হয়।
- যেতিয়া যোগানকৰ্তাৰ স্থান আৰু যোগানৰ স্থান উভয়ে বেলেগ বেলেগ ৰাজ্যত হয়, তেতিয়া তেনে যোগানক দ্ৰব্য আৰু সেৱাৰ আন্তঃৰাজ্যিক যোগান বোলা হয়। আকৌ দ্ৰব্য আৰু সেৱাৰ আমদানি বা ৰপ্তানি অথবা যেতিয়া দ্ৰব্য বা সেৱাসমূহৰ যোগান SEZৰ প্ৰতি বা SEZ দ্বাৰা কৰা হয়, তেতিয়া বিনিয়োগ আন্তঃৰাজ্যিক হ'ব বুলি ভবা হয়। এটা আন্তঃৰাজ্যিক বিনিয়োগত বিক্ৰেতাই ক্ৰেয়াৰ পৰা IGST সংগ্ৰহ কৰিব লাগে।

১০.৫.১ চি জি এছ টি

জি এছ টিৰ অধীনত উভয় দ্ৰব্য আৰু সেৱাৰ অন্তঃৰাজ্যিক যোগানৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে চি জি এছ টি আৰোপ কৰে আৰু ই চি জি এছ টি আইনৰ দ্বাৰা পৰিচালিত হয়। এছ জি এছ টিও একে অন্তঃৰাজ্যিক যোগানৰ ওপৰত আৰোপ কৰা হয় যদিও ই ৰাজ্য চৰকাৰৰ দ্বাৰা পৰিচালিত হয়।

ইয়াৰ অর্থ হ'ল, উভয় কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে তেওঁলোকৰ মাজত ৰাজহৰ অংশ নির্ধাৰণৰ ক্ষেত্ৰত সহমতত উপনীত হৈ তেওঁলোকৰ শুল্কসমূহ একত্ৰিত কৰে। অৱশ্যে জি এছ টি আইনৰ অনুচ্ছেদ ৮ত এই কথা স্পষ্টকৈ উল্লেখ আছে যে সকলো আন্তঃৰাজ্যিক দ্ৰব্য আৰু সেৱাৰ যোগানৰ ওপৰত কৰ আৰোপ কৰা হ'ব যদিও কৰৰ হাৰ উভয়ৰ ক্ষেত্ৰত ১৪ শতাংশতকৈ বেছি হ'ব নোৱাৰিব।

১০.৫.২ এছ জি এছ টি

জি এছ টিৰ অধীনত উভয় দ্ৰব্য আৰু সেৱাৰ অন্তঃৰাজ্যিক যোগানৰ ওপৰত ৰাজ্যিক চৰকাৰে এছ জি এছ টি আৰোপ কৰে আৰু ই এছ জি এছ টি আইনৰ দ্বাৰা পৰিচালিত হয়। ওপৰত ব্যাখ্যা কৰাৰ দৰে, একে অন্তঃৰাজ্যিক বিনিয়োগৰ ক্ষেত্ৰত CGST ও আৰোপ কৰা হ'ব আৰু ই কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰিচালিত হ'ব। অৱশ্যে এছ জি এছ টিৰ অধীনত আহৰণ কৰা যিকোনো কৰৰ দায়িত্ব SGST বা IGST ৰ বিপৰীতে ইনপুট টেক্স ক্ৰেডিট হিচাপে বন্ধ কৰিব পাৰিব।

চি জি এছ টি আৰু এছ জি এছ টিৰ এটা উদাহৰণ—

ধৰাহ'ল, সঞ্জীৱ নামৰ অসমৰ ব্যৱসায়ীজনে দ্ৰব্য অসমৰ শ্যাম নামৰ ব্যক্তিজনক বিক্ৰী কৰিছে যাৰ সর্বমুঠ মূল্য হ'ল এক লাখ টকা। এই ক্ষেত্ৰত জি এছ টিৰ হাৰ হ'ল ১৮% য'ত ৯% হৈছে চি জি এছ টি আৰু ৯% শতাংস হৈছে এছ জি এছ টি। এই ক্ষেত্ৰত ব্যৱসায়ীজনে ১৮০০০ টকা আহৰণ কৰে য'ত ৯০০০ টকা কেন্দ্ৰীয় চৰকাৰৰ আৰু ৯০০০ টকা অসম চৰকাৰৰ হাতলৈ যায়

১০.৫.৩

১০.৫.৩ আই জি এছ টি

দ্ৰব্য আৰু সেৱাৰ আন্তঃৰাজ্যিক যোগান সন্মিলিত জি এছ টি (IGST)ৰ অধীনস্থ। IGSTৰ আৰ্হি ভেটৰ ক্ষেত্ৰখনলৈ ভাৰতৰ অনবদ্য অৱদান। আই জি এছ টিৰ আৰ্হি অনুসৰি কেন্দ্ৰই সকলো দ্ৰব্য আৰু সেৱাৰ আন্তঃৰাজ্যিক বিনিয়োগৰ ক্ষেত্ৰত IGST (সন্মিলিত দ্ৰব্য আৰু সেৱা কৰ) আৰোপ কৰিব পাৰিব, যিটো কেন্দ্ৰীয় জি এছ

টিৰ লগত ৰাজ্যিক জি এছ টি যোগ কৰি নির্ধাৰণ কৰা হয়। আন্তঃৰাজ্যিক যোগানকর্তাই তেখেতৰ ক্রয়ত IGST, CGST, আৰু SGST ৰ উপলব্ধ ক্রেডিট নিয়ন্ত্রণৰ পিছত মান সংযোজন (value addition)ৰ ওপৰত IGST প্রদান কৰে। ৰপ্তানি কৰা ৰাজ্যখনে কেন্দ্রক IGST আহৰণত ব্যৱহাৰ কৰা SGST খিনি পৰিশোধ কৰে। আনহাতে লক্ষ্য ৰাজ্যত থকা ব্যক্তিজনে নিজৰ ৰাজ্যত দ্রব্যসমূহ বিতৰণ কৰোঁতে IGST পৰিশোধৰ দাবী কৰে। কেন্দ্রই আমদানি কৰা ৰাজ্যখনক SGST পৰিশোধৰ ক্ষেত্রত ব্যৱহাৰ কৰা IGSTৰ ধন প্রদান কৰে। সম্পর্কযুক্ত প্রয়োজনীয় তথ্যসমূহ কেন্দ্রীয় সংস্থাক প্রদান কৰা হয়। ই পৰিশোধ যন্ত্রৰ ভূমিকা পালন কৰে যিয়ে সকলো দাবী পৰীক্ষা কৰি নির্দিষ্ট চৰকাৰক ধন পৰিশোধ কৰিবলৈ নির্দেশ প্রদান কৰে।

IGSTৰ আর্হিৰ সুবিধাসমূহ হ'ল—

ক) আন্তঃৰাজ্যিক বিনিময়ৰ ক্ষেত্রত বাধাহীন আই টি চিৰ সম্পর্ক বজাই ৰখা।

খ) আন্তঃৰাজ্যিক যোগান অথবা গ্রহণৰ ক্ষেত্রত কোনো অগ্রিম কৰ প্রদান কৰিব নালাগে।

গ) ৰপ্তানি কৰা ৰাজ্যই কোনো প্রত্যর্পণ (refund)ৰ দাবী নকৰে, যিহেতু আই টি চি কৰ প্রদানৰ সময়ত ব্যৱহাৰ কৰা হয়।

ঘ) স্ব-পৰিচালিত আর্হি।

ঙ) আর্হিটোৱে 'ব্যৱসায়ৰ পৰা ব্যৱসায়লৈ' তথা 'ব্যৱসায়ৰ পৰা ক্রেতালৈ বিনিয়োগ সামৰি লয়।

১০.৬ জি এছ টি নেটৱর্ক

দ্রব্য আৰু সেৱা কৰ নেটৱর্ক (GSTN) এটা ব্যক্তিগত কোম্পানী হিচাপে চৰকাৰে কোম্পানী আইন, ১৯৫৬ৰ ২৫ নং অনুচ্ছেদৰ ভিত্তিত প্রতিষ্ঠা কৰিছে। GSTNএ কৰ পৰিশোধকাৰীক তিনি প্রকাৰৰ গুৰুত্বপূর্ণ সেৱা আগবঢ়ায়। সেইকেইটা হৈছে— পঞ্জীয়ন (registration), পৰিশোধ (payment) আৰু প্রত্যর্পণ (return)। কৰ পৰিশোধকাৰীসকলক এইবোৰ সেৱা আগবঢ়োৱাৰ লগতে GSTN এ ২৭খন ৰাজ্যৰ বাবে back-end IT modules প্রস্তুত কৰিছে। যিয়ে এনে ব্যৱস্থা বিচাৰিছে। Infosysক প্রৱঞ্চিত সেৱা প্রদান কৰোঁতা Managed Service Provider (MSP)ৰ দায়িত্ব অর্পণ কৰা হৈছে। GSTN এ ৭৩খন IT, ITeS আৰু বিত্তীয় প্রযুক্তিৰ কোম্পানী আৰু এখন বাণিজ্যিক কৰৰ আয়ুক্ত (CCT, কর্ণাটক) নির্বাচন কৰিছে যাক জি এছ টি সুবিধা যোগাওঁতা (GST Suvidha Providers (GSPs) নামেৰে জনা যায়। GST এ GSTN ৰ লগত সম্পর্ক স্থাপন কৰিবলৈ কৰদাতাৰ বাবে বিভিন্ন এপ্লিকেশ্যন নির্মাণ কৰে।

কেন্দ্রীয় চৰকাৰে GSTN ৰ ২৪.৫ শতাংশ অংশ নিজৰ অধীনত ৰখাৰ বিপৰীতে ৰাজ্য চৰকাৰৰ অধীনত ২৪.৫ শতাংশ আছে। বাকী থকা ৫১ শতাংশ বেচৰকাৰী বিত্তীয় প্রতিষ্ঠানে

নিজৰ অধীনত ৰাখিছে। HDFC আৰু HDFC বেংকে ২০%, ICICI বেংকে ১০%, NSE Strategic Investment এ ১০% আৰু LIC Housing Finance এ ১০% অধিগ্রহণ কৰি আছে। জি এছ টি কাউন্সিলে ৪/৫/২০১৮ত অনুষ্ঠিত হোৱা ইয়াৰ ২৭ সংখ্যক বৈঠকত GSTNত শ্বেয়াৰ অধিগ্রহণ ব্যৱস্থাৰ অনুমতি প্রদান কৰিছে। GSTN এ পালন কৰা কার্যসমূহৰ প্রতি দৃষ্টি ৰাখি জি এছ টি কাউন্সিলে এই কথা অনুধাৱন কৰিছে যে GSTN ক এটা পূর্ণ চৰকাৰী প্রতিষ্ঠান হিচাপে পৰিৱর্তন কৰিব লাগে। সেই অনুসৰি বে-চৰকাৰী প্রতিষ্ঠানে অধিগ্রহণ কৰি থকা ৫১ শতাংশ অর্থাৎ ৫.১ কোটি সমানে কেন্দ্র আৰু ৰাজ্য চৰকাৰক অর্পণ কৰিবলৈ অনুমতি প্রদান কৰিছে।

জি এছ টি ব্যৱস্থাৰ আর্হি পালন কৰা ভূমিকাৰ ওপৰত নির্ধাৰিত কৰদাতাসকলে তেওঁলোকৰ নিজৰ তথ্য নির্দিষ্ট এপ্লিকেশ্বন যেনে পঞ্জীয়ন, প্রত্যর্পণ, খতিয়ান, নিৰীক্ষণ আদি মাধ্যমেৰে আহৰণ কৰিব পাৰে। জি এছ টি আইন অনুসৰি আইনসম্মতভাৱে কৰ বিষয়াসকলে তথ্যসমূহ আহৰণ কৰিব পাৰে। আইন অনুসৰি তথ্যসমূহ হিচাপ নিৰীক্ষণ বিষয়াই আহৰণ কৰিব পাৰে। ইয়াৰ বাহিৰে GSTNত উপলব্ধ কোনো তথ্য অন্য কোনো প্রতিষ্ঠানে লাভ নকৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ দ্রব্য আন্তঃৰাজ্যিক যোগান বুলিলে কি বুজা যায়?

.....

.....

প্রশ্ন নং ৪ ঃ GSTN এ কি বুজায়?

.....

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ১৯৫৪ চনত জি এছ টি ব্যৱস্থা কার্যকৰী কৰা প্রথম দেশখনেই হ'ল ফ্রান্স।
- ভাৰতত 'আর্থিক দায়ৰদ্ধতা আৰু বাজেট ব্যৱস্থাপনা (FRBM) ৰ ওপৰত গঠিত 'কেলকাৰ টাস্ক ফোর্চ Kelkar Task Force এ ২০০৫ চনত কেন্দ্রীয় ভেট (VAT) আৰু ৰাজ্যিক ভেট (VAT) ব্যৱস্থাৰ সলনি সকলো দ্রব্য আৰু সেৱাৰ ওপৰত এটা বিস্তৃত কৰৰ ব্যৱস্থা গ্রহণ কৰিবলৈ পৰামর্শ প্রদান কৰিছিল।

- নির্দিষ্ট কিছুমান সংশোধনীৰ সৈতে জি এছ টি বিধেয়কখন লোকসভা আৰু ৰাজ্য সভাত ২০১৬ চনৰ আগষ্ট মাহত গৃহীত কৰা হৈছিল।
- বিধেয়কখনে ২০১৬ চনৰ ৮ ছেপ্টেম্বৰত ৰাষ্ট্রপতিৰ স্বাক্ষৰ লাভ কৰাৰ পিছত সংবিধান সংশোধনী (১০১ নং) আইন, ২০১৬ হিচাপে ১৬/০৯/২০১৬ তাৰিখৰ পৰা কার্যকৰী হৈছিল।
- জি এছ টি কাউন্সিলখন কেন্দ্রীয় বিত্তমন্ত্রী (যি কাউন্সিলৰ অধ্যক্ষ হ'ব), ৰাজ্য মন্ত্রী (ৰাজহ) আৰু ৰাজ্যৰ বিত্ত/কৰ মন্ত্রীসকলেৰে গঠিত।
- ভাৰতে ইয়াৰ একক যুক্রাষ্ট্রীয় ব্যৱস্থাৰ বাবে জি এছ টিৰ বাবে দ্বৈত আৰ্হি গ্রহণ কৰিছে। এই আৰ্হিৰ অধীনত কেন্দ্র আৰু ৰাজ্য উভয় চৰকাৰৰ দ্বাৰা একক ভিত্তি অর্থাৎ দ্রব্য বা সেৱাৰ উভয়ৰে যোগানৰ ক্ষেত্ত সমান্তৰালভাৱে কৰ আৰোপ কৰা হয়।
- CGST, UTGST আৰু SGST সকলো কৰযোগ্য আন্তঃৰাজ্যিক যোগানৰ ওপৰত আৰোপ কৰাৰ বিপৰীতে সন্মিলিত দ্রব্য আৰু সেৱা কৰ (IGST) তলত দিয়াবোৰৰ ওপৰত আৰোপ কৰা হয়—
  - আন্তঃৰাজ্যিক যোগান (কেৱল দুখন ৰাজ্যৰ মাজত হোৱা যোগান)
  - আমদানি
  - ৰপ্তানি।
- GSTNএ কৰ পৰিশোধকাৰীসকলক তিনি প্রকাৰৰ গুৰুত্বপূর্ণ সেৱা আগবঢ়ায়— পঞ্জীয়ন, পৰিশোধ আৰু প্রত্যর্পণ।



১০.৮ অধিক জানিবলৈ

১) Taxmann's GST Acts with Rules & Forms [Bare Act] by Taxmann Publication.

২) Goods and Services Tax GST by by H.C. Mehrotra & V.P. Agarwal, Sahitya Bhawan Publications.

৩) GST: A Transformational Tax Reform by V. S. Krishnan.

৪) Goods and Services Tax (GST) in India by B. Viswanathan.



১০.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ফ্রান্স।

২ নং প্রশ্নৰ উত্তৰ ঃ ১০১ নং সংশোধনী।

৩ নং প্রশ্নৰ উত্তৰ ঃ যেতিয়া যোগানকর্তাৰ স্থান আৰু যোগানৰ স্থান অর্থাৎ ক্রেতাৰ স্থান একেখন ৰাজ্যত হয়, তেতিয়া তাক দ্ব্য আৰু সেৱাৰ আন্তঃৰাজ্যিক যোগান আখ্যা দিয়া হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ দ্রব্য আৰু সেৱা কৰ নেটৱর্ক (GSTN) এটা ব্যক্তিগত কোম্পানী হিচাপে চৰকাৰে কোম্পানী আইন, ১৯৫৬ৰ ২৫ নং অনুচ্ছেদৰ ভিত্তিত প্রতিষ্ঠা কৰিছে। GSTN এক কৰ পৰিশোধকাৰীক তিনি প্রকাৰৰ গুৰুত্বপূর্ণ সেৱা আগবঢ়ায়— পঞ্জীয়ন, পৰিশোধ আৰু প্রত্যর্পণ।

১০.১০ আৰ্হি প্রশ্ন



প্রশ্ন ১ ঃ ভাৰতত জি এছ টিৰ ইতিহাস সম্পর্কে এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ২ ঃ জি এছ টি কাউন্সিলে কেন্দ্র আৰু ৰাজ্যক নির্দেশনা আগবঢ়োৱা বিভিন্ন দিশবোৰৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ ঃ ভাৰতত গ্রহণ কৰা জি এছ টিৰ দ্বৈত আৰ্হিৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৪ ঃ GSTN ৰ বিষয়ে এটি চমু আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ১১ ঃ জি এছ টি আইনৰ অধীনৰ গুৰুত্বপূৰ্ণ পৰিভাষা আৰু সংজ্ঞাসমূহ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ জি এছ টি আইনৰ অধীনৰ গুৰুত্বপূৰ্ণ পৰিভাষা আৰু সংজ্ঞাসমূহ

১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৫ অধিক জানিবলৈ

১১.৬ অগ্রগতিৰ খতিয়ান

১১.৭ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জি এছ টি আইন বুলিলে কি বুজা
- জি এছ টি আইনৰ বিভিন্ন গুৰুত্বপূৰ্ণ পৰিভাষা আৰু সংজ্ঞাসমূহ আলোচনা কৰা।

১১.২ পৰিচয়

দ্রব্য আৰু সেৱা কৰ হৈছে এক পৰোক্ষ কৰ (বা consumption কৰ) যি ভাৰতবর্ষত দ্রব্য আৰু সেৱাৰ যোগানৰ ওপৰত আৰোপ কৰা হয়। এই কৰ ভাৰতীয় চৰকাৰৰ দ্বাৰা সংবিধানৰ ১০১ সংখ্যক সংশোধনী প্রৱর্তনৰ যোগেদি ১ জুলাই, ২০১৭ ৰ পৰা বলবৎ কৰা হয়। দ্রব্য আৰু সেৱা কৰ আইন বা জি এছ টি আইনক কেন্দ্রীয় দ্রব্য আৰু সেৱা কৰ আইন ২০১৭ বুলিও ক'ব পাৰি। এই আইন কেন্দ্রীয় চৰকাৰ দ্বাৰা জাৰি কৰা কোনো চৰকাৰী বিজ্ঞপিত প্রচাৰিত এক নির্দিষ্ট তাৰিখত বলবৎ কৰা হয় আৰু লগতে কোৱা হৈছে যে এই আইনৰ অধীনত বিভিন্ন ব্যৱস্থাৱলীৰ সাপেক্ষে বেলেগ বেলেগ তাৰিখ ঠিক কৰা হয় আৰু এই আইন প্রৱর্তনৰ ক্ষেত্রত যদি এই ব্যৱস্থাৱলীসমূহৰ কোনো সম্পর্ক থাকে তেন্তে ই সেই ব্যৱস্থাৱলী কার্যকৰী কৰাৰ ক্ষেত্রত এক সম্পর্ক সূত্র স্থাপন কৰে।

১১.২ জি এছ টি আইনৰ অধীনৰ গুৰুত্বপূৰ্ণ পৰিভাষা আৰু সংজ্ঞাসমূহ

জি এছ টি আইনৰ অধীনত বহুতো গুৰুত্বপূৰ্ণ পৰিভাষা আৰু সংজ্ঞা অন্তর্ভুক্ত হয় আৰু তাৰে কেইটামান তলত আলোচনা কৰা হৈছে—

১) **যোগান ঃ** 'যোগান' শব্দটো জি এচ টি আইনৰ ধাৰা ৭ত সামগ্রিকভাৱে সংজ্ঞা দিয়া হৈছে। নিম্নলিখিত ছটা স্থিতিমাপৰ পৰা জি এচ টি আইনৰ অন্তর্গত 'যোগান' শব্দৰ অর্থ আৰু পৰিসৰৰ বুজ ল'ব পাৰি ঃ

(ক) দ্রব্য আৰু সেৱাৰ বাহিৰে অন্য যিকোনোৰ ওপৰত জি এচ টি আৰোপ কৰা নহয়।

(খ) যোগানৰ বিনিময় থাকিব লাগিব।

(গ) যোগান ব্যৱসায় সম্পাদন বা ব্যৱসায়ৰ উন্নতিৰ বাবে লেনদেনকৃত হ'ব লাগিব।

(ঘ) যোগান কৰযোগ্য ব্যক্তিৰ দ্বাৰা হ'ব লাগিব।

(ঙ) যোগান কৰযোগ্য যোগান হ'ব লাগিব

(চ) যোগান কৰযোগ্য অঞ্চলৰ অন্তর্ভুক্ত হ'ব লাগিব।

ব্যতিক্রম ঃ

১) যিকোনো লেনদেন য'ত দ্রব্য আৰু সেৱাৰ যোগানৰ বিনিময় নাথাকে তাক যোগান বুলি গণ্য কৰা নহয়, যদিহে বিশেষভাৱে উল্লেখিত প্রকৃতিৰ নহয়।

২) তদুপৰি ব্যৱসায়ৰ সম্প্রসাৰণৰ বাবে কৰা সেৱাৰ আমদানিৰ সাপেক্ষে বিনিময় থাকিলে বা নাথাকিলেও তাক যোগান হিচাপে গণ্য কৰা হয়।

২) **বিচাৰক কর্তৃপক্ষ ঃ** জি এছ টি আইন ২০১৭ৰ অনুচ্ছেদ ২(৪) ধাৰা অনুসৰি 'বিচাৰক কর্তৃপক্ষ যি এই আইনৰ অধীনত কোনো আদেশ প্রদান অথবা সিদ্ধান্ত গ্রহণৰ বাবে নিয়োজিত বা অনুমোদিত হয় কিন্তু কেন্দ্রীয় আৱকাৰী আৰু শুল্ক ব'র্ড, সংস্কৰণ তথা সংশোধনী কর্তৃপক্ষ, অগ্রীম শাসনৰ কর্তৃপক্ষ, উপযুক্ত কর্তৃপক্ষ আৰু উপযুক্ত ত্রিবুনেলক ইয়াৰ অন্তর্ভুক্ত সামৰি লোৱা নহয়।

৩) **প্রতিনিধি ঃ** জি এছ টি আইন ২০১৭ ৰ ধাৰা ২(৫) অনুসৰি 'প্রতিনিধি' বুলিলে অন্য ব্যক্তিৰ হকে দ্রব্য আৰু সেৱাৰ প্রাপ্তি আৰু যোগানৰ ব্যৱসায় বা দুয়োটা ব্যৱসায়েই সম্পাদন কৰা ব্যক্তি যেনে- ফেক্টৰ, দালাল, দস্তুৰীপ্রাপ্ত প্রতিনিধি, অর্হতিয়া। বিশ্বাসযোগ্য প্রতিনিধি, বিলাসকাৰী বা অন্য ব্যৱসায়ীক/সদাগৰী প্রতিনিধি, যি নামেৰেই জনা নহওক কিয়, তেনে ব্যক্তিসকলক বুজা যায়।

৪) **সর্বমুঠ প্রর্ত্যাপণ ঃ** জি এছ টি আইন ২০১৭ৰ ২(৬) ধাৰা অনুসৰি সর্বমুঠ প্রত্যার্পণ হৈছে সকলো কৰযোগ্য ঘোষণাৰ সর্বমুঠ মূল্য (আভ্যন্তৰীণ যোগানৰ মূল্য বাদ দি যাৰ ওপৰত এজন ব্যক্তিৰ দ্বাৰা বিপৰীত দেনাৰ ভিত্তিত কৰ পৰিশোধ কৰা হৈছে) ৰেহাইকৃত যোগান, দ্রবৰ আৰু সেৱাৰ ৰপ্তানি বা দুয়োটাই আৰু আন্তঃৰাজ্যিক যোগান, যাৰ স্থায়ী হিচাপ সংখ্যা (PAN), আছে সর্বভাৰতীয় পর্য্যায়ত হিচাপ সম্পাদনৰ অর্থে তাৰ একত্রিত সর্বমুঠ মীল্যই হৈছে সর্বমুঠ প্রত্যার্পণ। ইয়াৰপৰা কেন্দ্রীয় কৰ, কেন্দ্রীয়শাসিত কৰ, সংহত কৰ আৰু উপকৰৰ পৰিমাণ বাদ দিয়া হয় ।

৫) **কৃষক ঃ** অসম দ্রব্য আৰু সেৱা কৰ আইন ২০১৭ৰ ২(৯) ধাৰা অনুসৰি কৃষক হৈছে এনে এজন ব্যক্তি অথবা এক হিন্দু অবিভক্ত পৰিমাণ যি কৃষিভূমিত কার্য্য সম্পাদন কৰে—

(ক) নিজস্ব শ্রমদানেৰে বা

(খ) পৰিয়ালৰ সদস্যসকলৰ শ্রমদানেৰে বা

(গ) নগদ টকা বা অন্য উপায়েৰে প্রদান কৰা মজুৰী বা ভাড়া কৰি অনা শ্রমিকৰে বা বনুৱাৰ দ্বাৰা কৃষিকার্য্য সম্পাদন কৰে অথবা কৃষকজনে নিজৰ ব্যক্তিগত অথবা পৰিয়ালৰ কোনো সদস্য তত্বাৱধানত কৃষিকার্য্য সম্পাদন কৰে, অথবা কৃষকজনে নিজৰ ব্যক্তিগত অথবা পৰিয়ালৰ কোনো সদস্যৰ তত্বাৱধানত কৃষিকার্য সম্পাদন কৰে।

৬) **নির্ধাৰণ ঃ** জি এচ টি আইন ২০১৭ৰ ধাৰা ২(১১) অনুসৰি মূল্যায়ন বুলিলে এই আইনৰ অধীনত কৰ দেনা নির্দ্ধাৰণ আৰু লগতে স্বয়ং কৰ নির্ধাৰণ, পুনঃ কৰ নির্ধাৰণ, সাময়িক কৰ নির্ধাৰণ আৰু বিবেচিত কৰ নির্ধাৰণ ও অন্তর্ভুক্ত হয়।

৭) **পৰীক্ষণ ঃ** জি এচটি আইন ২০১৭ৰ ধাৰা ২(১৩) অনুসৰি পৰীক্ষণ বুলিলে এই আইনৰ অধীনত কোনো পঞ্জীকৃত ব্যক্তিৰ দ্বাৰা বজায় ৰখা তথা দাখিল কৰা নথিপত্র, ফিৰতসমূহ আৰু অনান্য কাগজপত্রসমূহৰ পৰীক্ষণ বা এই আইনৰ অধীনত বা অন্য কোনো আইনৰ অধীনত ব্যক্তিগৰাকীয়ে জমা কৰা তেওঁৰ মুঠ আয়, প্রদান কৰা কৰ। প্রত্যার্পণ দাবী অথবা লাভ কৰা আভ্যন্তৰীণ কৰ ঋণ আদিৰ পৰীক্ষণৰ লগতে এই আইনৰ অধীনত ব্যৱস্থাৱলী অথবা তাৰ অধীনত নীতিসমূহৰ লগত ব্যক্তিজনৰ অনুবর্তিতা সম্পর্কে পৰীক্ষণ সম্পর্কে বুজা যায়।

৮) **ব্যৱসায় ঃ** জি এছ টি আইন ২০১৭ৰ ধাৰা ২(১৭) অনুসৰি ব্যৱসায় বুলি ক'লে—

(ক) যিকোনো ব্যৱসায়, বাণিজ্য, উৎপাদন তথা বির্মাম কার্য্য, বৃত্তি, পেছ, দুঃসাহসিক কার্য্য বা তেনে একেধৰণৰ কোনো কার্য্যকলাপ য'ৰপৰা লাগিলে লাভ হওঁকেই বা নহওঁক

(খ) উপদফা (এ)ৰ লগত সম্পর্কীত যিকোনো ধৰণৰ কার্য্য বা লেনদেন যিবোৰ আনুমানিক বা হঠাৎ হ'ব পৰা প্রকৃতিক হয়।

(গ) উপদফা (এ)ৰ প্রকৃতিক যিকোনো লেনদেন বা কার্য্য যাৰ লাগিলে অৱয়ব, তাৰল্যতা, নিৰবিচ্ছিতা আৰু ধাৰাবাহিকতা থাককেই বা নাথাকক ।

(ঙ) সংস্থা, সংঘ, সমিতি বা অন্যন্য নিকায় (অন্য প্রতিদান বৰঙনিৰ বাবে) যি ইয়াৰ সদস্যসকলক সুযোগ সুবিধা আগবঢ়ায়।

(চ) কোনো নিদিষ্ট কাৰণত ব্যক্তিসকলক এটা নিদিষ্ট ক্ষেত্রত নামভর্তিকৰণৰ সুবিধা প্রদান কৰা লোকসকল।

(ছ) কার্যালয় অধিকাৰী হিচাপে এজন ব্যক্তিৰ দ্বাৰা যোগান ধৰা সেৱা যাক সেই ব্যক্তিগৰাকীয়ে তেওঁৰ বেপাৰ-বাণিজ্য, অথবা বৃত্তিৰ অর্থে ব্যৱহাৰ কৰে।

(জ) প্রতিযোগিতা অনুষ্ঠিত কৰা সংঘ যি সেই সংঘত পুথি নির্মাতাসকলক অনুজ্ঞাপত্র প্রদানৰ মাধ্যমেৰে সেৱা আগবঢ়ায় ।

(ঝ) কেন্দ্রীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু স্থানীয় চৰকাৰৰ দ্বাৰা সম্পাদিত যিকোনো কার্য্য অথবা লেনদেন য'ত এওঁলোক ৰাজহুৱা কর্তৃপক্ষ হিচাপে নিযুক্ত হৈ থাকে।

৯) **ব্যৱসায় উলম্ব ঃ** জি এছ টি অইন ২০১৭ৰ ধাৰা ২(১৮) অনুসৰি ব্যৱসায় উলম্ব বা উলম্ব ব্যৱসায় হৈছে— প্রতিষ্ঠান এখনৰ এনে এটা পৃথক গোট যি ব্যক্তিগত দ্রব্য বা সেৱা বা তেনেধৰণৰ দ্রব্য আৰ সেৱাৰ গোটৰ যোগানৰ লগত জড়িত যাৰ সৈতে বিপদ শংকা আৰু প্রত্যার্পন জড়িত হৈ থাকে যিবোৰ অন্য উলম্ব ব্যৱসায়ৰ পৰা পৃথক।

ব্যাখ্যা ঃ এই দফাটোৰ উদ্দেশ্যে কোনো দ্রব্য বা সেৱা সম্পর্কীত হয় নে নহয় তাৰ নির্ধাৰণৰ অর্থে বিবেচ্য উপাদানবোৰ হ'ল—

(ক) দ্রব্য আৰু সেৱাৰ প্রকৃতি

(খ) উৎপাদন প্রক্রিয়াৰ প্রকৃতি

(গ) দ্রব্য বা সেৱাৰ ক্রেতাসকলক প্রকাৰ বা শ্রেণী

(ঘ) সেৱাৰ যোগান আৰু দ্রব্য বিতৰণত ব্যৱহৃত পদ্ধতি

(ঙ) বেংকিং, বীমা আৰু ৰাজহুৱা সেৱাকে ধৰি আইনগত পৰিশোধ প্রকৃতি---

১০) **মূলধনী দ্রব্য ঃ** জি এছ টি আইন ২০১৭ৰ ধাৰা ২(১৯) অনুসৰি মূলধনী দ্রব্য বুলিলে সেইবোৰ দ্রব্যক বুজা যায় যাৰ মূল্য এগৰাকী অন্তবার্হী কৰ ঋণ দাবী কৰা ব্যক্তিৰ হিচাপৰ বহীত মূলধনীকৃত কৰা হয় আৰু যিটো ব্যৱসায়ৰ কার্য্যপ্রণালী বা বিকাশৰ ক্ষেত্রত ব্যৱহাৰ কৰা হয়।

১১) **সংমিশ্রিত যোগান ঃ** জি এছ টি আইন ২০১৭ৰ ধাৰা ২(৩০) অনুসৰি সংমিশ্রিত যোগান বুলিলে এগৰাকী কৰযোগ্য ব্যক্তিয়ে ক্রেতাাা বা গ্রাহকলৈ দুটা বা দুটাতকৈ অধিক দ্রব্য বা সেৱা বা দুয়োটাৰে ধৰা কৰযোগ্য যোগানক বুজা যায় আৰু এই দ্রব্য বা সেৱা অথবা দুয়োটা সাধাৰণতে এটাৰ লগত আনটো এটা গোট হিচাপে যোগান ধৰা হয় আৰু দুয়োটা এটাৰ লগত আনটো ওতঃপ্রোতঃভাৱে জড়িত তাৰে এটা দ্রব্য অথৱা সেৱা যোগানৰ ক্ষেত্রত হিচাপে ধৰা হয়।

ব্যাখ্যা ঃ যেতিয়া দ্রব্যসমূহ তাৰ বীমাৰ লগত সংযুক্তভাৱে তৈয়াৰ আৰু পৰিবহন কৰা হয় তেনে ক্ষেত্রত দ্রব্যৰ যোগান, দ্রব্য তৈয়াৰীকৰণৰ আহিলাসমূহ আৰু দ্রব্যৰ বীমাক একেলগে মিশ্র যোগান আৰু দ্রব্যৰ যোগানক প্রধান যোগান হিচাপে ধৰা হয়।

১২) **ডেবিট নোট ঃ** জি এচ টি আইন ২০১৭ৰ ধাৰা ২(৩৮) অনুসৰি। ডেবিট নোট হৈছে এজন পঞ্জীকৃত ব্যক্তিৰ দ্বাৰা ধাৰা ৩৪ৰ উপধাৰা (৩)ৰ অধীনত জাৰি কৰা নথিপত্র।

১৩) **ক্রেডিট নোট ঃ** জি এচ টি আইন ২০১৭ৰ ধাৰা ২(৩৭) অনুসৰি 'ক্রেডিট নোট' হৈছে এজন পঞ্জীকৃত ব্যক্তিৰ দ্বাৰা ধাৰা ৩৪ৰ উপধাৰা (১)ৰ অধীনত জাৰি কৰা নথিপত্র।

১৪) **ৰেহাইকৃত যোগান ঃ** যি এচ টি আইন ২০১৭ৰ ধাৰা ২(৪৭) অনুসৰি ৰেহাইকৃত যোগান হৈছে এনে কিছুমান দ্রব্য বা সেৱা বা দুয়োটাৰে যোগান যিবোৰৰ ওপৰত কৰ শূন্য অথবা ধাৰা ১১ৰ অধীনত সম্পূর্ণৰূপে কৰৰ পৰা মুক্ত বা সংহত দ্রব্য আৰু সেৱা কৰ আইনৰ

ধাৰা ৬ৰ অন্তৰ্ভুক্ত আৰু অন্য কৰযোগ্য যোগানৰ অন্তৰ্ভুক্ত।

১৫) **অন্তৰ্বাহী বা আহিলা কৰ ঃ** জি এচ টি আইন ২০১৭ৰ ধাৰা ২(৬২) অনুসৰি এজন পঞ্জীকৃত ব্যক্তিৰ ক্ষেত্ৰত অন্তৰ্বাহী কৰ হৈছে সেই ব্যক্তিজনলৈ যোগান ধৰা দ্ৰব্য বা সেৱা বা দুয়োটাৰে ওপৰত আৰোপ কৰা কেন্দ্ৰীয় কৰ, ৰাজ্যিক কৰ, সংহত কৰ বা কেন্দ্ৰীয় শাসিত কৰৰ লগতে—

(ক) দ্ৰব্য আমদানিৰ ওপৰত আৰোপিত সংহত কৰ।

(খ) ধাৰা ৯ৰ উপধাৰা (৩) আৰু (৪)ৰ ব্যৱস্থাৱলীৰ অন্তৰ্ভুক্ত পৰিশোধ কৰিবলগীয়া কৰ।

(গ) সংহত দ্ৰব্য আৰু সেৱা কৰ আইনৰ ধাৰা ৫ৰ উপধাৰা (৩) আৰু (৪)ৰ অন্তৰ্গত পৰিশোধ কৰিবলগীয়া কৰ।

(ঘ) ৰাজ্যিক দ্ৰব্য আৰু সেৱা কৰ আইনৰ ধাৰা ৯ৰ উপধাৰা (৩) আৰু (৪)ৰ ব্যৱস্থাৱলীৰ অন্তৰ্গত পৰিশোধ কৰিবলগীয়া কৰ।

(ঙ) কেন্দ্ৰীয় শাসিত দ্ৰব্য আৰু সেৱা কৰ আইনৰ ধাৰা ৭ৰ উপধাৰা (৩) আৰু (৪)ৰ ব্যৱস্থাৱলীৰ অন্তৰ্গত পৰিশোধ কৰিবলগীয়া কৰ। কিন্তু সংযুক্ত পদ্ধতিৰ দ্বাৰা আৰোপিত কৰ ইয়াৰ অন্তৰ্ভুক্ত নহয়।

১৫) **মিশ্ৰ যোগান ঃ** জি এচ টি আইন ২০১৭ৰ ধাৰা ২(৭৪)ৰ অধীনত মিশ্ৰ যোগান বুলিলে দ্ৰব্য অথবা সেৱাৰ দুটা বা ততোধিক ব্যক্তিগত যোগান অথবা তেনেধৰণৰ দুয়োটাৰ সংমিশ্ৰণৰ কোনো গোট যি এজন কৰযোগ্য ব্যক্তিয়ে একক দৰৰ অৰ্থে সংযুক্তভাৱে যোগান ধৰে আৰু যেতিয়া তেনে যোগানে সংমিশ্ৰিত যোগান স্থাপন নকৰে।

ব্যাখ্যা ঃ যেতিয়া একক দৰত এটা পেকেট সামগ্ৰী যোগান ধৰা হয় য'ত টেমা জাতীয় খাদ্যপদাৰ্থ, মিঠাই, চকলেট, বাদাম জাতীয় খাদ্য দ্ৰব্য, পেকেটত বন্ধ পানীয় বা ফলৰ ৰস ইত্যাদি থাকে, তেনে ক্ষেত্ৰত তেনে যোগানক মিশ্ৰ যোগান বোলা হয়। প্ৰত্যেকটো দ্ৰব্য বা বস্তু পৃথক পৃথককৈ যোগান ধৰা হয় আৰু কোনো দ্ৰব্য এটা আনটোৰ ওপৰত নিৰ্ভৰশীল নহয়। কিন্তু যদি এই দ্ৰব্যসমূহৰ যোগান যদি সামগ্ৰিকভাৱে পৃথক হয় তেন্তে তেনে যোগানক মিশ্ৰ যোগান বুলি ক'ব পৰা নাযায়।

১৬) **অন্তগামী যোগান ঃ** জি এচ টি আইন ২০১৭ৰ ধাৰা ২(৬৭) অনুসৰিএজন ব্যক্তিৰ সংক্ৰান্তত অন্তগামী যোগান হৈছে কোনো কাৰণত অথবা কাৰণ অবিহনে ক্ৰয় বা আহৰণ বা অন্য কোনো মাধ্যমেৰে দ্ৰব্য বা সেৱা বা দুয়োবিধৰ প্ৰাপ্তি।

১৭) **বৰ্হিগামী যোগান ঃ** জি এচ টি আইন ২০১৭ৰ ধাৰা ২(৮৩) অনুসৰি কৰযোগ্য ব্যক্তিৰ ক্ষেত্ৰত বৰ্হিগামী যোগান হৈছে ব্যক্তিজনে ব্যৱসায় চলাই থকা সময়ত বা ব্যৱসায় উন্নয়নৰ বাবে বিক্ৰী, স্থানান্তৰ, বিনিময়, সালসলনি, অনুজ্ঞাপত্ৰ, ভাড়া, লীজ বা বিতৰণ মাধ্যমৰ দ্বাৰা কোনো দ্ৰব্য বা সেৱা বা দুয়োবিধৰ যোগান ধৰা বা যোগানত সন্মতি প্ৰদান কৰা।

১৮) **ব্যক্তি ঃ** জি এচ টি আইন ২০১৭ৰ ধাৰা ২(৮৪) অনুসৰি 'ব্যক্তি' বুলিলে—

(ক) এজন ব্যক্তি

(খ) এটা হিন্দু অবিভক্ত পৰিয়াল

(গ) এটা কোম্পানী

(ঘ) এটা অংশীদাৰী প্ৰতিষ্ঠান

(ঙ) এটা সীমিত দেনা অংশীদাৰী

(চ) ব্যক্তিৰ সংঘ বা ব্যক্তিৰ সম্মিলন যি ভাৰতত সংবদ্ধ হোৱা হওঁক।

(ছ) কোম্পানী আইন ২০১৩ ধাৰা ২ৰ দফা (৪৫)ত সংজ্ঞামিত কোনো কেন্দ্ৰীয় আইন, ৰাজ্যিক আইন বা কোনো চৰকাৰী কোম্পানীৰ অধীনত স্থাপিত হোৱা নিগম।

(জ) ভাৰতবৰ্ষৰ বাহিৰৰ কোনো দেশৰ আইনৰ দ্বাৰা বা অধীনত গঠিত সংস্থা।

(ঝ) সমবায় সমিতিসমূহৰ লগত জড়িত কোনো আইনৰ অধীনত পঞ্জীকৃত এটা সমবায় সমিতি।

(ঞ) এটা স্থানীয় কৰ্তৃপক্ষ

(ট) কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰ

(ঠ) চ'ছাইটি ৰেজিষ্ট্ৰেশ্যন আইন ১৮৬০ৰ অধীনত সংক্ষায়িত সংঘ।

(ত) ন্যাস আৰু

(ঢ) উপৰোক্ত কোনো এটা অন্তৰ্গত নোহোৱা প্ৰত্যেক কৃত্ৰিম আইনজ্ঞ।

১৯) **ব্যৱসায়ৰ স্থান ঃ** জি এচ টি আইন ২০১৭ৰ ধাৰা ২(৮৫) অনুসৰি 'ব্যৱসায়ৰ স্থান' বুলিলে অন্তৰ্ভুক্ত হয়—

(ক) এটা স্থান য'ৰ পৰা ব্যৱসায় এটা সাধাৰণভাৱে চলাই থকা হয় আৰু ইয়াত অন্তৰ্ভুক্ত হয় গুদাম ঘৰ, পণ্যাগাৰ বা অন্য কোনো স্থান য'ত কৰযোগ্য ব্যক্তি এগৰাকীয়ে তেওঁৰ দ্ৰব্য সামগ্ৰীসমূহ মজুত ৰাখে, যোগান ধৰে বা দ্ৰব্য অথবা সেৱা বা দুয়োটাৰে প্ৰাপ্ত কৰে।

(খ) এটা স্থান য'ত কৰযোগ্য ব্যক্তি এজনে তেওঁৰ হিচাপৰ বহী পত্ৰ জমা ৰাখে।

(গ) এটা স্থান য'ত এজন কৰযোগ্য ব্যক্তিয়ে প্ৰতিনিধি অথবা অন্য যিকোনো নামেৰেই হওঁক, তেওঁলোকৰ মাধ্যমেৰে ব্যৱসায় চলায়।

এনেদৰে এই অধ্যায়টিত জি এচ টি আইনৰ অধীনৰ কিছুমান গুৰুত্বপূৰ্ণ পৰিভাষা আৰু সংজ্ঞাসমূহ আলোচনা কৰা হ'ল।

২০) **কেন্দ্ৰীয় কৰ ঃ** জি এচ টি আইনৰ ধাৰা ২(২১) ৰ অধীনত 'কেন্দ্ৰীয় কৰ'ৰ অৰ্থ হৈছে ধাৰা ৯ৰ অধীনত আৰোপ কৰা কেন্দ্ৰীয় দ্ৰব্য আৰু সেৱা কৰ।

২১) **শুল্ক ঃ** জি এচ টি আইনৰ ধাৰা ২(২১) ৰ অধীনত শুল্ক শব্দটোৰ অৰ্থ Goods and Services Tax (Compensation to States) Act ত দিয়া অৰ্থটোৱে বুজা যাব।

২২) **অন্তৰ্বাহী সেৱাৰ ঃ** জি এচ টি আইনৰ ধাৰা ২(৬০) ৰ অধীনত অন্তৰ্বাহী সেৱাৰ অৰ্থ

ব্যৱসায়ৰ সম্প্রসাৰণৰ বাবে সেৱাৰ উপভোগ কৰা বা উপভোগ কৰিব বাবে ইচ্ছা কৰাক বুজায়।

২৩) **সংমিশ্রিত যোগান ঃ** ধাৰা ২(৩০) অনুসৰি সংমিশ্রিত যোগান হ'ল তেনে যোগান যিটো কৰযোগ্য ব্যক্তি এজনে দুটা বা তাতকৈ অধিক কৰযোগ্য দ্রব্য বা সেৱা বা দুয়োটাৰ এজন গ্রহীতালৈ প্রেৰণ কৰে বা স্বাভাৱিকভাৱে বান্ধ খাই থকা তেনে ব্যক্তি বা সাধাৰণভাৱে ব্যৱসায়ীক লেনদেন চলাই নিবলৈ ইজনে সিজনৰ লগত সংযোগ হৈ থকা যোগানৰ লগত জড়িত হয়, যিবোৰ এটা মুখ্য যোগান, তেনে প্রকৃতিৰ যোগানেই হ'ল সংমিশ্রিত যোগান।

উদাহৰণ ঃ যেতিয়া দ্রব্যৰ টোপোলা কৰি বীমাৰ বাবে পৰিবহন মাধ্যমেৰে প্রেৰণ কৰা হয়, তেনে ক্ষেত্রত দ্রব্যৰ যোগান, দ্রব্য টোপোৱাকৰণ, পৰিবহন কৰা পক্ষ আৰু বীমাৰ লগত জড়িত লেনদেনক একেলগে সংমিশ্রিত যোগান বুলি কোৱা হয় লগতে দ্রব্যৰ যোগান হৈছে মুখ্য যোগান।

২৪) **দ্রব্যৰ ধাৰাবাহিক যোগান ঃ** দ্রব্য আৰু সেৱা কৰ আইন ২০১৭ৰ ধাৰা ২ (৩২) মতে দ্রব্যৰ ধাৰাবাহিক যোগান মানে হ'ল দ্রব্যৰ যোগানৰ ব্যৱস্থা পৌনঃপুনিক ভিত্তিত দৈনিক বিৰতি বিহীনভাৱে, দি থকা বা দিবলৈ সন্মত হোৱাৰ ব্যৱস্থা কৰা। এনে ধৰণৰ যোগানৰ বাবে যোগান দাতাৰ গ্রহীতাৰ লগত চুক্তি থাকে দৈনিক বা সাময়িক ভিত্তিত দ্রব্য চালান দিয়াৰ। যোগান দাতাৰ দ্বাৰা, কেবুল, পাইপ বা অন্য সৰবৰাহ মাধ্যমৰ মাজেৰে হ'বও পাৰে আৰু নহ'বও পাৰে।

২৫) **সেৱাৰ ধাৰাবাহিক যোগান ঃ** দ্রব্য আৰু সেৱা কৰ আইন ২০১৭ ৰ ধাৰা ২(৩৩) ৰ অধীনত ধাৰাবাহিক সেৱাৰ যোগান মানে হ'ল, পৌনঃপুনিক ভিত্তিত অবিৰতভাৱে, বা দৈনিক সেৱাৰ যোগান ধৰা বা সেৱাৰ যোগান দিবলৈ সন্মতি জ্ঞাপন কৰা। ধাৰাবাহিক সেৱাৰ যোগান চুক্তি ৩ মাহৰ বেছি সময়ৰ বাবে হ'ব লাগিব। ইয়াত সাময়িক পৰিশোধৰ বাধ্যবাধকতা থাকিব লাগিব।

২৬) **দ্রব্য ঃ** দ্রব্য আৰু সেৱা কৰ আইন ২০১৭ৰ ধাৰা ২ (৫২) মতে, দ্রব্য মানে হ'ল ঃ মুদ্রা আৰু প্রতিভূতিৰ বাহিৰে সকলো প্রকাৰৰ অস্থাৱৰ সম্পত্তিয়েই হৈছে দ্রব্য। দ্রব্যৰ অন্তর্ভুক্ত বস্তুবোৰ হ'ল ঃ কার্যকৰী দাবী, গজালি ওলোৱা শস্য, ঘাঁহ আৰু অন্য সামগ্রী যিবোৰ ভূমিৰ এটা অংশ হিচাপে গণ্য কৰা হয়, যি যোগানৰ পূর্বে বা যোগান চুক্তিৰ অধীনত সন্মতি প্রদান কৰা হয়।

২৭) **সেৱা ঃ** দ্রব্য আৰু সেৱা কৰ আইন ২০১৭ৰ ধাৰা ২ (১০২) মতে, সেৱা মানে দ্রব্য, মুদ্রা আৰু প্রতিভূতিৰ বাহিৰে অন্যবোৰ যাৰ ভিতৰত মুদ্রা ব্যৱহাৰজনিত কার্যকলাপ বা টকালৈ বা অন্য মাধ্যমলৈ ৰূপান্তৰৰ কার্য বা এটা ৰূপ বা মাধ্যমৰ পৰা অন্য এটা ৰূপ বা মাধ্যমলৈ ৰূপান্তৰকৰণৰ কার্যকলাপ সেৱাৰ অন্তর্ভুক্ত যাৰ বাবে এটা পৃথক প্রতিদান আৰোপ কৰা হয়।

২৮) **যোগান দাতা ঃ** দ্রব্য আৰু সেৱা কৰ আইন ২০১৭ৰ ধাৰা ২ (১০৫) মতে এটা দ্রব্য আৰু সেৱা বা দুয়োটা সন্দর্ভত যোগান দাতা মানে ব্যক্তি যিয়ে দ্রব্য আৰু সেৱা বা দুয়োটাই যোগান ধৰে যাৰ ভিতৰত তেওঁৰ হৈ কর্মৰত প্রতিনিধি যিয়ে দ্রব্য আৰু সেৱাৰ যোগান ধৰে তেওঁকো যোগানদাতাৰ ভিতৰত অন্তর্ভুক্ত কৰি লোৱা হয়।

২৯) **যোগান স্থল অথবা স্থান ঃ** জি এছ টি আইন ২০১৭ৰ ২(৮৬) ধাৰা অনুসৰি 'যোগানৰ স্থান' বুলিলে সংহত দ্রব্য আৰু সেৱা কৰ আইনৰ পঞ্চম অধ্যায়ত উল্লেখ কৰা যোগানৰ স্থানক বুজা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ দ্রব্য আৰু সেৱা কৰ আইন বুলিলে কি বুজা?

.....

.....

প্রশ্ন নং ২ ঃ অন্তর্গামী আৰু বর্হিগামী যোগান বুলিলে কি বুজা?

.....

.....



১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি জি এছ টি আইনৰ অধীনৰ গুৰুত্বপূৰ্ণ পৰিভাষা আৰু সংজ্ঞাসমূহ আলোচনা কৰিলো।



১১.৫ অধিক জানিবলৈ

১) Direct Tax Laws & International Taxation by T. N. Manoharan, Snow White Publications.

২) Direct Taxes Law & Practice -With Special Reference To Tax Planning (61st Edition A.Y. 2019-20) by Vinod K. Singhania & KapilSinghania

৩) Income Tax Act, 1961, Bare Act.

৪) Income Tax Act by Girish Ahuja & Ravi Gupta.



১১.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ দ্রব্য আৰু সেৱা কৰ আইন ২০১৭ৰ ধাৰা ২ (৫২) মতে, দ্রব্য মানে হ'ল ঃ মুদ্রা আৰু প্রতিভূতিৰ বাহিৰে সকলো প্রকাৰৰ অস্থাৱৰ সম্পত্তিয়েই হৈছে দ্রব্য। দ্রব্যৰ অন্তর্ভুক্ত বস্তুবোৰ হ'ল ঃ কার্যকৰী দাবী, গজালি ওলোৱা শস্য, ঘাঁহ আৰু অন্য সামগ্রী যিবোৰ ভূমিৰ এটা অংশ হিচাপে গণ্য কৰা হয়, যি যোগানৰ পূর্বে বা যোগান চুক্তিৰ অধীনত সন্মতি প্রদান কৰা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ 'যোগান' শব্দটো জি এচ টি আইনৰ ধাৰা ৭ত সামগ্রিকভাৱে সংজ্ঞা দিয়া হৈছে। নিম্নলিখিত ছটা স্থিতিমাপৰ পৰা জি এচ টি আইনৰ অন্তর্গত 'যোগান' শব্দৰ অর্থ আৰু পৰিসৰৰ বুজ ল'ব পাৰি ঃ

(ক) দ্রব্য আৰু সেৱাৰ বাহিৰে অন্য যিকোনোৰ ওপৰত জি এচ টি আৰোপ কৰা নহয়।

(খ) যোগানৰ বিনিময় থাকিব লাগিব।

(গ) যোগান ব্যৱসায় সম্পাদন বা ব্যৱসায়ৰ উন্নতিৰ বাবে লেনদেনকৃত হ'ব লাগিব।

(ঘ) যোগান কৰযোগ্য ব্যক্তিৰ দ্বাৰা হ'ব লাগিব।

(ঙ) যোগান কৰযোগ্য যোগান হ'ব লাগিব

(চ) যোগান কৰযোগ্য অঞ্চলৰ অন্তর্ভুক্ত হ'ব লাগিব।

১১.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ জি এচ টি আইনৰ অধীনত 'ব্যক্তি'ৰ সংজ্ঞা দিয়ক।

প্রশ্ন ২ ঃ অন্তর্বাহী কৰ বুলিলে কি বুজা যায়?

প্রশ্ন ৩ ঃ দ্রব্যৰ ধাৰাবাহিক যোগান বুলিলে কি বুজা যায়?

প্রশ্ন ৪ ঃ সেৱাৰ ধাৰাবাহিক যোগান বুলিলে কি বুজা যায়?

প্রশ্ন ৫ ঃ সংমিশ্রিত যোগান বুলিলে কি বুজা যায়?

*** ***** ***

অধ্যায় ১২ ঃ জি এছ টিৰ অধীনত শুল্ক আৰু কৰ সংগ্রহ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ যোগানৰ পৰিসৰ
১২.৪ জি এছ টিৰ হাৰৰ গাঁথনি
১২.৫ যৌগিক আৰু মিশ্রিত যোগান
১২.৬ জি এছ টি আইনৰ অধীনত ৰচনাৰ আঁচনি
১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৮ অধিক জানিবলৈ
১২.৯ অগ্রগতিৰ খতিয়ান
১২.১০ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জি এছ টিৰ শুল্ক আৰু কৰ সংগ্রহৰ ব্যৱস্থাসমূহৰ বিষয়ে অৱগত হ'ব
- যোগানৰ পৰিসৰসমূহৰ বিষয়ে জানিব পাৰিব
- যৌগিক আৰু মিশ্রিত যোগান সম্পর্কে ধাৰণা লাভ কৰিব
- জি এছ টিৰ অধীনত ৰচনাৰ আঁচনিৰ বিষয়ে অৱগত হ'ব।

১২.২ পৰিচয়

জি এছ টি আইন হৈছে এনে এখন আইন যিখনে পূর্বে পৰোক্ষ কৰৰ কৰ সংগ্রহৰ ব্যৱস্থা কৰে। জি এছ টি আৰম্ভ হোৱাৰ পূর্বে পৰোক্ষ কৰৰ অধীনত আৰোপ আৰু সংগ্রহ কৰা কৰ বিভিন্ন আছিল। উদাহৰণস্বৰূপে, আবকাৰী শুল্কৰ ক্ষেত্রত ভাৰতত নির্মাণ অথবা উৎপাদনক কৰযোগ্য কার্য হিচাপে গ্রহণ কৰা হৈছিল। আনহাতে সেৱাৰ ক্ষেত্রত, আগবঢ়োৱা

সেৱা আৰু দ্রব্য বিক্রীৰ ক্ষেত্রত ভেট/CSI ৰ অধীনত কৰ আৰোপ কৰা হৈছিল। কৰৰ এনে কেইবাখলপীয়া ব্যৱস্থা দূৰ কৰিবলৈ এখলপীয়া আৰু উমৈহতীয়া কার্য যোগানৰ ওপৰত জি এছ টি আৰোপ কৰা হৈছে। ইয়াৰ অর্থ হ'ল দ্রব্য বা সেৱা অথবা উভয়ৰে যোগানৰ সময়ত জি এছ টি আৰোপ আৰু সংগ্রহ কৰা হ'ব। এই অধ্যায়ত, জি এছ টি আইনৰ অধীনত শুল্ক আৰোপ আৰু কৰ সংগ্রহৰ বিষয়ে আলোচনা কৰা হ'ব।

১২.৩ যোগানৰ পৰিসৰ

জি এছ টিৰ অধীনত বিভিন্ন কৰযোগ্য প্রক্রিয়া যেনে— পৰোক্ষ কৰ, উৎপাদন, বিক্রী, আগবঢ়োৱা সেৱা, ক্রয়, কোনো এটা অঞ্চলত প্রৱেশ কৰাৰ ওপৰত আৰোপিত কৰ আদিবোৰ এটা প্রক্রিয়া 'যোগান'ৰ অধীনত সন্নিবিষ্ট কৰা হৈছে। সেইদৰে কেন্দ্রীয় জি এছ টি (CGST) আইনৰ ৭ নং অনুচ্ছেদত থকা উল্লেখ অনুসৰি যোগানৰ সংজ্ঞাটো এটা অন্তর্নিহিত সংক্ষা হিচাপে অন্তর্ভুক্ত কৰা হৈছে আৰু অভিধাটো বিস্তৃতভাৱে ব্যাখ্যা কৰা নাই। আইনখনে যোগানৰ পৰিসৰক অন্তর্নিহিত ৰূপত ব্যাখ্যা কৰিছে। কেন্দ্রীয় জি এছ টি আইন, ২০১৭ নং অনুচ্ছেদৰ অধীনত যোগানৰ পৰিসৰবোৰ এনেধৰণৰ—

অনুচ্ছেদ ৭ (ক) অনুসৰি যোগানে তলত দিয়াবোৰ সামৰি লয়	**অনুচ্ছেদ ৭ (খ) অনুসৰি যোগানে তলত দিয়াবোৰ সামৰি লয়**
(ক) সকলো ধৰণৰ দ্রব্য বা সেৱা অথবা দুয়োটাই যেনে— বিক্রী, হস্তান্তৰ, বিনিময়, আদান-প্রদান, অনুজ্ঞাপত্র, ভাড়া, পাট্টা অথবা নিষ্পত্তি যিবোৰ ব্যৱসায় চলাই থাকোতে বা ভৱিষ্যতৰ বাবে কোনো ব্যক্তিয়ে সম্পাদন কৰিবলৈ ৰাজি হয়। (খ) কোনো সিদ্ধান্তৰ বাবে সেৱাসমূহৰ আমদানি, সেয়া ব্যৱসায়ৰ প্রক্রিয়াত বা ভৱিষ্যতৰ বাবে থাকক বা নাথাকক। (গ) অনুচ্ছেদ ১ত উল্লেখ কৰা কার্যসমূহ, যিবোৰ কোনো বিচাৰ অবিহনে কৰা হৈছে অথবা কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰা হৈছে। (ঘ) অনুচ্ছেদ ২ত থকা উল্লেখ অনুসৰি দ্রব্যৰ বা সেৱাৰ যোগানৰ লগত জড়িত কার্য।	(ক) অনুচ্ছেদ ৩-ত থকা কার্য আৰু হস্তান্তৰৰ উল্লেখ, অথবা (খ) কেন্দ্রীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ বা স্থানীয় কর্তৃপক্ষই গ্রহণ কৰা তেনে পদক্ষেপ বা হস্তান্তৰ য'ত কাউন্সিলৰ পৰামর্শ মতে চৰকাৰে জাৰি কৰা অধিসূচনা অনুসৰি তেওঁলোক ৰাজহুৱা কর্তৃপক্ষ হিচাপে জড়িত হৈ থাকে। **টোকা** -অনুচ্ছেদ ৩ত উল্লেখ থকা কার্যবোৰ (অর্থাৎ ঋণাত্মক সূচী) ১) কর্মচাৰীয়ে মালিকক তেওঁৰ বৃত্তিৰ কালছোৱাত অথবা বৃত্তিৰ লগত সম্পর্কিত আগবঢ়োৱা সেৱাসমূহ। ২) আদালত আৰু ন্যায় পীঠৰ সেৱা। ৩) সাংসদ আৰু অন্যান্যসকলে আগবঢ়োৱা সেৱা। ৪) অন্ত্যেষ্টিক্রিয়াৰ সময়ত আগবঢ়োৱা সেৱা। ৫) ভূমি/অট্টালিকাৰ বিক্রী ৬) লটাৰী, বাজি আৰু জুৱাৰ বাহিৰে অন্য কার্যক্ষম দাবী।

গতিকে জি এছ টি হৈছে কেৱল ব্যৱসায়িক আদান-প্রদানৰ ক্ষেত্রত আৰোপ কৰা কৰ। সেয়েহে, কেৱল ব্যৱসায়ৰ সৈতে জড়িত হৈ থকা অথবা ভৱিষ্যতে ব্যৱসায়ৰ সৈতে জড়িত হ'ব পৰা যোগানবোৰক জি এছ টিৰ অধীনস্থ যোগান হিচাপে গ্রহণ কৰা হ'ব। গতিকে, কোনো লোকে নিজস্ব ক্ষমতাৰে কৰা যোগান জি এছ টিৰ অধীনলৈ নাহে যদিহে সেইবোৰ আইনত থকা সংজ্ঞা অনুসৰি ব্যৱসায়ৰ অধীনস্থ নহয়। বৃত্তি হিচাপেও সামগ্রী অথবা সেৱা বিক্রী কৰিলে সি জি এছ টিৰ আওতালৈ আহিব। গতিকে এজন বিখ্যাত ৰাজনীতিকে এবাৰৰ বাবেও যদি দাতব্য কার্যৰ বাবে এখন চিত্র অংকন কৰি বিক্রী কৰে, তেন্তে সেই বিক্রীকো যোগান হিচাপে গণ্য কৰা হ'ব। জি এছ টি আইন, ২০১৭ৰ অনুচ্ছেদ ৭(১) (ক) ত সকলো ধৰণৰ দ্রব্য অথবা সেৱা অথবা উভয়ৰে উল্লেখ আছে। সেইবোৰ হ'ল—

(ক) বিক্রী

(খ) হস্তান্তৰ

(গ) বিনিময়

(ঘ) আদান-প্রদান

(ঙ) অনুজ্ঞা পত্র

(চ) ভাড়া

(ছ) পট্টা

(জ) নিষ্পত্তি/বিক্রয়

যিবোৰ ব্যৱসায় চলাই থাকোতে অথবা ভৱিষ্যতৰ বাবে কোনো ব্যক্তিয়ে সম্পাদন কৰিবলৈ ৰাজি হয়।

১২.৪ জি এছ টিৰ হাৰৰ গাঁথনি

জি এছ টি আইন, ২০১৭ ৰ অনুচ্ছেদ ৯(১)ত থকা উল্লেখ অনুসৰি মানুহৰ সেৱনৰ বাবে মাদক দ্রব্য যোগানৰ বাহিৰে কেন্দ্রীয় জি এছ টি আইন, ২০১৭ অধীনত সকলো আন্তঃৰাজ্যিক দ্রব্য বা সেৱা অথবা উভয়ৰে যোগানৰ ওপৰত কেন্দ্রীয় পণ্য আৰু সেৱা কৰ নামৰ কৰ আৰোপ কৰা হ'ব আৰু এই হাৰ কাউন্সিলৰ নির্দেশনা অনুসৰি চৰকাৰী অধিসীচনাৰ ভিত্তিত ২০ শতাংশতকৈ অধিক নহ'ব আৰু সেই অনুসৰি সংগ্রহ আৰু কৰযোগ্য লোকে পৰিশোধ কৰিব লাগিব।

ইয়াৰ অর্থ হ'ল সকলো দ্রব্য আৰু সেৱাৰ আন্তঃৰাজ্যিক যোগানৰ বাবে জি এছ টিৰ হাৰ ৪০ শতাংশ (য'ত ২০ শতাংশ কেন্দ্রীয় জি এছ টি আৰু ২০ শতাংশ ৰাজ্যিক জি এছ টি)তকৈ অধিক নহয়।

সন্মিলিত দ্রব্য আৰু সেৱা কৰ আইন, ২০১৭ ৰ অনুচ্ছেদ ৫(১) ৰ অনুসৰি দ্রব্য বা সেৱা বা উভয়ৰে সকলো আন্তঃৰাজ্যিক বিনিয়োগৰ ওপৰত সন্মিলিত দ্রব্য আৰু সেৱা কৰ (IGST) নামৰ শুল্ক আৰোপ কৰা হ'ব আৰু এই হাৰ ৪০ শতাংশতকৈ অধিক নহ'ব।

কাষ্টম টেৰিফ অধিনিয়ম, ১৯৭৫ৰ অনুচ্ছেদ ৩ অনুসৰি ভাৰতলৈ আমদানিকৃত দ্রব্যৰ

ওপৰত IGST আৰোপ আৰু সংগ্রহ কৰা হ'ব।

কেন্দ্রীয় জি এছ টি আইন, ২০১৭ৰ অনুচ্ছেদ ৯ (৩) অনুসৰি চৰকাৰে জি এছ টি কাউন্সিলৰ পৰামর্শ মতে দ্রব্য বা সেৱা বা উভয়ৰে শ্রেণী নির্ধাৰণৰ অধিসূচনা জাৰি কৰাৰ লগতে বিপৰীতমুখী দৰ প্রদানৰ ভিত্তিত কৰ আৰোপ কৰিব পাৰে (IGST আইন, ২০১৭ৰ অনুচ্ছেদ ৫(৩)ৰ অধীনস্থ ব্যৱস্থাৰ দৰে একে ব্যৱস্থা)

কেন্দ্রীয় জি এছ টি আইন, ২০১৭ৰ ৯(৪) নং অনুচ্ছেদ অনুসৰি অ-পঞ্জীয়নকৃত ব্যক্তিয়ে পঞ্জীয়নকৃত ব্যক্তিলৈ আগবঢ়োৱা কৰযোগ্য দ্রব্য বা সেৱা বা উভয়ৰ যোগান তেনে ব্যক্তিয়ে বিপৰীতমুখী দৰ প্রদানৰ ভিত্তিত (Reverse Charge Basis) গ্রহণকাৰী হিচাপে প্রদান কৰিব লাগিব (IGST আইন, ২০১৭ ৰ ৫(৪) অনুচ্ছেদৰ অধীনস্থ ব্যৱস্থাৰ দৰে একে ব্যৱস্থা)। এই ব্যৱস্থা ৩১/০৩/২০১৮ত পৰিহাৰ কৰা হৈছিল।

টোকা ঃ বিপৰীতমুখী দৰ প্রদানৰ প্রক্রিয়াটো কার্যকৰী নহ'ব যদিহে কৰযোগ্য ব্যক্তিয়ে অ-পঞ্জীয়নকৃত যোগানকর্তাৰ পৰা গ্রহণ কৰা তেনেধৰণৰ দ্রব্য বা সেৱা বা দুয়োবিধ আৰু যিবোৰৰ দৰ দৈনিক ৫০০০ তকৈ অধিক নহয়। (অধিসূচনা নং ৮/২০১৭ তাৰিখ ২৮/০৬/২০১৭)

কেন্দ্রীয় জি এছ টি আইন, ২০১৭ৰ অনুচ্ছেদ ৯(৫) অনুসৰি, বৈদ্যুতিন বাণিজ্য নিয়ন্ত্রণ (ECO) এণ্ড কৰ প্রদান কৰিব লাগিব। যদিহে ECO ৰ কোনো দৈহিক অৱস্থিতি নাথাকে, তেন্তে যিকোনো উদ্দেশ্যত কৰযোগ্য ক্ষেত্রত তেনে বৈদ্যুতিন, বাণিজ্যিক প্রতিনিধিয়ে কৰা কোনো লোকে কৰ প্রদান কৰিব লাগিব। আইনখনত আকৌ উল্লেখ কৰিছে যে যদিহে ECO ৰ কৰযোগ্য ক্ষেত্রত তেনে প্রতিনিধি নাথাকে, তেন্তে ECO ই কৰ প্রদানৰ বাবে তেনে এগৰাকী ব্যক্তিক নিযুক্তি প্রদান কৰিব লাগিব আৰু সেই লোকজনে কৰ প্রদানৰ দায়িত্ব প্রদান কৰিব লাগিব। (IGST আইন, ২০১৭ৰ অনুচ্ছেদ ৫(৫)ৰ দৰে একে ব্যৱস্থা)।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জি এছ টি আইনৰ অধীনত জি এছ টি আৰোপ কৰিব পৰা কৰযোগ্য কার্যসমূহ কি কি?

.....

.....

প্রশ্ন নং ২ ঃ জি এছ টি আইনৰ অধীনত জি এছ টিৰ হাৰসমূহ উল্লেখ কৰক।

.....

.....

১২.৫ যৌগিক আৰু মিশ্রিত যোগান

কেন্দ্রীয় জি এছ টি আইন, ২০১৭ৰ অনুচ্ছেদ ৮ত যৌগিক আৰু মিশ্রিত যোগানৰ বিষয়ে উল্লেখ আছে। যৌগিক যোগান হৈছে দুটা বা ততোধিক দ্রব্য সম্মিলিতভাৱে বিক্রী কৰাৰ

এক প্রক্রিয়া। এই ক্ষেত্রত আৰোপ কৰিবলগীয়া কৰৰ হাৰ নির্ধাৰণ কৰাটো কঠিন হৈ পৰে। এনে দ্রব্য বা সেৱাৰ বাবে কেন্দ্রীয় জি এছ টি আইনত দুটা অভিধাৰ উল্লেখ আছে—

(১) যৌগিক যোগান (Composite Supply)

(২) মিশ্রিত যোগান (Missed Supply)

যৌগিক যোগানৰ ধাৰণাটো বর্তমানৰ ব্যৱস্থাৰ সেৱা কৰৰ 'একত্রিত কৰ'ৰ ধাৰণাৰ সমধর্মী। যৌগিক যোগান আৰু মিশ্রিত যোগান উভয়ে দুটা বা ততোধিক কৰযোগ্য দ্রব্য বা সেৱা বা উভয়ৰ দ্বাৰা গঠন হয়। ইয়াৰ মাজৰ মূল পার্থক্যটো হ'ল যৌগিক যোগান প্রাকৃতিকভাৱে একত্রিত/আৱদ্ধ অর্থাৎ ব্যৱসায়ৰ সাধাৰণ প্রক্রিয়াত যৌথভাৱে আগবঢ়োৱা হয় আৰু ইয়াক বিভাজন কৰিব নোৱাৰি। আনহাতে মিশ্রিত যোগানত দ্রব্য অথবা সেৱাসমূহ বিক্রী কৰিব পাৰি।

(ক) যৌগিক যোগান ঃ যৌগিক যোগান দুটা বা ততোধিক সেৱা/দ্রব্যৰে গঠিত হয়, যিটো ইটোক আনটোৰ সৈতে প্রাকৃতিকবাৰে যোগান ধৰা হয় আৰু সেইবোৰৰ এটা প্রাথমিক যোগান হয়। দ্রব্যসমূহ পৃথকভাৱে যোগান ধৰিব পৰা নাযায়।

টোকা ঃ প্রাথমিক যোগানৰ অর্থ হ'ল এনে এক দ্রব্য বা সেৱা, যিটো যৌগিক যোগানৰ মুখ্য উপাদানেৰে গঠিত হয় আৰু যাৰ প্রতি অন্য এটা যোগান গৌণ হৈ পৰে। তলত দিয়া চর্ত দুটা যৌগিক যোগানৰ বাবে প্রয়োজনীয়— (১) দুটা বা ততোধিক দ্রব্য বা সেৱা যোগান ধৰা আৰু (২) ই প্রাকৃতিকভাৱে একত্রিত/আৱদ্ধ হোৱাৰ লগতে ইয়াক পৃথক কৰিব নোৱৰা বিধৰ হ'ব লাগে।

(খ) মিশ্র যোগান ঃ মিশ্র যোগানত দুটা বা ততোধিক দ্রব্য বা সেৱাৰ সমাহাৰ একক দৰত যোগান ধৰা হয়। এই দ্রব্যসমূহৰ প্রতিটো পৃথক পৃথকভাৱে যোগান ধৰিব পৰা যায় আৰু ইটোই সিটোৰ ওপৰত নির্ভৰশীল নহয়। আন কথা, দ্রব্য বা সেৱাৰ এই সমাহাৰ প্রাকৃতিকভাৱে একত্রিত নহয় আৰু সেইবোৰ পৃথকভাৱে সাধাৰণ ব্যৱসায়ৰ প্রক্রিয়াত যোগান ধৰিব পৰা যায়। কৰ প্রদানৰ ক্ষেত্রত দুটা বা ততোধিক যোগানৰ মিশ্রণক সর্বাধিক কৰৰ হাৰযুক্ত যোগান হিচাপে গণ্য কৰা হয়।

১২.৬ জি এছ টি আইনৰ অধীত ৰচনাৰ আঁচনি

ভাৰত চৰকাৰে কৰ প্রদান আৰু কৰযোগ্য লোকে নির্দিষ্ট শ্রেণীলৈ কৰা প্রত্যাপর্ণৰ বাবে এক সহজ-সৰল ব্যৱসায়ৰ আঁচনি গ্রহণ কৰিছে। ইয়াৰ ফলশ্রুতিত, তেনে কৰযোগ্য ব্যক্তিয়ে দীঘলীয়া প্রমাণ ৰখাৰ আৰু প্রত্যাপর্ণৰ কোনো পুংখানুপুংখ ব্যাখ্যা আগবঢ়োৱাৰ প্রয়োজনীয়তা নোহোৱা হৈ পৰিছে। কেন্দ্রীয় জি এছ টি আইনৰ অনুচ্ছেদ ১০ এ এনে ব্যক্তিৰ বাবে যৌগিক কৰৰ ব্যৱস্থা আগবঢ়াইএছ। যৌগিক আঁচনিয়ে ক্ষুদ্র ব্যৱসায়বোৰক সাধাৰণ কৰৰ সলনি নির্দিষ্ট লাভ কৰ হিচাপে প্রদান কৰাৰ সুবিধা প্রদান কৰে আৰু জি এছ টি আইনৰ ব্যাপক নীতি-নিয়মৰ পৰা মুক্তি প্রদান কৰিছে। এটা বিত্তীয় বর্ষত আয় এক কোটি বা তাতকৈ কম (উত্তৰ পূর্বাঞ্চলৰ ৰাজ্য আৰু হিমাচল প্রদেশৰ বাবে ৭৫ লাখ) আয়ৰ ক্ষুদ্র কৰ প্রদানকাৰীসকল যৌগিক কৰৰ

বাবে উপযুক্ত হিচাপে বিবেচিত হ'ব। যৌগিক সেৱাৰ শ্রেণী বাচনি বা এইবোৰৰ ওপৰত আৰোপিত জি এছ টিৰ হাৰ আদিৰ বিষয়ে চিন্তিত হ'ব নালাগে। তেওঁলোকে কোনো কৰৰ সূচী (Tax invoice) দাখিল কৰিব নালাগে। যদিও কেবল এখন যোগানৰ ৰচিদ প্রদান কৰিব লাগে য'ত গ্রাহকৰ পৰা কোনো কৰ গ্রহণ কৰা নহ'ব।

এটা দিমাসিকৰ অন্তত যৌগিক কৰ বাচনি কৰা এজন পঞ্জীয়নকৃত ব্যক্তিয়ে তেওঁৰ আয়ৰ এক নির্দিষ্ট অংশ input tax credit ৰ লাভালাভ অবিহনে কৰ অবিহনে আগবঢ়াব। আন্তঃৰাজ্যিক বা ই-কমার্চৰ মাধ্যমেৰে দ্রব্যৰ যোগান ধৰা ব্যক্তিসকল, যিয়ে উৎসতে কৰ সংগ্রহ কৰিব লাগে, তেওঁলোকক এই যৌগিক আঁচনিৰ বাবে যোগ্য হিচাপে বিবেচনা কৰা নহ'ব। কেন্দ্রীয় জি এছ টি আইন, ২০১৭ৰ ১০ নং অনুচ্ছেদ আৰু কেন্দ্রীয় দ্রব্য আৰু সেৱা কৰ (GST) নীতি, ২০১৭ৰ দ্বিতীয় অধ্যায় (যৌগিক বিধি)ত যৌগিক কৰৰ লগত সম্পর্কিত ব্যৱস্থা উল্লেখ আছে।

যৌগিক আঁচনিৰ অন্তর্ভুক্ত নোহোৱা লোকসকল

কেন্দ্রীয় জি এছ টি আইন, ২০১৭ৰ অনুচ্ছেদ ১০(২) অনুসৰি যৌগিক আঁচনিৰ সুফল এজন ব্যক্তিক প্রদান কৰা নহ'ব যদিহে কৰযোগ্য ব্যক্তিজন—

(ক) সেৱাৰ যোগানৰ লগত জড়িত হয় (ৰেষ্টুৰেণ্ট আৰু বাহ্যিক কেটাৰিং সেৱাৰ সলনি)।

(খ) এই আইনৰ অধীনত কৰযোগ্য নোহোৱা দ্রব্যৰ যোগানৰ লগত জড়িত হয়।

(গ) যিকোনো দ্রব্যৰ আন্তঃৰাজ্যিক বাহ্যিক যোগানত জড়িত হয়।

(ঘ) বৈদ্যুতিন বাণিজ্যিক নিয়ন্ত্রকৰ মাধ্যমেৰে দ্রব্যৰ যোগানত জড়িত হয় যিয়ে অনুচ্ছেদ ৫২ৰ অধীনত উৎসতে কৰ আহৰণ কৰিব লাগে।

(ঙ) কাউন্সিলৰ নির্দেশনা অনুসৰি চৰকাৰে জাৰি কৰা অধিসূচনাৰ ভিত্তিত ধার্য হোৱা তেনে কোনো দ্রব্যৰ উৎপাদনত জড়িত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জি এছ টি আইনৰ অধীনত যৌগিক আঁচনিৰ সুফল লাভ কৰাৰ বাবে যোগ্য ব্যক্তিসকল কোন?

.....

.....

প্রশ্ন নং ২ ঃ মিশ্রিত যোগান বুলিলে কি বুজা যায়?

.....

.....



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- জি এছ টি আইন হৈছে এনে এখন আইন যিখনে আন্তঃৰাজ্যিক/অন্তঃৰাজ্যিক সামগ্রী বা সেৱা অথবা উভয়ৰে যোগানৰ বাবে শুল্ক আৰু কৰ সংগ্রহৰ ব্যৱস্থা কৰে।
- দ্রব্য বা সেৱা বা উভয়ৰে যোগানৰ সময়ত জি এছ টি আৰোপ আৰু সংগ্রহ কৰা হ'ব।
- জি এছটি আইনৰ ৭ নং অনুচ্ছেদত থকা উল্লেখ অনুসৰি যোগানৰ সংজ্ঞাটো এটা অন্তর্নির্হিত সংজ্ঞা হিচাপে অন্তর্ভুক্ত কৰা হৈছে আৰু অভিধাটো বিস্তৃতভাৱে ব্যাখ্যা কৰা নাই।
- এটা বিত্তীয় বর্ষত আয় এক কোটি বা তাতকৈ কম (উত্তৰ পূর্বাঞ্চলৰ ৰাজ্য আৰু হিমাচল প্রদেশৰ বাবে ৭৫ লাখ) আয়ৰ ক্ষুদ্র কৰ প্রদানকাৰীসকলক যৌগিক কৰৰ বাবে উপযুক্ত হিচাপে বিবেচিত হ'ব।



১২.৮ অধিক জানিবলৈ

১) Direct Tax Laws & International Taxation by T. N. Manoharan, Snow White Publications.

২) Direct Taxes Law & Practice -With Special Reference To Tax Planning (61st Edition A.Y. 2019-20) by Vinod K. Singhania & Kapil Singhania.

৩) Income Tax Act, 1961, Bare Act.

৪) Income Tax Act by Girish Ahuja & Ravi Gupta.



১২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ যোগান।

২ নং প্রশ্নৰ উত্তৰ ঃ ২০ শতাংশ।

৩ নং প্রশ্নৰ উত্তৰ ঃ এটা বিত্তীয় বর্ষত আয় এক কোটি বা তাতকৈ কম (উত্তৰ পূর্বাঞ্চলৰ ৰাজ্য আৰু হিমাচল প্রদেশৰ বাবে ৭৫ লাখ) আয়ৰ ক্ষুদ্র কৰ প্রদানকাৰীসকল যৌগিক কৰৰ

বাবে উপযুক্ত হিচাপে বিবেচিত হ'ব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মিশ্ৰ যোগানত দুটা বা ততোধিক দ্ৰব্য বা সেৱাৰ সমাহাৰ একক দৰত যোগান ধৰা হয়। এই দ্ব্যসমূহৰ প্ৰতিটো পৃথক পৃথকভাৱে যোগান ধৰিব পৰা যায় আৰু ইটোই সিটোৰ ওপৰত নিৰ্ভৰশীল নহয়।

১২.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ জি এছ টি আইনৰ অধীনত যোগানৰ পৰিসৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ জি এছ টিৰ হাৰৰ গাঁথনিৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ জি এছ টি আইনৰ অধীনত যৌগিক আৰু মিশ্ৰিত যোগান সম্পৰ্কে ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ জি এছ টি আইনৰ অধীনত কৰৰ গাঁথনিক আঁচনিৰ বিষয়ে এটি আলোচনা যুগুত কৰক।

প্ৰশ্ন ৫ ঃ কোনবোৰ লোকে যৌগিক আঁচনিৰ সুফল লাভ কৰাৰ পৰা বঞ্চিত হয়?

*** ***** ***

অধ্যায় ১৩ ঃ দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনত পঞ্জীয়ন

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনত পঞ্জীয়নকৰণৰ সুবিধাসমূহ

১৩.৪ পঞ্জীয়নৰ বাবে দায়বদ্ধ ব্যক্তিসকল (ধাৰা ২২)

১৩.৫ পঞ্জীয়নৰ বাবে দায়বদ্ধ নোহোৱা ব্যক্তিসকল (ধাৰা ২৩)

১৩.৬ দ্রব্য পঞ্জীয়ন সম্পৰ্কীয় ব্যৱস্থাৱলী আৰু সেৱা কৰৰ অধীনৰ বাধ্যতামূলক পঞ্জীয়ন (ধাৰা ২৪)

১৩.৭ দ্রব্য আৰু সেৱা কৰৰ অধীনত পঞ্জীয়নকৰণ পদ্ধতি

১৩.৮ বিবেচ্য পঞ্জীয়ন

১৩.৯ পঞ্জীয়ন সংখ্যা প্ৰাপ্তি

১৩.১০ পঞ্জীয়ন সংশোধন

১৩.১১ পঞ্জীয়ন বাতিলকৰণ

১৩.১২ আইন পঞ্জীয়ন বাতিল পুনৰুজ্জীৱিতকৰণ

১৩.১৩ অনলাইন পঞ্জীয়নকৰণত প্ৰয়োজনীয় স্তৰসমূহ

১৩.১৪ ৰাজ্য বিশেষে অথবা কেন্দ্ৰীয় শাসিত অঞ্চল বিশেষে ভিন্ন পঞ্জীয়ন পদ্ধতিসমূহ

১৩.১৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.১৬ অধিক জানিবলৈ

১৩.১৭ অগ্ৰগতিৰ খতিয়ান

১৩.১৮ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনত পঞ্জীয়ন কৰাৰ সুবিধা
- দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনৰ সাপেক্ষে প্ৰয়োজনীয় বিভিন্ন দিশ
- দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনৰ পঞ্জীয়নকৰণৰ পদ্ধতি
- পঞ্জীয়নকৰণৰ বাবে সক্ষম তথা দায়বদ্ধ আৰু অক্ষম ব্যক্তিসকল
- জি এচ টি আইনৰ অধীনৰ পঞ্জীয়নৰ সংশোধন তথা বাতিলকৰণৰ বিভিন্ন ব্যৱস্থাৱলী সম্পৰ্কীয় ব্যাখ্যা।

১৩.২ পৰিচয়

যিবোৰ ব্যৱসায় প্রতিষ্ঠানে নিজকে জি এছ টি আইনৰ অধীনত পঞ্জীকৃত কৰিব বিচাৰে তেওঁলোক সর্বপ্রথমে কৰ ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ হ'ব লাগিব। পঞ্জীয়কৰণ প্রক্রিয়া কৰ পৰিশোধকাৰীসকলৰ চিনাক্তকৰণৰ উপৰিও অন্য বিভিন্ন দিশৰ পৰা প্রয়োজনীয়। কেন্দ্রীয় দ্রব্য আৰু সেৱা কৰ আইন ২০১৭ ৰ দফা ৬ৰ অনুচ্ছেদ ২২ৰ পৰা আৰম্ভ কৰি অনুচ্ছেদ ৩০ৰ লৈকে পঞ্জীয়নকৰণৰ বিভিন্ন ব্যৱস্থাৱলী সম্পর্কে ব্যাখ্যা কৰা হৈছে। কেন্দ্রীয় দ্রব্য আৰু সেৱা কৰ আইন ২০১৭ ধাৰা ২২ অনুসৰি প্রত্যেক ব্যক্তি যিসকলৰ বছৰি সর্বমুঠ প্রত্যাপর্ণৰ সীমা ২০ লাখতকৈ অধিক তেওঁলোকে জি এচ টি আইনৰ অধীনত পঞ্জীয়ন কৰিবলৈ বাধ্য। জি এছ টি আইন অনুসৰি। পঞ্জীয়ণকৰণৰ অবিহনে কোনো ব্যক্তিয়ে ক্রেতাৰ পৰা সংগ্রহ নতুবা তেওঁ প্রদান কৰা কৰৰ পৰিশোধিত ঋণৰ সুবিধাও লাভ কৰিব নোৱাৰে।

জি এছ টি আইনৰ অধীনত পঞ্জীকৃত কৰাৰ পাছত ব্যৱসায়ীক প্রতিষ্ঠানে চৰকাৰৰ হকে কৰ সংগ্রহ তথা ব্যৱসায়ীৰ আভ্যন্তৰীণ যোগানৰ কৰৰ ওপৰত আহিলা কৰ ঋণ আর্জন কৰাৰ উদ্দেশ্যে উপযুক্ত বা প্রাসংগিক কৰ কর্তৃপক্ষৰ পৰা এটা অন্যান্য সংখ্যা লাভ কৰে জি এছ টিৰ অধীনত পঞ্জীয়ণকৰণ ৰাজ্য সাপেক্ষে সম্পন্ন হয়।

আমি এই গোটত জি এছ টি আইন ২০১৭ৰ অধীনৰ পঞ্জীয়নকৰণৰ লগত জড়িত বিভিন্ন ব্যৱস্থাৱলী সম্পর্কে অধ্যয়ন কৰিম। শিক্ষার্থীসকল পঞ্জীয়নকৰণৰ প্রয়োজনীয়তা ইয়াৰ পদ্ধতি। সুবিধা তথা পঞ্জীয়নকৰণৰ সংশোধন তথা বাতিলকৰণ পদ্ধতিৰ লগত জড়িত ব্যৱস্থাসমূহৰ সম্পর্কে জানিবলৈ সক্ষম হ'ব।

১৩.৩ দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনত পঞ্জীয়নকৰণৰ সুবিধাসমূহ

দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনত পঞ্জীয়নকৰণেৰ কোনে ব্যৱসায়লৈ তলত দিয়া সুবিধাসমূহ আগবঢ়াম—

(ক) দ্রব্য আৰু সেৱাৰ যোগানদাতা হিচাপে আইনগতভাৱে স্বীকৃতি।

(খ) আহিলা দ্রব্য আৰু সেৱাৰ বাবদ পৰিশোধিত কৰৰ উপযুক্ত হিচাপে যাক দ্রব্য আৰু সেৱা বা দুয়োটাৰে বাবদ পৰিশোধ কৰিবলগীয়া জি এছ টি বাবে ব্যৱহাৰ কৰিব পৰা যায়।

(গ) ক্রেতাৰ পৰা কৰ সংগ্রহৰ আইনগত কর্তৃত্ব লাভ আৰু যোগান দিয়া দ্রব্য আৰু সেৱাৰ পৰিশোধিত কৰৰ ঋণ ক্রেতা লগতে প্রাপক/গ্রহীতালৈ স্থানান্তৰ কৰা।

(ঘ) দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনত প্রদান কৰা বিভিন্ন ধৰণৰ সুবিধা লগতে বিশেষাধিকাৰ ভোগৰ অর্হতা লাভ কৰা।

১৩.৪ পঞ্জীয়নৰ বাবে দায়বদ্ধ ব্যক্তিসকল (ধাৰা ২২)

দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনত তলত দিয়া ব্যক্তিসমূহ পঞ্জীয়নৰ বাবে দায়বদ্ধ-

১) ৰাজ্যত কৰযোগ্য দ্রব্যৰ তথা সেৱাৰ নতুবা দুয়োটাৰে যোগান ধৰা যোগানদাতা যাৰ এটা বিত্তীয় বছৰত সৰ্বমুঠ প্রত্যাপর্ণ পৰিমাণ ১০ লাখ টকাৰ বেছি, তেনে যোগান দাতাই এই আইনৰ অধীনত পঞ্জীয়ন কৰিবলৈ বাধ্য।

২) প্রত্যেক ব্যক্তি, যি এই আইন বলবৎ হোৱাৰ আগৰদিনা প্রচলিত আইন অনুসৰি পঞ্জীয়ন অনুজ্ঞাপত্র লাভ কৰে, তেনে অৱস্থাত তেনে ব্যক্তিয়ে আইন বলবৎ হোৱা দিনৰ পৰা কার্যকৰী হোৱাকৈ পঞ্জীয়ন কৰিবলৈ বাধ্য।

৩) যেতিয়া কোনো কৰযোগ্য ব্যক্তিয়ে, যি এই আইনৰ অধীনত পঞ্জীকৃত, তেওঁৰ সদ্য প্রচলিত ব্যৱসায় উত্তৰাধিকাৰী সূত্রে নতুবা কোনো অন্য কাৰণত কোনো অন্য ব্যক্তিলৈ হস্তান্তৰ কৰে, তেনে ক্ষেত্রত হস্তান্তৰীত ব্যক্তি উত্তৰাধিকাৰী ব্যক্তিজনে, ব্যৱসায় হস্তান্তৰ কৰা দিনৰ পৰা কার্যকৰী হোৱাকৈ এই আইনৰ অধীনত পঞ্জীয়ন কৰিবলৈ দায়বদ্ধ।

৪) উপধাৰা (১) আৰু (৩) ত যিধৰণৰ ব্যৱস্থাই নাথাকক কিয় কোনো এখন আঁচনি অনুমোদন কৰাৰ ক্ষেত্রত স্থানান্তৰ গ্রহীতা নহ'ব। একত্রীকৰণৰ ব্যৱস্থাৰ নতুনকৈ দুটা বা অধিক কোম্পানীয়ে উচ্চ ন্যায়ালয় বা ত্রিবুনেলৰ আদেশ মানি লৈ কৰা একত্রীকৰণত কোম্পানীৰ পঞ্জীয়কে পঞ্জীয়নৰ প্রমাণ পত্র প্রকাশ কৰা তাৰিখৰপৰা এনে হস্তান্তৰ গ্রহীতাই, উক্ত আইনৰ অধীনত পঞ্জীয়ন লোৱাৰ বাবে দায়বদ্ধ থাকিব।



জানি থোৱা ভাল

কেন্দ্রীয় দ্রব্য আৰু সেৱা কৰ আইন ২০১৭, ২২(১) ধাৰা অনুসৰি দ্রব্য অথবা সেৱাৰ যোগানদাতাই ৰাজ্য, যাৰ এটা বিত্তীয় বছৰত সৰ্বমুঠ প্রত্যাপর্ণৰ পৰিমাণ ২০ লাখতকৈ অধিক তেওঁলোকে নিজৰ কৰযোগ্য যোগানৰ ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চল সাপেক্ষে পঞ্জীয়নকৰণ কৰাটো প্রয়োজনীয়। সংবিধানৰ অনুচ্ছেদ ২৭৯ (এ)ৰ দফা (৪) ৰ উপদফা অনুসৰি ২০ লাখ টকাৰ প্রত্যাপর্ণৰ সীমা ১০ লাখ টকালৈ হ্রাস কৰা হৈছে যদিহে ব্যক্তিজনৰ ব্যৱসায় বিশেষ শ্রেণীভুক্ত ৰাজ্যত থাকে আৰু এই ৰাজ্যকেইখন হ'ল— অৰুণাচল প্রদেশ, অসম, জম্মু আৰু কাশ্মীৰ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিক্কিম, ত্রিপুৰা, হিমাচল প্রদেশ আৰু উত্তৰাখণ্ড।

১৩.৫ পঞ্জীয়নৰ বাবে দায়বদ্ধ নোহোৱা ব্যক্তিসকল (ধাৰা ২৩)

তলত দিয়া ব্যক্তিসকল এই আইনৰ অধীনত পঞ্জীয়নৰ বাবে দায়বদ্ধ নহয়—

(ক) যিকোনো ব্যক্তি, যিজন এনে দ্রব্য অথবা সেৱা নতুবা দুয়োটাৰে যোগানৰ ব্যৱসায়ৰ লগত জড়িত যি কৰৰ বাবে দায়বদ্ধ নহয় অথবা কৰৰ পৰা সম্পূর্ণৰূপে মুক্ত তেনে ব্যক্তিয়ে এই আইন অথবা সংহত দ্রব্য আৰু সেৱা কৰ আনৰ অন্তর্গত পঞ্জীয়ন কৰিবলৈ দায়বদ্ধ নহয়।

(খ) এজন কৃষক, কৃষিভূমিত খেতিৰ পৰা লাভ কৰা উৎপাদনৰ এটা পর্যায়লৈ এই আইনৰ অধীনত পঞ্জীয়ন কৰাৰ বাবে দায়বদ্ধ নহয়।

(গ) চৰকাৰে পৰিষদৰ অনুমোদন ক্রমে জাননী জাৰি কৰি এই আইনৰ অধীনত পঞ্জীয়ন কৰাৰ পৰা ৰেহাই দিয়া ব্যক্তিসকলৰ শ্রেণী নির্ধাৰিত কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জি এছ টি আইনৰ অধীনত পঞ্জীয়নৰ দুটা সুবিধা উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ২ ঃ জি এছ টি আইনৰ অধীনত পঞ্জীয়নৰ বাবে দায়বদ্ধ থকা দুজন ব্যক্তিৰ নাম উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৩ ঃ জি এছ টি আইনৰ অধীনত পঞ্জীয়নৰ বাবে দায়বদ্ধ নোহোৱা দুজন ব্যক্তিৰ নাম উল্লেখ কৰক।

.....

.....

১৩.৬ দ্রব্য পঞ্জীয়ন সম্পর্কীয় ব্যৱস্থাৱলী আৰু সেৱা কৰৰ অধীনৰ বাধ্যতামূলক পঞ্জীয়ন (ধাৰা ২৪)

তলত উল্লেখিত শ্রেণীৰ ব্যক্তিসকলে এই আইনৰ অধীনত পঞ্জীয়ন কৰাটো বাধ্যতামূলক—

(১) যিকোনো ধৰণৰ আন্তঃৰাজ্যিক কৰযোগ্য যোগানৰ লগত জড়িত ব্যক্তি।

(২) কৰযোগ্য যোগানৰ লগত জড়িত যিকোনো সাধাৰণ ব্যক্তি।

(৩) ওলোটা ব্যয়ৰ অধীনত কৰযোগ্য ব্যক্তি।

(৪) ধাৰা ৯ৰ উপধাৰা ৫ৰ অধীনত কৰ প্রদানৰ বাবে বাধ্য ব্যক্তি।

(৫) প্রবাসী কৰযোগ্য ব্যক্তি যিয়ে কৰযোগ্য যোগানৰ লগত জড়িত।

(৬) এই আইনৰ অধীনত পৃথকভাৱে পুঞ্জীভুক্ত অথবা অপুঞ্জীভুক্ত ব্যক্তি যিয়ে ধাৰা ৫১ৰ অধীনত কৰ বাদ দিয়াৰ আৱশ্যক হয়।

(৭) ব্যক্তি যি অন্য কোনো কৰযোগ্য ব্যক্তিৰ প্রতিনিধি তথা অন্য কিবা ৰূপত দ্রব্য তথা সেৱা অথবা দুয়োটাৰে কৰযোগ্য যোগানৰ লগত জড়িত।

(৮) আহিলা সেৱাৰ বিতৰক। যি এই অধীনত পৃথকভাৱে পঞ্জীকৃত হওঁক বা নহওঁক।

(৯) ধাৰা ৯ৰ উপধাৰা (৫) ৰ অধীনত উল্লেখিত যোগানক বাদ দি বৈদ্যুতনিক বাণিজ্যক কর্তা যিয়ে ধাৰা ৫২ ৰ অধীনত উৎসত কৰ সংগ্রহ কৰে তেনে ব্যক্তিৰ জৰিয়তে দ্রব্য আৰু সেৱা বা দুয়োটাৰ যোগানৰ লগত জড়িত ব্যক্তি।

(১০) প্রত্যেক বৈদ্যুতনিক বাণিজ্যিক কার্যকর্তা।

(১১) পঞ্জীকৃত ব্যক্তিৰ বাহিৰে প্রত্যেক ব্যক্তি যি অনলাইনযোগে তথ্য অথবা ডাটা যোগান ধৰে বা ভাৰতৰ বাহিৰৰ স্থানৰ পৰা ভাৰতবর্ষত থকা ব্যক্তিলৈ সঞ্চিত তথ্য যোগান কৰা ব্যক্তি।

(১২) পৰিষদৰ নির্দেশনা মর্মে চৰকাৰী জাননী জাৰি কৰা অন্য শ্রেণীৰ ব্যক্তিসকল।

১৩.৭ দ্রব্য আৰু সেৱা কৰৰ অধীনত পঞ্জীয়নকৰণ পদ্ধতি

(১) ধাৰা ২২ তথা ধাৰা ২৪ৰ অধীনত পঞ্জীয়নকৰণৰ বাবে দায়বদ্ধ প্রত্যেক ব্যক্তিয়ে তেওঁলোকৰ কৰযোগ্য ৰাজ্য তথা কেন্দ্রীয় শাসিত অঞ্চলত পঞ্জীয়নকৰণৰ বাবে দায়বদ্ধ হোৱা ত্রিশ (৩০) দিনৰ ভিতৰত পঞ্জীয়নৰ বাবে আৱেদন কৰিব লাগে অথবা কিছুমান নির্ধাৰিত চর্তসাপেক্ষে আবেদন কৰিব লাগে যেনে— এজন সাধাৰণ কৰযোগ্য ব্যক্তি তথা প্রবাসী কৰযোগ্য ব্যক্তিয়ে ব্যৱসায় আৰম্ভ কৰাৰ পাঁচদিন পূর্বে পঞ্জীকৰণৰ বাবে আৱেদন কৰিব লাগে।

এই আইনত ব্যাখ্যা - প্রত্যেক ব্যক্তি যি ভাৰতৰ আঞ্চলিক জলসম্পদৰ যোগান ধৰে তেওঁ সেই ৰাজ্যৰ পৰা পঞ্জীয়ন লাভ কৰিব য'ত সেই জলৰ নিকটতম উপযুক্ত ভিত্তি ৰেখা অৱস্থিত।

(২) এই আইনৰ অধীনত এজন ব্যক্তিয়ে একক পঞ্জীয়নৰ মঞ্জুৰী লাভ কৰে। অন্যহাতে যেতিয়া এজন ব্যক্তিয়ে ভিন্ন উলম্ব ব্যৱসায় চলায়, তেনে ক্ষেত্রত তেওঁক কিছুমান নির্ধাৰিত চর্তসাপেক্ষে প্রত্যেক ব্যৱসায়ৰ বাবে পৃথক পৃথক পঞ্জীয়নৰ মঞ্জুৰী দিয়া হয়।

(৩) এজন ব্যক্তি ধাৰা ২২ অথবা ধাৰা ২৪ৰ অধীনত পঞ্জীয়নৰ বাবে দায়বদ্ধ নোহোৱা স্বত্বেও তেওঁ স্বইচ্ছাৰে এই আইনৰ অধীনৰ সকলো ব্যৱস্থাৱলী এগৰাকী পঞ্জীকৃত ব্যক্তিৰ সমানে সেই ব্যক্তিগৰাকীৰ বাবেও প্রযোজ্য হয়।

(৪) এজন ব্যক্তি যি এজন বা এখনতকৈ অধিক ৰাজ্য নতুবা কেন্দ্রীয় শাসিত অঞ্চলত পঞ্জীয়ন লাভ কৰিছে বা পঞ্জীয়নৰ প্রয়োজনীয়তা আছে তেনে ক্ষেত্রত এই আইনৰ উদ্দেশ্য সাপেক্ষে প্রত্যেক পঞ্জীয়নৰ বাবে তেওঁক এজন পৃথক ব্যক্তি হিচাপে বিবেচনা কৰা হ'ব।

(৫) যেতিয়া এজন ব্যক্তিৰ নিজ ৰাজ্য অথবা বেলেগ ৰাজ্য অথবা কেন্দ্রীয় শাসিত অঞ্চলতথকা প্রতিষ্ঠানৰ বাবে পঞ্জীয়ন লাভ তথা পঞ্জীয়ন লাভৰ প্রয়োজনীয়তা আহি পৰে তেনে ক্ষেত্রত এই আইনৰ উদ্দেশ্য সাপেক্ষে প্রত্যেক প্রতিষ্ঠানক পৃথক ব্যক্তিৰ প্রতিষ্ঠানৰ হিচাপে গণ্য কৰা হয়।

(৬) এই আইনৰ অধীনত পঞ্জীয়নৰ মঞ্জুৰী লাভ কৰিবলৈ প্রত্যেক ব্যক্তিৰ আয়কৰ আইন

১৯৬১ৰ অধীনত এক স্থায়ী একাউণ্ট সংখ্যা (PAN - Permanant Account Number) থকাটো প্রয়োজনীয়।

আনহাতে ধাৰা ৫১ অধীনত কৰ বিয়োজনৰ উদ্দেশ্য এজন ব্যক্তিয়ে এই আইনৰ অধীনত পঞ্জীয়ন লাভ কৰিবলৈ স্থায়ী একাউণ্ট সংখ্যাৰ পৰিৱর্তে এটা কৰ বিয়োজন আৰু সংগ্রহ হিচাপে নম্বৰ এই আইন অনুসৰি থাকিব লাগিব।

(৭) উপধাৰা ৬ত অন্তর্ভুক্ত বিষয়বস্তুৰ উপৰিও এজন প্রবাসী কৰযোগ্য ব্যক্তিয়ে উপধাৰা (১)ৰ অধীনত কিছুমান অন্য নির্ধাৰিত নথিপত্র ভিত্তিত পঞ্জীয়ন লাভ কৰিব পাৰে।

(৮) যেতিয়া এই আইনৰ অধীনত পঞ্জীয়নৰ বাবে দায়বদ্ধ কোনো ব্যক্তিয়ে পঞ্জীয়ন লাভ কৰাত অক্ষম হয় তেনে অৱস্থাত উপযুক্ত পদাধিকাৰীয়ে এই আইনৰ অধীনত অথবা অন্য তেনে কোনো আইনৰ অধীনৰ কোনো প্রক্রিয়া সম্পর্কীয় পূর্বানুমান নকৰাকৈ নির্ধাৰিত ব্যৱস্থাৰে ব্যক্তিজনক পঞ্জীয়নৰ বাবে অগ্রসৰ কৰায়।

(৯) উপধাৰা (১)ত সন্নিৱিষ্ট বিষয়বস্তুৰ উপৰিও—

(ক) ৰাষ্ট্রসংঘ আইন (বিশেষাধিকাৰ আৰু প্রতিকাৰ) ১৯৪৭ৰ অধীনত ৰাজ্য সংঘৰ বিশেষ প্রতিনিধি বা বহুজাতিক বিত্তীয় প্রতিষ্ঠান তথা অনুষ্ঠান আৰু লগতে বিদেশী ৰাষ্ট্রৰ দূতাবাস তথা ৰাষ্ট্রদূত আৰু

(খ) কৰ আয়ুক্তৰ দ্বাৰা নির্দেশ জাৰি কৰা ব্যক্তি বিশেষে মঞ্জুৰ কৰা অন্যান্য পৰিচয় সংখ্যা (Unique Identity Number) যাক জাননীকৃত দ্রব্য আৰু সেৱা কৰ প্রদান আৰু গ্রহণৰ বাবে ব্যৱহাৰ কৰা হয় সেই সংখ্যা ব্যৱহাৰ কৰাৰ দলিল পত্র ধাৰণ কৰা প্রবাসী ব্যক্তিক পঞ্জীয়ন মঞ্জুৰ কৰা হয়।

১৩.৮ বিবেচ্য পঞ্জীয়ন

কেন্দ্রীয় দ্রব্য আৰু সেৱা কৰৰ ধাৰা ২৬ৰ মতে—

(১) এই আইনৰ অধীনত পঞ্জীয়নৰ লগতে অন্যান্য চিনাক্তকৰণ সংখ্যা (Unique Identity Number) মঞ্জুৰী কৰাটোৱে ৰাজ্যিক দ্রব্য আৰু সেৱা কৰ আইন তথা কেন্দ্রীয় শাসিত দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনতো পঞ্জীয়নৰ মঞ্জুৰি আৰু অন্যান্য চিনাক্তকৰণ সংখ্যা হিচাপে বিবেচনা কৰা হ'ব। কেৱল মাত্র এটা চর্তসাপেক্ষে যে ধাৰা ২৫ৰ উপধাৰা ১০ত উল্লেখিত নির্দিষ্ট সময়ৰ ভিতৰত এই আইনৰ অধীত পঞ্জীয়নৰ আবেদন বা অন্যান্য চিনাক্তকৰণ নম্বৰটো বাতিল হোৱা নাই।

(২) ধাৰা ২৫ৰ উপধাৰা (১০)ত অন্তর্ভুক্ত যিকোনো বিষয়ৰ উপৰিও ৰাজ্য দ্রব্য আৰু সেৱা কৰ আইন বা কেন্দ্রীয় শাসিত দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনত যিকোনো পঞ্জীয়নৰ আবেদন বাতিলকৰণ তথা অন্যান্য চিনাক্তকৰণৰ সংখ্যা অগ্রাহ্যকৰণ এই আইনৰ অধীনত পঞ্জীয়নৰ বাতিলকৰণকে সূচায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ জি এছ টি আইনৰ অধীনত বাধ্যতামূলক পঞ্জীয়নৰ বাবে দায়বদ্ধ থকা দুজন ব্যক্তিৰ নাম উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৫ ঃ জি এছ টি আইনৰ অধীনত বিবেচ্য পঞ্জীয়ন বুলিলে কি বুজা যায়?

.....

.....

১৩.৯ পঞ্জীয়ন সংখ্যা প্রাপ্তি

জি এচ টিৰ অধীনত পঞ্জীয়নকৰণ স্থায়ী হিচাপে সংখ্যা (PAN) আধাৰিত আৰু ৰাজ্য বিশেষ ভিত্তিক এজন যোগানদাতা যিখন ৰাজ্য অথবা কেন্দ্রীয় শাসিত অঞ্চলত তেওঁৰ যোগানৰ কার্য চলায় সেই ৰাজ্য অথবা কেন্দ্রীয় শাসিত অঞ্চলত পঞ্জীয়ন কৰিব লাগে। কিন্তু যদি এখন ব্যৱসায় প্রতিষ্ঠান যাৰ এখনতকৈ অধিক শাখা থাকে আৰু যাৰ কেৱল একক পঞ্জীয়ন থাকে। তেনে ক্ষেত্রত সেই প্রতিষ্ঠানে কোনো এটা শাখা তথা স্থানক ব্যৱসায়ৰ প্রধান শাখা আৰু বাকী শাখাসমূহক ব্যৱসায়ৰ অতিৰিক্ত শাখা তথা উপশাখা হিচাপে ঘোষণা কৰিব লাগে। দ্রব্য আৰু সেৱা কৰৰ পঞ্জীয়নত যোগানদাতাক ১৫টা অংকৰ জি এচ টি পঞ্জীয়ন সংখ্যা প্রদান কৰা হয় যাক জি এচ টি চিনাক্তকৰণ সংখ্যা (GSTIN) বুলি জনা যায় আৰু লগতে অন্যান্য বিৱৰণীসমূহ সংশ্লিষ্ট জি এচ টি কর্তৃপক্ষৰ দ্বাৰা বিলিকৃত পঞ্জীয়ন প্রমাণপত্র যি GSTIN ৰ কমন পোৰটেলতো (Common Portal) আবেদনকাৰীৰ বাবে মজুত থাকে। জি এচ টি আই এনৰ প্রথম সংখ্যা দুটা হৈছে ৰাজ্যখনৰ ক'ত, ইয়াৰ পিছত ১০টা সংখ্যা হৈছে আইনগত সত্ত্বাৰ পান (PAN) সংখ্যা, ইয়াৰ পিছৰ সংখ্যা দুটা হৈছে প্রতিষ্ঠান বা ব্যক্তিগৰাকীৰ ক'ত আৰু শেষৰ অংকটো হৈছে প্রতিৰক্ষা অংক সংখ্যা (Check sum number)। জি এচ টি আইনৰ অধীনত পঞ্জীয়ন কৰ ভিত্তিক নহয়। যাৰ অর্থ হ'ল সকলো কৰৰ বাবে অর্থাৎ কেন্দ্রীয় দ্রব্য আৰু সেৱা কৰ, ৰাজ্যিক দ্রব্য আৰু সেৱা কৰ/কেন্দ্রীয় শাসিত দ্রব্য আৰু সেৱা কৰ আৰু সংহৰ দ্রব্য আৰু সেৱা কৰ আদিৰ কৰ আইনৰ অধীনত এবাৰেই পঞ্জীয়ন হোৱাৰ আৱশ্যক।

১৩.১০ পঞ্জীয়ন সংশোধন

জি এচটি আইনৰ অধীনত ধাৰা ২৮ ত কোৱা হৈছে যে—

(১) প্রত্যেকপঞ্জীকৃত ব্যক্তি আৰু অন্যান্য পৰিচয় জ্ঞাপক সংখ্যা লাভ কৰা ব্যক্তিয়ে উপযুক্ত বিষয়াক পঞ্জীয়নৰ সময়ছোৱাত বা তাৰ পৰৱর্তী সময়ত তেওঁ দাখিল কৰা তেওঁৰ

তথ্যপাতি সংক্রান্তীয় যিকোনো পৰিৱর্তন সম্পর্কে নির্দিষ্ট ফর্ম আৰু পদ্ধতি আৰু নির্ধাৰিত সময়ত অৱগত কৰিব লাগিব।

(২) উপযুক্ত বিষয়াজনে উপধাৰা (১)ৰ অধীনত জমা কৰা তথ্যৰ ভিত্তিত বা তেওঁ নিজে নির্ণয় কৰা ভিত্তিত পঞ্জীয়নত দিয়া তথ্যসমূহৰ সংশোধনৰ এটা নির্দিষ্ট সময় বা পদ্ধতিৰ মাজেৰে অনুমোদন জ্ঞাপন কৰিব পাৰে বা বাতিলো কৰিব পাৰে।

লগতে কোৱা হৈছে যে নির্দেশিত পদ্ধতি অনুসৰি বিষয়সমূহৰ সংশোধনৰ ক্ষেত্রত উপযুক্ত বিষয়াৰ অনুমোদনৰ প্রয়োজন নাথাকে।

তাৰ উপৰিও ব্যৱস্থা আছে যে উপযুক্ত বিষয়াই পঞ্জীয়ন সংশোধনৰ বাবে যোগান ধৰা তথ্যপাতিসমূহ ব্যক্তিজনৰ শুনানী লোৱাৰ সুবিধা প্রদান নকৰাকৈ নামাঞ্জুৰ কৰিব নোৱাৰে।

(৩) এই কেন্দ্রীয় দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনত সংশোধনৰ যিকোনো বাতিল বা অনুমোদনেই ৰাজ্যিক আইনৰো বাতিল বা অনুমোদন হিচাপে গণ্য কৰা হ'ব।

১৩.১১ পঞ্জীয়ন বাতিলকৰণ

দ্রব্য আৰু সেৱা কৰ আইনৰ ধাৰা ২৯ত কোৱা হৈছে যে—

(১) তলত উল্লেখ কৰা চর্তসাপেক্ষে উপযুক্ত বিষয়াগৰাকীয়ে নিজৰ প্রস্তাৱমর্মে অথবা পঞ্জীকৃত ব্যক্তি তথা তেওঁৰ আইনী উত্তৰাধিকাৰীজনে দাখিল কৰা আৱেদন মর্মে, ব্যক্তিজনৰ মৃত্যুত নির্ধাৰিত পদ্ধতি আৰু সময় অনুসৰি ব্যক্তিজনৰ পঞ্জীয়ন বাতিল কৰিব পাৰে—

(ক) ব্যৱসায়ৰ ধাৰাবাহিকতা ব্যাহত, ব্যৱসায়ৰ স্বত্বাধিকাৰীজনৰ মৃত্যুকে আদি কৰি অন্য কিবা কাৰণত সম্পূর্ণৰূপে কাৰোবালৈ হস্তান্তৰকৰণ। অন্য কোনো আইনী স্বত্বাৰ লগত চামিলকৰণ অথবা নিষ্পত্তিকৰণ।

(খ) ব্যৱসায়ৰ সংবিধানত কোনোধৰণৰ পৰিৱর্তন।

(গ) ধাৰা ২৫ৰ উপধাৰা (৩)ৰ অধীনত পঞ্জীয়ন লাভ কৰা ব্যক্তিৰ বাহিৰে অন্য কোনো ব্যক্তি ধাৰা ২২ বা ধাৰা ২৪ৰ অধীনত পঞ্জীয়ন কৰাৰ বাবে দায়বদ্ধ নহ'ব।

(২) উপযুক্ত বিষয়াগৰাকীয়ে এজন ব্যক্তিৰ পঞ্জীয়ন বর্তমানৰ কোনো তাৰিখ বা অতীতৰ কোনো তাৰিখ, যিটো তেওঁ উপযুক্ত বুলি গণ্য কৰে বা বাতিল কৰিব পাৰে।

(ক) এজন পঞ্জীকৃত ব্যক্তিয়ে এই আইনৰ বিভিন্ন ব্যৱস্থাৱলী বা নীতি নিয়ম উলংঘা কৰে।

(খ) ধাৰা ১০ৰ অধীনত কৰ পৰিশাধ কৰি থকা ব্যক্তি এজনে যদি তিনিটা ক্রমাগত কৰৰ অবাধ কালত যদি তেওঁৰ কৰৰ প্রত্যাপর্ণ দাখিল নকৰে।

(গ) দফা (বি) ত উল্লেখিত ব্যক্তিৰ বাহিৰে অন্য কোনো পঞ্জীকৃত ব্যক্তিয়ে যদি ধাৰাবাহিকভাৱে ছয় মাহ পর্যন্ত প্রত্যাপর্ণ দাখিল নকৰে।

(ঘ) কোনো ব্যক্তি যি ধাৰা ২৫ৰ উপধাৰা (৩)ৰ অধীনত স্বেচ্ছাকৃত পঞ্জীয়ন লাভ

কৰিছে। তেনে ব্যক্তিয়ে যদি পঞ্জীয়ন কৰা তাৰিখৰপৰা ছয়মাহৰ ভিতৰত নিজৰ ব্যৱসায়িক কার্যকলাপ আৰম্ভ নকৰে।

(ঙ) যদিহে পঞ্জীয়ন কোনো ধৰণৰ প্রতাৰণা, ভুল তথ্য প্রদান তথা ভুল ব্যৱস্থাপনা অথবা তথ্য গোপনে ৰাখি অর্জন কৰা হয়।

কিন্তু লগতে উপযুক্ত বিষয়াগৰাকীয়ে ভুক্তভোগী ব্যক্তিগৰাকীক শুনানিৰ সুবিধা নিদিয়াকৈ পঞ্জীয়ন বাতিল কৰিব নোৱৰাৰ ব্যৱস্থা আছে।

(৩) এই আইনৰ অধীনত কোনো ব্যক্তিৰ পঞ্জীয়নৰ বাতিলকৰণে ব্যক্তিজনৰ এই আইনৰ অধীনত দিবলগীয়া কৰ বা অন্য দেনা পৰিশোধৰ ওপৰত প্রভাৱ নেপেলায় আৰু লগতে তেওঁৰ পঞ্জীয়নৰ পূর্বে এনে কৰ বা দেনা নির্ধাৰণ কৰা হওঁকেই বা নহওঁক। ব্যক্তিগৰাকীয়ে উক্ত আইনৰ অধীনত তেওঁৰ দায়বদ্ধতা বা কর্তব্য পালন কৰিবই লাগিব।

(৪) এই আইনৰ অধীনত পঞ্জীয়নৰ বাতিলকৰণে অসম দ্রব্য আৰু সেৱা কৰ আইন তথা কেন্দ্রীয় শাসিত দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনতো পঞ্জীয়ন বাতিলকৰণক বুজাব।

(৫) প্রত্যেক পঞ্জীকৃত ব্যক্তি যাৰ পঞ্জীয়ন বাতিল কৰা হৈছে। তেনে ব্যক্তিয়ে ইলেকট্রনিক ক্রেডিট লেজাৰ বা ইলেকট্রনিক কেচ লেজাৰত কর্তন কৰি এটা নির্দিষ্ট পৰিমাণ পৰিশোধ কৰিব লাগে যি ষ্টক থকা উৎপাদন আহিলা আৰু ষ্টকত থকা নির্মিত বা চূড়ান্ত দ্রব্যৰ বাবে থকা আহিলা অথবা পঞ্জীয়ন বাতিলকৰণৰ আগৰ দিনাৰ মূলধনী সামগ্রী বা যন্ত্রপাতিৰ ওপৰত থকা আহিলা কৰ ঋণৰ সমান হ'ব লাগিব বা উৎপাদিত সামগ্রীৰ ওপৰত দিবলগীয়া কৰ, যিটো বেছি পৰিমাণৰ হয় সেইটো নির্ধাৰিত পদ্ধতিৰে গণনা কৰি পৰিশোধ কৰিব লাগে।

কোৱা হৈছে যে মূলধনী দ্রব্য বা যন্ত্রপাতিৰ ক্ষেত্রত কৰযোগ্য ব্যক্তিজনে মূলধনী দ্রব্য বা আচবাব পত্রৰ বাবদ লাভ কৰা আহিলা কৰ ঋণৰ সমান এটা পৰিমাণ পৰিশোধ কৰিব লাগে। লগতে এই পৰিমাণ নির্ধাৰিত ধৰণে এটা নির্দিষ্ট হাৰত হ্রাস কৰা হ'ব বা ধাৰা ১৫ৰ অধীনত এনে মূলধনী সামগ্রী বা যন্ত্রপাতিৰ লেনদেনকৃত মূল্য যিটো অধিক হয়, সেইটো কৰযোগ্য ব্যক্তিজনে পৰিশোধ কৰিব লাগে।

(৬) উপধাৰা (৫) ৰ অধীনত পৰিশোধ কৰিবলগীয়া পৰিমাণ, এই আইনত নির্ধাৰিত পদ্ধতি অনুসৰি গণনা কৰা হ'ব।

১৩.১২ আইন পঞ্জীয়ন বাতিল পুনৰুজ্জীৱিতকৰণ

জি এচ টি আনৰ ধাৰা ৩০-ত কোৱা হৈছে —

(১) নির্ধাৰিত চর্ত অনুসৰি, কোনো উপযুক্ত বিষয়াই যদি নিজ প্রস্তাৱ সাপেক্ষে কোনো পঞ্জীকৃত ব্যক্তিৰ আৱেদন বাতিল কৰে। তেন্তে তেনে ক্ষেত্রত কৰযোগ্য ব্যক্তিজনে নির্ধাৰিত পদ্ধতি অনুসৰি আৱেদন বাতিলকৰণৰ আদেশ বলবৎ কৰাৰ দিনৰ পৰা ৩০ দিনৰ ভিতৰত তেওঁ পঞ্জীয়ন বাতিলকৰণৰ পুনৰুজ্জীৱিতকৰণৰ কাৰণে আৱেদন কৰিব লাগে।

(২) উপযুক্ত বিষয়াগৰাকীয়ে নির্ধাৰিত পদ্ধতি অথবা সময়ৰ অনুসৰি পঞ্জীয়ন বাতিলকৰণৰ পুনৰুজ্জীৱিতকৰণৰ আৱেদন গ্রাহ্য অথবা অগ্রাহ্য কৰিব পাৰে।

কোৱা হৈছে যে পঞ্জীয়ন বাতিলকৰণৰ পুনৰুজ্জীৱিতকৰণৰ আৱেদন আবেদনকাৰীজনৰ শুনানী গ্রহণ নকৰা পর্যন্ত অগ্রাহ্য কৰিব পৰা নাযায়।

(৩) কেন্দ্রীয় দ্রব্য আৰু সেৱাকৰ আইনৰ অধীনত পঞ্জীয়ন বাতিলকৰণ পুনৰুজ্জীৱিত কৰাটো ৰাজ্যিক দ্রব্য আৰু সেৱাকৰ তথা কেন্দ্রীয় শাসিত দ্রব্য আৰু সেৱাকৰ আইনৰ অধীনতো পঞ্জীয়ন বাতিলকৰণ পুনৰুজ্জীৱিতকৰণ হিচাপে বিবেচনা কৰা হয়।

১৩.১৩ অনলাইন পঞ্জীয়নকৰণত প্রয়োজনীয় স্তৰসমূহ

পর্যায় ১ ঃ অনলাইন আৱেদন পূৰণ

তলত দিয়া ব্যক্তিসমূহক বাদ দি—

(১) এজন প্রবাসী কৰযোগ্য ব্যক্তি।

(২) ধাৰা ৫১ৰ অধীনত উৎসত কৰ সংগ্রহ কৰা ব্যক্তি।

(৩) ধাৰা ৫২ৰ অধীনত উৎসত কৰ সংগ্রহ কৰা ব্যক্তি আৰু

(৪) সংহত দ্রব্য আৰু সেৱাকৰ আইনৰ, ২০১৭ (২০১৭ ৰ ১৩) ৰ ধাৰা ১৪ত উল্লেখ কৰা অনুসৰি যিকোনো ব্যক্তি, যি অনলাইন তথ্য বা উপাদান সংগ্রহৰ যোগান বা ভাৰতৰ বর্হিভূত কোনো অনা কৰযোগ্য অনলাইন গ্রাহকৰ বাবে সেৱা আগবঢ়ায়, তেনে ব্যক্তি।

ধাৰা ২৫ৰ উপধাৰা (১)ৰ অধীনত পঞ্জীয়নৰ বাবে দায়বদ্ধ হোৱা ব্যক্তি আৰু ধাৰা ২৫ উপধাৰা (৩) ৰ অধীনত পঞ্জীয়ন কৰিব বিচৰা ব্যক্তিয়ে পঞ্জীয়নৰ বাবে আবেদন কৰাৰ পূর্বে ক'মন পৰটেলৰ Form GST REG-01 ৰ A অংশত নিজেই অথবা কমিচনাৰৰ দ্বাৰা অধিসূচিত কোনো সেৱা কেন্দ্রৰ যোগেদি নিজৰ PAN (Permanent Account Number) মোবাইল নম্বৰ, ই-মেইল, ৰাজ্য অথবা কেন্দ্রীয় শাসিত অঞ্চল সম্পর্কীয় তথ্য জনাব লাগে।

কোৱা হৈছে যে প্রত্যেক ব্যক্তি যি এজন আহিলা সেৱাৰ বিতৰক তেওঁ আহিলা সেৱাৰ বিতৰক হিচাপে পৃথকৈ পঞ্জীয়নৰ বাবে আৱেদন কৰিব লাগে।

পর্যায় ২ ঃ PAN ৰ বৈধ্যতা পৰীক্ষা

প্রত্যক্ষ কৰৰ কেন্দ্রীয় ব'র্ডৰ দ্বাৰা পৰিচালিত তথ্যৰ দ্বাৰা অনলাইনযোগে কমন পৰটেলৰ মাধ্যমেৰে PAN (Permanent Account Number) ৰ বৈধ্যতা পৰীক্ষা কৰা হয়। উপ নিয়ম (১)ৰ অধীনত ঘোষিত মোবাইল নম্বৰৰ বৈধ্যতা পৰীক্ষাকৰণৰ কাৰণে ঘোষিত মোবাইল নম্বৰলৈ এটা One time password প্রেৰণ কৰা হয়। আনহাতে উপ নিয়ম (১)ৰ অধীনত ই-মেইলৰ বৈধ্যতা পৰীক্ষা কৰাৰ অর্থে উল্লেখিত ই-মেইললৈ পৃথকৈ One time password প্রেৰণ কৰা হয়। Permanent Account Number মোবাইল নম্বৰ আৰু ই-মেইলৰ সফলতাপূর্বক পৰীক্ষণৰ অন্তত এটা 'টেম্পৰাৰি ৰেফাৰেঞ্চ নম্বৰ'

হয় আৰু উল্লেখিত মোবাইল তথা ই-মেইলৰ যোগেদি আৱেদনকাৰীজনক সেই সম্পর্কে জনোৱা হয়।

পর্যায় ৩ ঃ B অংশত অনলাইন আৱেদন আৰু স্বীকাৰোক্তিপত্র

'Form GST REG-01' ৰ B অংশত আৱেদনকাৰী এজনে দ্বিতীয় পর্যায়ত লাভ কৰা 'ৰেফাৰেঞ্চ সংখ্যা' ব্যৱহাৰ কৰি যিটো বৈদ্যুতিকভাৱে প্রমাণিত ক'ডৰ মাধ্যমেৰে স্বাক্ষৰিত তথা প্রমাণিত হ'ব লাগে লগতে ফর্মত উল্লেখিত সকলোবোৰ নথিপত্রৰ সৈতে নিজেই অথবা সকলোবোৰ নথিপত্রৰ সৈতে নিজেই অথবা কমিচনাৰ দ্বাৰা অধিসূচিত কোনো সেৱা কেন্দ্রৰ মাধ্যমেৰে আৱেদন কৰিব পাৰে। উপ নিয়ম (৪)ৰ অধীনত আৱেদনখন প্রাপ্ত কৰাৰ পিছত Form GST REG-02-ত বৈদ্যুতিকভাৱে এখন স্বীকাৰোক্তিনামা জাৰি কৰা হয়।

পর্যায় ৪ ঃ PAN ৰ বৈধ্যতা পৰীক্ষা

যিগৰাকী বিষয়াই আৱেদনখনৰ পৰীক্ষা অথবা সত্যতা বিচাৰ কৰে, সেই উপযুক্ত বিষয়াগৰাকীলৈ আৱেদনখন প্রেৰণ কৰা হয় আৰু যদিহে আৱেদনখন সকলো দিশৰপৰা সঠিকৰূপে প্রমাণিত হয় তেনে অৱস্থাত আৱেদনখন জমা কৰাৰ তিনিটা কার্য দিৱস (Working days)ৰ ভিতৰত আৱেদনকাৰীজনৰ পঞ্জীয়নৰ মঞ্জুৰি প্রদান কৰিব লাগে।

পর্যায় ৫ ঃ পঞ্জীয়ন প্রমাণপত্র প্রদান

ধাৰা ২৫ৰ উপধাৰা (১২)ত দিয়া ব্যৱস্থা অনুসৰি, যেতিয়া নিয়ম ৯ৰ অধীনত পঞ্জীয়ন অনুদানৰ আৱেদন মঞ্জুৰ কৰা হয় তেতিয়া আৱেদনকাৰীজনৰ বাবে কমন পৰটেলত Form GST REG-06 ৰ অধীনত এখন পঞ্জীয়ন প্রমাণপত্র উপলব্ধ কৰোৱা হয় যি ব্যক্তিজনৰ ব্যৱসায়ৰ প্রধান স্থান আৰু তেওঁৰ অন্য সংযোজিত ব্যৱসায়ৰ স্থান অথবা স্থানসমূহ দেখুৱায় আৰু ব্যক্তিজনক এটা দ্রব্য আৰু সেৱা কৰ পৰিচয় সংখ্যা (GST Identification Number) অনুমোদিত কৰা হয়।

পর্যায় ৬ ঃ বেংক একাউণ্ট সম্পর্কীয় তথ্য দাখিল

কমন পৰটেলত Form GST REG 06 ৰ অধীনত পঞ্জীয়ন প্রমাণপত্র আৰু দ্রব্য আৰু সেৱা কৰ পৰিচয় সংখ্যা উপলব্ধ হোৱা পিছত, নিয়ম ১২ অথবা নিয়ম ১৬ৰ অধীনত পঞ্জীয়নৰ মঞ্জুৰি লাভ কৰা ব্যক্তিৰ বাদে পঞ্জীকৃত ব্যক্তিজনে অতি শীঘ্রেই, কিন্তু পঞ্জীয়নৰ মঞ্জুৰি লাভ কৰা তাৰিখৰ পৰা ৪৫ দিনৰ ভিতৰত বা ধাৰা ৩৯ৰ অধীনত দিবলগীয়া কৰ প্রত্যাপর্ণৰ তাৰিখ যিটো আগত হয় সেই তাৰিখত তেওঁৰ বেংক একাউণ্ট সম্পর্কীয় সকলো তথ্য অথবা অন্য কোনো তথ্য খাব খাবৰ বাবে প্রয়োজনীয় সেইসমূহ দাখিল কৰিব লাগে।

১৩.১৪ ৰাজ্য বিশেষে অথবা কেন্দ্রীয় শাসিত অঞ্চল বিশেষে ভিন্ন পঞ্জীয়ন পদ্ধতিসমূহ

(১) প্রত্যেক ব্যক্তি যাৰ এখন ৰাজ্য বা কেন্দ্রীয় শাসিত অঞ্চলৰ ভিতৰত ব্যৱসায়ৰ স্থান ভিন্ন ভিন্ন হয় তেন্তে ব্যক্তিৰ বাবে ধাৰা ২৫ৰ উপধাৰা (২)ৰ অধীনত প্রত্যেক ব্যৱসায়ৰ স্থান সাপেক্ষে পৃথক পঞ্জীয়ন প্রয়োজনীয় আৰু এনে পঞ্জীয়নৰ মঞ্জুৰি প্রত্যেক তেনে ব্যৱসায়ৰ স্থানসাপেক্ষে তলত দিয়া চর্তসমূহৰ ভিতৰত প্রদান কৰা হয়—

(ক) ধাৰা ২ ৰ দফা ৮৫ত পৰিভাষিত কোনো ব্যক্তি যাৰ এখনতকৈ অধিক ব্যৱসায়ৰ স্থান আছে।

(খ) এনে ব্যক্তি যি ধাৰা ১০ৰ অধীনত কোনো ব্যৱসায়ৰ স্থানৰ বাবে কৰ প্রদান নকৰে। কিন্তু যদি তেওঁ ধাৰা ৯ৰ কৰ প্রদান কৰে।

(গ) এই আইনৰ অধীনত এনে ব্যক্তিৰ সকলো পৃথককৈ পঞ্জীকৃত ব্যৱসায়ৰ মাধ্যমেৰে যদি অন্য কোনো পঞ্জীকৃত ব্যৱসায়ৰ স্থানলৈ দ্রব্য বা সেৱা অথবা দুয়োটাৰে যোগান ধৰা হয়। তেনে যোগানৰ বাবে টেক্স চালান অথবা সৰবৰাহৰ বিল দিব লাগে।

ব্যাখ্যা - দফা (বি)ৰ উদ্দেশ্যৰে এইটো স্পষ্ট কৰা হৈছে যে পঞ্জীকৃত ব্যক্তিৰ যিকোনো ব্যৱসায়ৰ স্থান যাক পৃথক পঞ্জীয়নৰ মঞ্জুৰী প্রদান কৰা হৈছে। তেনে ব্যক্তিয়ে ধাৰা ১০ৰ অধীনত যদি কৰ প্রদান কৰিবলৈ অপাৰগ হয়, তেন্তে সেই ব্যক্তিজনৰ অন্য সকলো পঞ্জীকৃত ব্যৱসায় স্থানসমূহত এই আইনৰ অধীনত কৰ প্রদান কৰিবলৈ অপাৰগ হয়।

(২) এজন পঞ্জীকৃত ব্যক্তিয়ে কোনো এটা ব্যৱসায়ৰ স্থানৰ বাবে পৃথক পঞ্জীয়ন লাভ কৰিবলৈ হ'লে 'Form GST REG-01' ত তেনে ব্যৱসায়ৰ স্থানৰ বাবে পৃথক আৱেদন দাখিল কৰিব লাগে।

(৩) পঞ্জীয়নৰ পৰীক্ষণ আৰু মঞ্জুৰি লগত জড়িত নিয়ম ৯ আৰু নিয়ম ১০ৰ অধীনৰ ব্যৱস্থাৱলীসমূহৰ প্রয়োজন সাপেক্ষে পৰিৱর্তনসমূহ এই নিয়মৰ অধীনত দাখিল হোৱা আৱেদনসমূহৰ ওপৰত জাৰি হ'ব।



১৩.১৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- যিবোৰ ব্যৱসায় প্রতিষ্ঠানে নিজকে জি এছ টি আইনৰ অধীনত পঞ্জীকৃত কৰিব বিচাৰে তেওঁলোক সর্বপ্রথমে কৰ ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ হ'ব লাগিব।

- জি এছ টি আইনৰ অধীনত পঞ্জীকৃত কৰাৰ পাছত ব্যৱসায়ীক প্ৰতিষ্ঠানে চৰকাৰৰ হকে কৰ সংগ্ৰহ তথা ব্যৱসায়ীৰ আভ্যন্তৰীণ যোগানৰ কৰৰ ওপৰত আহিলা কৰ ঋণ আৰ্জন কৰাৰ উদ্দেশ্যে উপযুক্ত বা প্ৰাসংগিক কৰ কৰ্তৃপক্ষৰ পৰা এটা অন্যান্য সংখ্যা লাভ কৰে জি এছ টিৰ অধীনত পঞ্জীয়ণকৰণ ৰাজ্য সাপেক্ষে সম্পন্ন হয়।
- দ্রব্য আৰু সেৱা কৰৰ পঞ্জীয়নত যোগানদাতাক ১৫টা অংকৰ জি এচ টি পঞ্জীয়ন সংখ্যা প্ৰদান কৰা হয় যাক জি এচ টি চিনাক্তকৰণ সংখ্যা (GSTIN) বুলি জনা যায় আৰু লগতে অন্যান্য বিৱৰণীসমূহ সংশ্লিষ্ট জি এচ টি কৰ্তৃপক্ষৰ দ্বাৰা বিলিকৃত পঞ্জীয়ন প্ৰমাণপত্ৰ যি GSTIN ৰ কমন পোৰটেলতো (Common Portal) আবেদনকাৰীৰ বাবে মজুত থাকে।
- জি এচ টি আইনৰ অধীনত পঞ্জীয়ন কৰ ভিত্তিক নহয়। যাৰ অৰ্থ হ'ল সকলো কৰৰ বাবে অৰ্থাৎ কেন্দ্ৰীয় দ্রব্য আৰু সেৱা কৰ, ৰাজ্যিক দ্রব্য আৰু সেৱা কৰ/ কেন্দ্ৰীয় শাসিত দ্রব্য আৰু সেৱা কৰ আৰু সংহৰ দ্রব্য আৰু সেৱা কৰ আদিৰ কৰ আইনৰ অধীনত এবাৰেই পঞ্জীয়ন হোৱাৰ আৱশ্যক।
- জি এচ টি আইনৰ অধীনত পঞ্জীয়নৰ প্ৰক্ৰিয়া অনলাইন হয়।



১৩.১৬ অধিক জানিবলৈ

১) Taxmann's GST Acts with Rules & Forms [Bare Act] by Taxmann Publication.

২) Goods and Services Tax GST by by H.C. Mehrotra & V.P. Agarwal, Sahitya Bhawan Publications.

৩) GST: A Transformational Tax Reform by V. S. Krishnan.

৪) Goods and Services Tax (GST) in India by B. Viswanathan.



১৩.১৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) দ্রব্য আৰু সেৱাৰ যোগানদাতা হিচাপে আইনগতভাৱে স্বীকৃতি।

(খ) আহিলা দ্রব্য আৰু সেৱাৰ বাবদ পৰিশোধিত কৰৰ উপযুক্ত হিচাপে যাক দ্রব্য আৰু সেৱা বা দুয়োটাৰে বাবদ পৰিশোধ কৰিবলগীয়া জি এছ টি বাবে ব্যৱহাৰ কৰিব পৰা যায়।

২ নং প্রশ্নৰ উত্তৰ ঃ ১) ৰাজ্যত কৰযোগ্য দ্রব্যৰ তথা সেৱাৰ নতুবা দুয়োটাৰে যোগান ধৰা যোগানদাতা যাৰ এটা বিত্তীয় বছৰত সর্বমুঠ প্রত্যাপর্ণ পৰিমাণ ১০ লাখ টকাৰ বেছি, তেনে যোগান দাতাই এই আইনৰ অধীনত পঞ্জীয়ন কৰিবলৈ বাধ্য।

২) প্রত্যেক ব্যক্তি, যি এই আইন বলবৎ হোৱাৰ আগৰদিনা প্রচলিত আইন অনুসৰি পঞ্জীয়ন অনুজ্ঞাপত্র লাভ কৰে, তেনে অৱস্থাত তেনে ব্যক্তিয়ে আইন বলবৎ হোৱা দিনৰ পৰা কার্যকৰী হোৱাকৈ পঞ্জীয়ন কৰিবলৈ বাধ্য।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) যিকোনো ব্যক্তি, যিজন এনে দ্রব্য অথবা সেৱা নতুবা দুয়োটাৰে যোগানৰ ব্যৱসায়ৰ লগত জড়িত যি কৰৰ বাবে দায়বদ্ধ নহয় অথবা কৰৰ পৰা সম্পূর্ণৰূপে মুক্ত তেনে ব্যক্তিয়ে এই আইন অথবা সংহত দ্রব্য আৰু সেৱা কৰ আনৰ অন্তর্গত পঞ্জীয়ন কৰিবলৈ দায়বদ্ধ নহয়।

(খ) এজন কৃষক, কৃষিভূমিত খেতিৰ পৰা লাভ কৰা উৎপাদনৰ এটা পর্যায়লৈ এই আইনৰ অধীনত পঞ্জীয়ন কৰাৰ বাবে দায়বদ্ধ নহয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ (১) যিকোনো ধৰণৰ আন্তঃৰাজ্যিক কৰযোগ্য যোগানৰ লগত জড়িত ব্যক্তি।

(২) কৰযোগ্য যোগানৰ লগত জড়িত যিকোনো সাধাৰণ ব্যক্তি।

৫ নং প্রশ্নৰ উত্তৰ ঃ জি এচ টি আইনৰ অধীনত পঞ্জীয়নৰ লগতে অন্যান্য চিনাক্তকৰণ সংখ্যা (Unique Identity Number) মঞ্জুৰী কৰাটোৱে ৰাজ্যিক দ্রব্য আৰু সেৱা কৰ আইন তথা কেন্দ্রীয় শাসিত দ্রব্য আৰু সেৱা কৰ আইনৰ অধীনতো পঞ্জীয়নৰ মঞ্জুৰি আৰু অন্যান্য চিনাক্তকৰণ সংখ্যা হিচাপে বিবেচনা কৰা হ'ব। কেৱল মাত্র এটা চর্তসাপেক্ষে যে ধাৰা ২৫ৰ উপধাৰা ১০ত উল্লেখিত নির্দিষ্ট সময়ৰ ভিতৰত এই আইনৰ অধীত পঞ্জীয়নৰ আবেদন বা অন্যান্য চিনাক্তকৰণ নম্বৰটো বাতিল হোৱা নাই।

১৩.১৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ জি এচ টি আইনৰ অধীনত পঞ্জীয়ন বুলিলে কি বুজা যায়?

প্রশ্ন ২ ঃ জি এচ টি আইনৰ অধীনত পঞ্জীয়নৰ সুবিধাসমূহ আলোচনা কৰক।

প্রশ্ন ৩ ঃ জি এচ টি আইনৰ অধীনত পঞ্জীয়নৰ বাবে কোন কোন দায়বদ্ধ?

প্রশ্ন ৪ ঃ জি এচ টি আইনৰ অধীনত পঞ্জীয়নৰ বাবে দায়বদ্ধ নোহোৱা ব্যক্তিসকল উল্লেখ কৰক।

প্রশ্ন ৫ ঃ জি এচ টি আইনৰ অধীনত পঞ্জীয়ন সম্পর্কে বাধ্যতামূলকভাৱে দায়বদ্ধ থকা দুজন ব্যক্তিসকলৰ নাম উল্লেখ কৰক।

প্রশ্ন ৬ ঃ জি এচ টি আইনৰ অধীনত পঞ্জীয়নৰ প্রক্রিয়া আলোচনা কৰক।

প্রশ্ন ৭ ঃ জি এচ টি আইনৰ অধীনত পঞ্জীয়ন নম্বৰৰ ওপৰত এটি চমুটোকা লিখক।

প্রশ্ন ৮ ঃ জি এচ টি আইনৰ অধীনত পঞ্জীয়ন সংশোধনৰ প্রক্রিয়া আলোচনা কৰক।

প্রশ্ন ৯ ঃ জি এচ টি আইনৰ অধীনত পঞ্জীয়ন বাতিলকৰণৰ প্রক্রিয়া আলোচনা কৰক।

প্রশ্ন ১০ ঃ জি এচ টি আইনৰ অধীনত পঞ্জীয়নৰ বাতিল পুনৰজ্জীৱিতকৰণৰ প্রক্রিয়া উল্লেখ কৰক।

প্রশ্ন ১১ ঃ জি এচ টি আইনৰ অধীনত পঞ্জীয়নৰ পদক্ষেপসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ সীমাশুল্ক আইনৰ পৰিচয়

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ সীমাশুল্ক আইনৰ বিষয়ে
১৪.৪ সীমাশুল্কৰ উদ্দেশ্য
১৪.৫ সীমাশুল্ক আইন, ১৯৬২ৰ অধীনস্থ গুৰুত্বপূৰ্ণ সংজ্ঞাৱলী
১৪.৬ সীমাশুল্কৰ প্ৰকাৰ
১৪.৭ সীমাশুল্কৰ কৰ প্ৰশাসন নীতি
১৪.৮ সামগ্ৰীৰ শ্ৰেণীবিভাজন আৰু সামগ্ৰীৰ মূল্যায়নৰ প্ৰাথমিক নীতি
১৪.৯ সীমাশুল্ক কৰ্তৃপক্ষ
১৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.১১ অধিক জানিবলৈ
১৪.১২ অগ্ৰগতিৰ খতিয়ান
১৪.১৩ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতত সীমাশুল্কৰ ইতিহাসৰ বিষয়ে আলোচনা কৰিব পাৰিব
- সীমাশুল্কৰ উদ্দেশ্যৰাজি ব্যাখ্যা কৰিব পাৰিব
- সীমাশুল্ক আইন, ১৯৬২ৰ অধীনস্থ গুৰুত্বপূৰ্ণ সংজ্ঞাৱলীৰ বিষয়ে আলোচনা কৰিব পাৰিব
- সীমাশুল্কৰ প্ৰকাৰবিলাক ব্যাখ্যা কৰিব পাৰিব
- সীমাশুল্কৰ কৰ প্ৰশাসন নীতি ব্যাখ্যা কৰিব পাৰিব
- সীমাশুল্ক আইনৰ অধীনস্থ সামগ্ৰীৰ শ্ৰেণী বিভাজন আৰু সামগ্ৰীৰ মূল্যায়নৰ প্ৰাথমিক নীতিসমূহ ব্যাখ্যা কৰিব পাৰিব।

১৪.২ পৰিচয়

জি এছ টি বলবৎ কৰাৰ আগতে ভাৰতত প্ৰযোজ্য বিভিন্নধৰণৰ পৰোক্ষ কৰবিলাক জি এছ টি আইনত সামৰি লোৱা হ'ল। অৱশ্যে, আইনখনৰ অধীনত প্ৰাথমিক সীমাশুল্ক (Basic Customs Duty) সামৰি লোৱা হোৱা নাই আৰু সেয়ে এতিয়াও জি এছ টিৰ লগতে সীমাশুল্ক

দিশসমূহৰ বিষয়ে আলোচনা কৰিম। কৰ বা লেভী আৰু সীমাশুল্ক সংগ্রহ, সীমাশুল্কৰ প্রকাৰ, সামগ্রীৰ শ্রেণী বিভাজন আৰু সামগ্রীৰ মূল্যায়ণৰ প্রাথমিক নীতি আৰু সীমাশুল্ক কর্তৃপক্ষ সন্দর্ভতো আমাৰ এটা ধাৰণা হ'ব। আমি সীমাশুল্ক আইনত ব্যৱহৃত গুৰুত্বপূর্ণ শব্দ আৰু সংজ্ঞাৰ বিষয়েও আলোচনা কৰিম।

১৪.৩ সীমাশুল্ক আইনৰ বিষয়ে

ভাৰতত সীমাশুল্কৰ ইতিহাস নতুন নহয়। ই হৈছে প্রাচীন কালতো আৰোপিত হোৱা কপৰোপনৰ এবিধ পুৰণা পদ্ধতি। চতুর্থ শতিকা খ্রীষ্টপূর্বত, কৌটিল্যই তেওঁৰ অর্থশাস্ত্রত আমদানিকৃত বা ৰপ্তানিকৃত বাণিজ্যিক সামগ্রীৰ ওপৰত আহিলা সংগ্রহৰ নির্দিষ্ট নীতিৰ কথা উল্লেখ কৰিছিল। আমদানি আৰু ৰপ্তানিৰ কৰ হিচাপে কৌটিল্যই 'শুল্ক'ৰ কথা উল্লেখ কৰিছে যাক বাহিৰলৈ ওলাই যোৱা আৰু ভিতৰলৈ সোমাই অহা সামগ্রীৰ ওপৰত নগৰৰ প্রৱেশদ্বাৰসমূহত সংগ্রহ কৰা হৈছিল। পৰৱর্তী সময়ত, কোনো ৰজাৰ সাম্রাজ্যত প্রৱেশ কৰোতে বাণিজ্যিক সামগ্রীৰ এটা অংশ তেওঁক উপহাৰ দিয়াৰ প্রাচীন 'ৰীতি'কে (custom) আধুনিক ৰাষ্ট্রসমূহে সীমাশুল্ক (custom duty) হিচাপে আনুষ্ঠানিক ৰূপ দিলে যিটো দেশৰ পৰা বাহিৰলৈ ওলাই যোৱা বা বাহিৰৰ পৰা দেশৰ ভিতৰলৈ সোমাই অহা সামগ্রীৰ ওপৰত আৰোপিত হয়। ভাৰতকে ধৰি উন্নয়নশীল অর্থনীতিসমূহে সীমাশুল্কক ৰাজহৰ এটা গুৰুত্বপূর্ণ উৎস হিচাপে ব্যৱহাৰ কৰে আৰু চোৰাং কাৰবাৰ ৰোধ কৰিবৰ বাবেও সীমাশুল্ক আইনক এক নিয়ামক আহিলা হিচাপে ব্যৱহাৰ কৰে। তদুপৰি, ইয়াৰ সহযোগী ২০খনতকৈও অধিক আইন আছে যিবিলাক বিমান বন্দৰসমূহকে ধৰি বিভিন্ন বন্দৰত ভাৰতীয় সীমাশুল্ক বিভাগে প্রয়োগ কৰে।

বর্তমানৰ ৰূপত থকা সীমাশুল্ক ১৭৮৬ চনত আৰম্ভ হৈছিল, যি সময়ত ব্রুইজার্হে (Bruisers) কলকাতাত প্রথম ৰাজহ ব'র্ড গঠন কৰিছিল। ১৮০৮ত, ভাৰতৰ পৰা ৰপ্তানি আৰু আমদানিৰ বাবে এখন নতুন বাণিজ্যিক ব'র্ড প্রতিষ্ঠা কৰা হয়। আকৌ, ১৮৫৯ ত সীমাশুল্ক আইন (Customs Duties Act) প্রৱর্তন কৰা হয়, য'ত প্রাদেশিক আমদানি শুল্কবিলাকৰ ঠাইত একে মাচুল আইন (Tariff Act) আৰোপ কৰা হয় আৰু ই দেশৰ ভিতৰত সকলো ভাৰতীয় অঞ্চলত প্রযোজ্য হয়।

পৰৱর্তী বছৰত সীমাশুল্কৰ নীতিত কেইবাটাও পৰিৱর্তন সাধন কৰা হয় আৰু সেইবিলাক হৈছে এনেধৰণৰ ঃ

- ১৮৭৮ত চৰকাৰৰ দ্বাৰা সাগৰীয় সীমাশুল্ক আইন (Sea Customs Act) পাৰিত হয়।
- ১৮৯৪ত ভাৰতীয় মাচুল আইন (Indian Tariff Act) পাৰিত হয়।
- ভাৰতীয় বিমান আইন, ১৯১১ (India Aircrafts Act) ৰ দ্বাৰা বিমান সীমাশুল্কক সামৰি লোৱা হয়।
- ১৯২৪ত ভূমি সীমাশুল্ক আইন (Land Customs Act) পাৰিত হয়।

স্বাধীনতাৰ পিছত, সীমাশুল্ক আইন, ১৯৬২ (Customs Act, 1962 বা CA) নামেৰে এখন সমন্বিত আৰু সংশোধিত আইন প্ৰণয়ন কৰি সাগৰীয় সীমাশুল্ক আইন আৰু অন্য আনুষংগিক ব্যৱস্থাপনা আঁতৰোৱা হয়। একেদৰে, সীমাশুল্ক মাচুল আইন, ১৯৭৫ (Customs Tariff Act, 1975 বা CTA) ৰ দ্বাৰা ১৯৩৪ৰ আইনখন বাতিল কৰা হয়।

ভাৰতৰ সংবিধানৰ দ্বাৰা দফা ২৬৫ৰ অধীনত সীমাশুল্ক আইন, ১৯৬২ (Customs Duty Act, 1962) ৰ অধীনত ভাৰতত সীমাশুল্ক আৰোপিত হয়, য'ত কোৱা হৈছে 'আইনৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্তৰ বাহিৰে আনে কৰ আৰোপ বা সংগ্ৰহ কৰিব নোৱাৰিব।

কেন্দ্ৰীয় চৰকাৰৰ বাবে ভাৰতীয় সীমাশুল্ক হৈছে ৰাজহ প্ৰধান উৎস আৰু ইয়াৰ প্ৰায় ৩০% কৰ ৰাজহ ই গঠন কৰে। সীমাশুল্কই কেৱল কেন্দ্ৰীয় চৰকাৰৰ বাবে ধন বৃদ্ধিৰেই নকৰে বৰং ই ভাৰতলৈ অবৈধ সামগ্ৰীৰ ওলোৱা-সোমোৱা ৰোধ কৰাটো চৰকাৰক সহায় কৰে। সংসদৰ অধিৱেশনত এক অধিসূচনা উত্থাপন কৰাৰ পিছত আৱশ্যক অনুসৰি আমদানি বা ৰপ্তানি শুল্ক বৃদ্ধি কৰাৰ জৰুৰী ক্ষমতা ভাৰত চৰকাৰ আছে।

সীমাশুল্ক আইনে সামগ্ৰিকভাৱে তলত দিয়াবোৰ গঠন কৰে ঃ

(১) সীমাশুল্ক আইন, ১৯৬২	ই হৈছে জলপথ, আকাশ মাৰ্গ আৰু স্থলপথেৰে ভাৰতত ওলোৱা-সোমোৱা কৰা সামগ্ৰীৰ ওপৰত আমদানি আৰু ৰপ্তানিৰ সীমাশুল্ক আৰোপ কৰাৰ এক সমন্বিত ব্যৱস্থাপনা। ই মাচুলৰ ব্যৱস্থা আৰু শুল্ক সংগ্ৰহ, আমদানি বা ৰপ্তানিৰ, ওলোৱা-সোমোৱা, সামগ্ৰীৰ আমদানি বা ৰপ্তানিত নিষেধাজ্ঞা, গুদাম ঘৰত জমা ৰখা, আৰোপ কৰিবলগীয়া শুল্ক, আৱেদন, নিষ্পত্তি আয়োগ, আগতীয়া নিৰ্দেশনা, অপৰাধ আৰু শাস্তি ইত্যাদিৰ ব্যৱস্থাৱলী প্ৰদান কৰে।
(২) সীমাশুল্ক মাচুল আইন, ১৯৭৫	সামগ্ৰীৰ আমদানি আৰু ৰপ্তানিত আৰোপিত হ'বলগা বিভিন্ন প্ৰকাৰৰ সীমাশুল্কৰ বিষয়ে এই আইনত আছে। ইয়াত দুখন অনুসূচী আছে— ১ নং অনুসূচীক 'আমদানি মাচুল' (Import Tariff) আৰু ২ নং অনুসূচীত 'ৰপ্তানি মাচুল' (Export Tariff) বোলা হয়। আমদানি মাচুল বা 'ইম্পৰ্ট টেৰিফ'ত ২১টা অনুচ্ছেদত ভাগ কৰা ৯৮টা অধ্যায় আছে। এই অনুসূচীত আমদানিৰ সীমাশুল্ক প্ৰযোজ্য হ'বলগীয়া সামগ্ৰীৰ কথা উল্লেখ আছে। ৰপ্তানি মাচুল বা 'এক্সপৰ্ট টেৰিফ'ত ৰপ্তানিৰ সীমাশুল্ক প্ৰযোজ্য হ'বলগীয়া সামগ্ৰীৰ কথা উল্লেখ আছে।
(৩) নিয়মাৱলী	সীমাশুল্ক আইন, ১৯৬২ৰ অনুচ্ছেদ ১৫৬ৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰক এই আইনৰ সৈতে সংগতি ৰাখি নিয়মাৱলী প্ৰস্তুত কৰাৰ

	ক্ষমতা প্রদান কৰা হৈছে। এনেধৰণৰ নিয়মাৱলীৰ দ্বাৰা আমদানিকৃত সামগ্রীৰ দাম নির্ধাৰণ, প্রযোজ্য হ'ব লগা শুল্ক, সামগ্রীৰ টোপোলা কৰা, ধৰি ৰখা আৰু ক্রোক কৰাৰ ধৰণ সম্পর্কীয় বিষয় ঠিৰাং কৰিব পাৰে।
(৪) বিধান	সীমাশুল্ক আইন, ১৯৬২ৰ অনুচ্ছেদ ১৫৭ৰ জৰিয়তে চেণ্ট্রেল ব'র্ড অফ কাষ্টম্ছ এণ্ড এক্সাইজক এই আইন আৰু নিয়মাৱলীৰ সৈতে সংগতি ৰাখি বিধি-বিধান ৰচনা কৰাৰ ক্ষমতা প্রদান কৰা হৈছে, যাৰ জৰিয়তে আইনখনৰ উদ্দেশ্য কার্যকৰী কৰা হয়। উদাহৰণস্বৰূপে, এই ক্ষেত্রত Import Manifest Vessels Regulation, Boat Note Regulations, Export Manifest Vessel Regulations আদি প্রস্তুত কৰা হৈছে।
(৫) সীমাশুল্ক আইনৰ অধীনত অধিসূচনা	ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ১৩(৩) (এ) অনুসৰি, অধিসূচনা মানে হৈছে 'জাননী প্রদান কৰা একোটা লিখিত বা ছপা বিষয়। সীমাশুল্ক আইন, ১৯৬২ৰ বিভিন্ন অনুচ্ছেদৰ অধীনত কেন্দ্রীয় চৰকাৰক অধিসূচনা জাৰি কৰাৰ ক্ষমতা প্রদান কৰা হৈছে।

১৪.৪ সীমাশুল্কৰ উদ্দেশ্য

তলত দিয়া উদ্দেশ্যবিলাকৰ বাবে, প্রাথমিকভাৱে সীমাশুল্ক আৰোতি হয় ঃ

- বিদেশী বিনিময় সংৰক্ষিত কৰিবৰ বাবে আমদানিত প্রতিবন্ধকতা আৰোপ।
- অনাকাংক্ষিত প্রতিযোগিতাৰ পৰা ভাৰতীয় উদ্যোগক ৰক্ষা কৰা।
- চৰকাৰ নীতিগত উদ্দেশ্যত উপনীত হ'বৰ বাবে সামগ্রীৰ আমদানি আৰু ৰপ্তানিত নিষেধাজ্ঞা আৰোপ কৰা।
- ৰপ্তানিত বিধি-বিধান আৰোপ কৰা।
- বিদেশী বিনিময়ৰ সৈতে সম্পর্কযুক্ত অন্য আইনসমূহ যেনে— Foreign Trade Act, Foreign Exchange Regulation Act, Conservation of Foreign Exchange and Prevention of Smuggling Act ইত্যাদিৰ সৈতে আইনী ব্যৱস্থাৰ সমন্বয় সাধন কৰা।

১৪.৫ সীমাশুল্ক আইন, ১৯৬২ৰ অধীনস্থ গুৰুত্বপূর্ণ সংজ্ঞাৱলী

সীমাশুল্ক আইন, ১৯৬২ৰ অনুচ্ছেদ ২ৰ অধীনস্থ কিছুমান গুৰুত্বপূর্ণ সংজ্ঞা তলত দিয়া হ'ল ঃ

১) 'টোপোলা' (Baggage) বুলিলে লগত নথকা টোপোলাকো অন্তর্ভুক্ত কৰা হয়। কিন্তু

যান-বাহনক অন্তর্ভুক্ত কৰা নহয়।

২) 'প্ৰৱেশৰ বিল' (Bill of entry) মানে হৈছে অনুচ্ছেদ ৪৬ত উল্লেখ কৰা প্ৰৱেশৰ একোখন বিল অর্থাৎ আমদানিৰ বাবে সামগ্ৰীৰ প্ৰৱেশ [অনুচ্ছেদ ২(৪)]

৩) 'ৰপ্তানিৰ বিল' (Bill of export) মানে হৈছে অনুচ্ছেদ ৫০ত উল্লিখিত ৰপ্তানি একোখন বিল, অর্থাৎ ৰপ্তানিৰ বাবে সামগ্ৰীৰ প্ৰৱেশ [অনুচ্ছেদ ২(৫)]।

৪) 'উপকূলীয় সামগ্ৰী' (Coastal goods) মানে হৈছে, ভাৰতত এটা বন্দৰৰ পৰা আন এটালৈ জলযানেৰে পৰিবহন কৰা, আমদানিকৃত সামগ্ৰীৰ বাহিৰে অন্য সামগ্ৰী [অনুচ্ছেদ ২(৭)]।

৫) 'পঠোৱাৰ যতন' (Conveyance) ত একোখন জলযান, একোখন বিমান একোখন বাহন অন্তর্ভুক্ত।

৬) সীমাশুল্কৰ এলেকা (Customs area) মানে হৈছে একোটা সীমাশুল্ক আস্থানৰ (Customs station) এলেকা আৰু যিকোনো অঞ্চলক ইয়াত সামৰি লোৱা হয় য'ত সীমাশুল্ক কর্তৃপক্ষৰ দ্বাৰা স্পষ্ট কৰাৰ পূর্বে আমদানিকৃত সামগ্ৰী বা ৰপ্তানি কৰিবলগীয়া সামগ্ৰী সাধাৰণভাৱে ৰখা হয়, সীমাশুল্ক এলেকাত গুদাম ঘৰবিলাক অন্তর্ভুক্ত [অনুচ্ছেদ ২(১১)]।

৭) 'শুল্কযোগ্য সামগ্ৰী' (Dutiable goods) মানে হৈছে যিকোনো সামগ্ৰী যিবিলাক শুল্ক আৰোপৰ যোগ্য আৰু যিবিলাকৰ ওপৰত শুল্ক পৰিশোধ কৰা হোৱা নাই।

৮) প্ৰৱেশ' (Entry) মানে সামগ্ৰীৰ ক্ষেত্ৰত হৈছে একোখন প্ৰৱেশ বিল শ্বিপিং বিল, বা ৰপ্তানি বিলত (bill of entry) উল্লেখ কৰা একোটা প্ৰৱেশ আৰু ইয়াত অনুচ্ছেদ ৮৪ৰ অধীনস্থ বিধি অনুসৰি কৰা প্ৰৱেশ অন্তর্ভুক্ত থাকে।

৯) 'ৰপ্তানিকাৰী' (Exporter) বুলিলে, যিকোনো সামগ্ৰীৰ ক্ষেত্ৰত, ৰপ্তানিৰ বাবে সিবিলাকৰ প্ৰৱেশৰ সময় আৰু সিবিলাক ৰপ্তানি কৰাৰ মাজৰ যিকোনো সময়ত সিবিলাকৰ যিকোনো স্বত্বাধিকাৰ, মুনাফাভোগী স্বত্বাধিকাৰ আৰু নিজকে ৰপ্তানিকাৰী বুলি কোৱা যিকোনো লোক অন্তর্ভুক্ত।

১০) 'বিদেশলৈ যোৱা জলযান বা বিমান' (Foreign-going vessel or aircraft) মানে হৈছে যিকোনো জলযান বা বিমান যিবিলাক কোনো সময়ত ভাৰতত থকা কোনো বন্দৰ বা বিমান বন্দৰ আৰু ভাৰতৰ বাহিৰত থকা যিকোনো বন্দৰ বা বিমান বন্দৰৰ মাজত সামগ্ৰী অথবা যাত্ৰী কঢ়িওৱাত নিয়োজিত হয়, সেয়া ভাৰতত থকা বা নথকা কোনো মধ্যৱর্তী বন্দৰ বা বিমান বন্দৰক স্পর্শ কৰি যাওক বা নাযাওক, ইয়াত আৰু অন্তর্ভুক্ত থাকে ঃ (১) যিকোনো নৌ অনুসীলনৰ ভাগ লোৱা বিদেশী চৰকাৰৰ যিকোনো জলযান, (২) ভাৰতৰ পৰিসীমাৰ বাহিৰত থকা যিকোনো জলভাগত মৎস্য চিকাৰ বা অন্য কোনো কামত নিয়োজিত জলযান, (৩) যিকোনো উদ্দেশ্যে ভাৰতৰ বাহিৰলৈ যোৱা যিকোনো জলযান বা বিমান।

১১) 'সামগ্ৰী'ৰ (Goods) ভিতৰত আছে ঃ (ক) জলযান, বিমান আৰু বাহন, (খ) বিপণী, (গ) টোপোলা, (ঘ) মুদ্ৰা আৰু বুজাপৰা কৰিব পৰা আহিলা আৰু (ঙ) অন্য যিকোনো ধৰণৰ অস্থাৱৰ সম্পত্তি।

১২) 'আমদানিকৃত সামগ্ৰী' (Imported goods) মানে হৈছে যিকোনো সামগ্ৰী যিবিলাক ভাৰতৰ কোনো বাহিৰৰ ঠাইৰ পৰা ভাৰতলৈ অনা হয় কিন্তু ইয়াত সেইবিলাক সামগ্ৰী অন্তৰ্ভুক্ত নহয় যিবিলাক ঘৰুৱা উপভোগৰ বাবে দিয়া হয়।

১৩) 'আমদানিকাৰী' (Importer) বুলিলে, যিকোনো সামগ্ৰীৰ ক্ষেত্ৰত, সিবিলাকৰ আমদানি কৰা আৰু ঘৰুৱা উপভোগৰ বাবে সিবিলাকক স্থানান্তৰ কৰাৰ সময়ৰ মাজৰ যিকোনো স্বত্বাধিকাৰ, মুনাফাভোগী স্বত্বাধিকাৰ আৰু নিজকে আমদানিকাৰী বুলি কোৱা যিকোনো লোক অন্তৰ্ভুক্ত।

১৪) 'ভাৰত' (India) বুলিলে ভাৰতৰ পৰিসীমাৰ ভিতৰৰ জলভাগক বুজাইছে। ভাৰতৰ পৰিসীমাৰ ভিতৰৰ জলভাগ সঠিক ভিত্তি ৰেখা (base line)ৰ পৰা সাগৰত ১২ সাগৰীয় মাইল (nautical miles) পৰ্যন্ত প্ৰসাৰিত [অনুচ্ছেদ ২(২৭)]।

তেনে সামগ্ৰীকে আমদানি কৰা বুলি গণ্য কৰা হয়, যেতিয়া জলযান সাগৰত কল্পিত ৰেখাৰ ভিতৰত প্ৰৱেশ কৰে অৰ্থাৎ ১২ সাগৰীয় মাইলৰ ভিতৰত সোমায়। ভাৰতে ইয়াৰ পৰিসীমাৰ ভিতৰৰ জলভাগৰ উপৰি পৃষ্ঠকে কেৱল সামৰি লোৱা নাই বৰং ইয়াৰ ওপৰত থকা বায়ুমণ্ডলৰ ঠাই আৰু সাগৰীৰ তলত থকা ভূ-ভাগ পৰ্যন্ত সামৰি লৈছে।

১৫) 'ভাৰতীয় সীমাশুল্ক জল' (Indian Customs Waters) মানে হৈছে ভাৰতৰ সমীপৱৰ্তী বা লগালগি অঞ্চলৰ সীমালৈকে থকা সাগৰলৈ প্ৰসাৰিত জলভাগ আৰু ইয়াত যিকোনো তীৰ, উপকূল, আশ্ৰয়স্থল, ভাঁজ বা জোৱাৰ-ভাটাত সৃষ্টি হোৱা নদী অন্তৰ্ভুক্ত।

১৬) 'নিষিদ্ধ সামগ্ৰী' (Prohibited goods) মানে হৈছে তেনে যিকোনো সামগ্ৰী যাৰ আমদানি বা ৰপ্তানি এই আইনৰ অধীনস্থ যিকোনো নিষেধাজ্ঞাৰ অধীনত পৰে বা সেই সময়ত বলবৎ হৈ থকা যিকোনো আইন মতে নিষিদ্ধ হয়, কিন্তু এনে যিকোনো সামগ্ৰী অন্তৰ্ভুক্ত নহয় যাৰ ক্ষেত্ৰত সামগ্ৰীবিলাকক আমদানি বা ৰপ্তানি কৰিবলৈ অনুমতি প্ৰদান কৰা থাকে।

১৭) 'বিপণী' (Stores) মানে হৈছে একোখন জলযান বা বাহনত থকা ব্যৱহাৰ কৰিব পৰা সামগ্ৰী আৰু ইয়াৰ ভিতৰত আছে ইন্ধন, অতিৰিক্ত যন্ত্ৰাংশ আৰু অন্য আহিলাপাতি, সেইবিলাক লগে লগে কামত লগোৱা হওক বা নহওক।

১৮) 'চোৰাং কাৰবাৰ' (Smuggling) মানে হৈছে, যিকোনো সামগ্ৰীৰ ক্ষেত্ৰত, যিকোনো কাৰ্য বা সংগঠন য'ত এনে সামগ্ৰী অনুচ্ছেদ ১১১ বা অনুচ্ছেদ ১১৩ৰ অধীনত ক্ৰোক কৰাৰ যোগ্য।

১৪.৬ সীমাশুল্কৰ প্ৰকাৰ

সীমাশুল্ক আইন, ১৯৬২ৰ অধীনস্থ বিভিন্ন ধৰণৰ শুল্কবিলাক তলত দিয়া ধৰণৰ ঃ

The various types of Duties under the Customs Act, 1962 are as follows:

১) প্ৰাথমিক সীমাশুল্ক (BASIC CUSTOM DUTY)

প্ৰাথমিক সীমাশুল্ক 'কাষ্টম টেৰিফ এক্ট, ১৯৭৫ৰ অনুচ্ছেদ ২ৰ সৈতে সংগতিপূৰ্ণ সীমাশুল্ক আইন, ১৯৬২ৰ অনুচ্ছেদ ১২ৰ অধীনত আৰোপিত হয়। কাষ্টম টেৰিফ এক্ট, ১৯৭৫ বা সেই সময়ত বলবৎ হৈ থকা অন্য যিকোনো আইন অনুসৰি নিৰ্ধাৰিত নিৰিখত সীমাশুল্ক আৰোপিত হ'ব। ভাৰতলৈ আমদানি কৰা বা ইয়াৰ পৰা ৰপ্তানি কৰা সামগ্ৰীৰ ওপৰত সীমাশুল্ক আইন, ১৯৬২ৰ অনুচ্ছেদ ১২ৰ ব্যৱস্থাৱলী অনুসৰি শুল্ক আৰোপিত হ'ব।

কাষ্টম টেৰিফ এক্ট, ১৯৭৫ৰ অনুচ্ছেদ ২ৰ প্ৰথম আৰু দ্বিতীয় অনুসূচীত সীমাশুল্কৰ নিৰিখ নিৰ্দিষ্ট কৰি দিয়া আছে (প্ৰথম সূচীত আমদানি কৰ আৰোপৰ যোগ্য সামগ্ৰীবিলাকৰ নাম আৰু দ্বিতীয় সূচীত ৰপ্তানি কৰ আৰোপৰ যোগ্য সামগ্ৰীবিলাকৰ নাম উল্লেখ আছে।

বেলেগ বেলেগ সামগ্ৰীৰ ক্ষেত্ৰত বেলেগ বেলেগ নিৰিখ আছে যদিও সাধাৰণ প্ৰাথমিক নিৰিখ হৈছে ১০%।

প্ৰাথমিক সীমাশুল্কত দুটা নিৰিখ থাকিব পাৰে ঃ (ক) নিৰ্ধাৰিত নিৰিখ (Standard rates) আৰু (খ) অগ্ৰাধিকাৰভিত্তিক নিৰিখ (Preferential rates)।

(ক) **নিৰ্ধাৰিত নিৰিখ (Standard Rates)** ঃ য'ত অগ্ৰাধিকাৰভিত্তিক ব্যৱস্থা লোৱাৰ উপায় নাথাকে তাত নিৰ্ধাৰিত নিৰিখ আৰোপ কৰা হয়।

(খ) **অগ্ৰাধিকাৰভিত্তিক নিৰিখ (Preferential Rates)** চৰকাৰে অগ্ৰাধিকাৰভিত্তিক অঞ্চল হিচাপে অধিসূচিত কৰা অঞ্চলৰ পৰা যদি সামগ্ৰী আমদানি কৰা হয় তেন্তে অগ্ৰাধিকাৰভিত্তিক নিৰিখ প্ৰযোজ্য হয় য'ত সামগ্ৰীৰ স্বত্বাধিকাৰে (আমদানিকাৰী) আমদানি কৰাৰ সময়ত, উপযুক্ত প্ৰমাণসহ, সামগ্ৰীবিলাকত অগ্ৰাধিকাৰভিত্তিক নিৰিখ আৰোপ কৰাৰ যোগ্য বুলি দাবী কৰে আৰু যদি যাৱতীয় প্ৰমাণ দাখিল কৰাত আমদানিকাৰী ব্যৰ্থ হয় তেতিয়া নিৰ্ধাৰিত নিৰিখৰ শুল্ক আৰোপিত হয়।

অনুচ্ছেদ ২৫ৰ অধীনত একোখন অধিসূচনাৰ দ্বাৰা প্ৰাথমিক শুল্কৰ পৰা ৰেহাই দিব পাৰে।

২) সমন্বিত কৰ (Integrated Tax) [কাষ্টম টেৰিফ এক্ট, ১৯৭৫ ৰ অনুচ্ছেদ ৩(৭)]

ভাৰতলৈ আমদানি কৰা যিকোনো সামগ্ৰীৰ ওপৰত আৰোপ কৰিবলগীয়া সীমাশুল্কৰ উপৰি সমন্বিত কৰ আৰোপ কৰাৰো যোগ্য হ'ব। ইয়াৰ ওপৰত আৰোপ কৰিবলগীয়া সৰ্বোচ্চ নিৰিখ হৈছে ২৮% (১৪তম জি এছ টি পৰিষদৰ বৈঠকত লোৱা সিদ্ধান্ত মতে)।

৩) সামগ্ৰী আৰু সেৱা কৰ ৰেহাই উপকৰ (Goods and Services Tax Compensation Cess) [**কাষ্টম টেৰিফ এক্ট, ১৯৭৫ ৰ অনুচ্ছেদ ৩(৯)**]

GST Compensation to State Act, 2017 অনুচ্ছেদ ৮ৰ অধীনত জি এছ টি ৰেহাই উপকৰ আৰোপিত হয়। ইয়াক সামগ্ৰী আৰু সেৱাৰ ৰাজ্যৰ আভ্যন্তৰীণ (intra state) যোগানত আৰোপ কৰা হয় আৰু ভাৰতত জি এছটি আইন প্ৰয়োগৰ ফলত ৰাজহ হানি হোৱা ৰাজ্যবিলাকক ক্ষতিপূৰণ দিবলৈ আন্তঃৰাজ্যিক (intra state) সামগ্ৰী আৰু সেৱাৰ যোগান ধৰা ৰাজ্যক আৰোপ কৰা হয়। কোৱা হৈছে যে কেন্দ্ৰীয় চৰকাৰে অধিসূচিত কৰা কেৱল সেইবিলাক সামগ্ৰী আৰু সেৱাৰ যোগানৰ ক্ষেত্ৰতহে জি এছ টি ৰেহাই উপকৰ প্ৰযোজ্য।

অতিৰিক্তভাৱে, ভাৰতলৈ আমদানি কৰা যিকোনো সামগ্ৰীৰ ওপৰত উপ-অনুচ্ছেদ ১০ৰ অধীনত নিৰ্ধাৰিত আমদানিকৃত সামগ্ৰীৰ মূল্যৰ ভিত্তিত সদৃশ সামগ্ৰী ভাৰতলৈ যোগান ধৰিলে Goods and Services Tax (Compensation to States) Cess Act, 2017 ৰ অনুচ্ছেদ ৮ৰ অধীনত আৰোপ কৰাৰ দৰে সমান নিৰিখত কৰ আৰোপিত হ'ব।

৪) অতিৰিক্ত সীমাশুল্ক (Additional Duty of Customs) [**(কাষ্টম টেৰিফ এক্ট, ১৯৭৫ ৰ অনুচ্ছেদ ৩)**

উমৈহতীয়াভাৱে, প্ৰতিৰোধমূলক শুল্ক বা কাউণ্টাৰভেইলিং ডিউটী (CVD) নামেৰে পৰিচিত, এই শুল্ক কাষ্টম্‌ছ টেৰিফ এক্ট, ১৯৭৫ৰ অনুচ্ছেদ ৩ অনুসৰি আমদানিকৃত সামগ্ৰীৰ ওপৰত আৰোপ কৰা হয় আৰু ইয়াৰ নিৰিখ ভাৰতত উৎপন্ন বা প্ৰস্তুত হোৱা তেনে সামগ্ৰীৰ ওপৰত আৰোপ কৰিবলগীয়া কেন্দ্ৰীয় আবকাৰী (Central Excise) শুল্কৰ সম পৰিমাণৰ হয়। একেধৰণৰ সামগ্ৰী ভাৰতত উৎপন্ন বা প্ৰস্তুত কৰা নহ'লে, এই শুল্ক এনে নিৰিখত আৰোপ কৰা হয়, যিটো আমদানিকৃত সামগ্ৰীবিধ অন্তৰ্ভুক্ত হোৱা শ্ৰেণী বা বিৱৰণৰ সামগ্ৰীও আৰোপিত হয়। যদি আবকাৰী শুল্ক একাধিক নিৰিখৰ হয়, তেতিয়া প্ৰযোজ্য হ'বলগীয়া নিৰিখটো হ'ব সৰ্বাধিক। এই শুল্ক সামগ্ৰীৰ মূল্যৰ সৰ্বমুঠ পৰিমাণৰ ওপৰত মূল্যৰ ভিত্তিত গণনা কৰা হয়, য'ত ৰখা বা নমোৱাৰ মাছুল আৰু সীমাশুল্ক অন্তৰ্ভুক্ত থাকে।

নিচাজাতীয় পানীয়ৰ ক্ষেত্ৰত, চলিত সময়ৰ অতিৰিক্ত শুল্ক কেন্দ্ৰীয় চৰকাৰে নিৰ্দিষ্ট কৰি দিয়া মতে এটা একক নিৰিখত আৰোপিত হয়, ৰাজ্যসমূহত বেলেগ বেলেগ নিৰিখ আৰোপিত হ'লেও সেয়া ইয়াত গণ্য কৰা নহয়।

৫) বিশেষ অতিৰিক্ত শুল্ক (Special Additional Duty)

বিক্ৰী কৰ, ভেট (VAT), স্থানীয় কৰ বা অন্য মাছুল ভাৰতত সামগ্ৰীৰ বিক্ৰী, ক্ৰয় অথবা লেনদেনৰ ওপৰত আৰোপ কৰোতে ইবিলাকৰ প্ৰভাৱ সমানুপাতিক কৰিবলৈ বিশেষ অতিৰিক্ত শুল্ক আৰোপ কৰা হয়। আমদানিকৃত সামগ্ৰীৰ ওপৰত এই কৰ আৰোপ কৰা হয়, আনকি সামগ্ৰী ভাৰতত বিক্ৰী কৰা নহ'লেও। ভাৰতত একেধৰণৰ সামগ্ৰীৰ বিক্ৰী, ক্ৰয় অথবা লেনদেনৰ ওপৰত যি নিৰিখ আৰোপ কৰা হয়, সেই একেধৰণৰ নিৰিখ কেন্দ্ৰীয় চৰকাৰে অতিৰিক্ত শুল্ক হিচাপে আৰোপ কৰি বিক্ৰী কৰ, মূল্য সংযোজিত কৰ, স্থানীয় কৰ বা অন্য যিকোনো কৰৰ

সৈতে সমতা স্থাপন কৰিব পাৰে। কেন্দ্রীয় চৰকাৰে ইয়াৰ নিৰিখ অধিসূচিত কৰিব, যিটো ৪%তকৈ বেছি হ'ব নোৱাৰে। আমদানিকৃত সামগ্রীৰ মূল্য সীমাশুল্ক আইন, ১৯৬২ৰ অনুচ্ছেদ ১৪(১) ৰ অধীনত নির্ধাৰিত মুঠ মূল্য আৰু সীমাশুল্ক আইন, ১৯৬২ৰ অনুচ্ছেদ ১২ৰ অধীনত সেই সামগ্রীৰ ওপৰত আৰোপ কৰিবলগীয়া যিকোনো সীমাশুল্ক আৰু অনুচ্ছেদ ৩(১) আৰু অনুচ্ছেদ ৩(৩)ৰ অধীনত আৰোপিত এনে অতিৰিক্ত সীমাশুল্কৰ লগতে সেই সময়ত প্রযোজ্য হৈ থকা যিকোনো আইনৰ অধীনত উক্ত সামগ্রীৰ ওপৰত যিকোনো নিৰিখ আৰোপ কৰিব পাৰিব।

এনেদৰে জি এছ টিত দায়বদ্ধ নোহোৱা কেইটামান সামগ্রীৰ ওপৰতহে অতিৰিক্ত সীমাশুল্ক আৰোপিত হ'ব।

টোকা ঃ জি এছ টি বলবৎ কৰাৰ ফলত অতিৰিক্ত সীমাশুল্কৰ প্রয়োগ অত্যন্ত সীমাবদ্ধ হৈ পৰিছে। সামগ্রী আৰু সেৱাৰ সকলো যোগানৰ ওপৰত জি এছ টি আৰোপিত হয়, কেৱল মানুহৰ উপভোগৰ বাবে হোৱা নিচাজাতীয় পানীয়ৰ ওপৰত ই আৰোপিত নহয়। তদুপৰি পেট্রে'লিয়াম কেঁচাতেল, হাইস্পীড ডিজেল, মটৰ স্পিৰিট (সাধাৰণভাৱে পেট্রল বুলি যাক জনা যায়), প্রাকৃতিক গেছ আৰু এভিয়েচন টাৰ্বাইন ফুৱেলৰ যোগানৰ ওপৰত জি এছ টি এনে তাৰিখৰ পৰা কার্যকৰী হোৱাকৈ আৰোপিত হ'ব যি তাৰিখ পৰিষদৰ পৰামর্শ অনুসৰি চৰকাৰে অধিসূচিত কৰিব পাৰে। এনেদৰে, জি এছ টিত কৰাৰোপৰ যোগ্য নোহোৱা কেৱল কেইটামান সামগ্রীৰ ওপৰত অতিৰিক্ত সীমাশুল্ক আৰোপিত হ'ব।

৬) সুৰক্ষামূলক শুল্ক (Protective Duty) (কাষ্টম টেৰিফ এক্ট, ১৯৭৫ ৰ অনুচ্ছেদ ৬-৭)

ভাৰতত স্থাপিত উদ্যোগসমূহক সুৰক্ষা প্রদান কৰিবলৈ এনে কৰ আৰোপ কৰাটো পৰিস্থিতি সাপেক্ষে বুলি কেন্দ্রীয় চৰকাৰে ভাবিলে 'সুৰক্ষামূলক শুল্ক' আৰোপ কৰা হয়। অনুচ্ছেদ ৭(১) অনুসৰি প্রথম অনুসূচীত নির্দিষ্ট কৰি দিয়া যিকোনো তাৰিখ পর্যন্তহে সুৰক্ষামূলক শুল্ক কার্যকৰী হ'ব। অনুচ্ছেদ ৭(২) ত কোৱা হৈছে যে কেন্দ্রীয় চৰকাৰে চৰকাৰী গেজেটত অধিসূচনা জাৰি কৰি শুল্ক বৃদ্ধি বা হ্রাস কৰিব পাৰে। অৱশ্যে, চৰকাৰে প্রয়োজন বুলি তদন্তৰ পিছতহে এনে শুল্ক সলনি কৰা হ'ব, যদি ভবা হয় যে এনে শুল্ক অকার্যকৰী হৈছে বা একেধৰণৰ সামগ্রী ভাৰতত উৎপন্ন হোৱাৰ ক্ষেত্রত চৰকাৰে দিব বিচৰা সুৰক্ষাৰ ক্ষেত্রত এয়া অতিৰিক্ত হৈছে। ওপৰত নির্দিষ্ট কৰি দিয়াৰ দৰে যদি শুল্কৰ ক্ষেত্রত যিকোনো বৃদ্ধি ঘটোৱা হয়, তেতিয়া কেন্দ্রীয় চৰকাৰে এনে অধিসূচনা অনুমোদনৰ বাবে সংসদত উত্থাপন কৰিব লাগে।

৭) ৰক্ষাকৰচ শুল্ক (Safeguard Duty) (কাষ্টম টেৰিফ এক্ট, ১৯৭৫ ৰ অনুচ্ছেদ ৮)

কেন্দ্রীয় চৰকাৰে নির্দিষ্ট আমদানিকৃত সামগ্রীৰ ওপৰত ৰক্ষাকৰচ শুল্ক আৰোপ কৰিব পাৰে, যদিহে চৰকাৰে দেখে যে সামগ্রীবিলাক বৃহৎ পৰিমাণত আমদানি কৰা হৈছে আৰু সেইবিলাকে দেশীয় উদ্যোগৰ গুৰুতৰ ক্ষতিসাধন কৰিছে। ভাৰতত থকা দেশীয় উদ্যোগক অধিক প্রতিযোগিতামূলক কৰি তোলাৰ লক্ষ্যৰে, সিবিলাকৰ স্বার্থ সুৰক্ষিত কৰিবলৈ ৰক্ষাকৰচ শুল্ক আৰোপ কৰা হয়।

চৰ্তাৱলী

১) ৰক্ষাকৱচ শুল্ক নিৰ্দিষ্ট সামগ্ৰিকভিত্তিক।

২) অন্য যিকোনো শুল্কৰ অতিৰিক্তভাৱে ই আৰোপিত হয়।

৪) ৰক্ষাকৱচ শুল্কত শিক্ষা উপকৰ আৰু মাধ্যমিক তথা উচ্চস্তৰ মাধ্যমিক উপকৰ পৰিশোধ কৰিব নালাগে।

ৰক্ষাকৱচ শুল্ক পৰিশোধৰ মুঠ সময় হৈছে ১০ বছৰ। যদি কেন্দ্ৰীয় চৰকাৰে এই ধাৰণা পোষণ কৰে যে বৰ্দ্ধিত আমদানিয়ে একোটা দেশীয় উদ্যোগৰ গুৰুতৰ ক্ষতি সাধন কৰা নাই, তেতিয়া ই তথাকথিত শুল্ক শুভতাই দিব।

ৰক্ষাকৱচ শুল্কৰ পৰা বাদ দিয়া ঃ

১) যদি একোবিধ সামগ্ৰী উন্নয়নশীল দেশৰ পৰা উৎপন্ন হৈ সেই দেশৰ পৰা উক্ত সামগ্ৰীৰ আমদানিৰ অংশ ভাৰতলৈ সেই সামগ্ৰীৰ মুঠ আমদানিৰ ৩% অতিক্ৰম নকৰে। তেতিয়া ইয়াক ৰক্ষাকৱচ শুল্কৰ পৰা বাদ দিয়া হয়।

২) যদি কোনো সামগ্ৰী একাধিক উন্নয়নশীল দেশৰ পৰা আহে আৰু প্ৰতিখন দেশৰ পৰা মুঠ আমদানিৰ অংশ যদি ৩%ৰ কম হয় আৰু একেলগ কৰিলে ভাৰতলৈ সেই সামগ্ৰীৰ মুঠ আমদানি ৯%ৰ বেছি নহয়, তেতিয়া ইয়াক ৰক্ষাকৱচ শুল্কৰ পৰা বাদ দিব লাগে। ১০০%ই অ' ইউৰ দ্বাৰা আমদানিকৃত সামগ্ৰী বা একোটা মুক্ত বাণিজ্যিক অঞ্চলৰ এককত বা বিশেষ অৰ্থনৈতিক মণ্ডলৰ এককত আমদানিকৃত সামগ্ৰীৰ ওপৰত ৰক্ষাকৱচ শুল্ক আৰোপিত নহয় অন্যথা অধিসূচনাত বিশেষভাৱে প্ৰযোজ্য কৰা হয়।

অনুচ্ছেদ ৮(বি) (২)ৰ অধীনত, কেন্দ্ৰীয় চৰকাৰক সাময়িক ৰক্ষাকৱচ শুল্ক আপদায় কৰি ৰখাৰ চূড়ান্ত শুল্ক নিৰ্ধাৰণৰো ক্ষমতা প্ৰদান কৰা হৈছে। এই সাময়িক শুল্ক পূৰ্বৰ নিৰ্ধাৰণৰ ভিত্তিত আৰোপ কৰিব পাৰে, যি নিৰ্ধাৰণ পূৰ্বতে একোটা দেশীয় উদ্যোগক গুৰুতৰ ক্ষতিৰ পৰা ৰক্ষা কৰিবলৈ আৰোপ কৰা হৈছিল। কোৱা হৈছে যে সাময়িক ৰক্ষাকৱচ শুল্ক আৰোপ কৰা তাৰিখৰ পৰা দুশ দিনৰ অধিক কাল কাৰ্যকৰী হৈ নাথাকিব।

ৰপ্তানি শুল্ক আৰোপ কৰিবলৈ বা বঢ়াবলৈ জৰুৰী ক্ষমতা (কাষ্টমছ্ টেৰিফ এক্টৰ অনুচ্ছেদ ৮)

কেন্দ্ৰীয় চৰকাৰক ৰপ্তানি শুল্ক আৰোপকৰাৰ বা বৃদ্ধি কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে। চৰকাৰী গেজেটত অধিসূচনা জাৰি কৰি দ্বিতীয় অনুসূচীৰ সংশোধন কৰি কেন্দ্ৰীয় চৰকাৰে ৰপ্তানি শুল্ক আৰোপ বা বৃদ্ধি কৰিব পাৰে।

চৰ্তাৱলী

১) সামগ্ৰী দ্বিতীয় অনুসূচীত নিৰ্ধাৰিত হ'ব বা নহ'বও পাৰে।

২) কেন্দ্ৰীয় চৰকাৰে এই ধাৰণা কৰে যে, এনে পৰিস্থিতি বিদ্যমান, যি ৰপ্তানি শুল্ক আৰোপ বা বৃদ্ধি কৰাটো প্ৰয়োজন বুলি প্ৰতিপন্ন কৰে।

যদি ওপৰত দিয়া চৰ্তাৱলী সন্তোষজনক হয়, তেতিয়া কেন্দ্ৰীয় চৰকাৰে ৰপ্তানি শুল্ক আৰোপ বা বৃদ্ধি কৰিব পাৰে।

আমদানি শুল্ক আৰোপ বা বৃদ্ধি কৰিবলৈ জৰুৰী ক্ষমতা [কাষ্টমছ্ টেৰিফ এক্টৰ অনুচ্ছেদ ৮ (ক)]

কেন্দ্রীয় চৰকাৰক আমদানি শুল্ক আৰোপ বা বৃদ্ধি কৰাৰ ক্ষমতা প্রদান কৰা হৈছে। চৰকাৰী গেজেটত অধিসূচনা জাৰি কৰি প্রথম অনুসূচীৰ সংশোধন কৰি কেন্দ্রীয় চৰকাৰে আমদানি শুল্ক আৰোপ বা বৃদ্ধি কৰিব পাৰে।

চর্তাৱলী

১) সামগ্রী প্রথম অনুসূচীত নির্ধাৰিত হ'ব লাগিব।

২) কেন্দ্রীয় চৰকাৰে এই ধাৰণা কৰে যে, এনে পৰিস্থিতি বিদ্যমান, যি আমদানি শুল্ক আৰোপ বা বৃদ্ধি কৰাটো প্রয়োজন বুলি প্রতিপন্ন কৰে।

উপ-অনুচ্ছেদ (১) ত কোৱা হৈছে যে যদিহে শুল্কৰ নিৰিখ সংশোধন কৰি প্রস্তুত কৰা পূর্বৰ অধিসূচনা সংসদত উথাপন কৰা হোৱা নাই আৰু সংশোধনীসহ বা অবিহনে সেই অধিসূচনা পাৰিত হোৱা নাই তেন্তে এই অনুচ্ছেদৰ অধীনত কেন্দ্রীয় চৰকাৰে কোনো অধিসূচনা জাৰি নকৰিব।

গুৰুত্বপূর্ণ বিষয়

১) ৰক্ষাকৱচ শুল্ক নির্দিষ্ট সামগ্রীভিত্তিক আৰু বর্জন বিৰোধী শুল্ক (anti dumping duty) দেশভিত্তিক।

২) অপ্রাসংগিক সমৃদ্ধিৰ পৰম্পৰা অনুসৰি বর্জন বিৰোধী শুল্কৰ ওৱাপোচ হয়। [Automotive Tyre Manufacturers Association, 2011(SC)]

৩) ৰক্ষাকৱচ শুল্কত শিক্ষাৰ উপকৰ আৰু মাধ্যমিক তথা উচ্চতৰ মাধ্যমিক উপকৰ, ৰাজ সাহায্যযুক্ত সামগ্রীত প্রতিৰোধমূলক শুল্ক, বর্জন-বিৰোধী শুল্ক বা আন যিকোনো সুৰক্ষামূলক শুল্ক পৰিশোধ কৰিব নালাগে।

ৰাজসাহায্যযুক্ত সামগ্রীত প্রতিৰোধমূলক শুল্ক [কাষ্টমছ্ টেৰিফ এক্ট, ১৯৭৫ ৰ অনুচ্ছেদ ৯]

অনুচ্ছেদ ৯(১)ত কোৱা হৈছে যে ৰাজসাহায্যযুক্ত () সামগ্রীত প্রতিৰোধমূলক () শুল্ক যিকোনো দেশে প্রত্যক্ষ বা পৰোক্ষভাৱে আৰোপ কৰিব পাৰে। যিকোনো সামগ্রীৰ প্রস্তুতকৰণ বা উৎপাদন বা ৰপ্তানিৰ ওপৰত ৰাজসাহায্য পৰিশোধ কৰিব পাৰে। এনেধৰণৰ ৰাজসাহায্যত থাকে এনে সামগ্রীৰ পৰিবহনত ৰাজসাহায্য।

চর্তাৱলী

১) এনে সামগ্রী ভাৰতলৈ আমদানি হ'ব লাগিব।

২) প্রস্তুত কৰা দেশখনৰ পৰা আমদানি হ'ব বা নহ'বও পাৰে।

প্রস্তুত কৰা দেশখনৰ পৰা যি অৱস্থাত ৰপ্তানি কৰা হৈছিল সেই একে অৱস্থাতে সামগ্রী থাকিব লাগিব।

সামগ্রীৰ ওপৰত ৰাজসাহায্য বর্তি থকা বুলি গণ্য হ'ব যদিহে ঃ

ৰপ্তানিকাৰী বা উৎপাদনকাৰী দেশখনত একোখন চৰকাৰে বা যিকোনো চৰকাৰী সমিতিয়ে

আগবঢ়োৱা বিত্তীয় বৰঙনি তাত থাকে। এনে বৰঙনিৰ ভিতৰত থাকিব পাৰে মঞ্জুৰী, ঋণ, খালাচ নামা দৰে পুঁজিৰ প্ৰত্যক্ষ হস্তান্তৰ আৰু ৰাজহ ৰেহাই ইত্যাদি। ইয়াত চৰকাৰৰ দ্বাৰা মঞ্জুৰীকৃত যিকোনো প্ৰকাৰৰ উপাৰ্জন বা অৰ্থ সাহায্য থাকিব পাৰে যাৰ পৰিণতিত এনে সামগ্ৰীৰ ৰপ্তানি বৃদ্ধি পায় বা দেশলৈ তেনে সামগ্ৰীৰ আমদানি হ্ৰাস পায়। চৰকাৰে ইয়াৰ হৈ পুঁজিৰ যোগান ধৰিবৰ বাবে একোটা পুঁজি প্ৰদানকাৰী ব্যৱস্থাপনা বা একোখন বেচৰকাৰী সমিতিক ধন পৰিশোধ কৰে।

প্ৰতিৰোধমূলক শুল্ক (countervailing duty)ৰ নিৰিখ আলোচনা কৰা ধৰণৰ ৰাজসাহায্যৰ নিৰিখতকৈ অধিক নহ'ব।

চৰ্তাৱলী

১) এই শুল্ক এই আইনৰ অধীনত আৰোপ কৰিব লগীয়া অন্য যিকোনো শুল্কৰ অতিৰিক্তভাৱে আৰোপত হয়।

২) ৰপ্তানি সংক্ৰান্তীয় ৰাজসাহায্যৰ নিৰ্ধাৰণ কাৰ্যকৰী নোহোৱা পৰ্যন্ত প্ৰতিৰোধমূলক শুল্ক আৰোপিত নহ'ব।

৩) আমদানিকৃত সামগ্ৰীৰ ওপৰত দেশীয় সামগ্ৰীৰ ব্যৱহাৰ সংক্ৰান্তীয় ৰাজসাহায্য আমদানি সামগ্ৰীও থাকে।

৪) ৰাজসাহায্য সীমিতসংখ্যক লোকৰ ক্ষেত্ৰত প্ৰযোজ্য হয় যি সামগ্ৰীৰ প্ৰস্তুতকৰণ, উৎপাদন বা ৰপ্তানিত জড়িত।

চৰকাৰে আগতীয়াকৈ পৰিহাৰ নকৰিলে প্ৰতিৰোধমূলক শুল্ক আৰোপ কৰাৰ তাৰিখৰ পৰা ৫ বছৰৰ এক সময়ৰ বাবে বলৱৎ হ'ব। অৱশ্যে যদি চৰকাৰে পুনৰীক্ষণ কৰি ভাবে যে এনেধৰণৰ শুল্ক অব্যাহত ৰাখিলেহে ৰাজসাহায্য বা ক্ষতিৰ সঠিক মোকাবিলা হয়, তেতিয়া এই সময় বৃদ্ধি কৰিব পাৰে।

অৱশ্যে, এনেদৰে কৰা সম্প্ৰসাৰণ সৰ্বাধিক ৫ বছৰলৈকে হ'ব পাৰে। আৰোপ কৰাৰ তাৰিখৰ পৰা সময়সীমা শেষ হোৱাৰ পূৰ্বে (৫ বছৰ) যদি পুনৰীক্ষণ সম্পূৰ্ণ কৰা নহয় তেতিয়া এই শুল্ক এনে পুনৰীক্ষণৰ পৰিণতি স্থগিত ৰাখি অতিৰিক্ত ১ বছৰলৈ বলবৎ থাকিব।

৯) ৰাজসাহায্যযুক্ত সামগ্ৰীৰ ওপৰত সাময়িক প্ৰতিৰোধমূলক শুল্ক

যেতিয়া ৰাজসাহায্যৰ পৰিমাণ নিৰ্ধাৰম কৰা নহয় তেতিয়া কেন্দ্ৰীয় চৰকাৰে এটা সাময়িক প্ৰতিৰোধমূলক শুল্ক আৰোপ কৰিব পাৰে যিটো ইয়াৰ দ্বাৰা সাময়িকভাৱে হিচাপ কৰি উলিওৱা এনে ৰাজসাহায্যৰ পৰিমাণতকৈ বেছি হ'ব নালাগিব। যদি এনে নিৰ্ধাৰণত চৰকাৰে দেখে যে সাময়িকভাৱে নিৰ্ধাৰিত ৰাজসাহায্যতকৈ ইয়াৰ পৰিমাণ কম তেতিয়া ই এনে শুল্ক হ্ৰাস কৰিব পাৰে আৰু সংগৃহীত অতিৰিক্ত শুল্ক ওভতায়ো দিব পাৰে।

প্ৰতিৰোধমূলক শুল্কৰ অতীতদৰ্শী আৰোপ [অনুচ্ছেদ ৯(৪)]

যদি কেন্দ্ৰীয় চৰকাৰে এই মত পোষণ কৰে যে কম সময়ৰ বাবে ৰাজসাহায্যৰ দ্বাৰা লাভবান হৈ কৰা ব্যাপক সামগ্ৰীৰ আমদানিৰ ফলত দেশীয় উদ্যোগবিলাক ক্ষতিগ্ৰস্ত হৈছে আৰু

ক্ষতি মেৰামতি কৰিবলৈ জটিল আৰু এনে ক্ষতি ৰোধ কৰি অৱস্থা টনকীয়াল কৰিবৰ বাবে অতীতদৰ্শী প্ৰভাৱেৰে প্ৰতিৰোধমূলক শুল্ক আৰোপ কৰা প্ৰয়োজন, তেতিয়া কেন্দ্ৰীয় চৰকাৰে অতীতদৰ্শী প্ৰভাৱেৰে প্ৰতিৰোধমূলক শুল্ক আৰোপ কৰিব পাৰে। এনে শুল্ক পৰিশোধ কৰিবলগীয়া অতীতদৰ্শী তাৰিখ অধিসূচনা জাৰি কৰা তাৰিখৰ পৰা ৯০ দিনৰ অধিক হ'ব নালাগিব।

মন কৰিবলগীয়া যে ৰাজসাহায্যযুক্ত সামগ্ৰীৰ ওপৰত শিক্ষা উপকৰ বা মাধ্যমিক তথা উচ্চতৰ মাধ্যমিক তথা উচ্চতৰ মাধ্যমিক উপকৰ প্ৰযোজ্য।

১০) বৰ্জন-বিৰোধী শুল্ক (কাষ্টম্‌ছ টেৰিফ এক্ট, ১৯৭৫ৰ অনুচ্ছেদ ৯৪)

বৰ্জন (Dumping) ঃ বৰ্জন মানে হৈছে, ৰপ্তানিকাৰী দেশখনৰ ঘৰুৱা বজাৰত চলি থকা দামতকৈ এটা কম দামত ভাৰতলৈ সামগ্ৰী ৰপ্তানি কৰা, ইয়াত কিছুমান নিৰ্দিষ্ট সংগতি স্থাপন কৰা হয়।

ভাৰতলৈ আমদানি কৰা একোটা সামগ্ৰীৰ ৰপ্তানি মূল্য যেতিয়া ৰপ্তানিকাৰী দেশখনৰ ঘৰুৱা বজাৰত বিক্ৰী হোৱা একে সামগ্ৰীৰ সাধাৰণ মূল্যতকৈ কম হয়, তেতিয়া কেন্দ্ৰীয় চৰকাৰে চৰকাৰী গেজেটত অধিসূচনা জাৰি কৰি একোটা বৰ্জন-বিৰোধী শুল্ক (Anti-dumping duty) আৰোপ কৰিব পাৰে যিটো এনে সামগ্ৰী সংক্ৰান্তীয় বৰ্জনৰ সীমা (margin of dumping) তকৈ অধিক নহ'ব। বৰ্জন-বিৰোধী শুল্ক দেশভিত্তিক, অৰ্থাৎ কোনো নিৰ্দিষ্ট দেশৰ পৰা কৰা আমদানিৰ ওপৰত ই আৰোপিত হয়।

সাধাৰণ মূল্য (Normal value) মানে হৈছে, ৰপ্তানিকাৰী দেশখনত, বাণিজ্যিৰ সাধাৰণ পৰিক্ৰমাত তুলনা কৰিব পৰা মূল্য, যিটো বিক্ৰয়, কৰাৰোপন ইত্যাদি চৰ্তৰ প্ৰসাৰ অনুসৰি সংগতি ৰাখি কৰা হয়।

বৰ্জন-বিৰোধী শুল্কৰ গণনা ঃ বৰ্জন-বিৰোধী শুল্ক হৈছে বৰ্জনৰ সীমা (margin of dumping) বা ক্ষতিৰ সীমা (injury margin), যিটো কম হয়।

বৰ্জনৰ সীমা ঃ ৰপ্তানি দৰ আৰু একোটা সামগ্ৰীৰ সাধাৰণ মূল্যৰ মাজৰ প্ৰভেদ।

সাধাৰণ মূল্য ঃ বিক্ৰয়, কৰাৰোপন ইত্যাদি চৰ্তৰ প্ৰসাৰৰ সৈতে সংগতি ৰাখি কৰা, ৰপ্তানিকাৰী দেশখনত, বাণিজ্যৰ সাধাৰণ পৰিক্ৰমাত তুলনা কৰিব পৰা মূল্য।

ক্ষতিৰ সীমা ঃ ইয়াৰ অৰ্থ হৈছে দেশীয় উদ্যোগৰ সুচল বিক্ৰয় মূল্য (fair selling price) আৰু আমদানিকৃত সামগ্ৰীৰ অৱতাৰণৰ ব্যয় (landed cost)ৰ মাজৰ প্ৰভেদ।

সূচল বিক্ৰয় মূল্য ঃ ভাৰতীয় বজাৰত সাধাৰণ পৰিস্থিতিত উদ্যোগে আৰোপ কৰিব বুলি আশা কৰা দাম।

১১) সাময়িক বৰ্জন-বিৰোধী শুল্ক

যদি সাধাৰণ মূল্য আৰু একোবিধ সামগ্ৰীৰ বৰ্জনৰ সীমা এই অনুচ্ছেদৰ ব্যৱস্থা অনুসৰি ইয়াৰ অধীনস্থ বিধি অনুসৰি আদায় নোহোৱাকৈ থাকে তেতিয়া কেন্দ্ৰীয় চৰকাৰে সাময়িকভাৱে বৰ্জন-বিৰোধী (Anti-dumping) শুল্ক আৰোপ কৰিব পাৰে আৰু যদি এনে বৰ্জন-বিৰোধী

শুল্ক নির্ধাৰিত সীমা (margin)তকৈ অধিক হয় তেতিয়া, কেন্দ্রীয় চৰকাৰে বর্জন-বিৰোধী শুল্ক হ্রাস কৰিব আৰু তেনেদৰে সংগৃহীত অতিৰিক্ত শুল্ক ওভতাই দিব।

অতীতৰ ওপৰত ভিত্তি কৰি বর্জন-বিৰোধী শুল্ক নির্ধাৰণ ঃ

যদি কেন্দ্রীয় চৰকাৰে তদন্ত কৰি বর্জিত সামগ্রীৰ ক্ষেত্রত এই মত পোষণ কৰে যে—

১) বর্জনৰ এটা ইতিহাস আছে যাৰ ফলত ক্ষতি হৈছে।

২) তুলনামূলকভাৱে কম সময়ত আমদানি কৰা এবিধ সামগ্রীৰ ব্যাপক বর্জনৰ ফলত এই ক্ষতি সংঘটিত হয় আৰু কৰাৰোপণৰ যোগ্য বর্জন-বিৰোধী শুল্কৰ প্রতিকাৰমূলক প্রভাৱৰ কথা গুৰুত্বসহকাৰে মনত ৰাখে।

৩) চৰকাৰী গেজেটত অধিসূচনা জাৰি কৰি কেন্দ্রীয় চৰকাৰে শুল্ক আৰোপ কৰাৰ আগৰ এটা তাৰিখৰ পৰা অতীতদর্শিতাৰে বর্জন-বিৰোধী শুল্ক আৰোপ কৰিব পাৰে, কিন্তু অধিসূচনা জাৰি কৰা তাৰিখৰ পৰা ৯০ দিনৰ অধিক হ'ব নোৱাৰিব।

শুল্কৰ সময় ঃ এই অনুচ্ছেদৰ অধীনত আৰোপ কৰা বর্জন-বিৰোধী শুল্ক, পূর্বতে পৰিহাৰ কৰা নহ'লে, এনেদৰে আৰোপ কৰাৰ তাৰিখৰ পৰা পাঁচ বছৰ শেষ হোৱা দিনা কার্যকৰীতা বন্ধ হ'ব বুলি হয়।

অৱশ্যে, কেন্দ্রীয় চৰকাৰে যদি এই মত পোষণ কৰে যে এই শুল্কৰ প্রত্যাহাৰে বর্জন আৰু ক্ষতি অব্যাহত ৰাখিব বা পুনৰ ঘটাব, তেতিয়া, চৰকাৰে সময়ে সময়ে, পৰৱর্তী পাঁচ বছৰৰ বাবে এনে আৰোপ সম্প্রসাৰিত কৰিব পাৰে আৰু এনে পৰৱর্তী সময়ছোৱা এনে সম্প্রসাৰণৰ নির্দেশনাৰ তাৰিখৰ পৰা আৰম্ভ হ'ব।

বর্জন-বিৰোধী শুল্ক সংক্রান্তীয় নিয়মাৱলী ঃ আৱশ্যকীয় তদন্ত কৰাৰ পিছত কেন্দ্রীয় চৰকাৰে উপ-অনুচ্ছেদ (১) অথবা উপ-অনুচ্ছেদ (২)ত উল্লেখ কৰা ধৰণে সময়ে সময়ে বর্জনৰ সীমা নির্ধাৰণ কৰিব। চৰকাৰী গেজেটত অধিসূচনা জাৰি কৰি কেন্দ্রীয় চৰকাৰে এই অনুচ্ছেদৰ উদ্দেশ্যে নীতি-নিয়ম প্রস্তুত কৰিব আৰু এনে কৰোতে পূর্বৰ সামগ্রীৰ ভ্রান্ত সাধাৰণীকৰণ নকৰিব, নিম্নোল্লিখিত ধৰণে এনে নীতি-নিয়মৰ জৰিয়তে কৰিব পাৰে।

১) কোনবোৰ সামগ্রীত বর্জন-বিৰোধী শুল্ক আৰোপ কৰিব লাগে সেয়া চিনাক্ত কৰিব পাৰে।

২) এনে সামগ্রী সংক্রান্তত কোনবোৰত ৰপ্তানি মূল্য, সাধাৰণ মূল্য, বর্জনৰ সীমা মূল্য আৰোপ কৰিব লাগে সেয়া নির্ণয় কৰিব পাৰে।

এনে বর্জন-বিৰোধী শুল্ক নির্ধাৰণ আৰু সংগ্রহ [উপ-অনুচ্ছেদ (৬)]

বর্জনৰ সীমা মূল্য নির্ধাৰণৰ তথ্য দাখিল কৰিব লাগে। উপ-অনুচ্ছেদ (৬)ৰ অধীনত তদন্ত কৰাৰ পিছত একেজন ৰপ্তানিকাৰী বা উৎপাদকে ৰপ্তানি কৰা একোবিধ সামগ্রী সংক্রান্তত বর্জনৰ সীমা মূল্য (margin of dumping) নির্ধাৰণ কৰিব আৰু এই নির্ধাৰণ এনে ৰপ্তানিকাৰী বা উৎপাদকে প্রদান কৰা তথ্য আৰু সংশ্লিষ্ট সাধাৰণ মূল্য তথা ৰপ্তানি মূল্যৰ তথ্যৰ ভিত্তিত কৰিব।

অৱশ্যে, যেতিয়া একোজন ৰপ্তানিকাৰী বা উৎপাদকে এনে তথ্য প্রদান কৰিব নোৱাৰে, তেতিয়া এনে ৰপ্তানিকাৰী বা উৎপাদকৰ বাবে বর্জনৰ সীমা মূল্য পর্যাপ্ত তথ্যৰ ওপৰত ভিত্তি

কৰি নির্ধাৰণ কৰিব।

বর্জন-বিৰোধী শুল্কৰ ওৱাপোচ

অনুচ্ছেদ ৯ এত কোৱা হৈছে যে, যেতিয়া উপ-অনুচ্ছেদ (২)ৰ দফা (২)ৰ অধীনত কেন্দ্রীয় চৰকাৰৰ দ্বাৰা এই ক্ষেত্রত কর্তৃত্ব প্রদান কৰা এজন বিষয়াৰ নির্ধাৰণৰ ওপৰত একোজন আমদানিকাৰীয়ে কেন্দ্রীয় চৰকাৰৰ সন্তুষ্টি অনুসৰি প্রমাণ কৰে যে যিকোনো সামগ্রীৰ ওপৰত অনুচ্ছেদ ৯ এৰ উপ-অনুচ্ছেদ (১)ৰ অধীনত আৰোপিত বর্জন-বিৰোধী শুল্ক তেওঁ পৰিশোধ কৰিলে আৰু এই পৰিমাণ এনে সামগ্রী সংক্রান্তীয় বর্জনৰ প্রকৃত সীমাতকৈ অধিক, তেতিয়া কেন্দ্রীয় চৰকাৰে যিমান পাৰি সোনকালে নির্ধাৰিত বর্জনত সীমাতকৈ অতিৰিক্ত হৈ থকা শুল্ক হ্রাস কৰিব আৰু এনে আমদানিকাৰী এনে অতিৰিক্ত শুল্ক ওভতাই পোৱাৰ যোগ্য হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কাষ্টম্‌ছ এক্টৰ অধীনত বিপণীৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ২ ঃ সুৰক্ষামূলক শুল্ক বুলিলে আপুনি কি বুজে?

.....

.....

১৪.৭ সীমাশুল্কৰ কৰ প্রশাসন নীতি

ভাৰতলৈ কৰা আমদানি আৰু ভাৰতৰ বাহিৰলৈ কৰা ৰপ্তানিৰ ওপৰত সীমাশুল্ক (Customs duty) আৰোপ কৰা হয়। ভাৰতৰ সংবিধানৰ সপ্তম অনুসূচীৰ কেন্দ্রীয় তালিকা (Union List) ৰ 'এণ্ট্রী ৮৩'ৰ পৰা সীমাশুল্কৰ উদ্ভৱ হয় যাক এনেদৰে কোৱা হয়— 'ৰপ্তানি শুল্কসহ সীমাশুল্ক' (Duty of Customs including export duties)।

এনেদৰে, সীমাশুল্কৰ ক্ষেত্রত আইন প্রস্তুত কৰাৰ ক্ষমতা কেন্দ্রীয় চৰকাৰৰ হাতত ন্যস্ত আছে। মাছুল আৰোপ কৰা অনুচ্ছেদ হিচাপে পৰিচিত সীমাশুল্ক আইনৰ অনুচ্ছেদ ১২ত কোৱা হৈছে যে 'কাষ্টম্‌ছ টেৰিফ এক্ট, ১৯৭৫ৰ অধীনত নির্ধাৰিত নিৰিখ অনুসৰি সীমাশুল্ক আৰোপিত হ'ব, বা সেই সময়ত বলবৎ হৈ থকা যিকোনো আইন মতে হ'ব লাগে আৰু এই শুল্ক ভাৰতলৈ আমদানি কৰা বা ভাৰতৰ পৰা বাহিৰলৈ ৰপ্তানি কৰা সামগ্রীৰ ওপৰত আৰোপিত হ'ব। অনুচ্ছেদ ১২ বিশ্লেষণ কৰিলে আমি পাওঁ ঃ

(১) সীমাশুল্ক তেনে সামগ্রীৰ ওপৰত আৰোপিত হয় যেতিয়া সেই সামগ্রী ভাৰতলৈ আমদানি কৰা হয় বা ভাৰতৰ পৰা বাহিৰলৈ ৰপ্তানি কৰা হয়,

(২) এই আইনৰ অধীনস্থ ব্যৱস্থাৱলী বা আন কোনো আইনৰ অধীনত এই শুল্ক আৰোপিত হয়।

(৩) টেৰিফ এক্ট, ১৯৭৫ বা আন কোনো আইনৰ অধীনত নির্দিষ্ট কৰি দিয়া মতে শুল্কৰ নিৰিখ নির্ধাৰিত হয়।

(৪) আনকি চৰকাৰৰ সামগ্রীৰ ওপৰতো শুল্ক আৰোপিত হ'ব, যদিও সেইবিলাকক অনুচ্ছেদ ২৫ৰ অধীনত কিছুমান অধিসূচনাৰ জৰিয়তে কৰৰ পৰা ৰেহাই দিয়া হ'ব পাৰে।

কাষ্টম্‌ছ টেৰিফ এক্ট, ১৯৭৫ৰ দুখন অনুসূচী আছে। প্রথম অনুসূচীত আমদানিকৃত সামগ্রীৰ মাছুলৰ নিৰিখ দিয়া আছে, যাক 'ইম্পর্ট টেৰিফ' বুলি জনা যায় আৰু দ্বিতীয় অনুসূচীত ৰপ্তানি সামগ্রীৰ মাছুল আছে যাক কোৱা হয়, 'এক্সপর্ট টেৰিফ'।

ভাৰতৰ কেন্দ্রীয় চৰকাৰ বনাম এপাৰ ইণ্ডাষ্ট্রিজ লিঃ (১৯৯৯)ৰ গোচৰত আৰু পৰৱর্তী সময়ত গার্ডেন ছিল্ক মিল্‌ছ লিঃ বনাম ভাৰতৰ কেন্দ্রীয় চৰকাৰৰ গোচৰত (১৯৯৯) ভাৰতৰ উচ্চতৰ ন্যায়ালয়ে ঐতিহাসিক ৰায় প্রদান কৰিছিল। সামগ্রীৰ আমদানি তেতিয়াই আৰম্ভ হ'ব যেতিয়া সিবিলাকে পৰিসীমাৰ জলভাগ অতিক্রম কৰিব। কিন্তু অব্যাহত থাকিব আৰু সম্পূর্ণ হ'ব তেতিয়াহে যেতিয়া সিবিলাক দেশৰ পৰিসীমাৰ ভিতৰত থকা সামগ্রীৰ অংশ হ'ব আৰু কৰযোগ্য ঘটনা তেতিয়াহে সংঘটিত হোৱা বুলি গণ্য হ'ব যেতিয়া সামগ্রীবিলাকে সীমাশুল্কৰ পৰিধি স্পর্শ কৰিব আৰু ঘৰুৱা উপভোগৰ বাবে 'বিল অফ এণ্ট্রী' দাখিল কৰা হ'ব।

'ভাৰত'ত ভাৰতৰ পৰিসীমাৰ ভিতৰৰ জলভাগক সামৰি লোৱা হয় [অনুচ্ছেদ ২(২৭)]। পৰিসীমাৰ ভিতৰৰ জলভাগ (Territorial Waters) মানে হৈছে,— Continental Shelf, Exclusive Economic Zones আৰু অন্য Maritime Zones Act, 1976 অনুসৰি, সেই ৰেখা যাৰ প্রতিটো বিন্দু উপযুক্ত ভিত্তিৰেখাৰ সবাতোকৈ নিকটৱর্তী বিন্দুৰ পৰা বাৰ সাগৰীয় মাইলৰ দূৰত্বত অৱস্থিত। বর্তমান ভাৰতীয় সীমাশুল্ক জলভাগ Exclusive Economic Zone পর্যন্ত প্রসাৰিত।

সেয়ে, কাষ্টম্‌ছ এক্টৰ অধীনত 'কৰযোগ্য ঘটনা' (taxable event) হ'বলৈ নিম্নোল্লিখিত উপাদানসমূহৰ আৱশ্যক ঃ

১) সামগ্রী শাৰীৰিকৰূপত থাকিব লাগিব।

২) নির্দিষ্ট উদ্দেশ্যৰ বাবে মানুহে আনিব লাগিব।

৩) ভাৰতত সোমাব লাগিব বৰং সীমাশুল্কৰ পৰিধিত।

(ক) আমদানিকৃত সামগ্রীৰ বাবে কৰযোগ্য ঘটনা

কিৰণ স্পিনিং মিলৰ গোচৰত (১৯৯৯) ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়ে কৈছিল যে আমদানি তেতিয়াহে সম্পূর্ণ হয় যেতিয়া সামগ্রীয়ে সীমাশুল্কৰ পৰিধি অতিক্রম কৰে। কৰযোগ্য ঘটনা (taxable event) হৈছে সীমাশুল্কৰ পৰিধি অতিক্রম কৰা দিনটো আৰু ভাৰতত সামগ্রী অৱতৰণ কৰা তাৰিখটো নহয় অথবা ভাৰতৰ পৰিসীমাৰ জলভাগত সোমোৱা তাৰিখটো নহয়।

সীমাশুল্কৰ পৰিধি (customs barrier) অতিক্রম ঃ

যেতিয়া সামগ্রীবিলাক ভাৰতলৈ আমদানি কৰা হয়, আনকি জাহাজৰ পৰা সামগ্রীবিলাক নমোৱাৰ পিছতো আৰু একোখন 'বিল অফ এণ্ট্রী' দাখিল কৰাৰ পিছত শুল্কৰ বাবে সামগ্রীৰ

হিচাপ কৰাৰ পিছতো সিবিলাকে সীমাশুল্কৰ পৰিধি অতিক্রম কৰা বুলি গণ্য নহ'ব, যেতিয়ালৈকে শুল্ক পৰিশোধ কৰা নহয় আৰু সামগ্রীবিলাকক সীমাশুল্ক আস্থানৰ সীমাৰ পৰা বাহিৰলৈ নিয়া নহয়।

কাজেই, আমদানিকৃত সামগ্রীৰ ক্ষেত্রত কৰযোগ্য ঘটনাক তলত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি ঃ

সীমাশুল্ক আইনৰ অধীনত আমদানিৰ পৰিক্রমাত কৰযোগ্য ঘটনা সংঘটিত হয়, ইয়াত গার্ডেন ছিল্ক মিল লি) বনাম ভাৰতৰ কেন্দ্রীয় চৰকাৰৰ গোচৰ আৰু কিৰণ স্পিনিং মিল বনাম চিচিৰ গোচৰত উচ্চতম ন্যায়ালয়ে দিয়া ৰায় প্রযোজ্য ঃ

১) সীমাশুল্ক বন্দৰত আমদানিকৃত সামগ্রী নমোৱাটো কৰযোগ্য ঘটনা নহয়।

২) ভাৰতীয় পৰিসীমাৰ জলভাগত সোমোৱাৰ তাৰিখটো কৰযোগ্য ঘটনা নহয়।

৩) সামগ্রীয়ে সীমাশুল্কৰ পৰিধি অতিক্রম কৰা তাৰিখটো এটা কৰযোগ্য ঘটনা।

৪) 'বিল অফ এণ্ট্রী' উত্থাপন কৰা তাৰিখটো কৰযোগ্য ঘটনা নহয়।

(খ) গুদামঘৰত ৰখা সামগ্রীৰ বাবে কৰযোগ্য ঘটনা

গুদাম ঘৰত ৰখা সামগ্রীৰ বাবে কৰযোগ্য ঘটনা হৈছে সেইটো, যেতিয়া সীমাশুল্ক আদায় দিয়া গুদামঘৰৰ পৰা EX-bond bill দাখিল কৰি সামগ্রী উলিয়াই নিয়া হয়। সীমাশুল্ক আইন, ১৯৬২ৰ অনুচ্ছেদ ১-৫(১) (বি) অনুসৰি, যেতিয়া একোটা গুদামঘৰত সামগ্রী জমা কৰা হয় আৰু ঘৰুৱা উপভোগৰ বাবে সেইবিলাক তাৰ পৰা উলিয়াই নিয়া হয়, তেতিয়া শুল্কৰ নিৰিখ নির্ধাৰণৰ বাবে প্রাসংগিক তাৰিখটো হৈছে ঘৰুৱা উপভোগৰ বাবে (ex-bond bill of entry) (অর্থাৎ প্রৱেশৰ উপ-হিচাব পত্র দাখিলৰ তাৰিখ।

(গ) ৰপ্তানিকৃত সামগ্রীৰ বাবে কৰযোগ্য ঘটনা

সীমাশুল্ক আইন, ১৯৬২ৰ অনুচ্ছেদ ১৬ (১) অনুসৰি, কৰযোগ্য ঘটনা তেতিয়াহে সংঘটিত হয় যেতিয়া উপযুক্ত বিষয়াই উলিয়াই নিয়াৰ অনুমতি প্রদান কৰি একোটা নির্দেশ দিয়ে (অর্থাৎ বাহিৰলৈ নিয়া বা entry outwards) এছাজী তয়বল্লী কাপাছি (১৯৯৫) (উঃ ন্যাঃ) আৰু সীমাশুল্ক আইন, ১৯৬২ৰ অনুচ্ছেদ ৫১ৰ অধীনত ৰপ্তানিৰ বাবে সামগ্রী উঠোৱা। অন্য যিকোনো সামগ্রীৰ ক্ষেত্রত, শুল্ক পৰিশোধ কৰা তাৰিখটো গণ্য হয়।

সেয়ে, সীমাশুল্ক বিষয়াই যান-বাহনক বাহিৰলৈ সামগ্রী নিয়াৰ অনুমতি দিয়া তাৰিখটো প্রাসংগিক।

১৪.৮ সামগ্রীৰ শ্রেণীবিভাজন আৰু সামগ্রীৰ মূল্যায়নৰ প্রাথমিক নীতি

১) সীমাশুল্ক আইন, ১৯৬২ৰ অধীনত সামগ্রীৰ শ্রেণী বিভাজন

সীমাশুল্ক আইন, ১৯৬২ৰ অনুচেছদ ১২(১)ত ভাৰতলৈ আমদানি কৰা বা ভাৰতৰ পৰা বাহিৰলৈ ৰপ্তানি কৰা সামগ্রীৰ ওপৰত সীমাশুল্ক আৰোপৰ বিষয়ে উল্লেখ আছে। আমদানি বা ৰপ্তানি কৰা সামগ্রীৰ ওপৰত পৰিশোধ কৰিবলগীয়া শুল্কৰ পৰিমাণ গণনা কৰিবলৈ, সেইবিলাক

কাষ্টম্‌ছ টেৰিফ এক্টৰ অনুসূচীৰ পৰিসৰত শ্রেণী বিভাজিত হ'ব লাগে। সামগ্রীৰ সীমাশুল্কৰ নিৰিখ নির্ধাৰণ কৰিবলৈ সিবিলাকৰ সঠিক শ্রেণী বিভাজনৰ প্রয়োজন। শ্রেণীবিভাজনে সামগ্রীবিলাকক বেলেগ বেলেগ গোট বা উপগোটত অন্তর্ভুক্ত কৰাটো সহজ কৰি তোলে আৰু তেতিয়া প্রতিটো গোট বা উপগোটৰ বিপৰীতে এটা নিৰিখ আৰোপ কৰিব পৰা যায়। এই শ্রেণীবিভাজন Harmonised System of Nomenclature (HSN) ৰ আধাৰত কৰা হয়। এইচ এছ এন হৈছে এটা আন্তর্জাতিকভাৱে গ্রহণ কৰা সাংকেতিক পদ্ধতি আৰু ইয়াক প্রস্তুত কৰা হয় আৰু ইয়াৰ জৰিয়তে General Agreement on Tariffs & Trade (GATT) ত উপনীত হোৱা যায়।

এই সমন্বিত পদ্ধতি (Harmonised system) হৈছে— এটা বহুমুখী ছটা সংখ্যাৰ নামকৰণ (nomenclature) আৰু উপবিভাজিত চাৰিটা সংখ্যাৰ শিৰোনামৰ এলানি শৃংখলাৰ আধাৰত কৰা এটা গাঁথনিকৃত নামকৰণ— দুয়োটা। ছটা সংখ্যাৰ স্তৰটোত ৫০১৯ শিৰোনাম, পাঁচটা সংখ্যাত ৩৫৫৮ শিৰোনাম আৰু চাৰিটা সংখ্যাত ২৪১ শিৰোনাম থাকে। এনে গাঁথনিৰ উদ্দেশ্য হৈছে বেলেগ বেলেগ উদ্দেশ্যত ব্যৱহৃত বেলেগ বেলেগ সংখ্যাৰ স্তৰবিলাক সক্রিয় কৰি তোলা, যেনে— সীমাশুল্কৰ বাবে সামগ্রীৰ শ্রেণী বিভাজন, বাণিজ্যিক পৰিসংখ্যা প্রস্তুত কৰা, পৰিবহন মাছুলৰ ব্যৱহাৰ ইত্যাদি। এই পদ্ধতিৰ প্রতিটো শিৰোনামক এটা চাৰিটা অংকৰ সংকেতেৰে চিনাক্ত কৰা হয়। শিৰোনামত থকা প্রথম দুটা অংকেই অধ্যায় বুজোৱাৰ বিপৰীতে পৰৱর্তী দুটা অংকেই অধ্যায়টোত শিৰোনামটোৰ স্থান বুজায়। যেনে— সংকেত ৫৩.০৯ই উপস্থাপন কৰে 'অন্য পাচলিৰ সুতা বস্ত্র আঁহ, কাগজ সুতা' (yarn of other vegetable textile fibres, paper yarn)। ইয়াত, ৫৩য়ে অধ্যায়টো বুজাইছে আৰু ০৯ই শিৰোনাম বুজাইছে। পৰৱর্তী পর্যায়ত, ৩১১ শিৰোনামৰ বাহিৰে বাকী সকলো শিৰোনামত দুটা বা ততোধিক উপ-শিৰোনামত ভাগ কৰা হৈছে আৰু আৱশ্যক অনুসৰি সিবিলাকক দুটা বা ততোধিক উপ-শিৰোনামত ভাগ কৰা হৈছে যিবিলাকক ছটা অংকৰ সংকেতৰ দ্বাৰা চিনাক্ত কৰা হয়।

উদাহৰণস্বৰূপে, ভেনিলাৰ সংকেত হৈছে ০৯০৫, যাৰ অর্থ হৈছে ই শিৰোনাম ০৯.০৫ৰ অধীনত পৰে। ইয়াত পঞ্চম আৰু ষষ্ঠ অংক দুটা হৈছে শূন্য। সেয়ে ভেনিলাক উপশাখাত ভাগ কৰা হোৱা নাই। 'মেইজ আৰু অন্য শস্যজাত তেল'ৰ সমন্বিত পদ্ধতি (HS) হৈছে ১৫১৫.২০ যাৰ অর্থ হৈছে যে মেইজ আৰু অন্য শস্যজাত তেলক প্রথম উপ-শিৰোনামত অন্তর্ভুক্ত কৰা হয় (পঞ্চম অংকটো ২) কিন্তু আৰু অধিক উপশাখাত বিভক্ত কৰা নহয় (ষষ্ঠ অংকটো 'শূন্য)। আকৌ 'Fescus seed' ৰ সংকেত হৈছে ১২০৯.২৩। ই হৈছে দুটা উপ-শিৰোনামৰ বিষয়, শেষৰ দুটা অংক ইয়াত যিহেতু ২ আৰু ৩।

শ্রেণী বিভাজনৰ (গোট/উপ-গোট) একাষে সীমাশুল্কৰ নিৰিখবিলাক কাষ্টম্‌ছ টেৰিফ এক্ট, ১৯৭৫ত তলত দিয়াৰ দৰে উল্লেখ কৰা আছে ঃ

(ক) প্রথম অনুসূচী ঃ আমদানিৰ ওপৰত প্রযোজ্য

(খ) দ্বিতীয় অনুসূচী ঃ ৰপ্তানিৰ ওপৰত প্রযোজ্য।

২) সীমাশুল্কৰ বাবে সামগ্ৰীৰ মূল্য নিৰূপণ

আমদানি আৰু ৰপ্তানি দুয়োবিধ সামগ্ৰীৰ সীমাশুল্কৰ নিৰিখ নিৰ্ধাৰণ কৰিবৰ বাবে সামগ্ৰীৰ মূল্য নিৰূপণৰ ব্যৱস্থা সীমাশুল্ক আইন, ১৯৬২ৰ অনুচ্ছেদ ১৪ৰ অধীনত দিয়া আছে। অনুচ্ছেদ ১৪(১)ত কোৱা হৈছে যে কাষ্টম্ছ টেৰিফ এক্ট, ১৯৭৫ (১৯৭৫ৰ ৫১)ৰ উদ্দেশ্য, বা সেই সময়ত বলবৎ হৈ থকা অন্য যিকোনো আইনৰ উদ্দেশ্য অনুসৰি, আমদানিকৃত বা ৰপ্তানি কৰিব লগীয়া সামগ্ৰীৰ মূল্যই হ'ব এনে সামগ্ৰীৰ লেনদেন মূল্য (transaction value), সেয়ে ক'ব পাৰি, ভাৰতলৈ ৰপ্তানি কৰিবৰ বাবে ক্ৰয় কৰাৰ সময়ত আৰু আমদানিৰ স্থানত সামগ্ৰীৰ বিনিময়ত প্ৰকৃতাৰ্থত পৰিশোধ কৰা বা কৰিবলগীয়া দাস বা ঘটনা যেনেকুৱা হয় সেই মতে, ভাৰতৰ পৰা ৰপ্তানিৰ ক্ষেত্ৰত ৰপ্তানিৰ সময় আৰু স্থানত, য'ত সামগ্ৰীৰ ক্ৰেতা আৰু বিক্ৰেতা সম্পৰ্কযুক্ত নহয় আৰু বিক্ৰীৰ বিষয়ত দামটোৱেই একমাত্ৰ বিচাৰ্য আৰু এই ক্ষেত্ৰত প্ৰস্তুত কৰা অন্য চৰ্তাৱলীৰ লগতে নিয়মাৱলীত নিৰ্দিষ্ট কৰি দিয়া চৰ্তাৱলী প্ৰযোজ্য হ'ব।

কোৱা হৈছে যে আমদানিকৃত সামগ্ৰীৰ ক্ষেত্ৰত এনে লেনদেন মূল্য, পূৰ্বতে উল্লেখ কৰা দামৰ অতিৰিক্তভাৱে সংযোজিত হ'ব, ব্যয় আৰু সেৱাৰ বাবে পৰিশোধ কৰা বা কৰিবলগীয়া যিকোনো ধন ৰাশিৰ লগতে কমিছন আৰু মধ্যস্থতা, কাৰিকৰী, আৰ্হি কৰ্ম, ৰয়েল্টী, অনুজ্ঞাপত্ৰৰ মাছুল, আমদানিৰ স্থানলৈ পৰিবহনৰ ব্যয়, বীমা, যান-বাহনত উঠোৱা, নমোৱা আৰু হাত-বাট কৰাৰ মাছুল এই ক্ষেত্ৰত নিৰ্মিত নিয়মাৱলীত নিৰ্দিষ্ট কৰি দিয়া ধৰণে প্ৰযোজ্য হ'ব।

আৰু কোৱা হৈছে যে এই ক্ষেত্ৰত প্ৰস্তুত কৰা নিয়মাৱলীয়ে নিৰ্দিষ্ট কৰি দিবা পাৰে ঃ

১) সেই পৰিস্থিতি য'ত ক্ৰেতা আৰু বিক্ৰেতাই সম্পৰ্ক স্থাপন কৰিব।

২) যেতিয়া বিক্ৰয় সম্পন্ন নহয়, বা ক্ৰেতা আৰু বিক্ৰেতা সম্পৰ্কযুক্ত হ'লে, বা বিক্ৰয়ৰ বাবে যেতিয়া দামেই একমাত্ৰ বিবেচনা নহয় বা অন্য কোনো ক্ষেত্ৰত সামগ্ৰীৰ মূল্য নিৰূপণৰ ধৰণ।

৩) আমদানিকাৰী বা ৰপ্তানিকাৰীয়ে ঘোষণা কৰা মূল্য গ্ৰহণ কৰা বা নাকচ কৰাৰ ধৰণ, য'ত এনে মূল্যৰ সত্যতাৰ ওপৰত সন্দেহ কৰাৰ যুক্তি উপযুক্ত বিষয়াৰ থাকে।

লগতে কোৱা হৈছে যে অনুচ্ছেদ ৪৬ৰ অধীনত যি তাৰিখত এখন 'বিল অফ এণ্ট্ৰী' দাখিল কৰা হয়, বা অনুচ্ছেদ ৫ৰ অধীনত ৰপ্তানিৰ এখন 'শ্বিপিং বিল' দিয়া হয়, সেই তাৰিখত কাৰ্যকৰী হৈ থকা বিনিময় নিৰিখ অনুসৰি এনে দাম গণনা কৰা হ'ব।

২) উপ-অনুচ্ছেদ (১)ত থকা কোনো কথাৰ লগত ৰজিতা নাখালে, ব'ৰ্ডে যদি এইবুলি সন্তুষ্টি লাভ কৰে যে এই ক্ষেত্ৰত এনেধৰণেৰে নিৰ্ধাৰণ কৰি দিয়াৰ প্ৰয়োজন আছে, তেতিয়া চৰকাৰী গেজেটত অধিসূচনা জাৰি কৰি ই আমদানি বা ৰপ্তানি কৰা সামগ্ৰীৰ যিকোনো শ্ৰেণীৰ বাবে মাছুৰ মূল্য স্থিৰ কৰি দিব পাৰে, এনে সামগ্ৰীৰ মূল্যৰ প্ৰৱণতা থাকিব লাগিব আৰু য'ত এনে মাছুলৰ মূল্য স্থিৰ কৰা হয়, তেতিয়া এনে মাছুৰ মূল্য অনুসৰি শুল্ক আৰোপ কৰিব পাৰিব।

ব্যাখ্যা ঃ এই অনুচ্ছেদৰ উদ্দেশ্য অনুসৰি ঃ

১) 'বিনিময় নিৰিখ' (rate of exchange) মানে হৈছে বিনিময় নিৰিখ,

২) ভাৰতীয় মুদ্রাক বিদেশী মুদ্রালৈ বা বিদেশী মুদ্রাক ভাৰতীয় মুদ্রালৈ ৰূপান্তৰ কৰিবৰ বাবে ব'র্ডে দিয়া নির্দেশনা অনুসৰি,

(খ) 'বিদেশী মুদ্রা (foreign currency) আৰু 'ভাৰতীয় মুদ্রা' (Indian currency)ৰ অর্থ ক্রমশঃ (Foreign Exchange Management Act, 1999 (42 of 1999) ৰ দফা (এম) আৰু দফা (কিউ)ও দিয়া আছে।

মূল্য নিৰূপণৰ পদ্ধতি

WTO Valuation Agreement (পূর্বতে GATT Valuation Code)ৰ ওপৰত আধাৰিত The Customs Valuation (Determination of Value of Imported Goods) Rules, 2007, ত মূল্য নিৰূপণৰ ছটা পদ্ধতিসহ নিয়মাৱলী দিয়া আছে—

১) সীমাশুল্ক পদ্ধতিসমূহৰ বাবে মূল্য নিৰূপণৰ পদ্ধতিবিলাক তলত দিয়াৰ দৰে—

২) আমদানিকৃত সামগ্রীৰ লেনদেন মূল্য [অনুচ্ছেদ ১৪(১) আৰু বিধি ৩(১)]

৩) চিনাক্ত সামগ্রী (Identical Goods) ৰ লেনদেন মূল্য (বিধি ৪)

৪) একেধৰণৰ সামগ্রী (Similar Goods) ৰ লেনদেন মূল্য (বিধি ৫)

৫) ভাৰতত বিক্রী হোৱা চিনাক্ত অথবা একেধৰণৰ আমদানিকৃত সামগ্রীৰ ওপৰত আধাৰিত কর্তনযোগ্য মূল্য (Deductive Value) (বিধি ৭)

৬) সামগ্রীৰ প্রস্তুতকৰণৰ ব্যয় লগতে মুনাফাৰ ওপৰত আধাৰিত হিচাপ কৰা মূল্য (Computed value) (বিধি ৮)

৭) যুক্তিসংগত উপায় আৰু পর্যাপ্ত তথ্যৰ ওপৰত আধাৰিত অৱশিষ্ট পদ্ধতি (Residual method) (বিধি ৯)

এই পদ্ধতিবিলাক এটাৰ পিছত এটাকৈ প্রয়োগ কৰিব লাগে, অর্থাৎ যদি এক নম্বৰ পদ্ধতিটো প্রয়োগ কৰিব পৰা নাযায়, তেন্তে দুই নম্বৰ পদ্ধতিটো প্রয়োগ কৰা হয় আৰু যেতিয়া দুই নম্বৰ পদ্ধতিটোও প্রয়োগ কৰিব পৰা নাযায়, তেতিয়া তিনি নম্বৰ পদ্ধতিটো প্রয়োগ কৰিব লাগে আৰু এনেকৈয়ে আগবাঢ়ে। ইয়াত একমাত্র ব্যতিক্রমটো হৈছে যে যদি আমদানী 'কর্তনযোগ্য মূল্য নিৰূপণ পদ্ধতি'ৰ পূর্বে 'হিচাপ বা গণনাকৃত মূল্য নিৰূপণ' পদ্ধতি প্রয়োগ কৰিব পাৰি।

১৪.৯ সীমাশুল্ক কর্তৃপক্ষ

দেশৰ ভিতৰলৈ আৰু বাহিৰলৈ সামগ্রী আৰু সেৱাৰ চাল-চলনৰ নিয়মানুসৰি নির্ধাৰিত উপকৰৰ লগতে আমদানি আৰু ৰপ্তানি শুল্ক সংগ্রহৰ দায়িত্ব সীমাশুল্ক বিষয়াসকলক আৰোপ কৰা হৈছে। পৰিশোধ কৰিবলগীয়া কৰ/শুল্ক আৰু শ্রেণী বিভাজন, মূল্য নিৰূপণ, ওৱাপোচৰ দাবী নির্ধাৰণ কৰিবলৈ সীমাশুল্ক কর্তৃপক্ষক ক্ষমতা প্রদান কৰা হৈছে। বিধি-বিধানৰ অধীনত বিভিন্ন অনুমতি প্রদান কৰাৰ লগতে জৰিমনা, অর্থদণ্ড ইত্যাদি আৰোপ কৰা আৰু অপৰাধ

সংক্রান্তীয় সামগ্রী ক্রোক কৰিবলৈও তেওঁলোকক ক্ষমতা প্রদান কৰা হৈছে।

(ক) সীমাশুল্ক বিষয়াৰ নিযুক্তি

সীমাশুল্কৰ তলত দিয়া শ্রেণীৰ বিষয়াসকলক সীমাশুল্ক আইন পৰিচালনাৰ বাবে নিযুক্ত কৰা হ'ব, সেইসকল হৈছে ঃ

১) সীমাশুল্কৰ মুখ্য আয়ুক্ত,

২) সীমাশুল্কৰ আয়ুক্তসকল,

৩) সীমাশুল্কৰ আয়ুক্তসকল (আৱেদন),

৪) সীমাশুল্কৰ যুটীয়া আয়ুক্তসকল,

৫) সীমাশুল্কৰ উপ-আয়ুক্তসকল,

৬) সীমাশুল্কৰ সহকাৰী আয়ুক্তসকল

৭) সীমাশুল্কৰ এনে অন্য শ্রেণীৰ বিষয়াসকল, যাক এই আইনৰ উদ্দেশ্য অনুসৰি নিযুক্ত কৰিব পাৰে।

সীমাশুল্কৰ অন্য শ্রেণীৰ বিষয়াসকলৰ মাজত, তলত দিয়া বিষয়াসকলক নিযুক্ত কৰা হয় ঃ

১) সীমাশুল্কৰ মূল্য নিৰূপণকাৰীসকল (Appraisers of Customs), যি আমদানি আৰু ৰপ্তানি সামগ্রীৰ হিচাপৰ কাম কৰে আৰু লগতে সামগ্রীৰ শ্রেণীবিভাজন, মূল্য নিৰূপণ আৰু পৰীক্ষা কৰে।

২) সীমাশুল্কৰ প্রতিৰক্ষাকাৰী বিষয়া (Preventive Officers of Customs), যি কার্যকৰী কামবিলাক কৰে, যেনে—

(ক) জাহাজ আৰু বিমানবিলাকৰ পৰীক্ষা কৰা আৰু উঠোৱা-নমোৱা কৰা,

(খ) যাত্রীসকলক আৰু যানৰ সদস্যসকলৰ লগতে তেওঁলোকৰ তালি-টোপোলা উলিয়াই দিয়া,

(গ) মালবাহী যানৰ অধিক মাল উঠোৱা আৰু নমোৱা কার্যৰ তত্ত্বাৱধান আৰু নিয়ন্ত্রণ,

(ঘ) সন্দেহজনক অৱস্থাত তালাচী চলাই চোৰাং বেহা ৰোধ কৰা,

(ঙ) সন্দেহ/সাক্ষীক প্রশ্ন কৰা আৰু অনুসন্ধান কৰা।

৩) কেৰাণীবিষয়ক বিষয়া (Ministerial Officers), যি তথ্যপাতি আৰু হিচাপ-নিকাচ ৰাখে।

৪) ৰাসায়নিক পৰীক্ষক (Chemical Examiner), যি সীমাশুল্ক নির্ধাৰণৰ বাবে প্রয়োজন হোৱা সঠিক শ্রেণীবিভাজন আৰু মূল্য নিৰূপণৰ বাবে সামগ্রীসমূহৰ সঠিক চৰিত্র নির্ধাৰণৰ বাবে আমদানিকৃত আৰু ৰপ্তানি সামগ্রীৰ নমুনা পৰীক্ষা কৰে।

(খ) সীমাশুল্ক বিষয়াসকলৰ ক্ষমতা

১) সীমাশুল্ক আয়ুক্তই কৰিব পাৰে—

- সামগ্রী যানত উঠোৱা-নমোৱা কৰিবৰ বাবে বা যিকোনো শ্রেণীৰ সামগ্রী যিকোনো সীমাশুল্ক বন্দৰত বা সীমাশুল্ক বিমান বন্দৰত বা উপকূলীয় বন্দৰত সঠিক স্থানৰ অনুমোদন জনাব পাৰে,

- যিকোনো সীমাশুল্ক এলেকাৰ সীমা নির্দিষ্ট কৰি দিব পাৰে।

২) সীমাশুল্ক আয়ুক্তজনে সীমাশুল্ক বিষয়াৰ দ্বাৰা জলযানৰ পৰা সামগ্ৰী নমাবলৈ বা সামগ্ৰী উঠোৱা-নমোৱা কৰিবলৈ যিকোনো সীমাশুল্ক বন্দৰত বা তাৰ ওপৰত একোটা উঠোৱা-নমোৱা আস্থান নিযুক্ত কৰিব পাৰে।

৩) ব'ৰ্ডে আৰোপ কৰা অনুসৰি এনে চৰ্তাৱলী আৰু সীমাবদ্ধতাবিলাকৰ প্ৰতি লক্ষ্য ৰাখি একোজন সীমাশুল্ক বিষয়াই এই আইনৰ অধীনত তেওঁক আৰোপ কৰা কৰ্তব্যবিলাক সম্পাদন কৰাৰ ক্ষমতা কাৰ্যকৰী কৰিব পাৰে।

৪) সীমাশুল্কৰ একোজন বিষয়াই এই আইনৰ অধীনত তেওঁক প্ৰদান কৰা ক্ষমতা বা কাৰ্যাৱলী তেওঁৰ তলতীয়া যিকোনো সীমাশুল্ক বিষয়াৰ ওপৰত কাৰ্যকৰী কৰিব পাৰে।

৫) এই অনুচ্ছেদত নথকা যিকোনো বিষয় সন্দৰ্ভত, একোজন আয়ুক্তই (আৱেদন) দফা ১৫ আৰু অনুচ্ছেদ ১০৮ত নির্দিষ্ট কৰি দিয়াবিলাকৰ বাহিৰে অন্য বিষয় একোজন সীমাশুল্ক বিষয়াৰ ওপৰত আৰোপ কৰিব নোৱাৰিব।

সীমাশুল্ক বিষয়াসকলক গুদামঘৰ আস্থান ঘোষণা কৰিবলৈ, গুদামঘৰ স্থাপনৰ অনুমতি দিবলৈ (চৰকাৰী/বেচৰকাৰী) কর্তৃত্ব প্ৰদান কৰা হৈছে। যিকোনো জলযান/বাহন/ব্যক্তিক তালাচী চলাবলৈ, সামগ্ৰী জব্দ কৰিবলৈ আৰু গ্ৰেপ্তাৰ কৰিবলৈ তেওঁলোকৰ ক্ষমতা আছে।

সীমাশুল্ক বিষয়াসকলে অবৈধ বিত্তীয় প্ৰবাহ, বৌদ্ধি সম্পত্তি অধিকাৰৰ অপপ্ৰয়োগ ৰোধ কৰিব লাগে আৰু মাৰণাস্ত্ৰ, নিচাজাতীয় দ্ৰব্য, নকল মুদ্ৰা আৰু শাৰীৰিক ক্ষতি সাধনকাৰী আৰু নিষিদ্ধ বিভিন্ন সামগ্ৰীৰ সৰবৰাহ ৰোধ কৰিব লাগে। সীমাশুল্ক বিষয়াসকলৰ কর্তব্য হৈছে ৰাজহ বৃদ্ধি কৰা আৰু ইয়াকে কৰিবলৈ যাওঁতে বৈধ সামগ্ৰী আৰু সেৱাৰ চলাচলত বাধাৰ সৃষ্টি নকৰাকৈ চোৱাং বেহা ৰোধ কৰিব লাগে। শেহতীয়াকৈ প্ৰযুক্তিগত দিশত ব্যাপক অগ্ৰগতিৰ লগতে উদাৰীকৰণ আৰু গোলকীকৰণৰ প্ৰতি দৃষ্টি ৰাখি সুচলতাৰে কাম-কাজ সম্পন্ন কৰা আৰু ক্ষমতা প্ৰয়োগ কৰাৰ মাজত যথেষ্ট প্ৰত্যাহ্বান আহি পৰিছে।

দেশৰ অর্থনৈতিক বিকাশত সীমাশুল্ক বিষয়াসকলৰ এক ব্যতিক্ৰমী গুৰত্বপূর্ণ ভূমিকা আছে, যিহেতু সীমাশুল্ক কেৱল ৰাজহৰ এটা গুৰুত্বপূর্ণ উৎসই নহয় বৰং সীমান্তৰ ইপাৰ-সিপাৰৰ বাণিজ্য নিয়ন্ত্ৰণৰ এক শক্তিশালী আহিলাও। সুতখোৰ মহাজনসকলক নিয়ন্ত্ৰণ কৰি, আই পি আৰ অপপ্ৰয়োগ ৰোধ কৰি, মাৰণাস্ত্ৰ-নিচাজাতীয় দ্ব্য— নকল মুদ্ৰা ইত্যাদিৰ সৰবৰাহ বন্ধ কৰি সীমাশুল্ক বিষয়াসকলে দেশৰ নিৰাপত্তাৰ বিষয়বিলাকত দৃষ্টি ৰাখিব লাগে। প্ৰযুক্তিগত অগ্ৰগতিৰ ফলত হোৱা পৰিৱর্তনসমূহৰ লগতে উদাৰীকৰণ আৰু গোলকীকৰণৰ ভাৰসমতা ৰক্ষা কৰাটো এটা প্ৰত্যাহ্বানপূর্ণ কাম হৈ পৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সীমাশুল্ক আইন, ১৯৬২ৰ অধীনত কৰযোগ্য ঘটনাৰ চৰ্তাৱলী উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ সীমাশুল্ক বিষয়াৰ দুটা ক্ষমতা উল্লেখ কৰক।

.....

.....




১৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- সীমাশুল্ক আইনৰ অধীনত আৰোপিত প্রাথমিক সীমাশুল্ক জি এছ টিৰ অধীনত ধার্য নহয় আৰু সেয়ে জি এছটিৰ লগতে এই কৰ আৰোপিত হ'ব পাৰে।
- ভাৰতৰ সংবিধানৰ দ্বাৰা দফা ২৬৫ৰ অধীনত সীমাশুল্ক আইন, ১৯৬২ (Customs Duty Act, 1962) ৰ অধীনত সীমাশুল্ক আৰোপিত হয়, য'ত কোৱা হৈছে— 'আইনৰ দ্বাৰা কর্তৃত্বপ্রাপ্তৰ বাহিৰে আনে কৰ আৰোপ বা সংগ্রহ কৰিব নোৱাৰিব।'
- সীমাশুল্ক আইন, ১৯৬২ৰ অধীনস্থ বিভিন্ন ধৰণৰ সীমাশুল্কবিলাক হৈছে—
  - ১) প্রাথমিক সীমাশুল্ক
  - ২) সমন্বিত কৰ [কাষ্টম্‌ছ টেৰিফ এক্ট, ১৯৭৫ৰ অনুচ্ছেদ ৩(৭)]
  - ৩) সামগ্রী আৰু সেৱাকৰ ৰেহাই উপকৰ [কাষ্টম্‌ছ টেৰিফ এক্ট, ১৯৭৪ৰ অনুচ্ছেদ ৩(৯)]
  - ৪) অতিৰিক্ত সীমাশুল্ক (কাষ্টম্‌ছ টেৰিফ এক্ট, ১৯৭৫ৰ অনুচ্ছেদ ৩)
  - ৫) বিশেষ অতিৰিক্ত শুল্ক
  - ৬) সুৰক্ষামূলক শুল্ক (কাষ্টম্‌ছ টেৰিফ এক্ট, ১৯৭৫ৰ অনুচ্ছেদ ৬ আৰু ৭)
  - ৭) ৰক্ষাকৰচ শুল্ক (কাষ্টম্‌ছ টেৰিফ এক্ট, ১৯৭৫ৰ অনুচ্ছেদ ৮)
  - ৮) ৰাজসাহায্যযুক্ত সামগ্রীত প্রতিৰোধমূলক শুল্ক (কাষ্টম্‌ছ টেৰিফ এক্ট, ১৯৭৫ৰ অনুচ্ছেদ ৯)
  - ৯) ৰাজসাহায্যযুক্ত সামগ্রীৰ ওপৰত সাময়িক প্রতিৰোধমূলক শুল্ক
  - ১০) বর্জন-বিৰোধী শুল্ক (কাষ্টম্‌ছ টেৰিফ এক্ট, ১৯৭৫ৰ অনুচ্ছেদ ৯)

১১) সাময়িক বর্জন-বিৰোধী শুল্ক।

- ভাৰতলৈ কৰা আমদানি আৰু ভাৰতৰ বাহিৰলৈ কৰা ৰপ্তানিৰ ওপৰত সীমাশুল্ক (customs duty) আৰোপ কৰা হয়। ভাৰতৰ সংবিধানৰ সপ্তম অনুসূচীৰ কেন্দ্রীয় তালিকা (Union List) ৰ 'এণ্ট্রী ৮৩'ৰ পৰা সীমাশুল্কৰ উদ্ভৱ হয় যাক এনেদৰে কোৱা হয়— 'ৰপ্তানি শুল্কসহ সীমাশুল্ক' (Duty of Customs including export duties)।
- সীমাশুল্কৰ ক্ষেত্রত আইন প্রস্তুত কৰাৰ ক্ষমতা কেন্দ্রীয় চৰকাৰক দিয়া হৈছে।
- সীমাশুল্কৰ ক্ষেত্রত আইন প্রস্তুত কৰাৰ ক্ষমতা কেন্দ্রীয় চৰকাৰৰ হাতত ন্যস্ত আছে। মাছুল আৰোপ কৰা অনুচ্ছেদ হিচাপে পৰিচিত সীমাশুল্ক আইনৰ অনুচ্ছেদ ১২ত কোৱা হৈছে যে 'কাষ্টম্ছ টেৰিফ এক্ট, ১৯৭৫ৰ অধীনত নির্ধাৰিত নিৰিখ অনুসৰি সীমাশুল্ক আৰোপিত হ'ব, বা সেই সময়ত বলবৎ হৈ থকা যিকোনো আইন মতে হ'ব লাগে আৰু এই শুল্ক ভাৰতলৈ আমদানি কৰা বা ভাৰতৰ পৰা বাহিৰলৈ ৰপ্তানি কৰা সামগ্রীৰ ওপৰত আৰোপিত হ'ব।
- আমদানি আৰু ৰপ্তানি দুয়োবিধ সামগ্রীৰ সীমাশুল্কৰ নিৰিখ নির্ধাৰণ কৰিবৰ বাবে সামগ্রীৰ মূল্য নিৰূপণৰ ব্যৱস্থা সীমাশুল্ক আইন, ১৯৬২ৰ অনুচ্ছেদ ১৪ৰ অধীনত দিয়া আছে।



১৪.১১ অধিক জানিবলৈ

১) Direct Tax Laws & International Taxation by T. N. Manoharan, Snow White Publications.

২) Direct Taxes Law & Practice -With Special Reference To Tax Planning (61st Edition A.Y. 2019-20) by Vinod K. Singhania & KapilSinghania.

৩) Income Tax Act, 1961, Bare Act.

৪) Income Tax Act by Girish Ahuja & Ravi Gupta.

১৪.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'বিপণী' (Stores) মানে হৈছে একোখন জলযান বা বাহনত থকা ব্যৱহাৰ কৰিব পৰা সামগ্রী আৰু ইয়াৰ ভিতৰত আছে ইন্ধন, অতিৰিক্ত যন্ত্রাংশ আৰু অন্য আহিলাপাতি, সেইবিলাক লগে লগে কামত লগোৱা হওক বা নহওক।

২ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতত স্থাপিত উদ্যোগসমূহক সুৰক্ষা প্রদান কৰিবলৈ এনে কৰ আৰোপ

কৰাটো পৰিস্থিতি সাপেক্ষ বুলি কেন্দ্রীয় চৰকাৰে ভাবিলে 'সুৰক্ষামূলক শুল্ক' আৰোপ কৰা হয়। অনুচ্ছেদ ৭(১) অনুসৰি প্রথম অনুসূচীত নির্দিষ্ট কৰি দিয়া যিকোনো তাৰিখ পর্যন্তহে সুৰক্ষামূলক শুল্ক কার্যকৰী হ'ব।

৩ নং প্রশ্নৰ উত্তৰ ঃ সীমাশুল্ক আইনৰ অধীনত 'কৰযোগ্য ঘটনা' হ'বলৈ তলত দিয়া উপাদানসমূহৰ প্রয়োজন ঃ

১) সামগ্রী শাৰীৰিকৰূপত থাকিব লাগিব।

২) নির্দিষ্ট উদ্দেশ্যৰ বাবে মানুহে আনিব লাগিব।

৩) ভাৰতত সোমাব লাগিব বৰং সীমাশুল্কৰ পৰিধিত।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১) সীমাশুল্ক আয়ুক্তই কৰিব পাৰে—

- সামগ্রী যানত উঠোৱা-নমোৱা কৰিবৰ বাবে বা যিকোনো শ্রেণীৰ সামগ্রী যিকোনো সীমাশুল্ক বন্দৰত বা সীমাশুল্ক বিমান বন্দৰত বা উপকূলীয় বন্দৰত সঠিক স্থানৰ অনুমোদন জনাব পাৰে।
- যিকোনো সীমাশুল্ক এলেকাৰ সীমা নির্দিষ্ট কৰিদিব পাৰে।

২) সীমাশুল্ক আয়ুক্তজনে সীমাশুল্ক বিষয়াৰ দ্বাৰা জলযানৰ পৰা সামগ্রী নমাবলৈ বা সামগ্রী উঠোৱা-নমোৱা কৰিবলৈ যিকোনো সীমাশুল্ক বন্দৰত বা তাৰ ওচৰত একোটা উঠোৱা-নমোৱা আস্থান নিযুক্ত কৰিব পাৰে।



১৪.১৩ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভাৰতৰ সীমাশুল্ক আইনৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্রশ্ন ২ ঃ সীমাশুল্ক আৰোপৰ উদ্দেশ্যসমূহ উল্লেখ কৰক।

প্রশ্ন ৩ ঃ বিভিন্ন প্রকাৰৰ সীমাশুল্কৰ ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ সীমাশুল্ক পৰিচালনাৰ নীতিসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৫ ঃ সীমাশুল্ক আইন, ১৯৬২ৰ অধীনত সামগ্রীৰ শ্রেণী বিভাজনৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৬ ঃ সীমাশুল্ক আইনৰ অধীনত সামগ্রীৰ মূল্য নিৰূপণৰ বিষয়ে চমুকৈ আলোচনা কৰক।

*** ***** ***



প্ৰসঙ্গ পুথি (পাঠ্য বিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে প্ৰযোজ্য)

1) Axmann's GST Acts with Rules & Forms [Bare Act] by Taxmann Publication.
2) B B Dam, S Sikidar, R Barman, B Bora: Direct and Indirect Taxes, Capital Publishing Company, G S Road, Guwahati.
3) Customs Law Practice & Procedures by V.S. Datey Taxmann Publications.
4) Direct Tax Laws & International Taxation by T. N. Manoharan, Snow White Publications.
5) Direct Taxes Law & Practice -With Special Reference To Tax Planning (61st Edition A.Y. 2019-20) by Vinod K. Singhania & Kapil Singhania.
6) Goods and Services Tax GST by by H.C. Mehrotra & V.P. Agarwal, Sahitya Bhawan Publications.
7) GST: A Transformational Tax Reform by V. S. Krishnan.
8) Goods and Services Tax (GST) in India by B. Viswanathan.
9) Income Tax Act, 1961, Bare Act.
10) Income Tax Act by Girish Ahuja & Ravi Gupta.
11) The Customs Act, 1962, Bare Act.
12) Taxmann's GST Acts with Rules & Forms [Bare Act] by Taxmann Publication.
13) V K Singhania, K Singhania, Taxmann.

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড চৌহদ, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দর্ভত শিক্ষার্থীৰ সঁহাৰি

প্ৰিয় শিক্ষার্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দর্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিকন সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেড পৰিসৰ, দিশপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তর্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? [ ][ ][ ]

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দর্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব-শিকন সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিকন উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব-শিকন সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কার্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পর্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পর্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকর্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিকন সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিকন সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱর্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।